# নাম-ধৰ্ম

অষ্টপঞ্চাশত্তম বৰ্ষ ঃ দ্বিতীয় সংখ্যা

৫৬০ শঙ্কৰাব্দ ঃ অধিৱেশন সংখ্যা

## ভাগৱত বিশেষ সংখ্যা

(দ্বিতীয় খণ্ড)

জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ


সম্পাদক

ড° প্ৰদীপ হাজৰিকা



**শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

মূল কাৰ্যালয় ঃ নগাঁও (অসম)

২০০৯ খ্ৰীষ্টাব্দ

**NAM-DHARMA :** *A publication of Srimanta Sankaradeva Sangha, Published by Sri Hariprashad Hazarika, General Secretary, Srimanta Sankaradeva Sangha, Head Office : Nagaon, Assam.*
Editor : Dr. Pradip Hazarika, Price Rs. 25.00 560th Sankarabda, February-2009

**© শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘ**

আহিন ঃ ৫৬০ শঙ্কৰাব্দ ঃ ফেব্ৰুৱাৰী, ২০০৯

**প্ৰকাশক ঃ**
শ্ৰীহৰিপ্ৰসাদ হাজৰিকা
প্ৰধান সম্পাদক,
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

**মুখ্য সম্পাদক ঃ**
শ্ৰীজীৱকান্ত নাথ

**সম্পাদনা সমিতি ঃ**
সভাপতি ঃ শ্ৰীভৱেন দুৱৰী
সম্পাদক ঃ ড° প্ৰদীপ হাজৰিকা
সদস্য ঃ শ্ৰীপদ্মৰাম মহন্ত
শ্ৰীপ্ৰদীপ কুমাৰ শইকীয়া
সদস্যা ঃ শ্ৰীনিৰ্মলা দাস
শ্ৰীদীপ্তি মহন্ত

**অৰিহণা ঃ** ২৫.০০ টকা

**প্ৰাপ্তিস্থান ঃ**
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যালয় ঃ কলংপাৰ, নগাঁও
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ৰূপনগৰ, গুৱাহাটী
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ যোৰহাট
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ লখিমপুৰ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ গৌৰীপুৰ, ধুবুৰী
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ডিব্ৰুগড়
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সকলো জিলা শাখাৰ কাৰ্যালয়

**অক্ষৰ বিন্যাস ঃ**
সত্যসন্ধা প্ৰেছ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী-৩২

**মুদ্ৰণ ঃ**
মাতৃ অফ্ছেট প্ৰেছ
হেদায়েৎপুৰ, গুৱাহাটী-৭৮১০০৩

# প্ৰকাশকৰ একাষাৰ

'নাম-ধৰ্ম' আলোচনীৰ অষ্টপঞ্চাশত্তম বৰ্ষৰ ২য় সংখ্যা ৭৮তম বাৰ্ষিক অধিৱেশন উপলক্ষে প্ৰকাশ কৰা হ'ল। ১ম সংখ্যাটি ভাগৱত বিশেষ সংখ্যা (প্ৰথম খণ্ড) হিচাপে প্ৰকাশ পাইছিল। বৰ্তমান সংখ্যাটিও ভাগৱত বিশেষ সংখ্যা (দ্বিতীয় খণ্ড) হিচাপে নামকৰণ কৰা হৈছে।

শ্ৰীমদ্ভাগৱত শাস্ত্ৰভাগিৰ সম্পৰ্কে আলোচনা কৰাৰ এক বৃহৎ পৰিসৰ আছে। সহস্ৰাধিক বছৰ জুৰি এইভাগি শাস্ত্ৰই ভগৱান শ্ৰীকৃষ্ণৰ গুণগ্ৰাহী সেৱকসকলক আকুল কৰি আহিছে। গুৰুজনাৰ প্ৰযত্নত স্বদেশৰ ভাষাত এই শাস্ত্ৰভাগি ৰচিত হোৱাত ইয়াৰ সমাদৰ শতগুণে বৃদ্ধি পালে। গুৰুজনাই নিজে ভাগৱতৰ পদত অনেক ঠাইত বিশেষকৈ ভণিতাসমূহত এই শাস্ত্ৰৰ মহিমা সম্পৰ্কে উক্তি ৰাখি গৈছে। মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱেও ভাগৱত প্ৰশংসাসূচক অনেক পদ ঘোষা ৰচনা কৰি এই শাস্ত্ৰভাগিৰ মহিমা সুন্দৰকৈ ব্যাখ্যা কৰিছে। পুৰাণসমূহৰ ভিতৰত শ্ৰেষ্ঠ পুৰাণ ভাগৱত মহাপুৰাণক পুৰাণৰ সূৰ্য, কোটি সূৰ্য সম, আদি অনেক বৈশিষ্ট্যপূৰ্ণ অভিধাৰে শাস্ত্ৰভাগিৰ গৰিমা ব্যক্ত কৰিছে। নাম-ধৰ্ম আলোচনীৰ বিশেষ সংখ্যা দুটিৰ মাধ্যমেৰেও শাস্ত্ৰভাগিৰ সম্পৰ্কে লেখকসকলে বিভিন্ন দিশত অৱলোকন কৰিছে। একশৰণৰ ভেটি সুদৃঢ়কৰণত মদ্ভাগৱত শাস্ত্ৰৰ অৱদান যুগজয়ী আৰু কালজয়ী। ভগৱান কৃষ্ণৰ বাঙ্ময় মূৰ্তিৰ প্ৰতীক স্বৰূপ এই শাস্ত্ৰভাগিৰ প্ৰতি ভক্তসকলৰ অগাধ শ্ৰদ্ধা আৰু বিশ্বাসৰ মূল কাৰণ হ'ল প্ৰভু কৃষ্ণই বৈকুণ্ঠ প্ৰয়াণত ভক্ত উদ্ধৱক বেকত কৰা সেই দিব্যবাণী--

স্বকীয়ং মত্তুবেতেজস্তচ্ছ ভাগৱতেহদধ্যাৎ।
তিৰোধায় প্ৰবিষ্টোৎয়ং শ্ৰীমদ্ভাগৱতাৰ্ণৱম।।৩/৬১
তেনয়ং বাঙ্ময়ী মূৰ্ত্তি প্ৰত্যক্ষাৰৰ্ত্ততে হৰেঃ।
সেৱনাচ্ছৱনাৎ পাঠাৰ্দ্দাশনাৎ পাপনাশিনী।।

-- ভাগৱত, ৩/৬২

এতদ অৰ্থে বৈকুণ্ঠৰ কল্পতৰু, পৰম ব্ৰহ্ম কৃষ্ণৰ বাঙ্ময় মূৰ্তি ভাগৱত শাস্ত্ৰ সেৱা কৰিলে, শ্ৰৱণ কৰিলে, কীৰ্তন কৰিলে আৰু দৰ্শন কৰিলে মনুষ্য মাত্ৰেই পাপ ক্ষয় কৰিব পাৰে। এইয়ে শ্ৰীমদ্ভাগৱত শাস্ত্ৰৰ প্ৰতি থকা ভকতসকলৰ একান্ত বিশ্বাসৰ পটভূমি।

এই সংখ্যা 'নাম-ধৰ্ম'ৰ লেকখ-লেখিকা তথা সম্পাদনা সমিতিৰ সকলো বিষয়ববীয়া তথা সদস্যা-সদস্যাৰ্লৈ ধন্যবাদ আৰু কৃতজ্ঞতা জনাই প্ৰকাশকৰ একেষাৰ সামৰণী মাৰিলো।

সেৱাৰে--
**হৰিপ্ৰসাদ হাজৰিকা**
প্ৰধান সম্পাদক
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

নগাঁও মূল কাৰ্যালয়
২২/১/২০০৯
১৪ মাঘ ৫৬০ শঙ্কৰাব্দ

# সম্পাদকীয়

ভাৰতৰ সাহিত্য, সংস্কৃতি আৰু সামাজিক জীৱনত নিগম শাস্ত্ৰৰ কল্পতৰু শ্ৰীমদ্ভাগৱত গ্ৰন্থ, মহৰ্ষি বেদব্যাস ৰচিত এক মহত্তম সৃষ্টি। ভাৰতবৰ্ষৰ দৰে বহুভাষীক আৰু বিচিত্ৰ দৰ্শনেৰে সমৃদ্ধ দেশ এখনক শ্ৰীমদ্ভাগৱত পুৰাণে এক শক্তিশালী যোগসূত্ৰৰে বান্ধি ৰাখিবলৈ সক্ষম হোৱাই নহয়, ভাৰতীয়সকলক চিন্তা আৰু দৰ্শনেৰে যুগ যুগ ধৰি অনুপ্ৰাণিত কৰি আহিছে।

ভাৰতবৰ্ষৰ বিশাল মহাকাব্য মহাভাৰতৰ দৰে শ্ৰীমদ্ভাগৱত পুৰাণৰো ৰচনা কাল, স্থান আৰু ৰচক সম্পৰ্কে ভিন্নজনে ভিন্ন মত পোষণ কৰি আহিছে। এই সম্পৰ্কে প্ৰাশ্চাত্য সমালোচকসকলৰ কথা বাদেই প্ৰাচ্য তাত্ত্বিকসকলেও উল্লিখিত বিষয়সমূহত এক মত পোষণ কৰা নাই। তৎসত্বেও এই ধাৰণা কৰিব পাৰি যে, এচাম কৃষ্ণ ভক্তিপৰায়ণ কবিৰ প্ৰচেষ্টাতেই ভাগৱত পুৰাণ দক্ষিণ ভাৰতত ৰচিত হৈছিল। স্মৰ্তব্য যে, ভক্তি আন্দোলনৰ সময়ত ভাৰতৰ প্ৰায়বোৰ প্ৰাদেশীক ভাষাত শ্ৰীমদ্ভাগৱত পুৰাণ ৰচিত হোৱাৰ উপৰিও পৰৱৰ্তী কালত বিদেশৰ কেইবাটিও ভাষালৈ গ্ৰন্থখনি অনুদিত হৈছে। ১৭৮৬ চনত গ্ৰন্থখনি ফ্ৰান্স ভাষালৈ আৰু ১৭৯১ চনত জাৰ্মান ভাষালৈ অনুদিত হোৱাৰ উপৰিও ১৮৯৫ খৃষ্টাব্দত ইংৰাজী ভাষালৈ অনুবাদ হৈ গ্ৰন্থখনিয়ে বিশ্বৰ সাহিত্যত সুকীয়া আসন লাভ কৰিবলৈ সমৰ্থ হয়।

প্ৰকৃততে ভাৰতৰ ভক্তি আন্দোলন আৰু শ্ৰীমদ্ভাগৱত গ্ৰন্থৰ সম্পৰ্ক এটি মুদ্ৰাৰে যেন ইপিঠি-সিপিঠি। অন্যহাতে, ভক্তি আন্দোলনৰ লগে লগে ভাৰতীয় সমাজ আৰু সংস্কৃতিৰ এক নৱজাগৰণৰ সৃষ্টি হয়, তদ্ৰূপ ভাগৱত গ্ৰন্থৰ অনুবাদে ভাৰতীয় সাহিত্যতো এক নব্য চিন্তা-ধাৰাৰ সূত্ৰপাত হয়। এই আন্দোলনৰ অসমৰ এগৰাকী প্ৰবক্তা তথা গুৰুজনাৰ প্ৰিয় শিষ্য অনন্ত কন্দলি ৰচিত এটি স্তৱকৰ পৰাই সমাজৰ নিম্ন শ্ৰেণী তথা নাৰী সমাজক কেনেদৰে অনুপ্ৰাণিত কৰিছিল সেই কথাৰ সম্ভেদ পোৱা যায়। অনন্ত কন্দলি প্ৰণীত সেই বিখ্যাত স্তৱকটি হ'ল-- 'শ্লোক সংস্কৃত আমি/ লিখিবাক ভাল জানি/ তথাপি কৰিলো পদবন্ধ। স্ত্ৰী শূদ্ৰ আদি যত/ জানোক পৰম তত্ব/ শ্ৰৱণত মিলয় আনন্দ।।' উক্তিটিৰ মাজেদি সমাজৰ উল্লিখিত দুই শ্ৰেণীৰ লগতে অন্যান্য সকলৰ প্ৰতিও কবি গৰাকীয়ে কেনেদৰে দায়বদ্ধতাৰে সাহিত্য কৰ্মত লিপ্ত হৈছিল, তাৰ আভাস পোৱা যায়।

পঞ্চদশ আৰু ষোড়শ শতিকাত অসমত যি ভক্তি আন্দোলনৰ সূচনা হৈছিল-- সেই আন্দোলনৰ মূল আধাৰ আছিল শ্ৰীমদ্ভাগৱত পুৰাণ। শ্ৰীমন্ত শঙ্কৰদেৱকে ধৰি এদল ভক্ত বৈষ্ণৱ কবিৰ অনুপ্ৰেৰণা আছিল

উল্লিখিত মহাপুৰাণখনি। কেৱল সাহিত্যৰ ক্ষেত্ৰতে নহয়- চিত্ৰ, ভাস্কৰ্য, গীত, নাটক, সংগীত আৰু নৃত্যৰ ক্ষেত্ৰতো ভাগৱত পুৰাণৰ প্ৰভাৱ অপৰিসীম। স্মৰ্তব্য যে, শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই গ্ৰন্থখনিক সূৰ্য পুৰাণ ৰূপে অভিহিত কৰাৰ পৰাই মহাপুৰুষীয়া ধৰ্মত তথা একশৰণ হৰিনাম ধৰ্মত মহাপুৰাণখনিৰ গুৰুত্ব প্ৰতিপাদিত হৈ আহিছে। যথাৰ্থতে, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰচনাৰাজিৰ সিংহভাগ ভাগৱতৰ আধাৰত প্ৰোথিত। বিশেষকৈ, প্ৰাৰম্ভতে মঙ্গলাচৰণ, ঋষিৰ প্ৰশ্ন আৰু ব্যাস-নাৰদ সংবাদ অধ্যায়ত ভাগৱতৰ জন্ম বিতান্ত সূচিত হোৱাই নহয়, কৃষ্ণ বিহীন শাস্ত্ৰ উচ্চিষ্ট গৰ্ততকৈও অপৱিত্ৰ বুলি অভিহিত কৰি অন্যান্য শাস্ত্ৰৰ গুৰুত্ব লঘিমা কৰাৰ পৰাই মহাপুৰুষীয়া ধৰ্মত গ্ৰন্থখনিৰ শ্ৰেষ্ঠত্ব আৰু গুৰুত্ব সততেই উপলব্ধি হয়। 'যিটো শাস্ত্ৰ নাহি নাম কৃষ্ণৰ চৰিত্ৰ/ উচ্চিষ্ট গৰ্ততো কৰি সিসি অপৱিত্ৰ।'

ওঠৰ হাজাৰ শ্লোকেৰে সমৃদ্ধ শ্ৰীমদ্ভাগৱত এখন সুবৃহৎ ভক্তি নিৰূপক গ্ৰন্থ। ভাৰতৰ ভক্তি আন্দোলনৰ এজন তাত্ত্বিক শ্ৰীধৰ স্বামীয়ে দ্বাদশ স্কন্ধ ভাগৱতত ওঠৰ হাজাৰ শ্লোকৰ সমাৱেশ হোৱাৰ কথা উল্লেখ কৰিছে। অন্যহাতে তিনিশ পঁয়ত্ৰিশ অধ্যায় সম্বলিত দ্বাদশ স্কন্ধৰ ভাগৱতত থকা অধ্যায়সমূহ এনেধৰণৰ ঃ প্ৰথম স্কন্ধত ১৯, দ্বিতীয়ত ১০, তৃতীয়ত ৩৩, চতুৰ্থত ৩১, পঞ্চমত ২৬, ষষ্ঠত ১৯, সপ্তমত ১৫, অষ্টমত ২৪, নৱমত ২৪, দশমত ৯০, একাদশত ৩১ আৰু দ্বাদশত ৩৩টি অধ্যায় সন্নিৱিষ্ট হৈছে। এই পৰিপ্ৰেক্ষিতত দ্বিতীয় স্কন্ধতেই আটাইতকৈ কম আৰু দশম স্কন্ধতেই সৰ্বাধিক অধ্যায় সন্নিৱিষ্ট হৈছে। স্মৰ্তব্য যে, অন্যান্য টীকাভাষ্যইও তিনিশ পঁয়ত্ৰিশ অধ্যায় থকাৰ কথা সমৰ্থন কৰিছে।

ভাৰতীয় ভক্তি আন্দোলনৰ ভৰপকতে গ্ৰন্থখনি অসমীয়ালৈ অনুবাদ হোৱাৰ ফলত অসমৰ সাধাৰণ মানুহেও পঠনৰ জৰিয়তে ভাৰতীয় চিন্তা আৰু দৰ্শনৰ লগত জড়িত হোৱাতো অসমীয়া জাতীয় জীৱনৰ বাবে এক স্মৰণীয় অধ্যায়। তদুপৰি ভাগৱতখনিৰ লগতে গ্ৰন্থখনিৰ আখ্যান-উপাখ্যানক আধাৰ স্বৰূপে লৈও পঞ্চদশ ষোড়শ শতিকাত আৰু পৰিৱৰ্তী কালতো বিপুল পৰিমাণৰ সাহিত্য ৰচনা হৈছিল, যাৰ ফলত অসমীয়া বৈষ্ণৱ সাহিত্যৰ ভেটি সুদৃঢ় হৈ পৰে।

শ্ৰীমদ্ভাগৱতৰ এই বৰ্ণময় প্ৰকাশ আৰু বৈচিত্ৰ্যলৈ লক্ষ্য কৰিয়েই শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ সাহিত্য শাখাই ভাগৱত বিশেষ সংখ্যা নামেৰে এই সংখ্যা 'নাম-ধৰ্ম' প্ৰকাশ কৰাৰ আঁচনি গ্ৰহণ কৰে। স্মৰণীয় যে, ভাগৱতৰ প্ৰথম স্কন্ধৰ পৰা ষষ্ঠ স্কন্ধলৈকে সামৰি ভাগৱত বিশেষ সংখ্যাৰ প্ৰথমটো খণ্ড ইতিমধ্যে গুৰু আৱিৰ্ভাৱ সংখ্যা হিচাপে প্ৰকাশ কৰা হৈছে। এই সংখ্যাত, সপ্তম স্কন্ধৰ পৰা দ্বাদশ স্কন্ধলৈকে সামৰি অধিৱেশন সংখ্যাৰূপে দ্বিতীয় খণ্ডটি প্ৰকাশ কৰাৰ বিনম্ৰ প্ৰয়াস কৰা হৈছে। এইক্ষেত্ৰত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ পদাধিকাৰ ভক্তিভাজন শ্ৰীযুত কৰুণাকান্ত কলিতা বাপ, মাননীয় প্ৰধান সম্পাদক পৰম শ্ৰদ্ধেয় শ্ৰীযুত হৰিপ্ৰসাদ হাজৰিকা বাপ, সাহিত্য শাখাৰ সভাপতি মাননীয় শ্ৰীযুত ড° ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী বাপ আৰু সাহিত্য শাখাৰ সম্পাদক অধ্যাপক শ্ৰীযুত জীৱকান্ত নাথ বাপলৈ আমাৰ সশ্ৰদ্ধ কৃতজ্ঞতা নিবেদিলোঁ। তেখেতসকলৰ দিহা-পৰামৰ্শ আৰু সহযোগিতাই নাম-ধৰ্মখনি প্ৰকাশত আমাক গভীৰভাৱে অনুপ্ৰাণিত কৰিছে। আমাৰ এই প্ৰয়াসৰ প্ৰতি সঁহাৰি দি সুধীজনে ভাগৱতৰ বিভিন্ন দিশ আলোকপাত কৰি নাম-ধৰ্মলৈ

প্ৰবন্ধ প্ৰেৰণ কৰাত আমি অনুগৃহীত হৈছোঁ। অন্যহাতে কেইবাটিও প্ৰবন্ধ, বিষয়বস্তুৰ লগত সঙ্গতি ৰাখি পুনৰ মুদ্ৰণৰো দিহা কৰা হৈছে। তৎসত্বেও সংখ্যাটি সৰ্বাঙ্গসুন্দৰ কৰাৰ ক্ষেত্ৰত আমাৰ অক্ষমতা ৰৈ গ'ল বুলি বাৰে বাৰে অনুভৱ কৰিছোঁ। সুধীজনে ক্ষমাৰ দৃষ্টিৰে নিশ্চয় আমাৰ সৰ্বদোষ মৰিষণ কৰিব।

নাম-ধৰ্মৰ এই সংখ্যাটি যুগুত কৰোঁতে যিসকল লেখক-লেখিকাই বহুমূলীয়া লেখনি প্ৰেৰণ কৰি আমাক গভীৰভাৱে অনুপ্ৰাণিত কৰিলে, সেইসকলৰ প্ৰতিও অন্তৰৰ কৃতজ্ঞতা নিবেদিলোঁ। সংখ্যাটি প্ৰকাশ কৰাৰ ক্ষেত্ৰত সম্পাদনা সমিতিৰ মাননীয় সভাপতি শ্ৰীযুত ভৱেন দুৱৰী বাপৰ নিৰন্তৰ আগ্ৰহ আৰু অকুণ্ঠ সহযোগিতাই আমাক গভীৰভাৱে ঋণী কৰি তুলিছে। শঙ্কৰী সংস্কৃতি কেন্দ্ৰৰ সত্যসন্ধা প্ৰেছৰ কৰ্মী শ্ৰীৰমেন মেধি, শ্ৰীমধুসূদন ভকত আৰু মাতৃ অফ্‌ছেট প্ৰেছৰ স্বত্বাধিকাৰ শ্ৰীকমলাকান্ত বৰা বাপে ছপা-বন্ধা কামখিনি সম্পূৰ্ণ কৰি দিয়াৰ বাবে আন্তৰিক ধন্যবাদ জনালোঁ।

পৰিশেষত আমাৰ সম্পাদনা কৰ্মত হোৱা দোষ-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি সেৱা ধৰিলোঁ।

সেৱাৰে--

আপোনাসৱৰ দাস

**প্ৰদীপ হাজৰিকা**

# সূচীপত্ৰ


| | | | |
|---|---|---|---|
| ভাগৱতত বেদৰ বিচাৰ | ঃ | শ্ৰীকৰুণাকান্ত কলিতা | ১ |
| মহাভাগৱত শাস্ত্ৰ | ঃ | শ্ৰীসোণাৰাম চুতীয়া | ৪ |
| ভাগৱত সমুদ্ৰৰ এটি দুটি অমৃত বিন্দু | ঃ | হেমভাই | ১০ |
| ভাগৱত-ভক্তি আৰু স্যমন্তক মণি | ঃ | ড° পূৰ্ণানন্দ শইকীয়া | ৩৩ |
| অন্তকালে সৰাৰো মিলিল বিসঙ্গতি | ঃ | শ্ৰীৰজনীকান্ত দত্ত | ৩৮ |
| শ্ৰীমদ্ভাগৱত পুৰাণৰ সপ্তম স্কন্ধ আৰু অসমীয়া শ্ৰীমদ্ভাগৱতৰ মৌলিক অনুবাদ ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন | ঃ | ড° ইন্দিৰা শইকীয়া বৰা | ৪১ |
| হিৰণ্যকশিপুৰৰ আধ্যাত্মিক অনুভূতিৰ মূৰ্ত্ত প্ৰকাশ | ঃ | শ্ৰীধীৰেণ চন্দ্ৰ বৰুৱা | ৪৯ |
| ভাগৱতৰ অষ্টম স্কন্ধ ঃ সমীক্ষাত্মক আলোচনা | ঃ | শ্ৰীবোধেশ্বৰ কাকতি | ৫৪ |
| বেদস্তুতিৰ তাৎপৰ্য | ঃ | শ্ৰীৰহীন্দ্ৰ দত্ত | ৫৯ |
| ভাগৱতত বৰ্ষা বৰ্ণন, আধ্যাত্মিক তত্ত্ব আৰু সামাজিক চিত্ৰ | ঃ | শ্ৰীললিত হাজৰিকা | ৬৩ |
| যদুকুল সংহৰণ আৰু কৃষ্ণৰ মহাপ্ৰয়াণ | ঃ | শ্ৰীঅপৰাজিতা বৰকাকতী | ৬৬ |
| উদ্ধৱ গীতা | ঃ | শ্ৰীউমেশ বড়া | ৭১ |
| একাদশ স্কন্ধত কৰুণ ৰস | ঃ | শ্ৰীদীপক কুমাৰ বৰা | ৭৩ |
| ভাগৱত তাৎপৰ্য | ঃ | শ্ৰীভৱেন দুৱৰী | ৭৮ |

# ভাগৱতত বেদৰ বিচাৰ

**শ্ৰীকৰুণাকান্ত কলিতা**
**পদাধিকাৰ**
**শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

দ্বাৰকাত অনেক উৎপাত। অনেক বিমঙ্গল। বতাহ নাই। গছবোৰ উভালি পৰিছে। ঘৰে ঘৰে 'ফেৰুৱে' চিঞৰি ফুৰিছে। প্ৰচণ্ড বতাহ বলিছে। সঘনে বজ্ৰপাত পৰিছে। ভূমিখণ্ড লড়ি উঠিছে। ধাৰাসাৰে হালধীয়া বৰষুণ পৰিছে। কান্দোন নাই লোকৰ চকুপানী সৰিছে। সোণগুই শঙ্খিনী ঘৰে ঘৰে সোমাইছে। একেখন আকাশতে দুই শশী জিলিকি উঠিছে। পশু-পক্ষী উপজিছে। বানৰত নৰ উপজিছে। অকালতে নদ-নদী-সৰোবৰ বাঢ়িছে। আকাশত ধুমকেতু উৰিছে। দ্বাৰকাবাসীৰ হৃদয় কঁপি উঠিছে। ভয়-শংকাত আতংকিত হৈ পৰিছে।

উদ্ধৱে প্ৰভুৰ ইঙ্গিত বুজি পালে। প্ৰভুৱে দ্বাৰকা এৰিব। বৈকুণ্ঠলৈ যাব। তাৰ বাবেই কুল সংহৰিব। তাৰেই ইংগিত বিমঙ্গল সূচনা। নহ'লে কি কাৰণ হ'ব পাৰে? কি কাৰণ হ'ব পাৰে এই বিমঙ্গল সৃষ্টিৰ?

শোক আৰু সন্তাপত উদ্ধৱ আকুল হ'ল। মৰ্মাহত হ'ল 'চকুপানী' গিৰ্‌গিৰকৈ সৰিল। মকমকি কান্দিবলৈ ধৰিলে। প্ৰভু কৃষ্ণৰ কাষ চাপিল। চকুপানী মচি কৃতাঞ্জলি কৰি প্ৰভুক প্ৰণাম জনালে। গদ্‌গদ্ মাতেৰে ক'লে-- প্ৰভু, বংশ সংহৰিবা, ভূমি এৰিবা, বৈকুণ্ঠলৈ যাবা। সেই কাৰণে ঋষিশাপ ব্যৰ্থ নকৰিলা। সৰ্ব তোমাৰ অভিপ্ৰায় জানিলো। তুমি গুচি গ'লে মোৰ কি গতি হ'ব? মই কেনেকৈ থাকিম? প্ৰাণকে এৰিব লাগিব। তুমিয়ে তপ। তুমিয়ে পুণ্য। তুমি বিনেচোন সকলো শূন্য। ত্ৰিজগত অস্তিত্ব বিহীন। মই তোমাৰ চৰণত ধৰিছো-- তোমাৰ লগতে মোকো লৈ যোৱা। নহ'লে মই থাকিম কেনেকৈ? মই তোমাৰ ভক্ত। কত পুণ্যৰ ফলত তোমাৰ দুখানি চৰণ সেৱা কৰি থাকিবলৈ পাইছোঁ। তুমি বিনে মই অনাথ। অনাথক ত্যাগ নকৰিবা প্ৰভু। মোকো লৈ যোৱা। তোমাৰ চৰিত্ৰ অমৃত স্বৰূপ। যি শুনে প্ৰেম ভাৱ উপজে। তোমাৰ চৰণ নেৰে। বিষয়ক তুচ্ছ কৰে। মইতো শুওঁতে, খাওঁতে, স্নানাদি কৰোঁতে, গোপ্য স্থানে তোমাকে সেৱা কৰোঁ। তোমাৰে বস্ত্ৰ অলংকাৰ পিন্ধো। তোমাৰ উচ্চিষ্ট খাওঁ। চিত্ত দঢ়াই আছোঁ, তোমাৰ কৃপাতে দুস্তৰ মায়া তৰিম।

জ্ঞানমাৰ্গীয়ে কায় ক্লেশ কৰে। ইন্দ্ৰিয়ক দমে। কাম-ক্ৰোধ মোহ জিনে। ব্ৰহ্মপদ লভে। কিন্তু তাতো আছে অনেক বিঘিনি। খন্তেকীয়া ব্ৰহ্মপদ কালে বিনষ্ট কৰে। জ্ঞানমাৰ্গীৰ গতি নাই। পুনু সংসাৰ চক্ৰত পৰে। উদ্ধাৰ নাপায়।

আমি মহামূঢ়। আমি গৃহবাসী। ভকতৰ সঙ্গ ল'ম। তোমাৰ চৰিত্ৰ কথা শুনিম। তোমাৰ গুণ-নাম গীত গাম। মুকুতি লভিম। সংসাৰ তৰিম। এইটোৱে আমাৰ চিন্তাভিপ্ৰায়। তোমাৰ চৰণ ছত্ৰৰ ছায়া যিজনে সেৱে। দুস্ত মায়া এৰে, সংসাৰ তাপৰ পৰা ৰক্ষা পায়। তোমাৰ পাৰ এৰিম কেনেকৈ? হে বন্ধু মাধৱ, তুমি এৰি গ'লে থাকিম কেনেকৈ? তুমি বিনেতো মই দিনতে আন্ধাৰ দেখোঁ। তোমাৰ বিয়োগ অগ্নিয়ে মোক পুৰি মাৰিব ধৰিছে। তোমাক এৰি মই ক্ষন্তেকো থাকিব নোৱাৰোঁ।'

উদ্ধৱ শোকত কাতৰ হৈ পৰিল। উচুপিব ধৰিলে প্ৰভু কৃষ্ণৰো চকু সজল হ'ল। ভকতৰ দুখত আকুল হৈ পৰলি। পীতবস্ত্ৰেৰে মুখ মচিলে। নিশ্বাস কাঢ়িলে।

স্নেহেৰে উদ্ধৱক আশ্বাস দিলে।

চিন্তা ত্যাগ কৰা। চিত্ত থিৰ কৰা। তুমি স্বৰূপতে মোৰ আশয় জানিছা। বংশক সংহৰি মই স্বধামলৈ যাম। দেৱতাৰ কাজ সাধিলোঁ। দৈত্য দানৱক বধিলোঁ। অধৰ্ম নাশিলোঁ। ধৰ্ম থাপিলোঁ। এই এতিয়া নিশ্চয়কৈ যাম। মই এৰি গ'লে দ্বাৰকা বুৰিব। সাগৰত বিলীন হ'ব। লোকৰ বিমঙ্গল ঘটিব। দুৰ্জন কলি আহিব। আচাৰ গুচিব। প্ৰজাৰ অধৰ্মত ৰতি হ'ব। তুমি আমি দুয়ো গ'লে অনৰ্থ ঘটিব। ভক্তি পথ লুপ্ত হ'ব। লোক অধোগতি যাব। সকলোকে অধৰ্মই পীড়িব। সমস্ত ভূমি ধৰ্মহীন হ'ব। ৰসাতলে যাব। মোতে চিত্ত দি, মোৰ ভক্তিপথ প্ৰৱৰ্তন কৰি পৃথিৱী পৰ্যটি ফুৰা। তুমি আৰু ইঠাইত নাথাকিবা। মই এৰি গ'লেই দ্বাৰকা সাগৰত বুৰ যাব, থাকিবা ক'ত? যত দেখিছা, যত শুনিছা সকলো স্বপ্নসম- মায়াময়। আজি আছে কাইলৈ নাই। সকলো হৰিময় দেখা। মতিভ্ৰম দূৰ কৰা। জ্ঞান-কৰ্ম-ভক্তি তিনিটা পথ। ভক্তিপথ উত্তম। এইটো মোৰ পৰিচ্ছেদ। ভক্তিয়ে সুগম পথ।

উদ্ধৱে চকু মচিলে। গদ্‌গদ বাক্যে সুধিলে প্ৰাণবন্ধু কৃষ্ণ, মোক এইটো বুজাই কোৱা ঋষিসকলৰ কিয় একমতি নাই। কোনোৱে কয় কৰ্ম, কোনোৱে কয় জ্ঞান, কিন্তু তুমি কোৱা ভক্তিহে শ্ৰেষ্ঠ কৰ্ম; জ্ঞান নহয়। বেদ বাক্য একে হ'ব লাগে। কিয় ভিন্ ভিন্ হ'ল? ইয়াৰ কাৰণ কি?মোৰ সংশয় হৈছে। ছেদ কৰা।

প্ৰভু কৃষ্ণই ক'লে-- পূৰ্ব প্ৰলয়ত বেদবাণী নষ্ট হ'ল। মই উদ্ধাৰ কৰিলো। ব্ৰহ্মাক দিলো। ব্ৰহ্মাই অন্যান্যক দিলে। বেদে মোৰ কথাই কয়। মোকে বখানে। বেদে মোতে শৰণ ল'বলৈ কৈছে। ময়ে বেদৰ ঈশ্বৰ। বেদবাণী মোৰেই বাণী। মোৰ বাণীৰ অপব্যাখ্যা হ'ল। মৰ্মাৰ্থ ঋষিসকলে বুজিব নোৱাৰিলে। ঋষিকৃত বেদ ধৰ্ম মায়াময়। বেদৰ নিকা অৰ্থ ভকতি। এই অৰ্থ এৰিলে, অন্য অৰ্থ বুজিলে। কোনোৱে কৈছে-- ক্ষুদ্ৰ দেৱ পূজা, তীৰ্থ স্নান কৰা, কোনোৱে কৈছে-- জ্ঞানতেহে গতি। জ্ঞানমাৰ্গী হোৱা। যাৰ যেন মতি ব্যাখ্যা কৰিবলৈ ধৰিলে। ফলত মায়াময় বেদধৰ্ম গঢ়ি উঠিল। ভক্তি বিনে বেদৰ আন কোনো অভিপ্ৰায় নাই। কোনো কোনো আছে শাস্ত্ৰ বিচাৰ নকৰে। মন্দমতিৰ দৰে আচৰণ কৰে। কুলধৰ্ম কৰে. পূৰ্বপুৰুষৰ আচাৰ পালন কৰে। সেই সকলে মোক ক'ত পাব? সেইবোৰ কৰোঁতে অধোগতি যায়। কৰ্মী আৰু জ্ঞানী ভকতি বিহীন। ৰাতি দিনে শোকে দুখে নেৰে। তাত গতি নাই। উদ্ধৱ, বেদৰ বিচাৰ আনে নাজানে। মোৰ বাণীৰ অৰ্থ মইহে জানো। এইবাবে ভক্তি বিচাৰ মোৰ সন্মত বিচাৰ। বেদৰ প্ৰকৃত বিচাৰ। ভকতে মোক ভক্তি কৰি সুখ পায়। জ্ঞানী কৰ্মীয়ে নাপায়। ভকতৰ দশোদিশ সুখ ময়। মোক পাই সন্তোষ লভে। এই সুখ এই সন্তোষ জ্ঞানী-কৰ্মীৰ ভাগ্যত নঘটে। মোৰ ভকতে ইন্দ্ৰপদ, ব্ৰহ্মাপদ নিবিচাৰে। এই সকলো মিছা দেখে। ময়ে ভকতৰ প্ৰিয়। মোৰো ভকত প্ৰিয়। ব্ৰহ্মা, হৰ, হলায়ুধ, মোৰ জায়া লক্ষ্মী মোৰ প্ৰিয়। তাতোকৈ ভকত মোৰ অধিক প্ৰিয়। তুমি মোৰ ভকত। তোমাতকৈ প্ৰিয় মোৰ কোন আছে? ভকতেই মোৰ পৰম বান্ধৱ-- প্ৰিয় সুহৃদ। ভকতে মোক চিন্তে, ময়ো ভকতক চিন্তো। ভকতৰ সমান মোৰ কোনো নাই। মই মহাভকতৰ পাছে পাছে ফুৰোঁ। ভকতৰ ধূলা পৰম পৱিত্ৰ। মোৰ সৃষ্টি বিশ্বব্ৰহ্মাণ্ড ভকতৰ ধূলাই পৱিত্ৰ কৰি তোলে। উত্তম ভকত জগত পৱিত্ৰকাৰী। উদ্ধৱ, সামান্য ভকতেও তৰিব পাৰে। কাম-ক্ৰোধ-লোভ-মোহ থাকিব পাৰে। কিন্তু মোৰ ভক্তিৰ অনেক সামৰ্থ। ভক্তিয়ে সেই সকলো নাশ কৰে। মোৰ ভকতক একো দোষে স্পৰ্শিব নোৱাৰে। মাকে পুত্ৰৰ দোষ ধৰে জানো? ভক্তিয়ে ভক্তক পালন কৰে। ভকতি মহিমা অদ্ভুত। কোনোবাই যদি দুষ্ট চিত্তেৰে ভক্তি কৰে, তাৰ পাপ ভক্তিয়ে দাহ কৰে।অমৃত বৰষায়। জুয়ে জানো কেঁচা শুকান বিচাৰ কৰে? আন ক্ষুদ্ৰ দেৱতাত যদি মতি নিদিয়ে, দুৰাচাৰেও মোক ভক্তি কৰি তৰিব পাৰে। মোৰ ভক্তিয়ে দুৰাচাৰকো সাধু কৰিব পাৰে। তেৰেঁই সাধু যি মোক ভক্তি কৰে। তেওঁৰেই পুণ্য কলেৱৰ। তেৰেঁই মুক্তিৰ পাত্ৰ-- পৰম সাধু। কোনোবা কুতৰ্কী পণ্ডিতে নামানিব পাৰে। তুমি ঢোল বজাই শুনাই দিয়া-- কেৱল দুৰাচাৰেই নহয়, চাণ্ডালেও মোক ভক্তি কৰি পৱিত্ৰ হ'ব পাৰে। গীতাতো অৰ্জুনক মই কৈছো-- তপ-জপ, পৰম সন্ন্যাস-- মহাদানেৰেও মোক নাপায়, তত্ত্বজ্ঞান লভিও মোক নাপায়, জগতৰ ধৰ্ম-কৰ্ম কৰিও মোক পানায়-- মোক ভক্তি কৰিয়ে মোৰ ভক্তই সেই

সকলো পায়। যোগবলে মোক আত্মা বুলি যোগীয়ে জানিব পাৰে, কিন্তু চিত্ত শুদ্ধি কৰিব নোৱাৰে। চিতশুদ্ধিৰ একমাত্ৰ উপায় মোৰ প্ৰতি থকা প্ৰেম ভক্তিহে। তাত বিনে কোনো উপায় নাই। জ্ঞানী কৰ্মীয়ে মৃত্যু ভয় দূৰ কৰিব নোৱাৰে-- পাৰে কেৱল মোৰ প্ৰেমীক ভক্তই।

উদ্ধৱে ক'লে-- প্ৰভু, ভকতি পৰম গতি বুলি জানিছোঁ। তথাপি মোৰ মনত সংশয় এটা আছে। তুমি ছেদ কৰি মোৰ মনৰ সংশয় দূৰ কৰা। বিষয় পৰম আপদ। কিন্তু একো প্ৰাণীয়ে এৰিব নোৱাৰে। নিৰ্গত কুকুৰে মাৰ খায়, ভৰ্ৎসনা খায়-- তথাপি উচ্ছিষ্ট ভুঞ্জিব নেৰে, দূৰৈলে নাযায়। কাটিবলৈ নিলেও ছাগে কামুক স্বভাৱ নেৰে। লাথি পায়ো গাধই গৰ্দ্দভীৰ লগ নেৰে। সেইদৰে সংসাৰ দুঃখময় জানিও কিয় ভক্তি নকৰে? কিয় তোমাক নভজি আত্মঘাত কৰে?

উদ্ধৱ, সকলো শাস্ত্ৰ পঢ়িব পাৰে। চাৰি বেদো জানিব পাৰে- তথাপি মোক ভক্তি কৰিব নোৱাৰে। সন্তৰ সঙ্গতিতহে মোক ভক্তি কৰিব পাৰে। সুসঙ্গ অবিহনে মোক ভক্তি কৰিব নোৱাৰে। সাধুসঙ্গইহে মোক বশ্য কৰে। সাধুৰ সঙ্গত মোৰ গুণ-নাম শ্ৰৱণ-কীৰ্তন কৰিলেহে মই বশ্য হওঁ। মই কৃপা কৰোঁ। বিষয় বাসনা দূৰ কৰোঁ। দুঃখময় সংসাৰ সুখময় কৰি তোলোঁ। ঘোৰ বিষয়ীলোকে এই কথা নাজানে। জানিলেও ইচ্ছা নকৰে। যাগ-যোগ-যজ্ঞ কৰে, মহামন্ত্ৰ ৰূপে তীৰ্থস্নান কৰে, একাদশী পালে, সন্ন্যাস গ্ৰহণ কৰে, আন আন কৰ্ম কৰি মিছাতে মৰে। তথাপি সাধুৰ সঙ্গৈলে মোৰ কথা নুশুনে, নকয়-- সেই সেই কৰ্ম কৰি তৰিব বিচাৰে, গতি পাবখোজে। ক'ত গতি পাব? গতিদাতা মইহে। ময়েই অগতিৰ গতি মহাগতি। সাধুৰ সঙ্গতহে গতি। কতজনে সাধুৰ সঙ্গতে গতি পাই গ'ল।

জগতৰে ধৰ্ম কৰ্ম জানা নিষ্ঠ কৰি।
ভকতৰ সঙ্গৰ ৰেণুকো নুহি সৰি।।■■

**(ভাগৱতৰ একাদশ স্কন্ধৰ উদ্ধৱ-সংবাদৰ কিছু ভাৱানুবাদ)**

# মহাভাগৱত শাস্ত্ৰ

**শ্ৰীসোণাৰাম চুতীয়া**

শ্ৰীমদ্ভাগৱত সাক্ষাৎ ভগৱানৰ স্বৰূপ। ভগৱানক পূজা-আৰাধনা কৰাৰ দৰে এই শাস্ত্ৰভাগকো ভক্ত ভাগৱতসকলে পূজা-আৰাধনা কৰি আহিছে। ভগৱন্তৰ এক অৱতাৰ ব্যাসদেৱ; বেদ বিভাজন, মহাভাৰত, নানা পুৰাণ আদি ৰচনা কৰিও শান্তি নাপাই শ্ৰীমদ্ভাগৱত লিখি ব্যাসদেৱৰ চিত্ত শান্ত হৈছিল। সকাম, কৰ্ম, নিষ্কাম কৰ্ম, সাধনজ্ঞান, সিদ্ধজ্ঞান, সাধনভক্তি, সাধ্যভক্তি, বৈধীভক্তি, প্ৰেমভক্তি মৰ্যাদামাৰ্গ, অনুগ্ৰহমাৰ্গ, দ্বৈত, অদ্বৈত, দ্বৈতাদ্বৈত আদি সকলোৰে পৰম ৰহস্যৰে ভৰা এই ভাগৱত শাস্ত্ৰ। পদ্মপুৰাণৰ শ্ৰীমদ্ভাগৱত মহাত্ম্যত পোৱা যায়--

শ্ৰীমদ্ভাগৱতং পুৰাণতিলকং যদ্বৈষ্ণৱানাং ধনম্
যস্মিন্ পাৰহংস্যমেৰমমলং জ্ঞানং পৰং গীয়তে।
যত্ৰ জ্ঞান বিৰাগ ভক্তি সহিতং নৈষ্কৰ্ম্যসাবিস্কৃতং
তচ্ছৃন্বন্ প্ৰপঠন্ বিচাৰণপৰো ভক্ত্যা বিমুচ্যেন্নৰঃ।।

ভাগৱত-- ৬/২৮

অৰ্থাৎ এই ভাগৱত শাস্ত্ৰ পুৰাণসমূহৰ তিলকস্বৰূপ আৰু বৈষ্ণৱসকলৰ ধন। পৰমহংসসকলৰ লভ্য বিশুদ্ধজ্ঞান বৰ্ণনা ইয়াত পোৱা যায়। জ্ঞান, বৈৰাগ্য আৰু ভক্তিসহ নিবৃত্তিমাৰ্গৰ কৰ্ম ত্যাগৰ প্ৰকাশ এই শাস্ত্ৰৰ বিশুদ্ধ জ্ঞানৰ বৰ্ণনা দিয়া হৈছে, এই শাস্ত্ৰ শ্ৰৱণ, পঠন আৰু মননত অৰ্থাৎ বিচাৰত তন্ময় হৈ থাকে, তেওঁ মুক্ত হয়। ভাগৱত বক্তা শুকদেৱৰ মতে--

ভৱভয়মপহৰ্তুং জ্ঞানবিজ্ঞানসাৰং
নিগমকৃদুপঝহে ভৃঙ্গবদ্ বেদসাৰম্।
অমৃতমুদধিতশ্চাপায়য়দ্ ভৃত্যবৰ্গান্
পুৰুষমৃষভমাদ্যং কৃষ্ণসংজ্ঞং নতোহস্মি।।

ভাগৱত-১১/১২/৪৯

অৰ্থাৎ, হে পৰীক্ষিত, নানা ফুলৰপৰা ভোমোৰাই সাৰবস্তু মধু সংগ্ৰহ কৰাৰ দৰে বেদকৰ্তা স্বয়ং ভগৱান শ্ৰীকৃষ্ণই ভকতসকলক সংসাৰৰ পৰা মুক্ত কৰিবৰ কাৰণে (বেদ-উপনিষদৰপৰা) জ্ঞান-বিজ্ঞানৰূপ (ভাগৱত কথামৃত) সাৰ সংগ্ৰহ কৰিছে। জৰা-ৰোগাদি ভয়ৰ নিবৃত্তিৰ কাৰণে ক্ষীৰ সমুদ্ৰৰপৰা অমৃতো বাহিৰ কৰিছে। প্ৰবৃত্তিমাৰ্গী আৰু নিবৃত্তিমাৰ্গী এই দুয়োবিধ ভক্তক উল্লিখিত উভয়বিধ অমৃত শ্ৰীকৃষ্ণই পান কৰাইছে। তেওঁৰেই পুৰুষোত্তম ভগৱান শ্ৰীকৃষ্ণ আৰু তেওঁৰেই বিশ্বব্ৰহ্মাণ্ডৰ মূল কাৰণ। তেওঁৰ চৰণত মই প্ৰণতি জনাইছোঁ।

এই শাস্ত্ৰৰ আৰু এটা মহান বিশেষত্ব উল্লেখ নকৰি নোৱাৰি। সেই বিশেষত্ব মনুষ্যশৰীৰধাৰী প্ৰাণীৰ কথাই নাই, কুকুৰ, গাধ আদিকো নমস্কাৰ কৰিবলৈ ভগৱন্তৰ নিৰ্দেশ--

বিসৃজ্য স্ময়মানান্ স্বন্ দৃশ্য ব্ৰীড়াং চ দৈহিকীম্।
প্ৰাণমেদ্ দণ্ডবদ্ ভূমাবাশ্ব চাণ্ডাৰগোখৰম্।।

-- ভাগৱত, ১১/২৯/১৬

ভগৱান কৃষ্ণই উদ্ধৱক সম্বোধন কৰি কৈছে-- হে নিৰ্মলবুদ্ধি উদ্ধৱ, এই জ্ঞান দৃষ্টিৰ আশ্ৰয় লৈ যি সাধকে সম্পূৰ্ণ প্ৰাণী আৰু পদাৰ্থতে মোক দৰ্শন কৰে আৰু মোৰে ৰূপ বুলি সেই বিলাকক সৎকাৰ কৰে তথা ব্ৰাহ্মণ আৰু চাণ্ডাল, চোৰ আৰু ব্ৰাহ্মণ ভক্ত, সূৰ্য আৰু স্ফুলিঙ্গ, কৃপালু আৰু নিষ্ঠুৰ সমস্ততে সমান দৃষ্টিৰে চাব পাৰে, সমদৃষ্টি কৰিব পাৰে, তেনে সাধককেই প্ৰকৃত জ্ঞানী বুলি মানিবা।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে এই ভাৱৰাজিকে 'ৰহস্য ভকতি' নাম দি সহজবোধ্য কৰি সহজ ভাষাত

আমালৈ থৈ গৈছে--

‘শুনিয়ো উদ্ধৱ আৰে ৰহস্য ভকতি।
কৰিবা অভ্যাস তুমি থিৰ কৰি মতি।।
বাহিৰে ভিতৰে জানা ইটো জগতৰ।
পৰিপূৰ্ণৰূপে আছো পৰম ঈশ্বৰ।।২৫৪

ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যাৰ দৃষ্টি এক তুল।।
নীচত সাধুত যাৰ ভৈল এক জ্ঞান।
তাকেসে পণ্ডিত বুলি সি সি সৰ্বজান।।২৫৬
বিশেষত মনুষ্যগণত যিটো নৰে।
জ্ঞান দৃষ্টি সৰ্বদা আমাক মান্য কৰে।।
হিংসা অসূয়া তিৰস্কাৰ অহঙ্কাৰ।
নষ্ট হোৱৈ তেবে সৱে তাৰক্ষণে তাৰ।।২৫৭
ঈশ্বৰ ভাৱনা সখি সত্যে দেই ফল।
হেন জানি তেজিয়োক মনত বিকল।।
হুইবেক আপুনি পূৰ্ব বাসনা বিনাশ।
মোহোৰ আদেশে তুমি কৰিবা অভ্যাস।।২৫৮
দেখি সখিগণে যেন হাসৈ আসি বেঢ়ি।
মই সাধু ইটো নীচ হেন ভাৱ এৰি।।
কুকুৰ চাণ্ডাল গৰ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।২৫৯
সমস্ত ভূততে আত্মা বুধি নুহি যাৰে।
কায় বাক্য মনে অভ্যাসিবা এহিভাৰে।।
সমস্ত প্ৰাণীক দেখিবাহা আত্মাসম।
উপায় মধ্যত ইটো আতি মুখ্যতম।।২৬০

সমস্ত প্ৰাণীৰ মাজত; ধ্বংসমুখী বৰ্তমানৰ মনুষ্যগণৰ মাজত ভগৱান শ্ৰীকৃষ্ণৰ এই ব্যৱস্থাতকৈ উত্তম ব্যৱস্থা কোনেও উদ্ভাৱন কৰিব পৰা নাই।

ভাগৱত গীতাৰ পৰিপূৰক; ভগৱান কৃষ্ণৰ মুখৰ বাণী ভগবদ্‌গীতা। এই কৃষ্ণৰ বিতং বৰ্ণনা গীতাত নাই। প্ৰথমতে ‘কৃষ্ণ’ শব্দটোৰ কিঞ্চিৎ আলোচনা কৰা হওক। এতিয়ালৈকে আৱিস্কৃত সকলো গ্ৰন্থৰ ভিতৰত ঋগ্‌বেদেই পৃথিৱীৰ প্ৰথম গ্ৰন্থ বুলি স্বীকৃত। এই বেদৰ ১ম মণ্ডলৰ ১১৬ সূক্তৰ ২৩ ঋকত আৰু ১১৭ সূক্তৰ ৭ ঋকত (১/১১৬/২৩, ১/১১৭/৭) ‘কৃষ্ণিয়ায়’ শব্দটো পোৱা যায়। এই কৃষ্ণ কোন আছিল জানিবৰ উপায় নাই। ৮/৮৫/১-৯, ৭/৮৬/১-৫, ৮/৮৭/১-৬, ১০/৪২/১-১১, ১০/৪৩/১-১১, ১০/৪৪/১-১২ মুঠতে এই ৫৩ টা ঋকৰ ঋষি হিচাপে কৃষ্ণৰ নাম পোৱা যায়। এই কৃষ্ণ দেৱকীনন্দন কৃষ্ণ হয় নে নহয় সেইটো নিৰ্ণয় কৰাও অতি দুৰূহ।

আনহাতে ঋগ্‌বেদৰ ৮/৯৬/১৩ নং ঋকত যি কৃষ্ণৰ নাম পোৱা যায় সেই কৃষ্ণৰ সম্পৰ্কে মৈত্ৰায়ণী সংহিতা আৰু কাঠক সংহিতাৰপৰা উদ্ধৃতি দি কৃষ্ণক এজন অনাৰ্য ৰজা বুলি বঙ্কিম চন্দ্ৰ চট্টোধ্যায়ে ঠাৱৰ কৰিছে।

ড° ৰাধাকৃষ্ণণেও কৈছে-- ‘TheAryans even accepted a non-Aryan representative of the 'black peoples' Krishna and made him deliver the massage of the fatherhood of God and the brotherhood of man. Krishna's conduct scandalised society and provoked the Vedic Gods-Indra and Brahma’ (pp 51 and 52- The Heart of Hindusim)

অৰ্থাৎ কৃষ্ণবৰ্ণৰ অনাৰ্যসকলৰ এজন প্ৰতিনিধিক কৃষ্ণক আৰ্যসকলে গ্ৰহণ কৰিছিল আৰু পৰমেশ্বৰৰ প্ৰতি পিতৃভাৱ আৰু মানৱ কুলৰ মাজত ভ্ৰাতৃভাৱ এই মহান বাণীৰ ঘোষণা দিয়াছিল। কৃষ্ণৰ চৰিত্ৰই সমাজৰ কেলেঙ্কাৰী কৰিছিল আৰু বৈদিক দেৱতা ইন্দ্ৰ আৰু ব্ৰহ্মাক ক্ৰোধান্বিত কৰিছিল।

যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞত শ্ৰীকৃষ্ণই ব্ৰাহ্মণসকলৰ ভৰি ধুউৱা, পূজা বঞ্চিত ইন্দ্ৰিই প্ৰতিশোধ ল'বলৈ গৈ শ্ৰীকৃষ্ণৰ ওচৰত পৰাজয়বৰণ কৰা, ব্ৰহ্মায়ো শ্ৰীকৃষ্ণক পৰীক্ষা কৰিবলৈ গৈ শ্ৰীকৃষ্ণৰ মাহাত্ম্য দেখি আত্মসমৰ্পণ কৰা, ভৃগু মুনিৰ পদাঘাতৰ চিন শ্ৰীকৃষ্ণই বুকুত বহন কৰা, শ্ৰীকৃষ্ণৰ ভাৰ্যা ৰুক্মিণীৰ কান্ধত ঘোঁৰাত উঠাদি উঠি ব্ৰাহ্মণ দুৰ্বাসাই ৰুক্মিণীক সৌকাৰে লেবাজান হোৱাকৈ শ্ৰীকৃষ্ণৰ সন্মুখত কোবাই কোবাই শ্ৰীকৃষ্ণৰ ঈশ্বৰত্ব পৰীক্ষা কৰা আদি ঘটনাই বিষ্ণুৰ, কৃষ্ণৰ অনাৰ্যত্ব সূচায়।

ড° ৰাধাকৃষ্ণণে উল্লেখ কৰিছে যে চন্দ্ৰগুপ্তৰ

ৰাজসভাত (খৃঃ পূঃ ৩০০) গ্ৰীক ৰাজদূত মেগেস্থিনিচৰ বৰ্ণনামতে সেই যুগতে মথুৰাত কৃষ্ণ পূজাৰ পাত্ৰ আছিল। 'কৌষীতকী ব্ৰহ্মণ'ৰ মতে তেওঁ এজন আঙ্গিৰস অৰ্থাৎ আঙ্গিৰসৰ বংশধৰ।

ছান্দোগ্য-উপনিষদত দেৱকী পুত্ৰ হিচাপে কৃষ্ণৰ নাম প্ৰথম পোৱা যায়-- 'অথৈতদ্ ঘোৰ আঙ্গিৰসঃ কৃষ্ণায় দেৱকীপুত্ৰায়।' (ছা. ৩/১৭) মুঠতে অনাদিকালৰ পৰা 'কৃষ্ণ' নামত চিন্তাশীল ব্যক্তিসকল নিমগ্ন। মহাভাৰত, হৰিবংশ, বিষ্ণুপুৰাণাদি নানা শাস্ত্ৰৰ মাজেদি কম-বেছি পৰিমাণে আলোচিত হৈ আহি শ্ৰীমদ্ভাগৱত মহাপুৰাণত বিতং আৰু পূৰ্ণৰূপে প্ৰকাশ হৈছে।

অন্যান্য শাস্ত্ৰত পুণ্য অৰ্জন আৰু পাপ বৰ্জনৰ অসংখ্য উপদেশ পোৱা যায়; ভাগৱত শাস্ত্ৰত প্ৰেম বা অনুৰাগ ভক্তিত তন্ময়তাহে সূচাইছে। ভাগৱতত পোৱা যায়--

দুসহ প্ৰেষ্ঠবিৰহতীব্ৰতাপধুতাশুভাঃ।
ধ্যান প্ৰাপ্তাচ্যুতাশ্লেষনিৰ্বৃত্যা ক্ষীণমঙ্গলাঃ।।
তমেব পৰমাত্মনং জাৰবুদ্ধ্যাপি সঙ্গতাঃ।
জহৰ্গুণময়ং দেহং সদ্যঃ প্ৰক্ষীণবন্ধনাঃ।।

-- ভাগৱত, ১০/২৯, ১১

অৰ্থাৎ, হে পৰীক্ষিত, নিজৰ অতি প্ৰিয়তম শ্ৰীকৃষ্ণৰ অসহ্য বিৰহ বেদনাৰ কাৰণে গোপীসকলৰ হৃদয়ত এনে দাৰুণ ব্যথা, এনে জ্বলন-পোৰণ হৈছিল যে তেওঁলোকৰ হৃদয়ত পাপৰ লেখমাত্ৰও যদি আছিল সেই পাপ সংস্কাৰ ধ্বংস হ'ল। আনহাতে গোপীসকলে শ্ৰীকৃষ্ণৰ সঙ্গ সুখত বঞ্চিত হৈ শ্ৰীকৃষ্ণৰ ধ্যানত নিমগ্ন হ'ল। ধ্যানাৱস্থাত হৃদয়ত শ্ৰীকৃষ্ণৰ আৱিৰ্ভাৱ হোৱাত মনৰ দ্বাৰা প্ৰেম-আৱেগেৰে আলিঙ্গনৰ দ্বাৰা গোপীসকলে এনে সুখ, এনে শান্তি লাভ কৰিছিল যে পুণ্য কৰ্মৰ সি সংস্কাৰ আছিল সেয়া নাশ পালে। ('ভোগ ভুঞ্জি পুণ্য কৰা ক্ষয়'-- কীৰ্ত্তন ১০।)

এইদৰে পাপ-পুণ্যৰ নিবৃত্তিৰ দ্বাৰা অশেষ কৰ্মৰ ক্ষয় হোৱাত সেই গোপীসকলে পৰমাত্মা শ্ৰীকৃষ্ণক উপপতি হিচাপে (জাৰ বুদ্ধি) চিন্তা কৰিলেও তেওঁলোকে ভৱবন্ধনৰ পৰা মুক্ত হৈ ত্ৰিগুণময় শৰীৰ ত্যাগ কৰি পৰমগতি লাভ কৰিলে।

বিশেষ দ্ৰষ্টব্য-- পাপ কৰ্মই হওক বা পুণ্য কৰ্মই হওক, উভয়বিধ কৰ্মৰে ফল ভোগ অৱশ্যাম্ভাৱী; এই পাপ-পুণ্যৰ সংস্কাৰ সম্পূৰ্ণ ক্ষয় নহ'লে ভৱবন্ধন মুক্ত হ'ব নোৱাৰে। 'বিষ্ণু পুৰাণ'তো ঘোষণা দিছে--

তচ্চিন্তাবিপুলহ্লাদ ক্ষীণপুণ্যচয়া তথা।
তদপ্ৰাপ্তি মহাদুঃখবিলীনা শেষ পাতকা।।
চিন্তয়তী জগৎসূতিং পৰমব্ৰহ্মস্বৰূপিণম্।
নিৰুচ্ছাসতয়া মুক্তিং গতান্যা গোপকন্যাকা।।

গৃহত অৱৰুদ্ধা গোপকন্যাই একান্তচিত্তে শ্ৰীকৃষ্ণৰ ধ্যান কৰিবলৈ লাগিল। তচ্চিন্তাজনিত বিপুল আহ্লাদত সেই গোপকন্যাৰ পুণ্যৰাশিৰ অৱসান হ'ল আৰু কৃষ্ণৰ বিৰহজনিত মহাদুঃখত পাপসমূহো ভস্মীভূত হ'ল। পৰমব্ৰহ্মস্বৰূপ শ্ৰীকৃষ্ণৰ ধ্যান কৰোঁতে কৰোঁতে তেওঁৰ মুক্তি লাভ হ'ল। মহাপুৰুষৰ 'যত মহাপুণ্য মহাপাতক। ই দুইৰো কিঙ্কৰ জানা প্ৰত্যেক' (কীৰ্ত্তন) দ্ৰষ্টব্য। সৎকৰ্ম কৰি পুণ্য ভাগী হ'ম-- এনে আশাবাদীৰ কাৰণে ভাগৱতৰ এয়া সাৱধান বাণী।

সমগ্ৰ ভাৰতে অতি আহুকলীয়া, অশান্তি সৃষ্টিকাৰী 'চতুবৰ্ণ' ব্যৱস্থা যে কল্পনা মাত্ৰ, এটা ৰূপক মাত্ৰ এইটো প্ৰাচীনতম গ্ৰন্থ ঋগ্বেদে ঘোষণা দিছে; ভাগৱতেও হুবহু বেদকে অনুকৰণ কৰিছে। ঋগ্বেদৰ পুৰুষসূক্তত পোৱা যায়--

'ওঁ সহস্ৰশীৰ্ষা পুৰুষঃ সহস্ৰাক্ষঃ সহস্ৰপাৎ এই মন্ত্ৰ ব্যাখ্যা বেদৰ প্ৰসিদ্ধ ভাষ্যকাৰ সায়নাচাৰ্যৰ উক্তি--

'সৰ্বপ্ৰাণী সমষ্টিৰূপে বান্মাণ্ডদেহো বিৰাডাখ্যো যঃ পুৰুষঃ সো হয়ং সহস্ৰশীৰ্ষা।' অৰ্থাৎ বিশ্বব্ৰহ্মাণ্ডৰ সকলো প্ৰাণীৰ যি সমষ্টি সেয়ে বিৰাট নামৰ ব্ৰহ্মাণ্ড দেহ বা পুৰুষ আৰু তেওঁৰেই সহস্ৰমূৰীয়া। সহস্ৰ শব্দই উপলক্ষণ অৰ্থত অনন্ত বুজাইছে।

শ্ৰীমদ্‌চাৰ্য মহীধৰভাষ্য-- 'শিৰোগ্ৰহণং সৰ্বাবয়বো লক্ষণম্।' অৰ্থাৎ উপলক্ষণ অৰ্থত 'শিৰ' শব্দই গোটেই অবয়ব বা শৰীৰটোকে বুজায়, 'অক্ষিগ্ৰহণং সৰ্বাজ্ঞানেন্দ্ৰিয়োপলক্ষণম্' অৰ্থাৎ 'অক্ষি' শব্দ সকলো জ্ঞানেন্দ্ৰিয়ৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হৈছে; 'পাদগ্ৰহণং কৰ্কেন্দ্ৰিয়োপলক্ষণম্' অৰ্থাৎ সকলো কৰ্মেন্দ্ৰিয়ৰ ক্ষেত্ৰত পাদ বা চৰণ প্ৰয়োগ কৰা হৈছে।'

শ্ৰীমদ্ভাগৱততো বিৰাট পুৰুষৰ বৰ্ণনা বিতংভাৱে দি শেষত কোৱা হৈছে--

'ভূৰ্লোকঃ কল্পিতঃ পদ্ভ্যাং ভুবৰ্লোকস্য নাভিতঃ।
স্বৰ্লোকঃ কল্পিতঃ মূৰ্ধা বা লোককল্পনা।।

ভাগৱত, ২/৫/৪২

অৰ্থাৎ বিৰাট পুৰুষৰ অঙ্গসমূহ সপ্তলোকৰ লগত এনেকৈ কল্পনা কৰা হৈছে-- তেওঁৰ চৰণেই পৃথিৱী, নাভি ভুব লোক আৰু শিৰ বা মূৰ স্বৰ্গলোক। থুলমুলকৈ ভুঃ ভুবঃ স্বঃ-- এই তিনিলোকৰ সমষ্টিয়েই ব্ৰহ্মাৰ বিৰাট ৰূপ। বিতংভাৱে 'কটাদিভিবধঃ সপ্ত সপ্তোৰ্ধ জঘনাদিভিঃ।' (ভাগৱত, ২/৫/৩৬)

অৰ্থাৎ, (বিৰাট পুৰুষৰ) কঁকালৰ নিম্নভাগত সপ্ত পাতাল লোক আৰু উৰ্দ্ধ ভাগত সপ্ত স্বৰ্গলোকৰ কল্পনা কৰা হৈছে। এই বিৰাট ৰূপ কাল্পনিক।

এই বিৰাট পুৰুষৰ মুখ হ'ল ব্ৰাহ্মণ, ভুজদ্বয় ক্ষত্ৰিয়, উৰু বৈশ্য আৰু চৰণৰপৰা শূদ্ৰৰ জন্ম হৈছে। ইয়াৰ প্ৰমাণ--

পুৰুষস্য মুখং ব্ৰহ্ম ক্ষত্ৰমেতস্য বাহবঃ।
উৰোবৈশ্যো ভগৱতঃ পদ্ভ্যাং শূদ্ৰোহ ভ্যজায়ত।।

ভাগৱত, ২/৫/৩৭

ঋগ্‌বেদৰ পুৰুষসূক্ততো প্ৰশ্ন কৰা হৈছে-- যজ্ঞত যি বিৰাট পুৰুষক আহুতি দিয়া হৈছিল তেওঁৰ মুখ কি হ'ল, বাহুদ্বয় কি হ'ল, উৰু যুগল কি হ'ল আৰু ভৰি দুখন কাক বোলা হ'ল?

যৎ পুৰুষং ব্যদধুঃ কতিধা ব্যকল্পয়ন্।
মুখং কিমস্য কৌবাহু কাউৰুপাদাউচ্যতে।।

-- পুঃ সূঃ

এই মন্ত্ৰটোৰ 'ব্যকল্পয়ন্' শব্দটো তাৎপৰ্যপূৰ্ণ ভাষ্যকাৰ সায়নাচাৰ্যৰ মতে ব্যকল্পয়ন্ শব্দৰ অৰ্থ কল্পিতস্ন্তঃ, মঙ্গলাচাৰ্যৰ মতে ব্যচিন্তয়ন, মহীধৰাচাৰ্যৰ মতেও কল্পিতবন্তঃ আৰু ৰামানুজচাৰ্যৰ মতে 'কল্পনাং কৃতবন্তঃ'। ভগৱন্তৰ বিৰাট ৰূপ যিদৰে কাল্পনিক, বিৰাট পুৰুষক আহুতি দিয়া যজ্ঞও কাল্পনিক। শ্ৰেণীকৰণ কৰি গুণ আৰু কৰ্ম অনুসৰি মনুষ্যশৰীৰধাৰী প্ৰতিজন পুৰুষ ব্যক্তিকে কোনো এক বৰ্ণৰ অন্তৰ্ভুক্ত হোৱা নীতিকে ভগৱন্তই স্ৰজন কৰা বুলিছে।

অধিক স্পষ্ট হ'বৰ কাৰণে যুধিষ্ঠিৰৰ আগত একান্ত ভক্ত নাৰদদেৱে চতুৰ্বৰ্ণৰ গুণ কৰ্মৰ বৰ্ণনা দি সিদ্ধান্ত দিছে--

যস্য যল্লক্ষণং প্ৰোক্তং পুংসো বৰ্মাভিব্যঞ্জনকম্।
যদন্যত্ৰাপি দৃশ্যেতে তৎ তেনৈব নিৰ্বিৰ্দিশেৎ।।

ভাগৱত, ৭/১১/৩৫

অৰ্থাৎ, পুৰুষৰ বৰ্ণসূচক যি লক্ষণ কোৱা হৈছে সেইলক্ষণ, অন্য বৰ্ণত জন্ম হোৱা পুৰুষতো দেখা যায় সেই পুৰুষক লক্ষণ অনুসৰি বৰ্ণৰ বুলি ভাবিব লাগে। আমাৰ আলোচ্য চতুৰ্বৰ্ণ নহয়, ভাগৱতৰ মত যে বেদৰ মত সেইটো প্ৰমাণ। চতুৰ্বৰ্ণৰ ব্যৱস্থা, কি বেদৰ মতে কি ভাগৱতৰ মতে, জন্মগত যে নহয় সেইটো প্ৰমাণ কৰা হ'ল; এই ব্যৱস্থা সম্পূৰ্ণ কাল্পনিক।

মানুহৰ মাজত ভেদবুদ্ধি পশুবুদ্ধি বুলি স্পষ্টকৈ ভাগৱতে ঘোষণা দিছে--

'স যদানুব্ৰতঃ পুংসাং পশুবুদ্ধিৰ্দ্ধিবিভিদ্যতে।
অন্য এষ তথান্যোহহমিতি ভেদগতাসতী।।

-- ভাগৱত, ৭/৫/১২

অৰ্থাৎ, ভগৱন্তই কৃপা কৰিলেহে মানুহৰ পাশৱিক বুদ্ধি নষ্ট হয়। পশুবুদ্ধি কাৰণে অহংভাৱ মই আৰু আনবিলাক মোতকৈ ভিন্ন এনে মিছা ভেদভাৱৰ সৃষ্টি হয়। সেই কাৰণে পুনৰ কৈছে--

যথা হি পুৰুষস্যেহ বিষ্ণোঃ পাদোপসৰ্পণম্।
যদেষ সৰ্বভূতানাং প্ৰিয় আতেম্শ্বৰঃ সুহৃৎ।।

ভাগৱত, ৭/৬/২

অৰ্থাৎ, এই মনুষ্য জন্মত শ্ৰীভগৱন্তৰ চৰণত শৰণ গ্ৰহণেই জীৱনৰ সফলতা; কাৰণ ভগৱান সমস্ত প্ৰাণীৰ স্বামী, সুহৃদ, প্ৰিয়তম আত্মা।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ 'বামানয়' শব্দটো কেইঠাইমানত ব্যৱহাৰ কৰিছে। ভাগৱতৰ 'প্ৰহ্লাদং প্ৰাহয়ামাস ত্ৰিবৰ্গস্যপপাদনম্'।। (৭/৫/১৮) অৰ্থাৎ যণ্ডামৰ্কই (নানা তৰ্জন-গৰ্জন কৰি ভয় দেখুৱাই) প্ৰহ্লাদক ধৰ্ম, অৰ্থ আৰু কাম এই ত্ৰিবৰ্গ সম্বন্ধী মাত্ৰ শিক্ষা দান দিলে--

'এহিমানে অনেক উপায়ে দেখাই ভয়।
প্ৰহ্লাদক পঢ়াৱন্ত শাস্ত্ৰ বামানয়।।'-- কীৰ্ত্তন

এই তিনিবৰ্গৰপৰা মুক্ত হোৱা প্ৰাণ থাকে মানে অসম্ভৱ। তেনেহ'লে উপায় কি? ভক্তৰাজ প্ৰহ্লাদে উত্তৰ দিছে--

ধৰ্ম্মাৰ্থকাম ইতি যোঽভিহিতস্ত্ৰিবৰ্গ
ঈক্ষা ত্ৰয়ী নয়দমৌ বিবিধা চ বাৰ্তা।
মন্যেদেতদখিলং নিগমস্য সত্যং
স্বাত্মাৰ্পণং স্বসুহৃদঃ পৰমস্য পুংসঃ।।
-- ভাগৱত, ৭/৬/২৬

অৰ্থাৎ, নানা শাস্ত্ৰত ধৰ্ম, অৰ্থ আৰু কাম-- এই তিনি পুৰুষাৰ্থ বা বৰ্গৰ বৰ্ণনা পোৱা যায়। আত্মবিদ্যা, কৰ্মকাণ্ড, ন্যায় (তৰ্কশাস্ত্ৰ), দণ্ডনীতি, জীৱিকাৰ বিবিধ সাধন-- এইবিলাক বেদৰ প্ৰতিপাদ্য বিষয়। পৰমহিতৈষী, পৰম পুৰুষ ভগৱান শ্ৰীহৰিক আত্মসমৰ্পণ কৰাত যদি আত্মাৰ সহায়ক হয়, তেতিয়া এইবিলাকক সত্য বুলি মানিব বা সাৰ্থক বুলি মানিব পাৰি, নতু এই সকলোবিলাক নিৰৰ্থক।

আত্মা আৰু স্থূল দেহ-- এই দুটাৰ পাৰ্থক্য বুজিব নোৱাৰি আমি বহু আহুকালৰ সন্মুখীন হও। প্ৰহ্লাদে এইক্ষেত্ৰত স্পষ্টীকৰণ দিছে--

জন্মাদ্যাঃ ষড়িমে ভাবা দৃষ্টা দেহস্য নাত্মনঃ।
ফলানামিব বৃক্ষস্য কালেনেশ্বৰমূৰ্তিনা।।
ভাগৱত, ৭/৭/১৮

অৰ্থাৎ ঈশ্বৰমূৰ্তি কালৰ প্ৰেৰণাত যিদৰে গছত ফল লাগে, পুৰঠ হয়, বাঢ়ে, পকে, উৰলি যায় আৰু নষ্ট হয় সেইদৰে জন্ম, অস্তিত্বৰ অনুভূতি, বৃদ্ধি, পৰিণাম, ক্ষয় আৰু বিনাশ-- এই ছয় ভাৱ-বিকাশ শৰীৰত দেখা যায়। আত্মাৰ লগত এই বিকাৰসমূহৰ কোনা সম্পৰ্ক নাই।

আত্মা নিত্যোঽব্যয়ঃ শুদ্ধ একঃ ক্ষেত্ৰজ্ঞ আশ্ৰয়ঃ।
অবিক্ৰিয়ঃ স্বদৃগ্ হেতুৰ্ব্যাপকোঽসঙ্গ্যনাবৃতঃ।।
ভাগৱত, ৭/৭/১৯

অৰ্থাৎ, আত্মা নিত্য, অবিনাশী, শুদ্ধ, এক ক্ষেত্ৰজ্ঞ, আশ্ৰয়, নিৰ্বিকাৰ স্বয়ং প্ৰকাশ, সকলোৰে কাৰণ, ব্যাপক, অসঙ্গ তথা আৱৰণ ৰহিত।

এতৈৰ্দ্বাদশভিৰ্বিদ্বানাত্মনো লক্ষণৈঃ পৰৈঃ।
অহং মমেত্যসদ্ভাৱং দেহাদৌ মোহজং ত্যজেৎ।।
-- ৭/৭/২০

অৰ্থাৎ, আত্মাৰ এই বাৰটা উৎকৃষ্ট লক্ষণ। এইবিলাকৰ চিন্তা কৰি আত্মতত্ত্বজ্ঞ পুৰুষসকলৰ কৰ্তব্য-- শৰীৰ আদিত অজ্ঞানজনিত 'মই', 'মোৰ' এইবিলাক ত্যাগ দিয়া কাৰ্য।

নৰসিংহৰ প্ৰতি স্তুতি বাক্যৰ মাজতে, ভগৱন্তৰ বাহিৰে যে আন সহায়, বিশেষকৈ দুৰ্ভগীয়াসকলৰ কাৰণে নাই এইকথাটোৰ উল্লেখ কৰিছে--

মৌনং চৰন্তি বিজনে ন পৰাৰ্থনিষ্ঠাঃ।
নৈতান্ বিহায় কৃপাণান্ বিমুমুক্ষ একো
নান্যং ত্বদস্য শৰণং ভ্ৰমতোঽনুপশ্যে।।
ভাগৱত, ৭/৯/৪৪

অৰ্থাৎ, মোৰ স্বামী, ডাঙৰ ডাঙৰ ঋষি-মুনিসকলে নিজৰ নিজৰ মুক্তি বিচাৰি নিৰ্জন বনলৈ গৈ মৌন ব্ৰতত ব্ৰতী হয়গৈ। অন্যৰ মঙ্গলৰ কাৰণে এওঁলোক যত্নবান নহয়; কিন্তু মোৰ বিচাৰ তেনে নহয়। এই দুৰ্ভগীয়া অসহায় লোকসকলক ত্যাগ কৰি কেৱল মোৰ মুক্তি মই কামনা নকৰোঁ। এই ভ্ৰাম্যমান প্ৰাণীসমূহৰ কাৰণে আপোনাৰ বাহিৰে আশ্ৰয়দাতা বা শৰণদাতা আন কাকো দেখা নাযায়।

ভাগৱতৰ এই উল্লিখিত শৰণ গীতাৰ 'মামেকংশৰণংব্ৰজ' (২৮/৬৬) মোতে এক শৰণ গ্ৰহণ কৰা ভগৱন্তৰ এয়া আদেশ। এই আদেশ অৰ্জুনক দিছিল। উদ্ধৱৰ প্ৰতি শৰণৰ কাৰণে দিয়া আদেশ 'মামেকমেব শৰণাত্মানং সৰ্বদেহিনাম্। যহি সৰ্বাত্মভাবেন' (ভাগ. ১১/১২/১৫) একমাত্ৰ মোত, কেৱল মোত, সৰ্বভাৱে সৰ্বদেহীৰ শৰণ্য হিচাপে শৰণ লোৱা। অধিক পৰিস্কাৰ হ'বৰ কাৰণে উদ্ধৱৰ প্ৰতি ভগৱন্তৰ বাণীৰে উদ্ধৃতি দিয়া হ'ল--

তস্মাৎ ত্বমুদ্ধ বোৎসৃজ্য চোদনাং প্ৰতি চোদনাম্।
প্ৰহবৃত্তিঞ্চ নিবৃত্তিঞ্চ শ্ৰোতব্যং শ্ৰুতমেব চ।।
মামেকমেব শৰণমাত্মানং সৰ্বদেহিনাম্।
যাহিসৰ্বাত্মভাবেন ময়া স্যা হ্যকুতোভয়ঃ।।
-- ভাগৱত, ১১, ১২/১৪/, ১৫

শ্ৰীধৰ টীকা যস্মাদেৱম্ভূতো মদ্ভজনপ্ৰভাৱস্তস্মাৎ স্তং চে দনাং শ্ৰুতিং প্ৰতি চোদনং স্মৃতিঞ্চ। যদ্বা বিধিঞ্চ

নিষেধঞ্চ উৎসৃজ্য মাং শৰণং যাহি। ময়ৈব অকুতোভয়ঃ স্যাঃ ভব।

অতএব হে উদ্ধৱ। শ্ৰুতি, স্মৃতি, প্ৰবৃত্তি, নিবৃত্তি, শ্ৰোতব্য, শ্ৰুত সমস্ত বিসৰ্জন দি (গীতাৰ 'সৰ্বধৰ্মান্ পৰিত্যজ্য'--১৮/৬৬) সৰ্বভাৱে সৰ্ব দেহীৰ শৰণ্য পৰমাত্মা মোৰ শৰণ লোৱা, তেতিয়া তোমাৰ সকলো ভয় মোৰ দ্বাৰা অপসাৰিত হ'ব।

অন্য দেৱ দেৱতাৰ উপাসক সকলক 'নৰপশু' আখ্যা দিছে--

বিষয়তৃষো নৰপশবো
য উপাসতে বিভূতীৰ্ণ, পৰং ত্বাম্।
তেষামাশিষ ঈশ
তদনুবিনশ্যন্তি যথা ৰাজকুলম্।।

-- ভাগৱত, ৬/১৬/৩৮

গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা পাঠ্যৰূপে অনুমোদিত শ্ৰীমদ্ভাগৱত (সম্পূৰ্ণ)ত ইয়াত অনুবাদ--

বিষয়ক অভিলাষে নৰপশু গণ।
ক্ষুদ্ৰ দেৱ পূজে ছাৰি তোমাৰ চৰণ।
যি দেৱক পূজে ছাৰি তোমাৰ চৰণ।।
যি দেৱক পূজে ঐশ্বৰ্য্যক কৰি আশ।
সিয়ো দেৱ মৰে আপুনিও হৰে নাশ।।৬২৭০
দেৱত কৰিয়া নৃপতিৰ সেৱা ভাল।
সুখে থাকে ভৃত্য ৰাজা থাকে যতকাল।।

সংস্কৃত ভাষাত থকা এই মূল তত্ত্ববিলাকৰ অন্ত নাই। আমি সাংসাৰিক লোক, ত্ৰিতাপ জৰ্জৰিত মলিন লোক। সমাজৰ নিকৃষ্টতম লোকজনৰ উদ্ধাৰৰ নিমিত্তেও ব্যৱস্থা আছে। নিগম কল্পতৰু বৃক্ষৰ শ্ৰীমদ্ভাগৱত সুপক্ক সুস্বাদ ফল; যেয়ে যিহৰে স্বাদ বাঞ্ছা কৰে সেয়ে তাকে পাব। উদাসীন ঋষি হ'লেও অভাগা সমাজৰ কাৰণে চিন্তা কৰা শুকদেৱৰ মহান বাণীৰে-- মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ অনুবাদ দাঙি ধৰি সামৰণি মৰা হ'ব--

চাৰিয়ো বেদৰ সাৰ মহাভাগৱত শাস্ত্ৰ
পৃথিৱীত কৰিলো প্ৰচাৰ।
কলিৰ মলিন লোক শুনি সৱে নিস্তৰোক
অভিপ্ৰায় কৰিলো প্ৰচাৰ।।

লগে লগে সাৱধান হ'বলৈও ইঙ্গিত দিছে--

জগত পৰম গুৰু ঈশ্বৰ কৃষ্ণক যিটো
ব্ৰহ্মা হৰে সেৱে অবিচ্ছেদ।
কলিত বহুতে তাঙ্ক ভজিবেক নপাৰিবে
পাষণ্ডে কৰিবে বুদ্ধিভেদ।।

-- দ্বাদশ স্কন্ধ ■■

দেৱৰো দুৰ্লভ শুক মুনি মহাভাগ।
কিমতে পাইলন্ত পৰীক্ষিত তাঙ্ক লাভ।।
বৈকুণ্ঠৰ শাস্ত্ৰ যিটো বেদান্তৰো তত্ত্ব।
সাত দিনে কৈলা সিটো মহাভাগৱত।।

-- ভাগৱত

# ভাগৱত সমুদ্ৰৰ এটি দুটি অমৃত বিন্দু

**হেমভাই**

আমাৰ দুখন ভৰি। ইখনে সিখনক আশ্ৰয় দি দি, সহায় কৰি কৰি পৰস্পৰে আগবাঢ়ি যায়। আগবাঢ়ি বাঢ়ি ক'লৈ বাৰু ক'লৈ বিচাৰে? হাটলৈ-বাটলৈ? পথাৰলৈ ঘাটলৈ? গাৱঁলৈ, নগৰলৈ, চৰহলৈ? নিৰ্জনলৈ-জনঅৰণ্যলৈ? কিছু হয়ো, বহুত নহয়ো। কাৰণ, এইবিলাক সীমিত লক্ষ্যহে। তেন্তে তাতোতকৈও আগৰ-সম্পত্তি, সন্মান, সুৰক্ষা? এয়াও বহুত সীমিত অৰ্থতহে সঁচা। কাৰণ সম্পত্তি, সন্মান সুৰক্ষাই জীৱনৰ শেষ কথা নহয়। যাত্ৰাৰো অথ-ইতি নহয়। কাৰণ সেই গোটেইবোৰ নশ্বৰ, ক্ষণভঙ্গুৰ, ক্ষণস্থায়ী। মূলতে দুখন ভৰিয়ে দুটা মূলভূত প্ৰশ্নৰ উত্তৰ বিচাৰি ফুৰিছে। জীৱনে এই দুটা প্ৰশ্নৰ সঠিক উত্তৰ যিদিনা পাই যাব সেই দিনা দুখন ভৰিয়ে যাবলৈ এৰি নাচিবলৈ ধৰিব। সমস্ত সাধন শ্ৰম এৰাই শান্তহৈ যাব, সুখী হৈ যাব।

আৰু এই দুটা মূলভূত প্ৰশ্ন লৈয়েই এখন গ্ৰন্থৰ পাতনি মেলা হৈছে যিখন গ্ৰন্থৰ নাম-- 'শ্ৰীমদ্ভাগৱত মহাপুৰাণম্' আৰু মৰম আৰু আদৰতে যাক আমি 'ভাগৱত' বুলি কওঁ।

জীৱন গঙ্গাৰ পাৰত বহি; জ্ঞাননিষ্ঠ জিজ্ঞাসু, সাধক, তপস্বী মুনিবৃন্দৰ মাজত বহি; শান্তদান্ত, মায়াৰহিত, নিৰ্মোহী, যতীন্দ্ৰ-মুনীন্দ্ৰ, সৰ্ব-সংগ্ৰহ পৰিত্যাগী, ব্ৰহ্মনিষ্ঠ, ৰসত চতুৰ শ্ৰীপদবীৰ মানৱীয় অধিকাৰী, জীৱনমুক্ত, পৰম কৰুণাময় মুনি শ্ৰীশুকদেৱ মহাৰাজৰ চৰণ-ছাঁয়াত বহি শাপগ্ৰস্ত পৰীক্ষিতে কৰি দিলে দুটি প্ৰশ্ন--

(ক) মনুষ্য জীৱনৰ লক্ষ্য কি? কৰ্তব্য কি?

(খ) মৰণাসন্ন মনুষ্যৰ ধৰ্ম কি?

অতঃ পৃচ্ছামি সংসিদ্ধি য়োগিণাম্ পৰমম্ গুৰুম্।
পুৰুষস্যেহ য়ৎকাৰ্য্যম্ ম্ৰিয়মাণস্য সৰ্ৱথা।।
যচ্ছ্ৰোতব্যমথো জপ্যম্ য়ৎ কৰ্ত্তব্যম্ নৃভিঃ প্ৰভো।
স্মৰ্তৱ্যম্ ভজনীয়ম্ ৱা ব্ৰুহি য়দ্বা বিপৰ্যয়ম্।।

-- ভাগৱত, ১/১৯/৩৭, ৩৮

ম্ৰিয়মান নৰে সদায়ে কিকৰ্ম্ম
কৰিবে ইটো লোকত।।১৪১

এয়া কেৱল অভিশপ্ত পৰীক্ষিতৰে প্ৰশ্ন নহয়, এয়া ৰজা-প্ৰজা, ধনী দুখী, স্ত্ৰী-পুৰুষ সকলোৰে, সকলো কালৰে, সনাতন প্ৰশ্ন। এই দুটি মূলভূত প্ৰশ্নৰ উত্তৰ আমি সকলোৱে পাবই লাগিব। ধৰ্মই, বিজ্ঞানে, সাহিত্যই বেলেগ বেলেগ পদ্ধতিৰে ইয়াৰে উত্তৰ বিচাৰি ফুৰিছে।

ভাগৱত গ্ৰন্থই সহজ-সৰল ব্যক্তিসকলৰ কাৰণে সৰল-সহজভাৱে ইয়াৰ যোগ্য উত্তৰ দিব বিচাৰিছে।

**পৰীক্ষিতৰ তৃষ্ণা ঃ**

মাতৃ-পুণ্যৰ ফলত, নিজভাগ্যৰ বলত যিজন ব্যক্তিয়ে গৰ্ভবাসৰ দুখতেই, গৰ্ভবাসৰ ভিতৰতে ঈশ্বৰৰ কৃপালাভ কৰি অভয়দান পাইছিল, যিজন ব্যক্তিয়ে 'সমস্ত ভূতকে আত্মাসম' দেখিছিল, সামান্য এটা জীৱৰো অপকাৰ চিন্তা কৰা নাছিল। (পতিতম্ পাদয়োৰ্বীৰঃ কৃপমা দীন বৎসলঃ। ভাগৱত, ১/১৭/৩০) সেইজন ব্যক্তি আজিনো মৃগয়াৰ কাৰণে কিয় উদ্যত হ'ল?

উদ্যত হ'ল এটা কুমুট পিন্ধাৰ লগে লগে। এই মুকুটটো আছিল জৰাসন্ধাৰ। ভীমে জৰাসন্ধক মাৰি মুকুটটো কাঢ়ি লৈ আহিল। জৰাসন্ধৰ ল'ৰাই ৰজা যুধিষ্ঠিৰৰ লগত মিত্ৰৰতী কৰি মুকুটটো ঘূৰাই বিচাৰিলে। ধৰ্মৰাজে মুকুটটো ঘূৰাই দিব বিচাৰিছিল, কিন্তু সহদেৱৰ মোহ নিৰ্মাণ হ'ল। ইচ্ছা কৰিলে সেই মুকুটটো পিন্ধাৰ। সৰু ভায়েকৰ আকোৰগোজ স্বভাৱৰ ওচৰত ধৰ্মৰাজ

গলি গ'ল। মুকুট ঘূৰাই দিয়া আৰু নহ'ল; অলপ দিনৰ পাছত দ্ৰৌপদীসহ পাঁচো পাণ্ডৱ স্বৰ্গাৰোহণত গুচি গ'ল। মুকুট থাকি গ'ল।

ৰজা পৰীক্ষিতে মাজে মাজে নিজৰ ৰাজভঁড়ালটো চায়-কিমান কি সম্পত্তি আছে। কিন্তু ৰাজভঁড়ালৰ এচুকত পৰি থকা কাঠৰ বাকচটো নাচায়-পৰি আছে আৰু আছে। এদিন ৰাজভড়ালৰ নিয়মীয়া পৰিদৰ্শন কৰোতে হঠাৎে ইচ্ছা হ'ল সেই মকৰাৰ জালি লগা বাকচটো খুলি চোৱাৰ। বাকচ খোলোৱালে আৰু তাত দেখিলে এটা ধুনীয়া কুমুট! এইটো সেই জৰাসন্ধৰ মুকুটোৱেই।

মন গ'ল পিন্ধি চাবৰ! পিন্ধিলে। পিন্ধাৰ লগে লগে আৰু ইচ্ছা হ'ল ইটো সিটো কৰাৰ। (কাৰণ তাত কলি সোমাই আছিল।) ইচ্ছা হ'ল অনৰ্থ কৰিবৰ, ইচ্ছা গ'ল মৃগয়া কৰিবৰ। নিৰীহ নিৰ্দোষ জীৱক বধ কৰি আনন্দ লভিবৰ, এদিন আৰু সেই এদিন আজি--

একদা ধনুৰুদ্যম্য বিচৰণ মৃগয়াম্ বনে।
মৃগাননুগতঃ শ্ৰান্তঃ ক্ষুধিত স্তৃষিতো ভৃশম্।।

মৃগৰ পিছত ফুৰোতে ফুৰোতে ভোক, পিয়াহ আৰু ভাগৰত জৰ্জৰিত হ'ল।

তৃষ্ণাতুৰ ৰজাই জল বিচাৰি বিচাৰি শেষত শমীক মুনিৰ আশ্ৰম পালেগৈ। মহামুনি শমীক চতুৰ্থ অৱস্থাত অৰ্থাৎ সমাধিত লীণ হৈ আছিল, ইফালে ঋষি পুত্ৰ শৃঙ্গীয়ে লগীয়াৰ লগত খেলাত ব্যস্ত। তৃষ্ণাত অধীৰ হৈ ৰজাই 'পানী পানী' কৈ চিঞৰিবলৈ ধৰিলে। ধ্বনিৰ প্ৰতিধ্বনি হোৱাৰ বাহিৰে কাৰো কতোঁ সহাঁৰি নাই। নিৰাশ হৈ ৰজাই ক্ৰোধত একো নাই হৈ তীব্ৰ বাক্যবাণ প্ৰয়োগ কৰিলে। ব্ৰহ্মৰ্ষি শমীক তথাপিতো সংজ্ঞাতীত হৈয়েই ৰ'ল।

ক্ৰোধে কি নকৰে! ৰজাই কাণ্ডজ্ঞান হেৰুৱাই ধনুৰ আগটোৰে ওচৰতে মৰি পৰি থকা সাপটো উঠাই ব্ৰহ্মৰ্ষি শমীকৰ গলাত মেৰিয়াই দি থৈ গুচি গ'ল। অজ্ঞান বালকেও নকৰা, পাগল হাতীয়েও নকৰা কামটো এইজন জ্ঞানী ৰজাই আজি কৰি পেলালে। তৃষ্ণাই কিমান এটা ডাঙৰ কাণ্ড কৰোৱাই পেলালে!

পৰীক্ষিতৰ এই তৃষ্ণা সাধাৰণ তৃষ্ণা নহয়। এই তৃষ্ণাৰ গুড়িটো সহদেৱৰ মুকুট মোহ! এই তৃষ্ণাৰ আৰম্ভ হ'ল কাঞ্চনৰ পৰা। ব্যক্তিকনো কাঞ্চন কিয় লাগে? কাঞ্চন খাদ্য নহয়, কাঞ্চন ঔষধ নহয়, নহয় কাঞ্চন জ্ঞানৰ কোনো আহিলা। নালাগে কাঞ্চন স্বৰ্গপ্ৰাপ্তি বা মহামুক্তিৰ কাৰণে। কাঞ্চন লাগে কাৰোবাক দেখুৱাবলৈ, কাৰোবাক ভুলাবলৈ। কাৰোবাক চলাবলৈ, টলাবলৈ! কাঞ্চন দেখি ভোল যোৱা, চালিত হোৱা সেয়া কোন? সেয়া কামিনী। কামিনীৰ কাৰণে কাঞ্চন! কামিনী লাগে বাসনা তৃপ্তিৰ কাৰণে। তৃষ্ণা নিবৃত্তিৰ কাৰণে। আৰু এই তৃষ্ণাৰ কাৰণেই জীৱৰ সংসাৰ সংসৃতিত বাৰবাৰ আয়াযাত।' ভগৱান বুদ্ধই এই তৃষ্ণাকে 'তন্হা' বুলিছে। দুখময় জীৱনৰ বাৰটা মূলকাৰণৰ এই তন্হা প্ৰধান কাৰণ। সচাঁকথা, এই তন্হা, তৃষ্ণাই দুখময় জন্মৰ মূল কাৰণ আৰু মৃত্যুৰো ইয়েই মূল কাৰণ। জন্ম আৰু মৃত্যুৰ মূল কাৰণ হোৱাতেই সীমাৱদ্ধ হৈ থকা হ'লেও সিমান ভাবিব লগা নাছিল কিন্তু জন্ম-মৃত্যুৰ মাজৰ কালছোৱাতো এই তৃষ্ণাই অনৰ্থ ঘটায়। ই 'অভূত পূৰ্ব' আগতে নকৰা, নোহোৱা, নভবা অনৰ্থ ঘটাবলৈ বাক্য কৰায়--

অভূতপূৰ্ব সহসা ক্ষুত্তৃড্ভ্যামৰ্দিতাত্মনঃ
ব্ৰাহ্মণম্ প্ৰত্যভূদ্ ব্ৰহ্মণ্ মৎসৰো মন্যুৰেৱ চ।।

ক্ষুধাতৃষ্ণাত জৰ্জ্জৰিত ৰজা ব্ৰাহ্মণৰ প্ৰতি ঈৰ্ষা আৰু ক্ৰোধেৰে ভৰি গ'ল। জীৱনত কেতিয়াও নোহোৱা এনে অৱস্থা আজি প্ৰথমবাৰৰ কাৰণে হ'ল।

এৰা, তৃষ্ণাই বহুতৰ জীৱনলৈ আগতে নহা অনৰ্থ প্ৰথম বাৰৰ কাৰণে আদি দিয়ে।

পিতাৰ এই অৱস্থা দেখা পাই ঋষি কুমাৰ শৃঙ্গীয়ে গুৰুতৰ শাস্তি ব্ৰহ্মশাপ এৰি দিলে 'আজিৰ পৰা সপ্তম দিনৰ দিনা তক্ষকৰূপী নাগে তোক দংশন কৰক।'

ইতি লঙ্ঘিত মৰ্যাদম্ তক্ষকঃ সপ্তমেহনি।
দঙ্ক্ষ্যতি স্ম কুলাঙ্গাৰম্ চোদিতো মে তৰ্তদ্ৰু হম্।।

এতিয়া সাপ শাপ হ'ল। অৰ্থ অনৰ্থ হ'ল, তৃষ্ণা মৃত্যু হ'ল। এয়া আছিল ঋষি কুমাৰ শৃঙ্গীৰ বজ্ৰবাণী, নিষ্ঠুৰ নিৰ্বিৱেক বজ্ৰবাণী-- বাগ্ বজ্ৰম বিৰ্সসজ হ।

**বজ্ৰবাণী-অমৃতবাণী ঃ**

ঈশ্বৰৰ পৰা মানৱে লাভ কৰা আটাইতকৈ শ্ৰেষ্ঠ বৰদানটো হ'ল-- 'শব্দৰূপী বাণী লাভ।' অন্য জীৱই ধ্বনিহে পালে বাণী নাপালে। বাণী পালে কেৱল

মানৱে।

চিন্তনে প্ৰকটৰূপ ল'লে বাণী হৈ আৰু বাণীয়ে খুলি দিলে চিন্তনৰ নতুন দিগন্ত। শব্দক লৈয়ে আমি চিন্তন কৰোঁ। শব্দহীন চিন্তন কেৱল এক কঠিন অনুশীলনেই নহয়, প্ৰায় অসম্ভৱো।

বাণীয়ে খোলে, বাণীয়ে বান্ধে। বাণীয়ে ওচৰ চপায়, বাণীয়ে দূৰলৈ ঠেলে। বাণীয়ে হুঁহুৱায়, বাণীয়ে কন্দুৱাই। বাণীয়ে মাৰে, বাণীয়ে তাৰে।

জীৱনৰ ঘটনা বাণীৰেই পৰিণাম। পৰীক্ষিতে আজি সংযমহীন বাণীৰ প্ৰয়োগ কৰিলে। সংযমহীন বাণীয়ে অবিৱেকী কাৰ্য কৰালে- সৰ্প তুলি দিলে সমাধিলীণ ব্ৰহ্মৰ্ষিৰ গলাত আৰু তাৰেই ফলস্বৰূপে ওলাই আহিল শৃঙ্গীৰ মুখৰ পৰা বজ্ৰবাণী- অভিশাপ হ'ল এক মৃত্যুৰূপে। এতিয়া এই বাণীৰূপী ৰোগৰ উপচাৰো হ'ব লাগিব বাণীৰূপী ঔষধৰ দ্বাৰাই। বাণীৰূপী অনুপাণৰ দ্বাৰাই। বাণীৰ দ্বাৰা অৱতৰিত হোৱা মৃত্যুৰ পৰা ৰক্ষা পাবলৈ আজি অমৃতৰূপী বাণীৰেই প্ৰয়োজন। জীৱক মৃত্যুৰ পৰা ৰক্ষা পাবলৈ আজি অমৃতৰূপী বাণীৰেই প্ৰয়োজন। জীৱক মৃত্যুৰ পৰা বচাব পাৰে ঈশ্বৰেহে- 'মৃত্যুৰো অন্তক তুমি'; এবাৰ পৰীক্ষিতক বচাইছিল জীৱনৰ আৰম্ভণিতে গৰ্ভত। এইবাৰ বচাব লাগিব জীৱনৰ অন্তিমত। পৰীক্ষিত জীৱনৰ আৰম্ভণি আছিল নিৰ্ভুল, নিৰ্দোষ, মঙ্গলময়। কথাতে কয় আৰম্ভটো ভাল হোৱা মানে আধাকাম হৈয়েই যোৱা। সেয়েহে পৰীক্ষিতৰ অন্তিমো হ'ব লাগিব নিৰ্ভুল নিৰ্দোষ আৰু মঙ্গলময়।

এয়া জীৱনৰ আকুতি, জীৱনৰ প্ৰয়োজন, জীৱনৰ দাবী, জীৱনৰ অধিকাৰ, জীৱনৰ ঘোষণা।

পৃথিৱীৰ অমৃত, সৰগৰ অমৃত, তত্ত্বজ্ঞানৰ অমৃত আৰু বৈকুণ্ঠৰ অমৃত একেলগে মধু মধুৰ হৈ নামি আহিল-- বাণীৰূপে, ব্ৰহ্মৰূপে, কৃষ্ণৰূপে বাঙ্ময়মূৰ্তি ভাগৱত ৰূপে।

যেতিয়া ভগৱান কৃষ্ণই এই ধৰাধাম এৰি নিজধামলৈ যোৱাৰ পৰিকল্পনা কৰি প্ৰিয়ভক্ত উদ্ধৱক আত্মতত্ত্বৰ উপদেশ দিলে তেতিয়া চতুৰ উদ্ধৱে প্ৰভুৰ মন বুজিব পাৰি নিজকো লগত লৈ যোৱাৰ কাৰণে খাটনি ধৰিলে। কাৰণ বিচক্ষণ উদ্ধৱে বুজি পাইছিল যে মহাপ্ৰভুৰ বৈকুণ্ঠ প্ৰয়াণৰ লগে লগে ঘোৰ কলিকালৰ প্ৰৱেশ হ'ব বুলি, সত্য ধৰ্ম জ্ঞান-বৈৰাগ্য ভক্তি লোপ পাব বুলি! কৃষ্ণহীন এই ভূমণ্ডলৰ কি অৱস্থা হ'ব, সাধুসন্তৰেই বা কি দশা হ'ব।

প্ৰাণসম ভক্ত উদ্ধৱৰ এই আশংকা, এই দশা দেখি ভক্তবৎসল কৰুণাময় শ্ৰীহৰিয়ে ভাবিবলৈ ধৰিলে আৰু তাৰ এটা উপায় উলিয়ালে। এতিয়া ভক্তৰ অৱলম্বনৰ কাৰণে পুনৰ এবাৰ ভাগৱতত প্ৰৱেশ কৰিলে--

স্বকীয়ম্ যদ্ভৱেত্তেজস্তচ্চ ভাগৱতেহদধাত্।
তিৰোধায় প্ৰৱিষ্টোহয়ং শ্ৰীমদ্ভাগৱতাৰ্ণৱম্।।
তেনেয়ং বাঙ্ময়ী মূৰ্ত্তিঃ প্ৰত্যক্ষাৰ্ৱতেতে হৰেঃ।
সেৱনাত্ শ্ৰৱণাত্ পাঠাত্ দৰ্শনাত্ পাপনাশিনী।।

-- ভাগৱত, মাহাত্ম্য, ৩/৫১-৫২

ভগৱানৰ নিজৰ সমস্ত শক্তি ভাগৱতত ৰাখি দিলে; নিজে অন্তৰ্ধ্যানহৈ ভাগৱতত প্ৰৱেশ কৰি গ'ল। সেয়েহে এই ভাগৱত ভগৱানৰ সাক্ষাৎ শব্দময় মূৰ্তি যাৰ সেৱন, শ্ৰৱণ, দৰ্শন মাত্ৰতে সকলো পাপ সমাপ্ত হৈ যায়।

অন্যহাতে শৌনকাদি ঋষিয়ে উগ্ৰশ্ৰৱা সূতক ভাগৱত সম্পৰ্কে কৈছে--

ৱয়ম্ তু ন বিতৃপ্যাম উত্তম শ্লোক বিক্ৰমে।
য়চ্ছৃন্বতা ৰসজ্ঞানাম্ স্বাদু পদে পদে।।১/১/১৯

পুণ্যকীৰ্ত্তি ভগৱানৰ লীলা শ্ৰৱণত আমি তৃপ্ত হৈ নাযাওঁ। কাৰণ ৰসজ্ঞ শ্ৰোতাসকলৰ কাৰণে প্ৰতি পদে পদে ভগৱদ্ লীলাৰ নিত্য নতুন ৰসৰ অভিজ্ঞতা হ'বলৈ ধৰে।

গোপীয়ে ঘোষণা কৰিছে--

তযু কথামৃতে দগ্ধকো জীয়াৱৈ
শ্ৰৱণে দেয় মুকুতি।।

ত্ৰি-তাপে তাপিত দগ্ধ জীৱক জীউৱাৰ উপায় হ'ল কৃষ্ণ কথামৃত ভাগৱত।

আমি অতি সাৱধানেৰে 'পুনৰ এবাৰ ভাগৱতত প্ৰৱেশ কৰিলে' বুলি উল্লেখ কৰিছিলো। ইয়াত প্ৰশ্ন হ'ব- ইয়াৰ আগতেও ভগৱন্তই একাধিক বাৰ ভাগৱতত প্ৰৱেশ কৰিছিল নেকি? ভাগৱতক বেলেগে থৈ আকৌ তাত প্ৰৱেশ কৰি যোৱাৰ ক্ৰিয়া কৰা নাই সঁচা, কিন্তু ভাগৱত

নিজেই ভগৱান আছিল। ভাগৱতৰ প্ৰথম স্কন্ধৰ ছয় অধ্যায়ৰ তৃতীয় শ্লোকত ভাগৱতক 'অধ্যাত্মদীপ' বুলি কোৱা হৈছে-- অধ্যাত্মদীপমতিতীৰ্ষতাম্ তমোহন্ধম্ আৰু দশম স্কন্ধৰ তৃতীয় অধ্যায়ৰ ২৪শ শ্লোকত দেৱকী মাতাই কৃষ্ণক 'অধ্যাত্মদীপ' বুলিছে-- 'স ত্বম সাক্ষাত্ বিষ্ণুৰধ্যাত্মদীপঃ'।।

কৃষ্ণ আৰু ভাগৱত, ভাগৱত আৰু কৃষ্ণ এক আৰু অভেদ। কৃষ্ণ মধুৰ, ভাগৱত মধুৰ, ভাগৱত মধুৰ, কৃষ্ণ মধুৰ। বজ্ৰবাণীৰ বন্ধন আৰু মৃত্যুৰ পৰা মধুৰ বাণীয়ে মুক্তি আৰু অমৃতলৈ লৈ যোৱাৰ ভাগৱত এক নিৰ্ভুল পৰিকল্পনা, এক নিশ্চিত পৰিচালনা।

**ভাগৱত কথা ঃ**

শব্দৰ দ্বাৰা আমি যেতিয়া একো একোটা ঘটনাক, একো একোটা পৰিৱৰ্তনক প্ৰকট কৰো সিয়েই কথা হয়। কথনম্ কথা-- কাহিনী, বিৱৰণীৰ নাম কথা।

কেন প্ৰকাৰেণ ইতি কথা-- কি প্ৰকাৰে, কি কথা।

য়েন প্ৰকাৰেণ ইতি য়থা-- যি প্ৰকাৰে, যি কথা।

তেন প্ৰকাৰেণ ইতি তথা-- তেনে প্ৰকাৰে, সি তথা।

সৰ্ব্বেণ প্ৰকাৰেণ ইতি সৰ্ব্বথা-- সৰ্ব্বপ্ৰকাৰেৰে সি সৰ্ব্বথা।

যথা-তথা-সৰ্ব্বথা কথা চলে। হাটৰ কথা, বাটৰ কথা, ঘৰৰ কথা, পৰৰ কথা, সৰগৰ কথা, নৰকৰ কথা, সংসাৰৰ কথা, বৈৰাগ্যৰ কথা। কথাই কথা। কিন্তু এই সকলো কথাই বান্ধে। বৰ বেয়াকৈ বান্ধে।

'চৰাই মৰে বৈ, মানুহ মৰে কৈ'

বহুত বন্ধ হ'ল কথাৰে, বহুত মৰিল কথাৰে।

কিন্তু ভাগৱতত থকা কথাৰ কথা বেলেগ। এই কথা অন্য কথাৰ নিচিনা নহয়। কাৰণ ভগৱত কথাই মুক্ত কৰে, নিৰ্ভয় দি মুক্ত কৰে, মুক্ত কৰি নিৰ্ভয় দিয়ে।

**কথা ঃ**

ভাগৱতত আছে গছ লতিকাৰ বিষয়ে, গছ লতাই কথা কয়,

ভাগৱতত আছে পশু-পক্ষী বিষয়ে, পশু-পক্ষীয়ে কথা কয়,

ভাগৱতত আছে পৰ্বত-পাহাৰ বিষয়ে, পৰ্বত পাহাৰে কথা কয়,

ভাগৱত আছে অসুৰ দেৱতাৰ বিষয়ে, অসুৰ দেৱতাই কথা কয়,

ভাগৱতত কথা আছে কামনাৰ-বাসনাৰ, কথা আছে সুখ-দুখৰ, হাঁহি-কান্দোনৰ, আশা-নিৰাশাৰ, পোৱা-নোপোৱা, মোহভঙ্গ-আশাভঙ্গৰ। জীৱনৰ প্ৰতিটো আঘাত, ব্যাঘাত, প্ৰঘাত, সংঘাতৰ।

কিন্তু এই গোটেই বিলাকৰ বিশেষতা এয়ে যে এই কথাবিলাক ভাগৱত্ কথাৰ সহায়ক হিচাবে, পৰিপূৰক হিচাবেহে ব্যৱহৃত হৈছে। এওঁলোকৰ ৰোল হ'ল চাপৰ্টিভ। এইবিলাক কথাই সংসাৰৰ তুচ্ছতাৰ পৰা ভগৱানৰ মহানতালৈ, ভৱাটবীৰ লতাৰ বন্ধনৰ পৰা মহামুক্তিলৈ জীৱ সমুদায়ক পথ দেখুৱাই লৈ গৈছে। ভাগৱতৰ পাত্ৰবিলাকৰ প্ৰতিটো স্পন্দন যেন অসীমৰ ফালে কৰা এক এক মহাযাত্ৰা, প্ৰতিটো শব্দই যেন অন্তৰৰ গভীৰতম্ প্ৰদেশৰ পৰা ওলাই অহা এক এক আকুল প্ৰাৰ্থনা। যোগভ্ৰষ্ট হৰিণৰ দিনচৰ্যা, কূড়ৰ পক্ষীৰ মাংসত্যাগ, কৃষ্ণষাঁড়ৰ কৃষ্ণমোহ, যমালাৰ্জুন বৃক্ষৰ প্ৰতীক্ষা, যমুনা নদীৰ ওলোটা গতি--

'জড় নদী সবো শুনি গোবিন্দৰ গীত।

উলটি বহৰৈ হুয়া বিমোহিত চিত।।

স্থাৱৰে জঙ্গম ভৈলা জঙ্গমে স্থাৱৰ।

কিনো অদভূত ইটো গীত গোবিন্দৰ।।'

ধ্ৰুৱৰ অপমান, পিঙ্গলাৰ মোহভঙ্গ, পৰীক্ষিতৰ তৃষ্ণা প্ৰমাদ, ব্যাসৰ কিংকৰ্তব্য বিমূঢ়তা, বৃত্ৰাসুৰ ৰণহুংকাৰ, ৰহুগণৰ অহংকাৰ, হৰৰ মোহিনী মোহ, ব্ৰহ্মাৰ গৰু-চুৰি, গজেন্দ্ৰৰ মদমত্ততা, গোপীৰ কামেচ্ছা আদি ভাগৱতৰ অসংখ্য অভিব্যক্তি, অভিব্যঞ্জনা বিৰহী জীৱৰ এক এক আতুৰ প্ৰাৰ্থনা মাত্ৰ। বলিৰ যুদ্ধত, জীৱই মুক্তি বিচাৰি কৰা আকুল বিননি শুনা যায়।

ভাগৱতৰ প্ৰতিটো পাত্ৰ প্ৰতিটো শ্বাস-প্ৰশ্বাস, প্ৰতিটো ধমনি গঙ্গাহে, কেতিয়াবা যমুনা হৈ, কেতিয়াবা জ্ঞান গঙ্গা, ভক্তি যমুনা আৰু ব্ৰহ্মবিদ্যা সৰস্বতীৰ ত্ৰিৱেণী সঙ্গমহে ব'বই লাগিছে কুলু কুলু ধ্বনিৰে, কল কল নিনাদে। কেতিয়াবা আকৌ এই ভাগৱত কথাই প্ৰেম সমুদ্ৰৰ উত্তাল তৰঙ্গহে ইটোৰে সিটোক খুন্দিয়াই পাৰ ভাঙ্গি দিয়ে--

যাতুধান্যপি সা স্বৰ্গমৱাপ জননী গতিম্।

কৃষ্ণভুক্ত স্তন ক্ষীৰাঃ কিমু গাৱো নু মাতৰঃ।।
পয়াংসি য়াসামপিৱৎ পুত্ৰস্নেহ স্নুতান্যলম্।
ভগৱান দেৱকীপুত্ৰঃ কৈৱল্যাদ্যখিল প্ৰদঃ।।

ভাগৱত, ১০/৬/৩৮-৩৯

ধৰি লোৱা হ'ল তাই (পুতনা) ৰাক্ষসী আছিল, কিন্তু তাইৰো এগৰাকী মাতৃয়ে পাবলগীয়া উত্তম গতি প্ৰাপ্ত হ'ল। তেন্তে যাৰ স্তনৰ দুগ্ধ ভগৱানে অতি প্ৰেমেৰে পান কৰিলে সেইগাই আৰু মাতৃসকলৰ কথানো কি ক'বা।

'পৰীক্ষিত, দেৱকীনন্দন ভগৱান কৈৱল্য আদি মুক্তিকে ধৰি সকলো বস্তুৰে প্ৰদাতা। গোপী আৰু গাইৰ স্তনৰ পৰা প্ৰেমাতিশৰ্যত নিজে নিজে স্খৰিত হোৱা দুগ্ধ ভগৱানে পান কৰিবলৈ ধৰিলে।'

হসুৱাই সবাকো ভুঞ্জন্ত যদুৰায়।
দেৱগণে আকাশে আনন্দে আছা চায়।।

আকৌ গোপীৰ লগত--

'মধ্যে মধ্যে কৃষ্ণ প্ৰকাশ কৰন্ত
গোপীৰ অঙ্গ সঙ্গত।
সুৱৰ্ণ মণিৰ মাজে মাজে যেন
জ্বলে মহা মৰকত।।

-- ভাগৱত, ১২১১৮

**ভাগৱতৰ বক্তা আৰু শ্ৰোতা ঃ**

'কথা' বুলিলে বক্তা আৰু শ্ৰোতা দুয়োজনকেই লাগিব। বক্তা নহ'লে শ্ৰোতাই কাৰ পৰা কি শুনিব আৰু শ্ৰোতা নহ'লে বক্তাই কাক কি ক'ব? শ্ৰীমদ্ভাগৱতত বক্তাই ভগৱৎ তত্ত্ব নিৰূপণ কৰিছে আৰু শ্ৰোতাই সে নিৰূপিত তত্ত্ব অনুভূতিৰে গ্ৰহণ কৰিছে। ভাগৱত বক্তা শ্ৰোতাৰ এক এক জোৰা বিখ্যাত হৈ গৈছে।

**ভাগৱতৰ বক্তা-শ্ৰোতাৰ সাতটি জোৰি–**

বক্তা শ্ৰীনাৰায়ণ -- শ্ৰোতা পদ্মযোনি ব্ৰহ্মা।
বক্তা পদ্মযোনি ব্ৰহ্মা-- শ্ৰোতা দেৱৰ্ষি নাৰদ।
বক্তা দেৱৰ্ষি নাৰদ-- শ্ৰোতা দ্বৈপায়ন ব্যাস।
বক্তা মহামুনি শ্ৰীশুকদেৱ-- শ্ৰোতা মুমূৰ্ষ পৰীক্ষিত।
বক্তা উগ্ৰশ্ৰৱা সূত-- শ্ৰোতাশৌনকাদি ঋষিগণ।
বক্তা অনন্ত নাগ-- শ্ৰোতা সনতকুমাৰাদি চাৰিসিদ্ধ।
বক্তা মহৰ্ষি মৈত্ৰেয়-- শ্ৰোতা মহাভকত বিদুৰ।

সাতজোৰি ভাগৱত বক্তা, শ্ৰোতা আৰু সপ্তম দিনত তক্ষক দংশন-- এই দুয়োটাৰে কিবা সঙ্গতি কিবা সম্বন্ধ আছেনে?

ওপৰে ওপৰে চালে একো নাই। কিন্তু অলপ গভীৰতালৈ গ'লে ইয়াৰ সঙ্গতি, সম্বন্ধৰ এটা চিকুৰেঞ্চ পোৱা যায়। আছে। 'আজিৰপৰা সপ্তদিন' মানে কোনটো দিন 'আজি'? সপ্তাহৰ যিকোনো দিনত অৱস্থিত হৈ 'আজি' বুলিব পৰা যায়।। সপ্তাহত সাতোটাই দিন। তাৰ ভিতৰত যিকোনো দিনেই 'আজি' আৰু যিকোনো দিনেই 'সপ্তম দিন' হ'ব পাৰে। ৰবিবাৰ 'আজি' হ'লে শনিবাৰ 'সপ্তম দিন'।

আমি প্ৰতিজনেই প্ৰমাদ কৰা পৰীক্ষিত, সপ্তাহৰ প্ৰতিদিনেই সপ্তম দিন আৰু প্ৰতিটো মৃত্যুৰ পদধ্বনিয়েই তক্ষক।

অন্যহাতে জীৱনৰ প্ৰতিটো স্তৰতে সমস্যা আছে আৰু সেই সেই সমস্যাই আমাৰ মনোভূমিকাও বদলি কৰি থাকে। এনে পৰিৱৰ্তিত মনোভূমিকাৰ পৰিস্থিতিত গ্ৰহণশীলতাৰো পৰিৱৰ্তন হয়। যাৰ কাৰণে বিভিন্ন স্তৰৰ, বিভিন্ন মনোভূমিকাৰ ভাগৱত বক্তাৰ প্ৰয়োজন হয়।

ভাগৱত জীৱন শাস্ত্ৰ, জীৱনক মহান কৰাৰ শাস্ত্ৰ।
ভাগৱত মৰণ শাস্ত্ৰ, মৰণক মহীয়ান কৰাৰ শাস্ত্ৰ।

ভাগৱতে জীৱন মৰণ প্ৰশ্নটো পোনপটীয়াকৈ লৈছে, তাক সমাধান কৰাৰ দায়িত্বও লৈছে--

দিনে দিনে আয়ু হৰে মৃত্যু চাপে পাশ।
এক তিলে কালে কৰিৱেক সৰ্বনাশ।।
থাকিবে শৰীৰ সৱে পৰি দান্ত তৰি।
পুত্ৰ ভাৰ্য্যা এৰি যাইবে যাতনাক লৰি।।
কিঙ্কৰে কৰিবে শাস্তি ঘোৰ যমপুৰ।
মহা অহম্মম গৰ্ব সৱে হৈৱে চুৰ।।
হেনজানি লৈবে জান্টে কৃষ্ণত শৰণ।
যাৱে নতু মিলে আসি দোৰ্ঘোৰ মৰণ।।

ভাগৱতৰ সাতো প্ৰকাৰৰ বক্তাই মহান আৰু দূৰদৰ্শী। সাতো প্ৰকাৰৰ শ্ৰোতাই জিজ্ঞাসু, স্ব-পৰ-হিতাকাংক্ষী। ইয়াত কাকো দোষ দিব লগা নাই, বৰং প্ৰতিজনেই প্ৰশংসাৰ পাত্ৰ।

ইয়াৰ প্ৰথমজন বক্তাই হ'ল সৰ্বঅৱতাৰৰ কাৰণ

শ্ৰীনাৰায়ণ-- যি সৃষ্টিৰ প্ৰয়োজন বোধ কৰি নিজৰ নাভি কমলৰ পৰা ব্ৰহ্মাক স্ৰজন কৰি, সৃষ্টি নিৰ্মাণ কৰিবলৈ আদেশ দি সৃষ্টি নিৰ্মামৰ মূল উপাদান ৰূপ দিক্-কাল-সীমাতীত জ্ঞান বিজ্ঞান, তদং ৰহস্য স্বৰূপ সমস্ত জ্ঞানৰ জন্মভূমি শ্ৰীমদ্ভাগৱত চাৰি শ্লোকত উপদেশ কৰিছিল--

অহমেৱাসমেৱাগ্রে নান্যদ্ যত্ সদসত্ পৰম।
পশ্চাদহম্ যদেতচ্চ য়োহৱশিষ্যেত সোস্ম্যহম্।।
ঋতেহৰ্থম য়ত প্ৰতীয়েত ন প্ৰতীয়েত চাত্মনি।
তদ্বিদ্যাদাত্মনো মায়াম্ য়থা আভাসো য়থা তমঃ।।
য়থা নহাতি ভূচানি ভূচেবূচ্চাৱচেম্বণু।
প্ৰৱিষ্টান্যপ্ৰৱিষ্ট্যানি তথা তেষু ন তেষু অহম্।।
এতাৱদেৱ জিজ্ঞাস্যম্ তত্বজিজ্ঞাসুনা আত্মনঃ।
অন্বয় ব্যাতিৰেকাভ্যাম্ য়ৎ স্যাৎ সৰ্বত্ৰ সৰ্বদা।।
ভাগৱত, ২/৯/৩২, ৩৩, ৩৪, ৩৫

শ্ৰীমন্ত শঙ্কৰদেৱ মহাপুৰুষে অনুবাদ কৰিছে--

জগতৰ পূৰ্ব্বে মই মাত্ৰ থাকো জান।
কাৰ্য্য কাৰণৰ কিছু নাছিলেক আন।।
মোক মাত্ৰ দেখিয়োক সৃষ্টিৰ মধ্যত।
দেখা শুনা মানে সবে মই বিচাৰত।।
মই মাত্ৰ অৱশেষে থাকোহো অন্তত।
কুণ্ডল ভাঙ্গিলে যেন সোণা স্বৰূপত।।
অবস্তুক দেখাৱয় বস্তুক আৱৰি।
এহিসে মোহোৰ মায়া জানা নিষ্ঠ কৰি।।
নাথাকিলে দেখি যেন চন্দ্ৰমা দূতয়।
থাকিতো ৰাহুক যেন কেহো নেদেখয়।।৬৫০
এহি মতে মায়া আৰ কৰি ঈশ্বৰক।
আশাৰ বিষয় তাক দেখাৱে জীৱক।।
যেন মহা পঞ্চভূতে কৰিয়া নিবাস।
স্থাৱৰ জঙ্গম সদা কৰয় প্ৰকাশ।।
ময়ো সেহিমতে আছো জগতকে ব্যাপি।
তাৰ দোষ গুণে মোক নোছোৱে কদাপি।।

এয়া পৰম সামৰ্থৱান পৰমপুৰুষ পৰম উদ্দেশ্যলৈ পৰম গুপ্ত কথা প্ৰকট কৰা প্ৰথম বক্তা। আৰু এয়া সৃষ্টি নিৰ্মাণ কৰাৰ সামৰ্থ ৰখা প্ৰথম জীৱ প্ৰজাপতি পদ্মযোনি ব্ৰহ্মা প্ৰথম শ্ৰোতা।

দ্বিতীয় জোৰা হ'ল-- নাৰদ আৰু ব্যাস। নাৰদ হ'ল ঈশ্বৰপ্ৰেম, মানৱপ্ৰেমেৰে পৰিপূৰ্ণ হৈ থকা, ত্ৰিলোক বিহাৰী, দেৱ-দানৱ-মানৱৰ সমানে মান্য, চিৰযৌৱন, চিৰকুমাৰ তত্বদৰ্শী মহাপুৰুষ, যিজনে প্ৰতিজন ব্যক্তিৰ হৃদয়ত প্ৰেমভক্তিৰ শলিতা জ্বলাবলৈ সংকল্পলৈ উদ্যোগ উৎসাহেৰে হাতত মহতী বীণালৈ লোকসেৱক হৈ লোকৰ মাজলৈ আহে--

হাতে দিব্য বীণা যন্ত্ৰ মুখে ৰাম নাম।
হৃদয়ত কৃষ্ণমূৰ্ত্তি স্ফূৰ্ত্তি অবিশ্ৰাম।।
প্ৰেমে দ্ৰৱৈ চিত্ত আতি ৰোমাঞ্চ শৰীৰ।
ধাৰায়ে শ্ৰৱন্তে আছে নয়নৰ নীৰ।।
তোলন্ত যন্ত্ৰত মহা হৰিৰ চৰিত্ৰ...।

**ব্যাস–** মৎস্যগন্ধা আৰু পৰাশৰ মুনিৰ অনুলোম বিবাহৰ ফল স্বৰূপে জন্ম হোৱা, ভগৱানৰ অংশ অৱতাৰ অত্যন্ত মেধাৱী, ধীসম্পন্ন মহাপুৰুষ- যি বেদৰ বিভাজন কৰিলে, ব্ৰহ্মসূত্ৰ, মহাভাৰত আৰু সপ্তদশ পুৰাণ লিখিলে, যিজনে সমাধিত ব্ৰহ্মাক সাক্ষাৎ কৰিব পাৰে, ক্ৰান্তদৰ্শী পুৰুষ--

তথাপিতো মনঃ শান্তি হীন, অসন্তোষী জীৱ।

কিয় এয়া হ'ল? বিদ্বানৰ বিদ্বত্তা যিমানেই নহওক লাগিলে তেওঁ যদি নিজৰ জ্ঞানেৰে ভগৱান আৰু ভগৱান ভক্তৰ চৰিত্ৰ প্ৰধানকৈ দেখুৱাব নোৱাৰে তেন্তে তেওঁৰ সেই বিদ্বত্তাৰ দ্বাৰা জগতৰ কল্যাণ কেতিয়াও হ'ব নোৱাৰে। তাৰ পৰা জগতৰ অপকাৰ হোৱাৰহে ভয় বেছি। ব্যাসৰো সেয়েই হ'ল।

মুকলি পথাৰৰ মাজৰ বাটৰ দৰে ব্যাসে চাৰিওফালে বাটবিলাক খুলি দিলে। ফলত জীৱ দিগ্ ভ্ৰান্ত হৈ বিপথে যাব ধৰিলে। ব্যাস বিস্তাৰ কৰোতা বুদ্ধিজীৱী! বুদ্ধিজীৱীয়ে যদি মূলটোকে হেৰুৱায় তেন্তে মন্দবুদ্ধি, অল্পবুদ্ধি, বিপৰীত বুদ্ধিৰ জীৱসমূদায়ৰ কি অৱস্থা হ'ব।

কিন্তু যদি এই বুদ্ধিজীৱীৰো বিচাৰ হ'ব।

সত্যক, ঈশ্বৰক এৰি দি কোনো বুদ্ধিজীৱী ক'তো কেতিয়াও সুখী হ'ব পৰা নাই। তেতিয়াৰ পৰা এতিয়ালৈকে এনে বুদ্ধিজীৱীৰ মতিভ্ৰম হোৱাই দেখা গৈছে।

ব্যাসৰো সেয়েই হ'ল।

দেৱৰ্ষি নাৰদৰ সন্মুখত এইবিলাক কথা লুকাই

নাথাকে। ব্যাসে নিজৰ দুখ বেদনাৰ টোপোলাটো খুলি দিব লগা হ'ল। এই মানসিক ৰোগৰ উপচাৰ হিচাবে দেৱৰ্ষি নাৰদে আগবঢ়ালে কৃষ্ণৰ অমৃত মধুৰ চৰিত্ৰ আৰু ভক্তৰ অমৃত-মধুৰ জীৱনী মিশ্ৰিত ভাগৱত মহাজ্ঞান আৰু আজ্ঞা দিলে কৃষ্ণ চৰিত্ৰ প্ৰধান, ভক্তৰ জীৱনী প্ৰধান শেষৰ আৰু সুন্দৰ 'দ লাষ্ট এণ্ড দ বেষ্ট' শাস্ত্ৰ নিৰ্মাণ কৰিবলৈ-- সেয়া হ'ব 'মহাভাগৱত'।

প্ৰকটি কহিলা তুমি আনসে ধৰ্ম্মক।
নকৈলা প্ৰখ্যাত কৰি কৃষ্ণ কীৰ্ত্তনক।।
সিজিল তোমাত ঋষি পৰম অন্যায়।
নাহি সুস্থ চিত্ত তৱ সেহি অভিপ্ৰায়।।
মোৰ উপদেশে কৰা ভাগৱত শাস্ত্ৰ।
প্ৰচাৰোক গোবিন্দৰ গুণ নাম মাত্ৰ।।

নাৰদৰ সন্দেশ, উপদেশ, আদেশ পোৱাৰ পিছত ব্যাসো শান্ত চিত্ত ভৈল পায়া উপদেশ।

বন্ধৰ মোক্ষৰ হেতু দেখি ব্যাস ঋষি।
ভাগৱত শাস্ত্ৰ পাছে কৰিলা হৰিষি।।

এই জোৰা বক্তা শ্ৰোতাৰ উদ্দেশ্য আছিল-- লোক কল্যাণ।

তৃতীয় জোৰা বক্তা-শ্ৰোতা হ'ল-- সূত শৌনকাদি।

ব্ৰাহ্মণী মাতা আৰু ক্ষত্ৰিয় পিতাৰ দ্বাৰা জন্মা বিলোমজ সূত আছিল হীনমন্যতাত ভোগা জাতি সচেতন অথচ অত্যন্ত শ্ৰদ্ধালু ধীমান, নিঃহংকাৰী মহাপুৰুষ। তেওঁ নিজৰ সীমা জানে আৰু সকলো সীমাৰ সিপাৰে থকা পৰমৰো আৱাহন জানে, শুনে, গুণে, মনে--

হেন শুনি সূতে বিনাৱন্ত অৱনত।
আমি অকুলীন হেন আছিল মনত।।
তোমাসাৰ প্ৰশ্নে ভৈলো আজিসি পৱিত্ৰ।
শুনা যেন জানো কহো কৃষ্ণৰ চৰিত্ৰ।।
গ্ৰাম্য কথা কথনে মলিন হোৱে বাণী।
তাক শুদ্ধ কৰো কৃষ্ণ কথাক বখানি।।
কৃষ্ণ চৰিত্ৰত মোৰ মহালাভ আছে।
কৃষ্ণৰ কীৰ্ত্তনে জাতি অজাতি নবাছে।।

তপ-ব্ৰত-কৃচ্ছ-চান্দ্ৰায়ণ কৰি খৰচান্ত, সৰ্বশ্ৰান্ত হোৱা আঠাইশ সহস্ৰ ঋষিয়ে যজ্ঞ কৰিছে পৰমক পাবৰ কাৰণে। কৰি কৰি ভাগৰিছে। এতিয়া এটা নতুন পথ বিচাৰিছে। এওঁলোকৰ দুৰ্দশা চাওক-- এওঁলোকে পুৰণিক একেবাৰে এৰিও দিব পৰা নাই আৰু নতুনক একেবাৰে মুঠিমাৰি ধৰিবও পৰা নাই। পুৰণিৰ পৰা আস্থা হেৰাই গৈছে আৰু নতুনতো পূৰা আস্থা বহুৱাব পৰা নাই, এনে এটা দোমোজাত পৰি কিম্‌কৰ্ত্তব্য বিমূঢ় হৈ উচ্‌পিচাই থকা সমুদায় এই ঋষিকুল।

সূতৰ বক্তব্য সীমিত বৰ্ণ বিশেষৰ কাৰণে আছিল।

ভাগৱত কথাৰ মূল দায়িত্ব এজোৰি পৰিপক্ক বক্তা শ্ৰোতাৰ। ব্ৰহ্মৱেত্তা, মায়াতীত শ্ৰীশুকদেৱ মহাৰাজ বক্তা আৰু আৰ্ত, ম্ৰিয়মান মুমুক্ষু-জিজ্ঞাসু পৰীক্ষিত শ্ৰোতা।

কিযে উত্তম জোৰি।

আমালোকৰ দৰে গৰিষ্ঠসংখ্যক জীৱ সমুদায়ে আহাৰ-নিদ্ৰা-ভয় আৰু মৈথুন সম্বন্ধিত কথাতেই জীৱন পাত কৰি দিয়ে। যেন ইয়াৰ বাহিৰে কৰিব লগা একোৱেই নাই! যেন কৰিব একো নোৱাৰিয়েই! যেন জন্মই আমাৰ প্ৰথম সীমা আৰু যেন মৃত্যুৱেই আমাৰ শেষ সীমা।

দেহে আত্মাবুদ্ধি ভৈল।
পুত্ৰ-দাৰা-ধন আহাৰ চিন্তায়ে
বিফলে জনম গৈল।।

কিন্তু এচাম মানুহ জগতত এনেকুৱাও আছে যি অনন্তকেই নিজৰ ঘৰ বুলি লৈছে, পৃথিৱীকেই শোৱাৰ বিছনা বুলি লৈছে, বিশ্বৰ প্ৰতিটো জীৱকে নিজৰ পৰিয়ালৰ এজন বুলি লৈছে, জন্ম-মৃত্যুৰ সিপাৰৰ জীৱনক এক দিব্যজীৱন মহাজীৱন বুলি লৈছে আৰু ব্ৰহ্মোপলব্ধিকেই অনুভূতিৰ একমাত্ৰ বিষয়বস্তু হিচাবে গ্ৰহণ কৰিছে। এইসকল মহানুভৱ, মহাপুৰুষ মহতী উদ্দেশ্যৰে ওতঃপ্ৰোত।

শ্ৰীশুকদেৱ মহাৰাজ এই জাতিৰে এজন। কেৱল এই জাতিৰ এজনেই নহয় বৰঞ্চ সৰ্বশ্ৰেষ্ঠ মানৱ প্ৰতিনিধি। তেৱা শৰতকালৰ শুক্লপক্ষৰ চতুদৰ্শীৰ চন্দ্ৰ।

পূৰ্ণিমাৰ চন্দ্ৰ হ'ল শ্ৰীকৃষ্ণ।

চতুৰ্থশীৰ চন্দ্ৰ আৰু পূৰ্ণিমাৰ চন্দ্ৰৰ পাৰ্থক্য সামান্য মাত্ৰ হোৱাৰ দৰে শ্ৰীশুকদেৱ আৰু শ্ৰীকৃষ্ণৰ পাৰ্থক্যও অলপহে। এজন হ'ল লীলা ব্যাখ্যাতা আৰু অন্যজন হ'ল লীলা কৰ্তা, লীলা ৰচোতা।

ভাগৱতত মানৱ কুলৰ এজনেই মাত্ৰ ‘শ্ৰী’ পদৰ অধিকাৰী হ’ব পাৰিছে-- সেইজনেই হ’ল এই শুকদেৱ মহাৰাজ। ভাগৱতত ‘শ্ৰী ভগৱান উৱাচ’ ‘শ্ৰীনাৰায়ণ উৱাচ’ বুলি আছে মানৱৰ কোনেও এই উপাদি পোৱা নাই, পালে কেৱল শুকদেৱে-- ‘শ্ৰীশুক উৱাচ’।

নাপাবনো কিয়? শ্ৰীকৃষ্ণৰ দৰেই শ্ৰীশুকদেৱৰো ছয়ত্ৰিশটা লক্ষণ ভাগৱতত বৰ্ণন কৰা হৈছে। শ্ৰীশুকদেৱৰ শৰীৰো কৃষ্ণ শৰীৰ, বাণীও কৃষ্ণবাণী আৰু ব্যাখ্যানো কৃষ্ণলীলামৃত ব্যাখ্যান।

সেয়েহে ভাগৱত ব্যাখ্যাকাৰসূতে ভাগৱতৰ ব্যাখ্যান আৰম্ভ কৰাৰ আগতেই শ্ৰীশুকদেৱ মহাৰাজৰেই চৰণ বন্দনা কৰিছে--

যম প্ৰৱজন্তমনুপেত মপেত কৃত্যম্
দ্বৈপায়নো বিৰহকাতৰ আজুহাৱ।
পুত্ৰেতি তন্ময়তয়া তৰৱো অভিনেন্দু
স্তম সৰ্বভূত হৃদয়ম্ মুনিমানতোহস্মি।।
-- ভাগৱত, ১/২/২

যি সময়ত শ্ৰীশুকদেৱৰ যজ্ঞোপৱীত সংস্কাৰেই হোৱা নাছিল, সেই সময়তেই অকলেই সন্ন্যাস লোৱাৰ উদ্দেশ্যৰে গুচি যোৱা দেখি পিতা ব্যাসে বিৰহত কাতৰহৈ ‘হে পুত্ৰ হে পুত্ৰ’ বুলি চিঞৰি চিঞৰি কান্দি মাতিবলৈ ধৰিলে। সেই সময়ত তন্ময় হোৱাৰ কাৰণে শ্ৰীশুকদেৱৰ হৈ বৃক্ষৰাজিয়ে উত্তৰ দিলে। এনে এজন সৰ্বভূত হৃদয়ত বিৰাজমান শ্ৰীশুকদেৱ মুনিক নমস্কাৰ কৰো।

এই ভগৱত শাস্ত্ৰ হ’ল সমস্ত বেদান্ত সাৰ-- শ্ৰুতিসাৰমেকম্ আৰু অধ্যাত্মদীপ, সাংসাৰিক লোকৰ প্ৰতি কৰুণাৱান হৈ শ্ৰীশুকদেৱে ব্যাখ্যান কৰিলে--

‘সাংসাৰিনাম কৰুণয়া আহ পুৰাণ গুহ্যম্’।

শ্ৰীশুকদেৱৰ জীৱনৰ বিষয়ে বহুতো ৰোচক, ৰোমাঞ্চকৰ কাহিনী ভাগৱত আৰু অন্য পুৰাণত বৰ্ণিত হৈ আছে।

শ্ৰীকৃষ্ণ যেনেকৈ আৰ্য-দ্ৰাবিড় সভ্যতাৰ, বৈষ্ণৱ শৈৱ্য ধৰ্মৰ সমন্বয়াত্মক ব্যক্তিত্ব, শ্ৰীশুকদেৱো তেনেকৈয়ে দুয়োটা সভ্যতা আৰু দুয়োটা ধৰ্মৰে সমন্বয়াত্মক ব্যক্তিত্ব আৰু ব্যাখ্যাতা। হৰ-পাৰ্বতীৰ ভক্তিতত্ত্বৰ ব্যাখ্যাৰ ফল স্বৰূপে ঘোলা এটা কণীৰ পৰা সঞ্জীৱিত হৈ শ্ৰীশুকদেৱ হোৱাৰ এক কাহিনীও বিদ্যমান।

শ্ৰীশুকদেৱৰ বিদ্যমানত অঙ্গনাসকলৰ নিৰ্বস্ত্ৰা স্নান, ৰম্ভাৰ মোহ ভংগ, জনকৰ বিবিধ পৰীক্ষা আদি কাহিনী শ্ৰীশুকদেৱৰ জীৱনৰ এক এক ৰমনীয় বিৱৰণ, ৰমণীয় কথা। প্ৰেৰণাদায়ক।

ভক্ত- হৃদয়ৰ ৰজা পৰীক্ষিতে নিজে কৰা সেই দুষ্কৰ্মৰ কথাটো তেতিয়া জানিব পাৰিলে যেতিয়া ঘৰলৈ ঘূৰি আহি সেই অনৰ্থৰ মূল সোণৰ মুকুটটো খুলি দিলে। এতিয়াহে তেওঁৰ সংজ্ঞা ঘূৰি আহিল যে তেওঁ দুষ্কৰ্ম কৰিলে। আহ্ এয়া হঠাৎ কি ঘটি গ’ল! কি কৰি পেলালে! তেওঁ ৰজা! ৰজাই প্ৰজাই কৰা প্ৰতিটো অন্যায়ৰ বিচাৰ কৰে। কিন্তু ৰজাৰ বিচাৰ কোনে কৰিব? প্ৰজাতো আগবাঢ়ি নাহিব! তেন্তে ৰজাই নিজেই বিচাৰ কৰিব লাগিব।

ৰজা পৰীক্ষিতে মনে মনে, নিষ্পক্ষমনে বিচাৰ কৰিলে। এনে গৰিহিত কামৰ প্ৰায়শ্চিত্ত হ’ব লাগিব। সৰু সুৰা প্ৰায়শ্চিত্ত হ’লেও নহ’ব। প্ৰাণদণ্ড হ’লহেঁতেন অন্যৰ। নিজৰো হ’ব লাগে এটা মৃত্যু! দুখত গ্লানিত মানুহে মৃত্যু বিচাৰে সঁচা, কিন্তু তাৰ কাৰণে আত্মহত্যা কৰাটোৰ নিজা অধিকাৰ ব্যক্তিৰ নাই। কাৰণ আত্মহত্যা এক চৰম নাস্তিকতা। স্ব-ৰ ওপৰতেই চৰম আস্থাহীনতা। হাজাৰখন পৃথিৱী নাশ কৰিলেও যি অপৰাধ নালাগে এবাৰ আত্মহত্যা কৰিলে তাতোকৈও বেছি অপৰাধ লাগে। কাৰণ ই বিশ্বপ্ৰকৃতিৰ সমগ্ৰ নিয়মৰ বিৰোধত থিয় হোৱাৰ এক জ্ঞানহীন সাহস! মৃত্যু দিয়াৰ অধিকাৰ কেৱল কালৰূপী ঈশ্বৰহে আছে। কালৰ অধিকাৰী স্বয়ং শ্ৰীহৰি। শ্ৰীহৰিয়েহে মৃত্যু দিব পাৰে।

গতিকে জ্ঞানী ৰজা পৰীক্ষিতে ধৈৰ্য ধৰিলে নিজে আত্মহত্যা নকৰি। প্ৰায়শ্চিত্ত হিচাবে মৃত্যু বিচাৰিলে শ্ৰীহৰিৰ পৰা।

ইফালে বিবেকী ঋষি শমীকে খবৰ পঠোৱালে। খবৰ আহিল। খবৰ আছিল সপ্তমদিনা তক্ষকৰ দংশন! কবীৰদাসে কৈছিল ‘জিন খোজে তিন পাইয়া’। যি বিচাৰে তাকে পায়। ‘Seek you will find’ বাইবেল।

সঁচাকৈয়ে পালে।

এতিয়া পৰীক্ষিত এজন নতুন মানুহ। অতি কম

সময়ৰ কাৰণে নতুন জীৱন।

নতুন জীৱন মানে আচল শৰণৰ সন্ধান, 'পৰম সন্ধান' অমৃতৰ সন্ধান। ইয়াৰ কাৰণে ৰাজ্যভাৰ, ৰাজপোছাক, স্নেহ-বন্ধন ভাৰসাহীন বস্তুৰ ওপৰত মিথ্যা ভাৰসাৰ কি প্ৰয়োজন? এইবিলাক শৰণ-পৰম-চৰমৰ কাৰণে এক এক বাধা। যিমানেই উপাধি, সিমানেই ব্যাধি। উপাধিহীন, বিশেষহীন, অন্যাৱলম্বহীন কেৱল ব্যক্তিত্ব মানেইতো নিৰ্বস্ত্ৰা চীৰ হীনা গোপী! প্ৰেমিকা আৰু প্ৰেমাস্পদৰ মাজৰ বস্ত্ৰ, মাজৰ অলংকাৰ, মাজৰ বনফুল মালাওতো বাধক। চিৰবাঞ্চিতে এইবোৰ নিবিচাৰে।

পৰীক্ষিতে এইবোৰ খুলিলে। পৰিয়ালৰ, পৰিচিতৰ, প্ৰজাৰ মোহ-বন্ধন, স্নেহ বন্ধন সকলো ছিঙি বাহিৰলৈ ওলাল! ৰ'দ বতাহ, বৰষুণৰ পৰা আজিলৈকে ৰক্ষা কৰি থকা সেই গৃহৰ পৰা আজি শেষবাৰৰ কাৰণে ওলাই আহিল এখন অনন্ত আকাশৰ তললৈ! অনন্ত আকাশেইতো জীৱৰ শেষ আশ্ৰয়! সৰ্বহাৰা, সৰ্বশ্ৰান্ত, সৰ্বদুখীজনকো আকাশে বিমুখ নকৰে। ব্যক্তিগত আৰু সামাজিক দুখ-সুখ, উত্থান-পতনৰ চিৰ সাক্ষী এই আকাশে সকলোৰে দুখ দৈন্য যাতনা বেদনা, শিৱসম্ভুৰ দৰেই পান কৰি গৈছে। মানৱৰ, বিশ্বমানৱৰ প্ৰতিনিধি হৈ সমস্যাৰ সমাধান বিচাৰি, দুটা প্ৰশ্নৰ উত্তৰ বিচাৰি এখোজ দুখোজকৈ আগবাঢ়িল---

তমসো মা জ্যোতিৰ্গময়.... মৃত্যোৰ্ মা অমৃতম্ গময়...

কিন্তু অমৃতৰ ফালে গ'লেও যাব ক'লৈ? এই শৰীৰৰে অমৃতলৈ বুলি গ'লেও যাব লাগিব কোনোবা পৃথিৱীৰে স্থানলৈ। ভাৱ বদলি হ'ব, ভাষা বদলি হ'ব, সন্দৰ্ভ, উদ্দেশ্য, সাধনা বদলি হ'ব। স্থান-অৱস্থান প্ৰতিষ্ঠান বদলি হ'ব। পৰীক্ষিত বৈদ্যৰ ওচৰলৈ নগ'ল, বৈদ্যইয়ো জিজীবিষাত সাৰ পানীহে যোগায়, জীৱনৰ প্ৰতি অলিপ্ততা শিকাব নোৱাৰে। বৈদ্যৰ ওচৰত দেহাত্মভাৱৰ নিৰসন নহয়। পৰীক্ষিত মন্দিৰলৈ নগ'ল, মন্দিৰো এক সম্প্ৰদায়, সংস্কাৰ পৰম্পৰাৰে বন্ধনেই। পিতামহসকলৰ দৰে হিমালয় যাত্ৰাও নকৰিলে। আগবাঢ়িল এগৰাকী জননীৰ ফালে-- জননী গংগা। এই পতিত পাৱনী জননীয়ে সভ্যতাৰ জন্ম দিলে, সংস্কৃতিৰ ৰূপ দিলে, এই জননীৰ আঁচলৰ তলতেই জ্ঞানৰ জন্ম হ'ল, বৈৰাগ্যৰ অভ্যাস হ'ল, ভক্তিৰ সাধনা হ'ল, পৰীক্ষিতৰ আগতেও বহুতেই, বহুত সন্তানেই মাতাৰ ওচৰত জিজ্ঞাসু বালকৰ দৰে পৰীক্ষিতে বিচৰা প্ৰশ্নৰ উত্তৰকে লৈ আহিছিল। উত্তৰ পাইছিল। বহুত সন্তানে এইজননীৰ কোলাতে শিৰ থৈ অমৃতৰ দেশলৈ গুচি গ'ল। 'সিদ্ধাৰ্থ' উপন্যাসৰ লেখক হাৰমান হেজৰ 'জীৱন সৰিতা'তকৈও আমাৰ এই প্ৰাণৰ গংগা বেছি কৰুণাময়ী, বেছি প্ৰাণময়ী, বেছি জ্ঞানময়ী! কত সাধকে তেতিয়াৰ পৰা এতিয়ালৈকে এই জননীৰ পাৰত বহি জীৱনৰ পাছত জীৱন পাত কৰি দিছে। শুদ্ধ হৃদয়েৰে মাতাৰ ওচৰলৈ যি গৈছে সি কোনো দিন বিমুখ হোৱা নাই, নহয়ো। কৰুণাময়ী মাতা গংগাই প্ৰতিজন যাচকৰে জোলোঙা ভৰাই দিছে। পৰীক্ষিতো তাৰ ব্যতিক্ৰম নহয়।

জননী গঙ্গাৰ পৱিত্ৰ পাৰত পৰীক্ষিতৰ অনশন আৰম্ভ হ'ল।

খোৱা মানেই লেঠা। যি খালে সিয়েই ক্ষীণ হ'ল। ডাল ভৰি ভৰি ফল লগা গছজোপাত বহিছিল দুয়োটা চৰায়েই। কিন্তু সুস্বাদু ফল ভুঞ্জিলে এটাইহে! অন্যটো কেৱল দ্ৰষ্টা হৈ চায়েই থাকিল। কিন্তু কি আচৰিত! ফল খোৱাটো ক্ষণে ক্ষণে ক্ষীণ হৈ গৈ থাকিল। আৰু নোখোৱাটো লাহে লাহে বাঢ়িহে থাকিল! ফলভক্ষীয়ে নিজৰ ভুল বুজিলে--

দ্বা সুপৰ্ণা সয়ুজা সখায়া
সমানম্ বৃক্ষম্ পৰিষস্বজাতে
তয়োৰণ্যঃ পিপ্পলম্ স্বাদ্বত্তি
অনশ্নন্ অন্যো অভি চাকশীতি।

-- মুণ্ডকোপনিষদ্

কঠোপনিষদৰ আৰম্ভণিয়েইতা উপবাসেৰে হ'ল। বাজস্ৰৱা ঋষিৰ পাঁচ বছৰীয়া পুত্ৰ নচিকেতা যম নগৰ পালেগৈ। যম ঘৰত নথকাৰ কাৰণে তিনিদিন তিনিৰাতি নচিকেতা উপবাসে থাকিল। ঘূৰি আহি যমেই এই কথা জানিব পাৰি ভয় পালে। প্ৰায়শ্চিত্তৰূপে তিনিটা বৰক দিবলৈ ঠিক কৰিলে। এই বৰৰ পৰাই মহান কঠোপনিষদৰ জন্ম।

উপবাসে বহু সমস্যাৰ সমাধান কৰে, বহু অনুত্তৰিত প্ৰশ্নৰ উত্তৰ দিয়ে।

খোৱা পীয়া ভুলতেতো বহুত পাপ আৰু প্ৰমাদৰ জন্ম হয়। পৰীক্ষিতৰো হ'ল। প্ৰায়শ্চিত্ত-- উপবাস।

ঋষি-মুনিসকলে সাতদিনতে কল্যাণ হ'ব পৰা সঠিক উত্তৰ দিব নোৱাৰিলে। নানা মুনিৰ নানা মত হ'ল। নহ'বনো কিয়? ব্যাসে লিখা বহু শাস্ত্ৰ যে তেওঁলোকে পঢ়িলে। জীৱনত নিৰাশাৰ নহয় আশা আৰু ধৈৰ্যৰহে বিজয় হয়। ধৈৰ্য ধৰি পৰীক্ষিত জীৱনৰ অন্তিম আশাৰে ৰৈ আছে-- ৰৈ আছে।

জননী গংগাৰ আশীৰ্বাদ, ঋষিমুনি তপস্বীসকলৰ সম্ভাৱনা আৰু নিজৰ হৃদয়ৰ আকুল আৱাহন আৰু ভৱিষ্যতৰ মানৱ জাতিৰ কল্যাণ মাৰ্গৰ সন্ধান প্ৰয়োজন অথলে কেতিয়াও যাব নোৱাৰে। বিশ্বাত্মাই বিশ্বহৃদয়ৰ আৱাহন শুনি পঠাই দিছিল বিশ্বহৃদয় মুনি শ্ৰীশুকদেৱ মহাৰাজক। কোটি সূৰ্যৰ প্ৰভাৱলৈ এইবাৰ অৱতীৰ্ণ হ'ল মুনি মনহাৰী, পৰমানন্দ স্বৰাজ্যৰ নিবাসী, পৰম আত্মবিশ্বাসী, পৰম বিৰাগী যতীন্দ্ৰ শ্ৰীশুকদেৱ মহাৰাজ। সমস্ত ঋষিকুলে নিজ নিজ আসনৰ পৰা উঠি স্বাগত সম্ভাৱণ জনালে সেই তত্ত্বদৰ্শী মহাপুৰুষ জনক। মৌনী মুনীন্দ্ৰই আসন গ্ৰহণ কৰাৰ লগে লগে এক পৰম শান্তিয়ে, আত্ম-প্ৰাপ্তি সুগন্ধি সৌৰভে, কিবা এটা পৰম অভয়ভাৱে গংগা পুলিনৰ সেই সভা অন্তৰ্মুখী কৰি তুলিলে। মহাপুৰুষৰ সান্নিধ্যত যেন সংসাৰ সংসৃতিৰ হাঁহাকাৰ হুমুনিয়া, অভাৱ স্বভাৱ, মায়ামৃত্যু সকলো শেষ হৈ গ'ল।

পৰীক্ষিতৰ সমস্যা জীৱৰ সমস্যা, পৰীক্ষিতৰ দুখ, জীৱ সমুদায়ৰ জন্মজনিত দুখ। পৰম কাৰুণিক মুনিয়ে বুজি পায়।

পৰীক্ষিতে নিজৰ সমস্যা, সাত দিনত জীৱ কল্যাণৰ সমস্যা মহাপুৰুষৰ ওচৰত ৰাখিলে। আৰু মহাপুৰুষ শ্ৰীশুকদেৱৰ মহাৰাজেও গভীৰ আত্মবিশ্বাসেৰে পৰীক্ষিতক নিমিত্ত কৰি জীৱ সমুদায়ৰ কাৰণে মৰণক মহীয়ান কৰাৰ যুক্তি এটা এটা কৈ ক'ব ধৰিলে।

অনন্ত নাগ নিজেই শ্ৰীহৰিৰ অৱতাৰ হৈয়ো শ্ৰীহৰিৰে সেৱক। নিজ শৰীৰকেই শয্যা পাতি ক্ষীৰ সমুদ্ৰ নিবাসী শ্ৰীহৰিক শুৱাই ৰখাৰ বাহিৰেও সহস্ৰ বদনেৰে হৰি কীৰ্ত্তন কৰি থাকে। এয়া ভাগৱতৰ সমৰ্থ বক্তা।

ব্ৰহ্মাৰ প্ৰথম পুত্ৰ, পঞ্চবৰিষৰ শিশু সদৃশ চাৰি সিদ্ধ-- সনক, সনন্দন, সনাতন, সতনকুমাৰ। অনন্তৰ পৰা ভাগৱতৰ শ্ৰোতা।

তাৰা সমস্ত সময় আৰু ব্যাপ্তিৰূপী সৃষ্টিৰ সিপাৰৰ মহাপুৰুষ। পৃথিৱীৰ পৰা বৈকুণ্ঠ, বৈকুণ্ঠৰ পৰা পৃথিৱীলৈকে তেৰা সমস্তৰ স্থায়ী ভ্ৰমণসূচী।

সৎসঙ্গৰ প্ৰভাৱত আধ্যাত্মিক ক্ৰমবিকাশৰ মাধ্যমেৰে এটা সামান্য কীট কুশাৰু নন্দন মহামুনি মৈত্ৰেয় হ'ল। অতি শান্ত, অতি দান্ত, অতি প্ৰশান্ত।

মাণ্ডব্য ঋষিৰ শাপত আহি পৰম বৈষ্ণৱ মৃত্যুপতি যম দাসী পুত্ৰ বিদুৰ হ'ব লগা হ'ল।

সংসাৰত থাকিও এই দুজনা বক্তা শ্ৰোতা পদ্মপত্ৰৰ দৰে সংসাৰত অলিপ্ত হৈ ৰ'ল।

এতিয়া বক্তা শ্ৰোতাৰ জোৰি সাতটি হ'লেও কোনো জীৱই এৰাই চলিব নোৱাৰা জীৱনৰ মূলভূত প্ৰশ্নৰ উত্তৰ বিচৰা আৰু সমুচিত উত্তৰ দিয়াৰ কাৰণে শ্ৰীমদ্ভাগৱত মহাপুৰাণ আৰম্ভ কৰা পৰীক্ষিত শ্ৰীশুকদেৱৰূপী জোৰিয়েই ভাগৱতৰ প্ৰধান সংবাদ কৰ্তা। সেয়েহে 'ভাগৱত কথা' বুলিলে শ্ৰীশুকদেৱ পৰীক্ষিত সংবাদেই প্ৰধান।

**ভাগৱত ভ্ৰান্তি ভঞ্জনৰ ভাৱাৰ্থ দীপিকা ঃ**

অদ্ভুত শাস্ত্ৰ এই ভাগৱত। ইয়াত আছে ভুল কৰা ব্যক্তিৰ ভ্ৰান্তি ভঞ্জনৰ পূৰ্ব অমৃত কথা।

শেষত 'ভাগৱত' মানেনো কি?

ভুল কৰা ব্যক্তিয়ে নিজক ভুলক আৱিষ্কাৰ কৰি সাধু-সন্ত, ভক্ত-বৈষ্ণৱ, মহাপুৰুষৰ জীৱন চানেকীৰে জ্ঞান বৈৰাগ্য ভক্তি বঢ়াই সেই ভুলক সংশোধন কৰি কৰি ভগৱানক সাক্ষাৎ কৰি নিজেই ভগৱান হৈ যোৱাৰ কাহিনী য'ত লিখা আছে সেয়েই 'ভাগৱত'।

দেখা যায় ভাগৱতত বহুতেই ভুল কৰিছে-- ভুল কৰিছে বিশেষকৈ ভাগৱতৰ মুখ্য পাত্ৰসমূহে। ইয়াত দুই প্ৰকাৰৰ ব্যক্তিয়ে ভুল কৰিছে-- দৈৱীগুণসম্পন্ন ব্যক্তিয়ে আৰু আসুৰীগুণসম্পন্ন ব্যক্তিয়ে।

দৈৱীগুণসম্পন্ন ব্যক্তিসকলৰ দোষবিলাক

উনুকিয়াই দিয়া হৈছে। এই মহানুভৱ ব্যক্তিসকলৰ আৰু আমাৰ মাজত এটা ডাঙৰ পাৰ্থক্য আছে। এই মহানুভৱ ব্যক্তিসকললে নিজৰ ভুল নিজে ধৰা পেলাব পাৰিলে বা কোনোবাই সেই ভুল আঙুলিয়াই দিলে তাক তৎক্ষণাৎ দূৰ কৰিবৰ কাৰণে আপ্ৰাণ চেষ্টা কৰে। ভুল ভঞ্জনত তেওঁলোকক ভগৱানে সহায় কৰে।

ইফালে আমি? আমি ভুল হ'লেও সহজ-সৰলভাৱে স্বীকাৰ কৰিব নিবিছাৰো, ভুলক লুকাই ৰাখিবলৈ যত্ন কৰো বা যুক্তি দৰ্শনৰ এটা চোলা পিন্ধাই ভুলক আমি সংৰক্ষণ দিওঁ। ফলত আমাৰ ভ্ৰান্তি বাঢ়িহে গৈ থাকে। আমি নিৰ্মল ভকতিৰ পৰা বহুত বহুত দূৰলৈ গুচি যায়ওঁ।

এতিয়া এই সাত্বিক ব্যক্তিসকলৰ দৈৱীগুণী ভুলসমূহৰ দুই এটা চাব পাৰি--

শৌনকাদি ঋষিৰ ভুল-- নিজ কৰ্মত বিশ্বাস নোহোৱা, যন্ত্ৰবৎ যজ্ঞাদি কৰা, (যিটো কৰ্ম কৰো তাত নাহিকে বিশ্বাস)।

ব্যাসৰ ভুল-- ঈশ্বৰ কৃষ্ণৰ চাৰিত্ৰ ঢাকি থৈ যাগ-যজ্ঞাদিৰ পথ দেখুওৱা।

পৰীক্ষিতৰ ভুল-- মুকুট পিন্ধি মৃগায়লৈ যোৱা, ঋষিক বাক্যবাণ প্ৰয়োগ কৰা, ঋষিৰ গলত মৰা সাপ অঁৰা।

ব্ৰহ্মাৰ ভুল-- ঈশ্বৰ কৃষ্ণৰ প্ৰভাৱ নাজানি গোপবালক আৰু গোবৎস চুৰি কৰা।

শিৱৰ ভুল-- মোহিনীৰ ৰূপ দৰ্শন ইচ্ছা।

ইন্দ্ৰৰ ভুল-- বিশ্বৰূপক বধ কৰা, গুৰু বৃহস্পতিক অপমান কৰা, পূজা নোপোৱাত গোকুলত বৰ্ষাবৃষ্টি উৎপাত কৰা।

জয়-বিজয়ৰ ভুল-- অভ্যাগতক অপমান কৰা।

চাৰি সিদ্ধৰ ভুল-- ক্ৰোধৰ বশৱৰ্তী হৈ অল্পদোষত গুৰু শাস্তি প্ৰদান কৰা।

অজামিলৰ ভুল-- গুৰু-তিৰিমৰা, সুৱৰ্ণক হৰা, বেশ্যাত পতিত হোৱা।

ভৰতৰ ভুল-- মৃগা-শাৱকত মোহিত হোৱা।

গজেন্দ্ৰৰ ভুল-- মদমত্ত হৈ কাকো নমনা।

নন্দৰ ভুল-- শকটৰ তলত কৃষ্ণক ৰখা, মধ্যৰাত্ৰি যমুনা স্নান।

গোপীৰ ভুল-- কৃষ্ণৰ কান্ধত উঠিবলৈ উদ্যত হোৱা।

উদ্ধৱৰ ভুল-- জ্ঞানৰ অভিমান।

যদুবংশীৰ ভুল-- বাহুবলত মত্ত হৈ প্ৰমাদী হোৱা।

মাৰ্কণ্ডেয় ঋষিৰ ভুল-- মায়া দৰ্শনৰ ইচ্ছা কৰা।

এনেদৰে আৰু বহুত ব্যক্তিয়ে ভুল কৰিছে। কিন্তু এইবিলাক ভুল হ'লেও মহান ভুল। উপকাৰী ভুল। তাৰ পৰা মানৱ সমাজৰ উপকাৰেই হ'ল।

এই ভুল কৰোতাসকলে নিজৰ ভুল বুজি জ্ঞান বৈৰাগ্যৰ দ্বাৰা তীব্ৰ সাধনাৰে নিজক শুধৰাইছে আৰু অন্য ব্যক্তিকো আগবাঢ়িবলৈ যুগে যুগে প্ৰেৰণা যোগাইছে।

অন্যহাতে ভাগৱতত আসুৰী গুণসম্পন্নসকলৰো ভুল স্বভাৱো দেখুওৱা হৈছে। বেন, হিৰণাক্ষ, হিৰণ্যকশিপু, ৰাৱণ, সুন্দ-উপসুন্দ, কংস চানুৰ, শিশুপাল, জৰাসন্ধ আদি অসংখ্য দৈত্য-দানৱে ভুল কৰিছে। তেওঁলোকক সৎ আৰু শুদ্ধ হোৱাৰ বহুতো সুবিধা দিয়া হৈছে। কিন্তু ৰজ-তম গুণৰ অহংকাৰত মত্ত হৈ সেই সুবিধাবিলাক পদাঘাত কৰি পেলাই দিছে।

তেন্তে ধৰ্ম সংস্থাপনৰ শেষ উপায় কি? ডাঃ সৰ্বপল্লী ৰাধাকৃষ্ণণে এবাৰ কৈছিল-- 'Evil must be liquidated, if possible by peaceful means and if required, even by use of force.' অন্যায়ক নিঃশেষ কৰিবই লাগিব। যদি পৰা যায় শান্তিপূৰ্ণ উপায়েৰে আৰু যদি আৱশ্যক হয় তেন্তে শক্তি প্ৰয়োগ কৰি হ'লেও।

বুজনিয়ে যেতিয়া কোনো কাম নকৰিলে তেতিয়া এইসকল আসুৰী ভ্ৰান্তিকাৰীক শক্তিৰে সংসাৰৰ পৰা বিদায় দি ভূমিভাৰ হৰণ, ন্যায় আৰু শান্তি প্ৰতিষ্ঠা কৰিব লগা হ'ল।

কিন্তু এইসকল অত্যাচাৰৰ অন্তৰালতো মহামুনিৰ এক আতুৰ আকুতি সোমাই আছিল--

'বৈৰভাবে চিন্তিবাহা মোক।' এয়া ভাগৱতৰ বিশেষতা।

ভুল কৰা ব্যক্তিৰ শুধৰণিৰ শাস্ত্ৰ মানেই আমাৰ শাস্ত্ৰ। কাৰণ আমি ভুল কৰো।

**পণ্ডিতো মণ্ডিত, নগণ্যো ৰঞ্জিত**

ভাগৱত শাস্ত্ৰ সমস্ত জনৰ দ্বাৰা, সমস্তজনৰ হৈ,

সমস্তজনৰ কাৰণে হোৱা শাস্ত্ৰ। ইয়াত জীৱ সৃষ্টিৰ কাৰোৰেই অনাদৰ হোৱা নাই।

এফালে শ্ৰীশুকদেৱ, কপিলদেৱ, ঋষভদেৱ, সনতকুমাৰ, উদ্ধৱ, মৈত্ৰেয়, বিদুৰ, প্ৰহ্লাদ, ভীষ্ম-পিতামহ, কুন্তী, দেৱকী, দেৱহুতী আদি অত্যন্ত পবিত্ৰ, নিৰ্দোষ, নিষ্পাপ মহাপুৰুষসকলৰ জীৱনচৰ্যা, জীৱন দৰ্শন অঙ্কিত কৰি তাৰা সমস্তক মহান স্থান দিয়া হৈছে আৰু অন্যৰ কাৰণেও অফুৰন্ত প্ৰেৰণা যোগোৰা হৈছে।

অন্যহাতে পশু-পক্ষী, জীৱ-জন্তু, পাহাৰ, নদী, আদিবাসী-নিবাসী, গজেন্দ্ৰ, অজামিল, পিঙ্গলাবেশ্যা, দৰিদ্ৰ ব্ৰাহ্মণ এই সমস্তজনকো যোগ্য কৰি ভক্তি মুক্তিৰ অধিকাৰ দিয়া হৈছে।

কিৰতাহূনান্ধ্ৰ পুলিন্দ পুল্কসা
আভীৰ কঙ্কা যৱনা খসাদয়ঃ।
য়েঅন্যে চ পাপা য়জপাশ্ৰয়াশ্ৰয়া
শুদ্ধ্যন্তি তস্মৈ প্ৰভবিঞ্চৱে নমঃ।।

-- ভাগৱত, ২/৪/১৮

কিৰাট, হূন, আন্ধ্ৰ, পুলিন্দ, পুল্কস, আভীৰ, কঙ্ক, যৱন, খস আদি নীচ জাতি আৰু অন্য পাপীসকলেও যাৰ শৰণাগত ভক্তৰ শৰণ ল'লেও গতি পায়, তেনে সৰ্ব শক্তিমান ভগৱানক বাৰ বাৰ নমস্কাৰ।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ইয়াৰ অনুবাদ কৰিছে সম্পূৰ্ণ থলুৱা উপাদানেৰে--

কিৰাট কছাৰী খাছি গাৰো মিৰি
যৱন কঙ্ক গোৱাল।
অসম মলুক ধোবা যে তৰুক
কুবাচ ম্লেছ চণ্ডাল।।
আনো পাপী নৰ কৃষ্ণ সেৱকৰ
সঙ্গত পৱিত্ৰ হয়।
ভকতি লভিয়া সংসাৰ তৰিয়া
বৈকুণ্ঠে সুখে চলয়।।৪৭৫

উদ্ধৱক কৃষ্ণদেৱে সামান্যজনকো সন্মান দেকুৱাই কৈছে-

যক্ষ ৰক্ষ বৃক্ষ পক্ষী পশু পালে পালে।
স্ত্ৰী শূদ্ৰ অন্ত্যজাতি অধম চণ্ডালে।।
ইসবতো অধিক অনেক পাপ মতি।
ভকতৰ সঙ্গত পাইলেক মোৰ গতি।।
নাহি তপ ব্ৰত শৌচ নপঢ়িলে বেদ।
নজানয় জ্ঞান একো শাস্ত্ৰ তত্ত্ব ভেদ।।

কিন্তু সিসবেও--

সুখে পাইলা গতি।।

যমুনা নদী, কদম্ব বৃক্ষ, গোবৰ্দ্ধন পাহাৰ, ব্ৰজৰ তৰুলতা, গোকুলৰ গাই, ব্ৰজৰ ব্ৰজবালক-ব্ৰজবালা-- এই সকলোৰেই দিব্যতো প্ৰাপ্ত কৰিলে। তেওঁলোকৰ জীৱনে কৃষ্ণময় হৈ ধন্যতা লভিলে।

বন্দে নন্দ ব্ৰজ স্ত্ৰীণাম্ পাদৰেনুভমীক্ষ্ণশঃ।
তাসাম হৰি কথোদ্গীতম্ পুণাতি ভূৱন ত্ৰয়ন্।।

আদি পুৰুষ ব্ৰহ্মায়ো ব্ৰজত জন্মলৈ ব্ৰজৰ ৰজ শিৰত লৈ ধন্য হোৱাটো কামনা কৰে।

-- ভাগৱত, ১০/১১/৩৫

**সৰ্বোদয় শাস্ত্ৰ এই ভাগৱত ঃ**

মহাভাগৱত শাস্ত্ৰৰ প্ৰথম লক্ষ্য হ'ল অতি পতিত জনক প্ৰথমে উঠোৱা ইংৰাজ চিন্তাবিদ জ'ন ৰাস্কিনে লিখা বিশ্ববিখ্যাত পুস্তক 'আণ্টু দিছ লাষ্ট' (Unto this Last)ত কোৱা হৈছে যে শেষৰজন ব্যক্তিয়ে প্ৰথমেই সুবিধা পাব লাগিব। গান্ধীজীয়ে তাৰেই নাম দিলে 'অন্ত্যোদয়' বা 'সৰ্বোদয়'।

সকলোৰে লগত সকলোৰে মিলন এয়া সৰ্বোদয় শাস্ত্ৰ। সকলোৰে একেলগে উত্থান-- এয়া সৰ্বোদয় দৰ্শন। দীনজনৰ উদ্ধাৰৰ কাৰণে মুক্তিকো নেওঁচা এয়া সৰ্বোদয় ধৰ্ম।

যি পৰহিতৰ কাৰণে স্বৰ্গ অপবৰ্গকো ত্যাগ কৰিব পাৰে তেৰেঁই সৰ্বোদয়।

প্ৰহ্লাদ আছিল সৰ্বোদয়, ৰন্তীদেৱ সৰ্বোদয়, কুন্তী আছিল সৰ্বোদয়।

প্ৰাণ কৃষ্ণই হস্তিনাপুৰ এৰি এতিয়া দ্বাৰকালৈ যাব ওলাল। সকলোৰে পৰা বিদায় ল'লে। শেষত মাতা কুন্তীৰ ওচৰলৈ গ'ল। সেৱা কৰিলে। মাতা কুন্তীয়ে কান্দি কান্দি সাৰটি ধৰিলে। কৃষ্ণই লাহেকৈ ক'লে-- 'মোৰ মাতা দেৱকী দূৰৈত থাকিল, মাতা যশোদা দূৰৈত থাকিল। সখা অৰ্জুনৰ লগত থাকি মই তোমাকেই মাতা মানি অতদিন তোমাৰ হাতৰ অন্ন খালো। এতিয়া মই যাওঁ। কিন্তু যোৱাৰ আগতে কৃতজ্ঞতাৰ চিন স্বৰূপে এটি

বৰ দি যাব খুজিছোঁ মাতা!! তোমাৰ ইচ্ছা অনুসৰি এটা বৰ লোৱা।'

'মোৰ একো নালাগে সোণ, মোক একো নালাগে' কুন্তী!

'মোৰ অনুৰোধ কিবা এটা বৰ ল'বই লাগিব, মই নহ'লে বেয়া পাম। খুউব বেয়া পাম।' কৃষ্ণই ধৰিলে।

'কৃষ্ণ, যদি সঁচাকৈয়ে কিবা বৰ দিবই খুজিছা তেন্তে এই বৰ দিয়া যাতে মোৰ গোটেই জীৱন দুখতে যায়।'

'কি অদ্ভুত যাচনা! কিয় এই বৰ বিচাৰিলা মাতা? জগতৰ কোনেওতো এনে বৰ নিবিচাৰে?'

'নিবিচাৰে কৃষ্ণ, কিন্তু মই বিচাৰিছোঁ। বিচৰাৰ কাৰণ আছে। দুখতহে তোমাক পায়। মোৰ জীৱনত পদে পদে দুখ হ'ল-- বিবাহৰ আগত যি ঘটনা ঘটিল সেই দুখ তোমাৰ বাহিৰে আৰু কোনে জানে! স্বামী পাণ্ডুৰ মৃত্যু হ'ল, ভীমক বিষ লাড়ু দি নদীত পেলাই দিয়া হ'ল, জতুগৃহৰ দাহ, দ্ৰৌপদীৰ বস্ত্ৰহৰণ, পাণ্ডৱৰ বনবাস, কুৰুক্ষেত্ৰ সমৰ-- এইবিলাক এক এক মহাদুখ আছিল। খুউব আৰ্ত হৈ মাতিছিলো তোমাক। দুখত তুমি আহিছিলা। বিষয় বোগত মত্তহৈ থকা হ'লে তোমাক পাহৰিলোহেঁতেন, তুমি ক'ত আহিলাহেঁতেন, এতিয়া ৰাজমাতা হৈ সুখ ভোগত যদি তোমাক পাহৰো, সেই সুখভোগ ৰসাতলে যাওক। মোক দুখ দিয়া...।'

বিপদঃ সন্তু নঃ শশ্বত্ তত্ৰ তত্ৰ জগদ্ গুৰো।
ভৱতো দৰ্শন য়ত্ স্যাত্ অপুনৰ্ভৱদৰ্শনম্।।১/৮/১৫

'তথাস্তু, হে মাতা তথাস্তু। তোমাৰ সমান মহান জগতত তুমিয়েই'

শেষৰ জীৱনত কুন্তী মাতা পাণ্ডৱৰ লগত ৰাজ প্ৰাসাদত নাথাকিল, গুচি গ'ল দুখী ধৃতৰাষ্ট্ৰ-গান্ধাৰীৰ লগত। দুখীজনৰ দুখ বুটলিবলৈ অকণমান সহানুভূতি দিবলৈ।

প্ৰহ্লাদৰ ওচৰলৈ ভগৱান আহি ক'লে-- 'প্ৰহ্লাদ, মুক্তি লোৱা, তোমাক মুক্তি দিছোঁ।'

'প্ৰভু, মোৰ লগৰ সেই দুখী অসুৰ সন্তানবিলাকো বৈকুণ্ঠলৈ যাব পাৰিবনে?'

'নোৱাৰে, তেওঁলোকে যোগ্যতা লাভ কৰা নাই।'

'তেন্তে হে প্ৰভু, দুখী আৰ্তসকলক এৰি মই অকলে কেতিয়াও বৈকুণ্ঠলৈ নাযাওঁ। দেৱতা-মুনিসকলে নিজৰ মুক্তিৰ চিন্তা কৰে, দুখীসকলৰ কাৰণে নহয়। সেয়া মই কৰিব নোৱাৰো নাথ।'

প্ৰায়েন দেৱ মুনয়ঃ স্ববিমুক্তি কামা।
মৌনম্ চৰন্তি ৱিজনে ন পৰাৰ্থ নিষ্ঠাঃ
নৈতান্ বিহায় কৃপণান্ বিমুমুক্ষ একো
নান্যম্ ত্বদস্য শৰণম্ ভ্ৰমতোহনুপশ্যে।।

-- ভাগৱত, ৭/৯/৪৪

সৰ্বোদয়ী প্ৰহ্লাদ আছিল সামুহিক সাধনাৰ মহান আচাৰ্য।

ভক্ত ৰন্তিদেৱক মুক্তি দিবলৈ বিচৰাতো তেওঁ সেই একেই কথা ক'লে--

ন ত্বহম কাময়ে ৰাজ্যম্, ন স্বৰ্গম্ নাপহপুনৰ্ভৱম্।
কাময়ে দুঃখ তপ্তাণাম্ প্ৰাণীমাৰ্তি নাশনম্।।

দুখী প্ৰাণীসমূহৰ দুখ দূৰ কৰিবৰ কাৰণে বাৰ বাৰ জন্মগ্ৰহণ কৰি থাকিম।

পণ্ডিত বিশ্বানাথ চক্ৰৱৰ্তীয়ে ভাগৱতৰ দশম স্কন্ধৰ ত্ৰয়োদশ আৰু চতুদৰ্শ অধ্যায়ক সৰ্বোদয় লীলা বুলি বৰ্ণন কৰিছে।

সৰ্বোদয়ে সমতাৰ সাধনা কৰে। সমতাৰ কাৰণেও এক মুলাধাৰৰ প্ৰয়োজন। এসময়ৰ সাম্যবাদী নোবেল বঁটা বিজয়ী সাহিত্যিক আলেকজেণ্ডাৰ চলঝ'নি চিনে আৰু নোবেল বঁটা বিজয়ী বিজ্ঞানী আন্দ্ৰেঁ চেখাৰভে সাম্যবাদৰ কাৰণে সমতাৰ আধাৰ বিচাৰি পৃথিৱী চলাথ কৰিলে। পিছত গম পালে যে সমতাৰ মূলাধাৰ আত্মাৰ বাহিৰে অন্য একো হ'ব নোৱাৰে। সমস্তজনতে আত্মা আছে বুলি অনুভৱ কৰিব নোৱাৰিলে সমতাৰ দৰ্শন প্ৰতিষ্ঠিত হ'বই নোৱাৰে।

আৰু এই আত্মাইতো ভাগৱতৰ কৃষ্ণ!

কৃষ্ণমেনমৱেহি ত্বমাত্মানমখিলাত্মনাম্।
জগদ্ধিতায় সোহপ্যত্ৰ দেহীৱাভাতি মায়মা।।

-- ভাগৱত, ১০/১৪/৫৫

এই কৃষ্ণকে তুমি সকলো আত্মাৰ আত্মা বুলি বুজা। সংসাৰৰ কল্যাণৰ কাৰণেহে যোগমায়াৰ আশ্ৰয় কৰি দেহধাৰী হৈ দেখুৱাইছে।

অন্তঃস্থলত আত্মাৰূপে শ্ৰীকৃষ্ণ আছে সঁচা, কিন্তু

ব্যৱহাৰিক জীৱনতো কৃষ্ণৰ অস্তিত্বৰে উদ্ভাসিত হৈ সমতাৰ ব্যৱহাৰ কৰিব লাগিব।

আজি কৃষ্ণয়েই সেই ব্যৱহাৰ কৰোৱাইছে। কৰোৱাইছে গোপবালাকসকলক লৈ। গো-চাৰণৰ লগতেই প্ৰীতিভোজ, বনভোজ খোৱাৰ ব্যৱস্থা কৰা হ'ল। যমুনাৰ তীৰত মসৃণ সেউজ ঘাঁহনিত গোবৎস দামুৰি এৰি দিলে আৰু নিজে খেলিবলৈ ধৰিলে। সকলো গোপবালকে খেলাত অংশগ্ৰহণ কৰিলে। বিবিধ খেল আৰম্ভ হ'ল। খেলৰ পিছত যেতিয়া ভোজন। ভোজন আছিল ঘৰুৱা বস্তুৰে নিৰ্মিত আৰু নিৰামিষ! সৰু-বৰ সকলোৱে কৃষ্ণক সন্মুখ কৰি গোলাকাৰ মণ্ডলত বহিল। নিজৰ নিজৰ ঘৰৰ পৰা অনা অন্ন, ঘিউ, মিঠা পদাৰ্থ, আচাৰ-মোৰব্বা নেমু আদি উলিয়ালে--

'মসৃন কৰলম্ তৎফলান্যঙ্গুলীযু'

কৃষ্ণ বলৰামে ইজনে সিজনক আৰু গোপ বালকক হাঁহিছে আৰু হঁহুৱাইছে। ইজনৰ পৰা সিজনে থাপমাৰি আনি খাইছে, খুৱাইছে। জাতিভেদ, সৰু-ডাঙৰ আদিৰ কোনো ভেদাভেদ নাই। সকলো সমান, সকলো এক-

অন্যো অন্যে দেখাৱন্ত কতো হাত তুলি।
সৱাতো অধিক মোৰ অন্ন স্বাদু বুলি।।
চাম্প দিয়া নিয়া আউৰ জনে ভূঞ্জে আসি।
তাক দেখি সমস্তৰে ৰিঙ্গ জোত হাঁসি।।
চুৰিকৰি দধি দুগ্ধ কেহো নেইলুটি।
হাসৈ হসুৱাৰৈ কতো কৰিয়া ভ্ৰূকুটি।।

এইবিলাক কৰি থাকোতেই গমেই নাপালে দামুৰি যে দূৰলৈ গুচি গ'ল, গ'ল বহুত দূৰলৈ। এনে সময়তে চতুৰ্মুখ ব্ৰহ্মা আহি তাত উপস্থিত হ'ল। দৃশ্য দেখি আনন্দ পালে সঁচা, কিন্তু কৃষ্ণৰ বিক্ৰম নুবুজি আনন্দ বঢ়াবৰ কাৰণেই এনে এটা কাম কৰাৰ কথা পাঙ্গিলে--যিটো কাম তেওঁৰ শক্তি আৰু সীমাৰ বাহিৰত আছিল! ল'ৰাহঁতক ভোজন কাৰ্য চলাই থাকিবলৈ কৈ কৃষ্ণ নিজে দামুৰি বিচাৰি গ'ল। গ'লে কি হ'ব? ব্ৰহ্মাইযে দামুৰিবিলাক উঠাই লৈ গুচি গ'ল। দামুৰি নাপাই কৃষ্ণ ঘূৰি আহিল। আহি গোপবালকসকলৰ ওচৰলৈ গ'ল। কি আচৰিত! গোপ বালকগণো নাই!

**এইখিনিতে আৰম্ভ হ'ল সৰ্বোদয় ৰাসৰ!**

বৃদ্ধ ব্ৰহ্মাৰ দুৰ্বুদ্ধি কৃষ্ণই বুজিব পাৰি কৃষ্ণই নিজেই সেই সেই প্ৰকাৰৰ দামুৰি আৰু সেই সেই প্ৰকাৰৰ বালকগণ হ'ল। যেন একোৱেই হোৱা নাই। ঘূৰি গ'ল নিজ নিজ ঘৰলৈ! গাইবোৰে কৃষ্ণৰূপী দামুৰিবোৰক, আগতকৈও আজি বেছি আন্দোলিত অৱস্থাৰে প্ৰেমমগ্নহৈ দুগ্ধপান কৰাবলৈ ধৰিলে।

ইফালে স্ত্ৰীসকলেও ছদ্মবেশী কৃষ্ণক গোপবালক ভাবি প্ৰেমবিহ্বল হৈ স্তন পান কৰাবলৈ ধৰিলে।

এই স্তন দানত আগতকৈও বহু বেছি প্ৰেম উথলি উঠিল। ইমান সন্তুষ্টি, ইমান শান্তি, ইমান প্ৰশান্তি আগতে কেতিয়াও লভা নাছিল।

এবছৰ ধৰি কৃষ্ণই নিজেই দামুৰি হৈ খেদা খাইছে আৰু নিজেই গো-পালক হৈ খেদাইছে। চৰিছে, চৰাইছে। ইয়াত অদ্বৈত-দ্বৈত সমাপ্ত হৈ অস্তিত্বৰ নতুন খেল আৰম্ভ হ'ল। এঠাইত আছে--

অদ্বৈতম্ কেচিদিচ্ছন্তি দ্বৈতম ইচ্ছন্তি চাপৰে।
মমতত্ত্বম্ বিজানন্তো দ্বৈতাদ্বৈতম্ বিবৰ্জিতম্।।

মৰাঠী সন্ত শ্ৰীজ্ঞানেশ্বৰ মহাৰাজে 'অমৃতানুভৱ' গ্ৰন্থত দ্বৈত-অদ্বৈতৰ সনাতন কাজিয়াখন খুউব চতুৰতাৰে সমাপ্ত কৰিছে।

অদ্বৈতৰ চোতালত দ্বৈতই খেলে। একেটা শিলতে ভক্ত, একেটা শিলতে ভগৱান আৰু সেই একেটা শিলতে পূজাৰ ফুলো। দেখাত ভক্ত, ভগৱান আৰু পূজাৰ সামগ্ৰী বেলেগ কিন্তু আচলতে একেটা শিলৰে একে বস্তু। এতিয়া ভাগৱতে কৈছে--

স্বয়মাত্মা আত্ম গোবৎসান প্ৰতিৱাৰ্য়াত্মবৎসলৈঃ।
ক্ৰীয়ান্নাত্ম বিহাৰৈশ্চ সৰ্বাত্মা প্ৰাৱিসদ্ ব্ৰজম্।।

-- ভাগৱত, ১০/১৩/২০

সৰ্বাত্মা ভগৱানে নিজেই দামুৰি হৈ গ'ল আৰু নিজেই গোপবালক। নিজ আত্মা স্বৰূপ দামুৰিক নিজেই গোবালক হৈ আগুৰি, ঘেৰি লৈ আহি নিজৰ লগতে নিজে খেলি খেলি ব্ৰজত প্ৰৱেশ কৰিলে।

ইয়াত গছ-লতা, নদ-নদী, পৰ্বত-পাহাৰ, গাই-দামুৰি, গোপবালক কোনো বাকী থকা নাই। আনন্দৰ চিদ্বিলাযে সকলোকে সাঙ্গুৰি ল'লৈ, সকলোকে বুৰাই

পেলালে।

**এক ব্যৱহাৰিক শাস্ত্ৰ এই ভাগৱত ঃ**

জীৱনৰ লগত সম্বন্ধ নাৰাখিলে কোনো দৰ্শন জীৱন-দৰ্শন হ'ব নোৱাৰে। ভাগৱত জীৱনৰ এখন চানেকি, এখন দাপোণ, এটি সঁচাৰ কাঠি।

ভাগৱত জীৱনৰ লগত সম্বন্ধ নথকা কোনো কপোল কল্পনাৰ ৰসাল কাব্য নহয়। বৰং ই এক জীৱন শাস্ত্ৰ, মানস শাস্ত্ৰ, সমাজশাস্ত্ৰ, ব্যৱহাৰিক শাস্ত্ৰ। জীৱনৰ প্ৰতিটো সমস্যাৰ বিষয়ে উল্লেখ আছে আৰু সমস্যা সমাধানৰ উপায়ো ভাগৱতত দিয়া হৈছে--

(১) শাসক হ'ব লাগে দীনবৎসল, প্ৰজাৰঞ্জক, ধৰ্মৰক্ষক, নীতি পৰায়ণ আৰু আদৰ্শৱান। প্ৰজাৰ কাৰণে যদি প্ৰাণেই দিব নোৱাৰে তেন্তে তেওঁ কিহৰ ৰজা?

(২) পণ্ডিত আৰু জ্ঞানীজন হ'ল সমাজৰ বিৱেক ৰক্ষক অতন্দ্ৰ প্ৰহৰী। ক্ষমতাশীল ব্যক্তি যেতিয়া বিপথে যাব জ্ঞানীয়ে তেতিয়া নিৰ্ভীকভাৱে মাত মাতিব লাগে। জ্ঞানীয়ে যদি সাহসেৰে মাত মাতে তেন্তে স্বেচ্ছাচাৰীৰ অস্তিত্বই থাকিব নোৱাৰে। স্বেচ্ছাচাৰী, অত্যাচাৰী ৰজা বেনে জ্ঞানীসকলৰ সদুপদেশ নশুনিলে, নামানিলে। তেতিয়া জ্ঞানীসকলে মিলি একেলগে হুংকাৰ কৰিলে-- যাৰ প্ৰচণ্ড ধ্বনিত বেনৰ মৃত্যু হ'ল। Wise Public opinion -প্ৰবুদ্ধ জনমতৰ ইয়াতকৈ আৰু সুন্দৰ উদাহৰণ ক'ত পাব?

(৩) আজি পশ্চিমত যি ক্ল'নিঙৰ কথা ওলাইছে সেয়া ভাগৱতত আছিলেই। বেন ৰজাৰ অঙ্গসমূহ মথি দুই জীৱ স্ত্ৰী-পুৰুষ মুনিবৃন্দই স্ৰজন কৰিলে। স্ত্ৰী গৰাকী হ'ল- অৰ্চি আৰু পুৰুষ জন হ'ল- পৃথু। এই মন্থনৰ দ্বাৰা মুনিবৃন্দই সামান্য জীৱ অনা নাই, আনিলে স্বয়ং নাৰায়ণক পৃথুৰূপে আৰু স্বয়ং মাতা লক্ষ্মীক আনিলে অৰ্চিৰূপে।

(৪) সম্পত্তি লাগে, লাগে, লাগে! শেষত কিমান লাগে? অপৰিসীম সম্পত্তি লাগে? চাৰিওফালে কেৱল সম্পত্তি সম্পত্তি! সচেতে সপোনে কেৱল হিৰণ্যকে দেখা, চকুৰ পঁটাত কেৱল হিৰণ্যকে লগাই ৰখা হিৰণ্যাক্ষ! হিৰণ্যাক্ষ দিনত দুগুণ আৰু ৰাত্ৰি চাৰিগুণে বাঢ়ে। লোভে প্ৰলোভন আনে। প্ৰলোভনৰ অগ্নিত আলু চকু সিজাদি সিজিলে নহ'ব, বৰফ গলাদি গলিলে নহ'ব। হ'ব লাগিব বৰাহৰ দাঁতৰ দৰে মজবুত-- সিজালেও নিসিজা, গলালেও নগলা অথচ তীক্ষ্ণ বিচাৰৰ। পক্কা ইৰাদাৰ।

সম্পত্তি লাগে, কিয় নালাগে! কিন্তু লগা উচিত জীৱন নিৰ্বাহৰ বাবে প্ৰয়োজনীয়খিনিহে বেছিকৈ নিবিচাৰিব--

দেহৰ নিৰ্বাহ অৰ্থে যিসৰ ধনত।
তাহাতো অধিক কৰি নবাঞ্ছে মনত।।

(৫) আজি বিশ্বৰ চাৰিওফালে 'এপ্ৰোপ্ৰিয়েট টেকন'লজীৰ ধ্বনি উঠিছে। স্থানীয় বস্তুৰ দ্বাৰাই বৈজ্ঞানীক ভিত্তিত সম্পদ নিৰ্মাণ কৰাৰ কথা খুউব চলিছে। ব্যৱহাৰ্য বস্তু যেন কৃত্ৰিম নহয়, পল্যুটেণ্ট নহয় তাৰ চিন্তা-চৰ্চা চলিছে। দূৰ-দূৰণিৰ পৰা কেঁচামাল আনি আনি পৰ্যাবৰণক বিধ্বস্ত কৰি সম্পত্তি ঘটাৰ প্ৰৱণতাক নিৰুৎসাহিতেই কৰিব লাগিব।

গান্ধীজীয়ে এই কথা বুজি তেখেতৰ একাদশ ব্ৰতৰ ভিতৰত 'স্বদেশী' নিৰ্মাণ আৰু ব্যৱহাকো অন্যতম ব্ৰত হিচাবে ৰাখিছিল।

ভাগৱতৰ শ্ৰীকৃষ্ণ মুৰলীটো স্বদেশী বা এপ্ৰ'প্ৰিয়েট টেকন'লজীৰ এক জীৱন্ত উদাহৰণ। আজিৰ পাশ্চাত্য শৈলীৰ সঙ্গীতত বাদ্যযন্ত্ৰত যি ভৰমাৰ, ভাবিলে আচৰিত লাগে। তথাপিতো তাৰ ইফেক্ট আৰু ইম্পেক্ট অতি ক্ষণস্থায়ী। ই কাৰ কিমান জীৱন বদলাব পাৰিছে? নাই পৰা! আধুনিক বাদ্যযন্ত্ৰে এজন প'প ছিংগাৰ মাইকেল জেক্চন্ আৰু সেই মুৰলীৰে কৃষ্ণক থিয় কৰি দিয়ক-- চাওক প্ৰভাৱ কাৰ বেছি হয়।

স্থাৱৰে জঙ্গম ভৈলা জঙ্গমে স্থাৱৰ।
কিনো অদভুত ইটো গীতা গোৱিন্দৰ।।

কৃষ্ণৰ মুৰলীয়ে স্থাৱৰক জঙ্গম কৰিলে, জঙ্গমক স্থাৱৰ কৰি ৰাখি দিলে।

কেহোঁ কেহোঁ নাচে হাঁসে কেহোঁ বাৰে বেণু।
বাঁশীৰ স্বৰে নাম ধৰি ডাকিয়া আনে ধেনু।।

(৬) গাঁৱৰ উৎপাদনকাৰী আৰু তেওঁলোকৰ সন্ততিসকলক বঞ্চিত কৰি উৎপাদিত সামগ্ৰীসমূহ, বছা বছা সামগ্ৰীসমূহ চহৰলৈ কিয় নিব লাগে? চহৰত যে কংস থাকে। বিনাশ্ৰমে ভোগ ভোগোতাসকলে

উৎপাদিত শ্ৰম চোবাওঁতে চোবাওঁতে দন্তবক্ৰ হৈ গৈছে। ইয়াক বাধা দিবই লাগিব। গাঁৱৰ মধু, মাখন-মিচিৰি তাৰ অধিকাৰ প্ৰথম গাঁৱৰ ল'ৰা-ছোৱালীৰ, গাঁৱৰ ৰাইজৰ। গাঁৱৰ বান্দৰ-ভালুকৰ! তাৰ পিছতহে চহৰ! চহৰমুখী সভ্যতা, চহৰমুখী সোঁত, চহৰলৈ পলায়ণ এই সকলোকে ৰোধ কৰিবই লাগিব, নহ'লে মানৱজাতিৰ কোনো ভৱিষ্যত নাই। Back to the Nature, Back to the village কেৱল কাণত ভাল লগা শ্ল'গানেই নহয়, গাঁৱৰ সকলোৰে। কৃষ্ণই সংগঠিত কৰিলে গোৱাল বালক, বান্দৰ ভালুকবোৰক।

সাধাৰণতে এই শোষণবোৰৰ প্ৰথম বলি কোন হয়-- মহিলাসকল! মহিলাই চহৰলৈ বস্তু নি দিব লাগিব, চহৰত গা-খাটি দিব লাগিব। গতিকে মথুৰালৈ দধি-দুগ্ধ, মাখন মিছিৰি লৈ যোৱা গোপীসকলক বাধা দিয়া। প্ৰেমেৰে-- খুউব প্ৰেমেৰে! নুশুনিলে, তেওঁলোকৰ ক্ষতি নকৰিবা কিন্তু! তেওঁলোকৰ ক্ষতি নকৰিবা। ভাণ্ডকেইটা ভাঙ্গি দিয়া। তেওঁলোকে লাহে লাহে বুজিব। দধি মাখন গাঁৱৰ ল'ৰাই প্ৰথমে পাব লাগে আৰু মন ভৰাই খাব লাগে! চহৰতো সহজ সৰল সৎ মানুহ আছে-- তেওঁলোককো দিয়া।

(৭) কেৱল মথুৰাৰ পৰাই কিয়, স্বৰ্গলোকৰ পৰাও পৃথিৱীৰ এই সৰল সহজ মানুহখিনিৰ শোষণ হৈছিল! দূৰৰ ইন্দ্ৰই ভয় দেখুৱাই কিয় গোকুলত পূজা সেৱা ল'ব? যদি পূজা সেৱা দিবই লাগে তেন্তে সেয়া আমাৰ যমুনাক, আমাৰ গোৰ্বৰ্দ্ধনক, আমাৰ কদম্বক, আমাৰ গাইক দিম-- যাৰ লগত আমি জীৱন জীছোঁ, যি আমাৰ জীৱন জীয়াইছে। গোৰ্বৰ্দ্ধনক ধৰা! বৰ সাহসী, বৰ বিপ্লৱী বিচাৰ আছিল এয়া।

ইন্দ্ৰ কোপিত হ'ল। প্ৰতিশোধ প্ৰক্ৰিয়া আৰম্ভ হ'ল। প্ৰলয় বৃষ্টি! গো গোৱাল-গোপী লৈ কৃষ্ণ লৈ কৃষ্ণ গোৰ্বৰ্দ্ধন পালেগৈ। কৃষ্ণই সকলোৰে শক্তি, সহযোগ বিচাৰি ক'লে--

'তোমালোকে সকলোৰে মিলিত ভাৱে শক্তি লগালেহে ময়ো শক্তি লগাই গোৰ্বৰ্দ্ধনক উঠাম।' 'হয় হয়' বুলি সকলোৰে সহযোগ কৰিলে। কোনোবাই হাতেৰে, কোনোবাই মাথেৰে, কোনোবাই লাঠিৰে। তেতিয়া কৃষ্ণই সৰু আঙুলিটো লগাই দিলে। গোবৰ্দ্ধন উঠি গ'ল। এয়া আছিল সামূহিক শক্তিৰ প্ৰয়োগ। সৰ্বোদয় শক্তিৰ সাক্ষাৎকাৰ, চমৎকাৰ।

(৮) কৃষ্ণ বত্ৰিশ হাজাৰ স্ত্ৰীৰ স্বামী হ'ব লগা হ'ল। এফালে যোল্ল হাজাৰ গোপী আৰু অন্যহাতে যোল্ল হাজাৰ বিধৱাৰ! এই স্বামীত্ব কামনাপূৰ্তিৰ কাৰণে নহয়। অসহায়াৰ নিৰাপত্তাৰ কাৰণে। যুদ্ধৰ বিভীষিকাই যেতিয়া হাজাৰ হাজাৰক বিধৱা কৰে, নিঠৰুৱা কৰে, দ্বিতীয় বিবাহৰ কাৰণেও পুৰুষ বেছি নাথাকে তেন্তে সেই অৱস্থাত অন্য উপায় কি? স্ত্ৰীয়ে কেৱল কামনা বাসনা চৰিতাৰ্থৰ কাৰণেই বিবাহ নকৰায়, কৰাই এক সামাজিক নিৰাপত্তাৰ কাৰণে।

কৃষ্ণই সেই নিৰাপত্তা, সেই নিৰ্ভয়তা দিছিল নাৰীসকলক।

(৯) জীৱনত অতি ব্যৱহাৰিক কথা হ'ল মৃত্যুক মহীয়ান কৰাটোৱেই। ভাগৱতে মৃত্যুক কেনেকৈ মহীয়ান কৰিব লাগে তাৰ চাবি কাঠি আমাক দিছে।

**ভাগৱত তত্ত্বজ্ঞান ঃ**

ভাগৱতৰ ভাষা সমাধিৰ ভাষা। শ্ৰীমতী নলিনী লায়জাৱালা বাইদেৱে ভাগৱতৰ এটা ভাল ব্যাখ্যা আনি দিছে--

ভা - ভা দীপ্তৌ সচ্চিদানন্দে,
গ - গতিৰ্য়স্য অলৌকিকী,
ৱ - ৱৰিষ্ঠম সৰ্ব শাস্ত্ৰাণাম,
ত - তৰী ইব ভৱাৰ্ণৱম্।

সম্পূৰ্ণ ব্ৰহ্মচৰ্য বিনে ভাগৱত বুজা টান।

সম্পূৰ্ণ সমৰ্পণৰ বিনে ভাগৱতে অৰ্থ খুলি নিদিয়ে। সেয়েহে ভাগৱত ব্যাখ্যাৰ কাৰণে অধিকাৰী পুৰুষৰ আৱশ্যক হয়। প্ৰসিদ্ধ বাক্য আছে। বিদ্যাৱতাম্ ভাগৱতে পৰীক্ষাঃ। ব্যক্তিজন কিমান বিদ্বান সেয়া ভাগৱততহে পৰীক্ষা হ'ব। চাৰিজন ব্যক্তিয়েহে হেনো ভাগৱত বুজি পায়।

অহম্ বেদ্মি শুকো বেত্তি ব্যাসো ন ৱা অথৱা
ভক্ত্যা ভাগৱতম্ শাস্ত্ৰম্ ন চ বুদ্ধ্যা ন টীকয়া।।
ব্যাসে জানে বা নাজানে!

সূৰ্যটো বুকুত বান্ধি ল'ব নোৱাৰি বুলিয়েই সূৰ্যৰ

ব্যৱহাৰিকতা আমি নাকচ কৰিব পাৰিম জানো? শৰীৰত ৯৮ ডিগ্ৰী উত্তাপ থকাৰ পৰা আৰম্ভ কৰি জীৱনৰ প্ৰতিটো কথাতে সূৰ্যক লাগিবই।

কপিল শুক-শিৱ-সনত কুমাৰেহে ভাগৱত বুজে বুলি আমি আৰু হাত সাৰটি বহি থাকিলেতো নহ'ব! আমিও আমাৰ মতি-গতি সীমিত অধিকাৰেৰে আমাৰ কাৰণে লাগতিয়াল কথা বুজি পাব লাগিব। বুজিছো। আজি ইমান, কালিলৈ আৰু বুজিম, পৰহিলৈ আৰু আৰু আৰু।

ভাগৱতৰ আৰম্ভ 'পৰম সত্যৰ ধাৰণা' এই সংকল্পেৰে কৰা হৈছে-- 'সত্যম্ পৰম ধীমহি', ভাগৱতৰ সমাপ্তিও 'সত্যম পৰম্ ধীমহি'ৰ দ্বাৰাই কৰা হৈছে।

ভাগৱতৰ হৃদয় হ'ল কৃষ্ণ, ভাগৱতৰ অৰ্থ হ'ল কৃষ্ণ, সাৰাংশ হ'ল কৃষ্ণ।

মাতা দেৱকীৰ গৰ্ভত কৃষ্ণ থকা অৱস্থাত ব্ৰহ্মাদি দেৱতাসকলে স্তুতি কৰিবলৈ আহিল। ইয়াকেই বিখ্যাত গৰ্ভ স্তুতি বোলা হয়। স্তুতিৰ আৰম্ভ চাওক--

সত্য ব্ৰতম্ সত্যপৰম্ ত্ৰিসত্যম্
সত্যস্য য়োনিম্ নিহিতম্ চ সত্যে।
সত্যস্য সত্যমৃত সত্য নেত্ৰম্
সত্যাত্মকম্ ত্বাম্ শৰণম্ প্ৰপন্নাঃ।।১০/২/২৬

হে প্ৰভো, তুমি সত্য সঙ্কল্প। সত্যইহে তোমাৰ প্ৰাপ্তিৰ শ্ৰেষ্ঠ সাধন। সৃষ্টিৰ পূৰ্বতে, প্ৰলয়ৰ পাছতো আৰু সংসাৰৰ স্থিতিৰ সময়ত-- এই অসত্য অৱস্থাবিলাকতো তুমি সত্যই। পঞ্চভূতত থকা সত্যও তুমিয়েই। ইয়াত তুমি অন্তৰ্যামীৰূপে বিৰাজ কৰিছা। তুমি এই দৃশ্যমান জগতৰ পৰমাৰ্থ স্বৰূপ। তুমিয়েই মধুৰ বাণী আৰু সমদৰ্শনৰ প্ৰৱৰ্তক। ভগৱান তুমি সত্য স্বৰূপ। আমি সকলো তোমাৰ শৰণলৈ আহিছোঁ।

সবিশেষ ঈশ্বৰ পিছৰ বস্তু, নিৰ্বিশেষে পৰমেশ্বৰ প্ৰথম বস্তু। লগতে সাৰ্বজনীন ধৰ্মৰ মূল বস্তু। পৰমতত্ত্বৰ নামৰূপাত্মক অৱধাৰণালৈ নামি আহিলেই উপাসনা ভেদ, পূজাভেদ, ধৰ্মভেদৰ আৰম্ভ হয়। ৰাম-কৃষ্ণ-হৰি, নাৰায়ণ, বিষ্ণু, শিৱ, দেৱী আদি নামৰূপাত্মক হ'লে হয়তো সকলো ধৰ্মই ভাল নাপাব বাৰে বা গ্ৰহণ কৰিবলৈ টান পাব পাৰে কিন্তু নিৰ্বিশেষ পৰম সত্যক কোনেও, কোনো ধৰ্মই অস্বীকাৰ নকৰে, কৰিব নোৱাৰে।

ভাগৱত দুৰাগ্ৰহী নহয়। ঠিক আছে-- তুমি ৰামকৃষ্ণ ৰূপত ঈশ্বৰক নামানিব পাৰা কিন্তু পৰম সত্যৰ ৰূপততো মানা! আৰু মানিবই লাগিব! এই পৰম সত্যৰ ঘোষণা কৰি ভাগৱতে নিজ ধৰ্মক সাৰ্বত্ৰিক সাৰ্বজনীক, সাৰ্বভৌম আৰু সনাতন কৰি তুলিলে।

মহাত্মা গান্ধীয়ে 'ঈশ্বৰক সত্য' বুলি নকৈ 'সত্যই ঈশ্বৰ' বুলি এটা বিপ্লৱী বিচাৰ দিলে। সত্যৰ অস্তিত্ব আমাৰ ঈশ্বৰৰ শেহতীয়া অৱধাৰণাতকৈও বহুত বেছি ডাঙৰ, মহান আৰু তৰ্কসঙ্গত। আমাৰ ঈশ্বৰ দ্বিভুজ, চতুৰ্ভুজ, অষ্টভূজ--ভূজা, শুড় থকা, দাঁত থকা, নখ থকা, সৰ্পমালী, সৰ্পশায়ী হ'ব পাৰে, নহ'বও পাৰে।

কিন্তু পৰম সত্যত 'হ'বও পাৰে, নহ'বও পাৰে'ৰ প্ৰশ্নই নুঠে। পৰম সত্য আছিল, আছে-- থাকিব।

আমিও সেই পৰম সত্যৰে এক এক অভিব্যক্তি মাত্ৰ।

প্ৰস্থান ত্ৰয়ীৰ এক প্ৰস্থান ব্ৰহ্মসূত্ৰ। এই ব্ৰহ্মসূত্ৰকে চতুঃসূত্ৰীও বোলা হয়। মূল সূত্ৰ চাৰিটা। তাৰে ব্যাখ্যা দিওঁতে পাঁচশ তেপন্ন (৫৫৩) সূত্ৰ হ'ল। তেন্তে এই মূল চাৰিটা সূত্ৰনো কি?

১) অথাতো বন্ধ জিজ্ঞাসা
২) জন্মাদ্যস্য য়তঃ
৩) শাস্ত্ৰ য়োনীত্বাত্
৪) তৎ তু সমন্বয়াৎ

ইয়াৰে প্ৰথম সূত্ৰটো প্ৰস্তাৱনা স্বৰূপ, অধিকাৰ মীমাংসা আৰু প্ৰস্তুতি পৰ্বহে।

জন্মাদ্যস্য য়তঃ-- হে মূল সূত্ৰ।

শ্ৰীমদ্ভাগৱত মহাপুৰাণৰো আৰম্ভণি 'জন্মাদ্যস্য য়তঃ' ৰ দ্বাৰাই কৰা হৈছে। 'জন্মাদ্যস্য য়তঃ' মানে জন্ম আদি যাৰ পৰা। জন্ম আদি মানে জন্ম গ্ৰহণ প্ৰতিপালন আৰু সংহাৰণ। অৰ্থাৎ সকলো অৱস্থাত। য়তঃ য'ৰ পৰা যাৰ পৰা হয় তেওঁ। অৰ্থাৎ ব্ৰহ্ম। ব্ৰহ্মৰ পৰাই সৃষ্টিখন নিৰ্মাণ হ'ল। ব্ৰহ্মতে বৰ্তি আছে আৰু ব্ৰহ্মতেই বিলীন হ'ব।

মুণ্ডকোপনিষদে ধুনীয়াকৈ কৈছে--

য়থোৰ্ণনাভি সৃজতে গৃহ্নতে চ

যথা পৃথিব্যাম্ ওষধয়ঃ সম্ভৱন্তি।
যথ সতঃ পুৰুষাত্ কেশলোমানি
তথা ক্ষৰাত্ সম্ভৱতীহ বিশ্বম্।।

যি ধৰণেই অক্ষৰ ব্ৰহ্মৰ পৰা এই বিশ্বখনৰ উৎপন্ন হয়।

এয়েই ব্ৰহ্ম যাৰ কৃপাত বায়ু-পানী-মাটি আৰু অগ্নিৰ সংযোগত সৃষ্টি হোৱা কু হক স্বৰূপ ত্ৰিসৰ্গ নিৰস্ত্ৰ হৈ সত বস্তুৰ দৰ্শন হয়।

হংসই নীৰ এৰি ক্ষীৰ খায়, পঙ্কৰ মাজৰ পৰা পঙ্কজৰ মূল বিচাৰি আনি ভক্ষণ কৰি ওম কাৰৰ ধ্বনি তোলে--

'ততো হংস প্ৰচোদয়াত্

ৰাম নামৰ আৱাৰ কৰে--

হৰি ভকি সৰোবৰে সন্তোষ অমৃত জলে
কৃষ্ণ পাদ পদ্ম প্ৰকাশয়।
ৰাম নাম ৰাজহংস ছানিয়া আৱাৰ কৰে
শুনি আতি কৌতুক মিলয়।।

-- নামঘোষা, ৮৪

অহম্ সঃ, অহম্ সঃ, অহম্ সঃ-- তীব্ৰ গতিত উচ্চাৰণ কৰিলে 'হংস' হয়। এই হংসই প্ৰথম গুৰু ৰূপে জীৱক উপদেশ কৰি আছে--

মই হংস গুৰুক চিন্তিবে অনুক্ষণ।
সৰ্বদায়ে কৰা মাত্ৰ শ্ৰৱণ কীৰ্ত্তন।।

বেদান্তৰ শাস্ত্ৰ উপনিষদে হংসাৱস্থালৈকে নিজৰ উৰা মাৰিলে। হংস মানে আত্মা, আত্মা মানে মোক্ষ। বিজ্ঞসকলে কয়-- বেদান্তই বেদান্তই হ'ল মানৱীয় মন সৰ্বোচ্চ বিচাৰ। কিন্তু ভাগৱত হ'ল বেদান্তৰ সূৰ্য।

বেদান্তৰ সূৰ্য ইটো মহাভাগৱত।

তেন্তে ভাগৱত কেৱল হংসাৱস্থাতেই ৰ'বনে? কেৱল হংসতেই সন্তোষিত হ'বনে? কদাপি নহ'ব, কদাপি নহ'ব! ভাগৱত আৰু আগবাঢ়িল পৰমহংসলৈ। ভাগৱতৰ প্ৰতিটো অধ্যায়ৰ ভণিতাত 'পৰমহংস্যাম সংহিতায়াম্' বুলি মুখনি মাৰিছে। হংসৰ সিপাৰৰ পৰমহংস মানে মুক্তিৰ সিপাৰৰ পঞ্চম পুৰুষাৰ্থ ভক্তি। ব্ৰহ্মৰ লগত মিলি যোৱাৰ সকলো সুবিধা সামৰ্থতা থকাৰ সত্বেও ব্ৰহ্মৰ লগত মিলি নগৈ লোকহিত, লোক কল্যাণ, লোক বিহাৰৰ কাৰণে ভগৱৎ লীলা চৰ্চা কৰি জীৱ সমুদায়ক ভগৱন্মুখী কৰাত হৈ থাকে এই পৰমহংস সকল।

মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি।
ধৰ্ম অৰ্থ কাম মোক্ষ কিছু নোখোজয়।
কায় বাক্য মনে মোক ভকতি কৰয়।।

-- ভাগৱত, ৭ম, ৭৩৬৪

মুকুতি পৰম পদ তাতো এৰি দাই।
মই বিনে ভকতৰ প্ৰিয় আন নাই।।

-- ভাগৱত, ১৭৬২৮

একেই পৰম বস্তু। কিন্তু ই জ্ঞানীৰ কাৰণে ব্ৰহ্ম, যোগীৰ কাৰণে পৰমাত্মা আৰু ভক্তৰ কাৰণে ভগৱান।

বদন্তি তত্তত্ত্বৱিদস্তত্ত্বম্ য়জ্ জ্ঞানমদ্বয়ম্।
ব্ৰহ্মেতি পৰমাত্মেতি ভগৱানিতি শব্দ্যতে।।

-- ভাগৱত, ১/২/১১

তত্ত্ববেত্তা লোকে জ্ঞাতা আৰু জ্ঞেয়ৰ ভেদৰহিত অদ্বিতীয় সচ্চিদানন্দৰূপ জ্ঞানকেই 'তত্ত্ব' বুলি কয়। তাকেই কোনোৱে 'ব্ৰহ্ম' কোনোৱে 'পৰমাত্মা' আৰু কোনোৱে 'ভগৱান' বুলি মাতে।

এই আটাইকেইটা অৱধাৰণা ভাগৱতত থাকিলেও ই ভক্তৰ ভগৱান শাস্ত্ৰ। ভক্ত সদায় হৃদয় প্ৰধান। ভগৱান হৃদয়ৰ বস্তু। সেয়েহে ভাগৱত হৃদয়ৰ শাস্ত্ৰ। তত্ত্বক হৃদয়েৰে গ্ৰহণ কৰাৰ শাস্ত্ৰ।

তচ্ছ্ৰদ্দধানা মুনয়ো জ্ঞান বৈৰাগ্য যুক্তয়া।
পস্যন্ত্যাত্মনি চাত্মানম্ ভক্ত্যা শ্ৰুত গৃহীতয়া।।
অতঃ পুম্ভিৰ্দ্বিজ শ্ৰেষ্ঠা বৰ্ণাশ্ৰম বিভাগশঃ।
স্বনুষ্ঠিতস্য ধৰ্ম্মস্য সংসিৰ্দ্ধিহৰি তোষণম।।

শ্ৰদ্ধালু মুনি জন ভাগৱত শ্ৰৱণেৰে প্ৰাপ্ত জ্ঞান বৈৰাগ্য যুক্ত ভক্তিৰে নিজৰ হৃদয়ত সেই পৰম তত্ত্বৰূপ পৰমাত্মাক অনুভৱ কৰে।

শৌনকাদি ঋষিগণ, এইটোৱেই কাৰণ যে নিজ নিজ বৰ্ণ আৰু আশ্ৰম অনুসৰি মনুষ্যই যি ধৰ্মৰেই আচৰণ নকৰক লাগিলে- তাৰ পূৰ্ণ সিদ্ধি ইয়াতেই আছে যে ভগৱান প্ৰসন্ন হওক।

নমো নমো নাৰায়ণ প্ৰসন্ন হুয়োক হৰি
কৰিয়োক মায়াক নিৰ্য্যান।

'ধৰ্মৰ ফল মোক্ষ। ইয়াৰ সাৰ্থকতা অৰ্থ প্ৰাপ্তি নহয়। অৰ্থও কেৱল ধৰ্মৰ কাৰণে, ভোগবিলাসৰ কাৰণে নহয়। ভোগবিলাসৰ ফল ইন্দ্ৰিয় তৃপ্তি কৰাতো নহয় ইয়াৰ প্ৰয়োজন কেৱল জীৱন নিৰ্বাহ কৰা। জীৱন নিৰ্বাহৰ ফলো তত্ত্বজিজ্ঞাসাহে স্বৰ্গাদি প্ৰাপ্তি কৰা নহয়।'

ৰস গ্ৰহণ, ৰসাস্বাদন, ৰস নিৰ্মাণ, ৰস নিৰ্জৰণ হৃদয়ৰ স্বভাৱ।

'পিৱত ভাগৱতম্ ৰসমালয়ম্
মুহুৰহো ৰসিকা ভুৱি ভাবুকাঃ।।

ভাগৱত ৰসৰ আলয়। ৰসিকে শৰীৰত চেতনা থকালৈকে এই ৰসক পান কৰিব লাগে, পৃথিৱীতহে ই সুলভ! ৰসাতহে ই সুলভ। ৰসাত এই ৰসৰ সাৰ ৰাস ৰচোতা ৰসিক বল্লভ কৃষ্ণ! বসু কুলত জন্ম হোৱাৰ কাৰণে, বসুদেৱৰ পুত্ৰ হোৱাৰ কাৰণে আৰু ব্যাপ্ত হৈ সমস্ততে ৰহি যোৱাৰ কাৰণে বাসুদেৱ। কৃষ্ণ বাসুদেৱ হ'ল। সমস্ত সৎকাৰ্য বাসুদেৱ কৃষ্ণৰ কাৰণেই--

বাসুদেৱ পৰা ৱেদা বাসুদেৱ পৰা মখাঃ।
বাসুদেৱ পৰা য়োগা বাসুদেৱ পৰা ক্ৰিয়া।।
বাসুদেৱ পৰং জ্ঞানং বাসুদেৱ পৰং তপঃ।
বাসুদেৱো পৰো ধৰ্ম্মো বাসুদেৱ পৰা গতিঃ।।

-- ভাগৱত, ১/২/২৮-২৯

বেদৰ তাৎপৰ্যও কৃষ্ণই, যজ্ঞৰ উদ্দেশ্যও কৃষ্ণ। যোগাভ্যাস কৃষ্ণৰ কাৰণেই কৰা হয়, সকলো কৰ্মৰ পৰিসমাপ্তি কৃষ্ণতেই হয়, তপস্যাও কৃষ্ণৰ প্ৰসন্নতাৰ কাৰণেই কৰা হয়। কৃষ্ণৰ কাৰণেই ধৰ্মানুষ্ঠান কৰা হয় আৰু সকলো গতি কৃষ্ণতেই সমাহিত হৈ যায়।

ভাগৱত হৃদয় হ'ল-- কৃষ্ণ

**কৃষ্ণ-চৰিত্ৰ স্মৰণ ঃ**

শূন্য - পূৰ্ণ

এফালে শূন্য, এফালে পূৰ্ণ।

শূন্য আৰু পূৰ্ণৰ ক'ৰবাত মিলন হ'বগৈ নে? গণিত শাস্ত্ৰীয়ে কৈছে -- হ'বগৈ- অনন্তত।

যদি হৈছে তেন্তে সি অনন্ততে হৈছে। অনন্ত হৈ গৈছে।

এফালে শূন্য নীলা, এফালে পূৰ্ণ আনন্দ। নীলা শূন্য, আনন্দ পূৰ্ণ।

নীলা শূন্য আৰু আনন্দপূৰ্ণ। একেলগে এবাৰ গোটখাই অসম্ভৱক সম্ভৱ কৰিলে--

নীল - ঘননীল - নীলৰূপ - নীলমণি

আনন্দ - নিজানন্দ - সহজানন্দ - ঘনানন্দ - মুক্তানন্দ - আত্মানন্দ - ব্ৰহ্মানন্দ - হৃদয়ানন্দ - পৰমানন্দ একত্ৰ হ'ল -- কৃষ্ণৰূপে।

মানৱে ঐশ্বৰীয় আৰু ঈশ্বৰে মানৱীয় কৰ্ম কৰাৰ সমন্বয় সূত্ৰ হ'ল কৃষ্ণ! মানৱ হৈও সম্পূৰ্ণ ঐশ্বৰীয়, ঈশ্বৰ হৈও সম্পূৰ্ণ মানৱীয়--

অৱজানন্তি মাম্ মূঢ়া মানুষীম্ তনুমাশ্ৰিতম্
পৰম্ ভাৱমজানন্তো মম ভূত মহেশ্বৰম্।।

-- গীতা, ৯/১১

মই মানৱৰূপত থকাৰ কাৰণে মূঢ়মতিসকলে তুচ্চ দৃষ্টিৰে চায়। মোৰ সেই সৰ্বভূত মহেশ্বৰ ৰূপটো, সেই পৰমাত্মাৰূপটো তেওঁলোকে বুজি নাপায়।

হে ধনঞ্জয়, এডাল সূতাই যেনেকৈ গোটেই মণিবিলাক গাঁথি থৈছে অথচ সুতাডাল দেখা পোৱা নাযায়। ঠিক তেনেকৈয়ে মই সকলোকে গাঁথি থৈছো। মোৰ বাহিৰে জগতত আৰু একো বস্তুৱেই নাই।

মত্তঃ পৰতৰং নান্যদ্ কিঞ্চিদস্তি ধনঞ্জয়।
ময়ি সৰ্বমিদম্ প্ৰোতম্ সূত্ৰে মণিগণা ইৱ।।

-- গীতা, ৭/৭!

মই অজন্মা, অব্যয়াত্মা, সকলো ভূতৰ ঈশ্বৰ হৈয়ো প্ৰকৃতিৰ আশ্ৰয় কৰি নিজ মায়াৰে জন্ম হোৱাৰ নিচিনা কৰি দেখুৱাও। -- গীতা, ৪/৬

কিয় জন্ম ধৰো?

পৰিত্ৰাণায় সাধুনাম্ বিনাশায় চ দুষ্কৃতাম্।
ধৰ্ম সংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে।।

-- গীতা, ৪/৮

তেন্তে সাধুক পৰিত্ৰাণ, দুষ্টক বিনাশ আৰু ধৰ্ম সংস্থাপনৰ প্ৰকৃত অনুশীলন ক'ত আছে? ভাগৱতৰ কৃষ্ণত।

জন্মৰ মুহূৰ্তৰ পৰাই কৃষ্ণই এই কাম আৰম্ভ কৰি দিলে।

সৃষ্টিত স্ৰজনৰ কাৰণে বিনাশ আৰু নিৰ্মাণ, নিৰ্মাণ আৰু বিনাশ কৰিবই লাগিব। কৃষ্ণই এফালে সাধু পৰিত্ৰাণ

কৰি ধৰ্ম সংস্থাপন কৰিছে আৰু অন্যফালে দুষ্কৃতিৰ বিনাশ কৰিছে। দুয়োটা একেলগে।

কিন্তু মন কৰিবলগীয়া কথা হ'ল যে কৃষ্ণই প্ৰথম অভিযান বিনাশেৰে কৰা নাই, কৰিছে কৃপাৰে-- সম্ভাৱনাৰ নিৰ্মাণেৰে। বিনাশ কৰাৰ আগতেই জন্মতেই সাতোটা বিশেষ কৃপা কৰিছে--

-- বসুদেৱ দেৱকীৰ বন্ধন মুক্তি, দৰ্শন স্পৰ্শন সুখ।

-- পোতাশালৰ অন্ধকাৰ বিনাশ, দ্বাৰৰ শৃঙ্খল মুক্তি।

-- প্ৰহৰী ঘোৰ নিদ্ৰা (পাপ কৰাতকৈ নিদ্ৰাই ভাল)

-- বাসুকী সেৱাৰ অৱসৰ প্ৰদান।

-- যমুনাক পাদস্পৰ্শৰ সুবিধা প্ৰদান।

-- যশোদাক সন্তান সুখ, গোকুলবাসীক দৰ্শন সুখ।

-- গংগা গাইৰ লগত ৰাসানন্দ।

পিছৰ তিনিদিনত সকলোকে কৰিছে মুক্ত কৃপা, দিছে মুক্তানন্দ। গকুলে আনন্দ ভয়ো।

তৃতীয় দিনাহে আৰম্ভ কৰিছে 'বিনাশায় চ দুষ্কৃতাম্'ৰ প্ৰথম অভিযান- পূতনা বধৰ দ্বাৰা! ষষ্ঠ দিনা বধ কৰিছে শকটাসুৰক। বিনাশৰ এইয়ে অভিযান আৰম্ভ কৰিলে তাৰ অন্ত ক'ত হ'ল? অঘাসুৰ, বকাসুৰ, বৎসাসুৰ, ধেনুকাসুৰ, প্ৰলম্বাসুৰ, শঙ্খচুৰ, অৰিষ্টাসুৰ, তৃণাবৰ্ত্ত, কেশী, ব্যোমাসুৰ, কূবলয়াপীড়, চানুৰ মুষ্টিক, কংস, কালযৱন, শতধন্বা, বানাসুৰ, পৌণ্ড্ৰক, দ্বিবিদ, শিশুপাল, দন্তবক্ৰ আদি তেইশটা অসুৰ মৰাৰ পিছত শেষত নিজৰ প্ৰিয় দুটা বংশকো ধ্বংস কৰোৱালে-- কৌৰৱ বংশ আৰু যদুবংশ। কিয়, এই দুয়োটা বংশতো অসুৰ নাছিল? অসুৰ হ'বলৈ অসুৰ বংশত জন্ম গ্ৰহণ কৰিব নালাগে। প্ৰহ্লাদ, বিৰোচন, বলি অসুৰৰ কুলত জন্ম গ্ৰহণ কৰিও 'অসুৰ' নহ'ল। ৰাৱণ ব্ৰাহ্মণ কুলত জন্ম গ্ৰহণ কৰিও ৰাক্ষস হ'ল, কংস যাদৱ কুলত জন্ম গ্ৰহণ কৰিও 'অসুৰ' হ'ল৭! কংসৰ পিতা উগ্ৰসেন যাদৱকুলৰ এজন বিশেষ ব্যক্তি আছিল।

ধৰ্ম সংস্থাপনত বাধক হোৱা প্ৰতিটো বস্তুকে, প্ৰতিজন ব্যক্তিকে গুচাবই লাগিব। সহস্ৰজন ব্যক্তিয়ে ভূমিত যিটো ভাৰ দিব নোৱাৰে সেইটো ভাৰ এজন পাপীয়ে এটা পাপ কৰিয়েই দিয়ে। ভূমি পুণ্যৱানৰ ভৰত ভাৰাক্ৰান্ত নহয়, হয় এজন পাপীৰ ভৰত।

গতিকে ইয়াত পক্ষপাতিত্বৰ দোষ আহিবলৈ দিব নোৱাৰি। কৃষ্ণই সেই নিষ্পক্ষতা ৰজাই ৰাখিলে আৰু নিজবংশ যদুকুল ধ্বংসতো কেৱল হাঁহিয়েই থাকিল! কৌৰৱ কুলৰতো কথাই নাই।

দুষ্কৃতি বিনাশ, অসুৰ মৰ্দন কৃষ্ণৰ মূল কথা, মূল মিশন নাছিল!

কৃষ্ণৰ মূল মিশন আছিল-- দিব্য সম্বন্ধ ঘটোৱা, মানৱ-মানৱৰ মাজত, মানৱ আৰু প্ৰাণীৰ মাজত, প্ৰাণী আৰু প্ৰকৃতিৰ মাজত, জীৱ আৰু শিৱৰ মাজত।

দিব্য সম্বন্ধৰ মাধ্যম হ'ল-- প্ৰেম।

কৃষ্ণই জীৱনত বেলেগ বেলেগ ৰূপত, বেলেগ বেলেগ ভূমিকাত প্ৰেমেই কৰিলে। সেয়া কৰিলে--

গাইৰ কাৰণে -- বিপদ বাৰণ কৃষ্ণ হৈ,
যমুনাৰ কাৰণে -- চিৰবাঞ্চিত কৃষ্ণ হৈ,
তৃণ-তৰুৰ কাৰণে -- পোষক কৃষ্ণ হৈ,
যশোদাৰ কাৰণে -- মাখনচোৰ পুত্ৰ কৃষ্ণহৈ,
গোপবালকৰ কাৰণে -- সখা কৃষ্ণহৈ,
গোপীৰ কাৰণে -- চিৎচোৰ প্ৰেম কৃষ্ণহৈ,
অৰ্জুনৰ কাৰণে -- পাৰ্থ সাৰথি কৃষ্ণহৈ,
ব্যাসৰ কাৰণে -- জ্ঞানমূৰ্তি কৃষ্ণহৈ,
উদ্ধৱৰ কাৰণে -- ভগৱান কৃষ্ণহৈ,
দ্ৰৌপদীৰ কাৰণে -- নিৰপেক্ষ প্ৰেম কৃষ্ণহৈ, আৰু
জৰা ব্যাধৰ কাৰণে --ক্ষমামূৰ্তি কৃষ্ণহৈ,
সাধকৰ কাৰণে -- মনোহৰ কৃষ্ণহৈ।

কৃষ্ণৰ এই বিভিন্ন অভিব্যক্তিত জীৱনৰ বিভিন্ন আৱশ্যকতা সোমাই আছে। শতমুখী জীৱন সমস্যাৰ শতমুখী জীৱন দৰ্শন সোমাই আছে। তিনিতাপে এক বিন্দু কিয় এই ভিন্ন ভিন্ন অভিব্যক্তিসমূহৰ বিশ্লেষণ হ'ল এক এক পাৰাবাৰহীন অমৃত সমুদ্ৰ।

মাখনচুৰি, গোচাৰণ, বেণুগীত, কালীয়দমন, গোবৰ্দ্ধনলীলা, চীৎহৰণ, ৰাসলীলা জীৱনৰ এক এক স্তৰৰ চিদ্বিলাষ, আনন্দ তত্ত্বলৈ প্ৰৱেশ কৰাৰ এক এক দ্বাৰ, এক এক সোপান।

এই অভিব্যক্তিসমূহ দুই এটি জুমি চাব পাৰি--

**দ্ৰৌপদীৰ নিৰপেক্ষ প্ৰেম কৃষ্ণ ঃ**

মানৱ আৰু মানৱৰ সম্বন্ধ বেলেগ বেলেগ

ধৰণেৰে হ'ব পাৰে। ৰাধা আৰু কৃষ্ণৰ প্ৰেম কাহিনী জগত বিখ্যাত। কত কাব্য, কত কবিতা, কত ৰচনা, ৰম্য ৰচনা এই প্ৰেমৰ নামত! বিদ্যাপতিৰ পৰা ৰসখানলৈ সকলোৱে নিজা নিজা ধৰণেৰে বৰ্ণনা কৰিলে এই প্ৰেমৰ। কিন্তু ৰাধাই কৃষ্ণ নাম নাপালে, কৃষ্ণই ৰাধা নাম নাপালে। ৰাধা ৰাধা হৈয়ে থাকিল, কৃষ্ণ কৃষ্ণ হৈয়েই থাকিল।

কৃষ্ণ-কৃষ্ণা ক'ত হ'ল। দ্ৰৌপদীৰ প্ৰেমত। কৃষ্ণ আৰু দ্ৰৌপদীৰ যি প্ৰেম সি দিব্য প্ৰেম, সেই প্ৰেম জগতৰ সাহিত্যত বিৰল।

গোপী প্ৰেম বাসনাৰহিত অত্যন্ত নিৰ্মল হোৱাৰ সত্বেও, ৰাসলীলা 'কামজয় শাস্ত্ৰ' হোৱাৰ সত্বেও কৃষ্ণৰ ওপৰত কেতিয়াবা কেতিয়াবা কোনোলোকে মিছাতে হ'লেও লাঞ্চন লগাবলৈ সাহস কৰে। সেয়েহে চয়তানেও লাঞ্চন লগাবলৈ সাহস কৰিব নোৱাৰা এক অলাঞ্চন প্ৰেমৰ জীৱন্ত উদাহৰণ কৃষ্ণৰ কাৰণে আৱশ্যক আছিল।

আৰু সেয়া হ'ল দ্ৰৌপদীৰ লগত!

ৰক্তসম্বন্ধ আৰু যৌন সম্বন্ধৰ বাহিৰেও, ৰক্ত কামগন্ধ ৰহিত এক নিৰ্মল নিৰপেক্ষ সম্বন্ধ হ'ব পাৰে-- সেয়া এই সম্বন্ধ। পঞ্চ পতিতকৈ দ্ৰৌপদীৰ বেছি আপোন, বেছি ভাৰসাৰ আছিল কৃষ্ণ! বস্ত্ৰ হৰণৰ সময়ত কৃষ্ণই নিজে বস্ত্ৰাৱতাৰ ধাৰণ কৰি দ্ৰৌপদীৰ সৰ্বাঙ্গ আৱৰিলে কিন্তু বিনিময়ত একোৱেই নিবিচাৰিলে। দ্ৰৌপদীয়েও নিজ পতিয়ে কৰিব পৰা দৈহিক ক্ষুধাপূৰ্তিৰ কামনা কৃষ্ণৰ পৰা কেতিয়াও সপোনতো বিচৰা নাছিল।

নিৰপেক্ষ মানৱীয় সম্বন্ধৰ কাৰণে কৃষ্ণ-কৃষ্ণা দুয়ো জীৱন জীছিল।

**জৰাব্যাধৰ ক্ষমা কৃষ্ণ ঃ**

কৃষ্ণই অৰ্জুনৰ মাধ্যমেৰে জগতক গীতাৰ সন্দেশ দিলে, গোপীৰ মাধ্যমেৰে প্ৰেমৰ সন্দেশ দিলে, উদ্ধৱৰ মাধ্যমেৰে ভাগৱত ভক্তিৰ সন্দেশ শুনালে।

কিন্তু মানৱজাতিৰ কাৰণেনো কৃষ্ণৰ শেষৰ সন্দেশ কি আছিল?

জৰা ব্যাধে মৃগৰ কাণ বুলি কৃষ্ণৰ বৃদ্ধ আঙ্গুলিলৈকে শৰ নিক্ষেপ কৰিলে। মৃগ ধৰিবলৈ গৈ দেখে জগতৰ ঈশ্বৰ শ্ৰীকৃষ্ণ শৰবিদ্ধ হ'ল! ভয়ত ওলোটাই লৰ মাৰোতে কৃষ্ণই মাতিলে--

মা ভৈৰ্জৰে ত্বমুত্তিষ্ঠ কাম এষ কৃতোহি মে।
য়াহি ত্বম মদনুজ্ঞাতঃ স্বৰ্গম্ সুকৃতিনাম্ পদম্।।

-- ভাগৱত, ১১.৩০/৩৯

হে জৰা ব্যাধ, তুমি ভয় নকৰিবা। উঠা উঠা, এয়াতো তুমি মোৰ মনে বিচৰা কামেই কৰিলা! যোৱা, মোৰ আজ্ঞাত তুমি সেই স্বৰ্গত নিবাস কৰাগৈ যাৰ প্ৰাপ্তি মহা মহা পুণ্যৱানসকলৰ ভাগ্যতহে সম্ভৱ হয়।

কৃষ্ণই জৰাব্যাধক কেৱল ক্ষমা কৰিয়েই ক্ষান্ত থকা নাই, বৰং স্বৰ্গৰাজ্যও উপহাৰ দি গ'ল, কৃষ্ণৰ জগতৰ কাৰণে শেষ সন্দেশ--

**ক্ষমা আৰু পুৰস্কাৰ!**

ঘননীলা, নীলমণি ব্যাপক নীলত বিলীনহৈ গ'ল।

ঘনানন্দ, চেতনানন্দ পৰমানন্দত বিলীন হৈ গ'ল।

নিজানন্দ, সহজানন্দ, জীৱনানন্দ গাৱে গাৱে প্ৰৱেশ কৰি গ'ল।

জ্ঞানানন্দ, লীলানন্দ, অমৃতানন্দ ভাগৱতত অন্তৰ্হিত হ'ল।

**একত্বৰ সন্ধান ঃ**

এক ওঁ ম- কাৰ প্ৰণৱ, দ্বাদশাক্ষৰী মন্ত্ৰ-- ওঁম নমো ভগৱতে বাসুদেৱায়, চতুঃশ্লোকী, অষ্টশ্লোকী, অষ্টাদশ সহস্ৰ শ্লোকী ভাগৱত বা বিষ্ণু সহস্ৰ নাম এই সকলোৱে এক তত্ত্ব নাৰায়ণ, বিষ্ণু হৰি অৰ্থাৎ কৃষ্ণকেই প্ৰতিপাদন কৰিছে। ইয়াৰ প্ৰতিটো শ্লোক, নহয় প্ৰতিটো আখৰে 'কৃষ্ণ কৃষ্ণ' বুলি মাতিব লাগিছে। অনেকত্বৰ পৰা একত্বলৈ অহাৰ, সৰ্গ-বিসৰ্গ স্থান, পোষণ, ঊতিৰ পৰা মন্বন্তৰ, ঈশানুকতা, নিৰোধ, মুক্তি আৰু আশ্ৰয়লৈ অহাৰ এয়া ৰাজমাৰ্গ।

অস্ত্ৰ সৰ্গো বিসৰ্গশ্চ স্থানম্ পোষণমূতয়ঃ।
মন্বন্তৰেশানুকথা নিৰোধো মুক্তিৰাশ্ৰয়ঃ।।

-- ভাগৱত, ২/১০/১

অনেক দেৱতাৰ, অনেক পূজাৰ, অনেক জাতিভাৰৰ, ঘনঘোৰ অৰণ্যৰ পৰা ভাগৱতে পথিকক উলিয়াই আনি আনন্দ মনে ফুৰিবৰ কাৰণে ৰাজমাৰ্গ দেখুৱাই দি কৈছে, চোৱা--

দেৱতা এজনেই --- নাৰায়ণ কৃষ্ণ।

পূজা এবিধেই -- নাৰায়ণৰ প্ৰতি প্ৰেম।
জাতি এটাই -- নাৰায়ণৰ দাস।
ঔষধো এবিধেই-- নাৰায়ণৰ নাম।

ই শাস্ত্ৰত কহে দেৱ এক নাৰায়ণ।
তাহান ভকতি যশ শ্ৰৱণ কীৰ্ত্তন।।
আক এক শৰণ নিশ্চয় চিত্ত কৰি।
আতি অপ্ৰয়াসেতে যাতনা তাপতৰি।।
কৃষ্ণৰ সেৱাত কিছু নাহিকে ভাগৰ।
নামমাত্ৰ লৈলে তৰি সংসাৰ সাগৰ।।
কৃষ্ণ মোৰ বন্ধু কৃষ্ণ সুহৃদ নিশ্চয়।
কৃষ্ণকেসে পাইলে অনুমাত্ৰ নুহিভয়।।
এহি তত্ত্ব জানে যিটো সেহি মহা জ্ঞানী।
সেই মহা গুৰু সেহিজন চক্ৰপাণি।।১৫৪

**ভক্তিৰেৰ গৰীয়সী ঃ**

কোনোবাজন ব্যক্তিৰ তীক্ষ্ণবুদ্ধি নাথাকিবও পাৰে, প্ৰচণ্ড কৰ্মশক্তি নাথাকিবও পাৰে, অদ্ভুত একাগ্ৰ শক্তি নাথাকিও পাৰে কিন্তু হৃদয়ৰ অনুভূতি থাকিবই। যিহেতু প্ৰতিজন ব্যক্তিয়েই হৃদয়ৱান। এই হৃদয়ৰ পৰাই ভাৱনাৰ জন্ম হয়। হৃদয়ৰ ভাৱনাক ভগৱানলৈ বোৱাই দিলেই ভক্তি হয়।

'নাৰদ ভক্তি সূত্ৰ'ত ভক্তি কি সেয়া দেৱৰ্ষি নাৰদে কৈছে-- 'সা তু পৰম প্ৰেম ৰূপা' কিন্তু সেই গৰাকী (অৰ্থাৎ ভক্তি) পৰমৰ প্ৰতি প্ৰেম ৰূপিণী।

ব্ৰহ্মলোকলৈকে বিয়পি থকা পদাৰ্থ আৰু পদাৰ্থৰ পৰা নিৰ্মাণ হোৱা ভোগক নেওচি তাৰো সিপাৰৰ কেৱল পৰম, আপোচহীন পৰম ঈশ্বৰৰ প্ৰতি হোৱা ভাল পোৱাৰ ভাৱনাই হ'ল ভক্তি। ভক্তি সাৰ্বভৌম সাৰ্বজনীন, সাৰ্বত্ৰিক, সৰ্বসমৰ্থ। ইয়াত কাৰো সহায় নালাগে--

কেৱলে ভকতি পুৰুষক তাৰে
সহায় কাকো নচাৰে।
জ্ঞানে কৰ্মে কিছু তাৰিতে নপাৰে
ভকতি নপাৰে যাৰে।।

-- নামঘোষা

যি কৰ্ম ক্ষানেৰে সম্পাদন কৰিব নোৱাৰি, কৰ্মযোগ আচৰণেৰে কৰিব নোৱাৰি, ধ্যান যোগেৰে সাধিব নোৱাৰি সেই কৰ্ম ভক্তিৰ দ্বাৰা সহজে সাধন কৰিব পাৰি।

ব্ৰহ্মক বিচাৰি নাপাই শেষত শ্ৰুতি মৌন হৈ গ'ল, নীলবিন্দু বিচাৰি বিচাৰি যোগী ভাগৰি গ'ল, যজ্ঞপুৰুষক বিচাৰি যাজ্ঞিক খৰচান্ত হ'ল-- নাপালে। কিন্তু ভগৱতৰ অশিক্ষিতৰ গোৱাল-গোৱালীয়ে নিগমৰ অগোচৰ, বান্ধিলে, মাৰিলে। ব্ৰহ্মৰ লগত খেলিলে, খালে-খুৱালে, হাঁহিলে কান্দিলে।

ভক্তিৰ দ্বাৰা অনধিকাৰী অধিকাৰী ধৰ্মাধিকাৰী হ'ল, অসুন্দৰ সুন্দৰ-- অনিন্দ্য সুন্দৰ হ'ল, অজ্ঞানী জ্ঞানী- পৰমজ্ঞানী হ'ল--

কৰৈ মোত ভকতি যদ্যপি দুষ্ট চিত্তে।
দহৰৈ পাতেক তাৰ তথাপি তহিঁতে।।
একোৰে নবাছে পাপ পুণ্য যত আছে।
যেন মহা বহ্নি কেঁচা শুকান নবাছে।।
দুৰাচাৰো তৰৈ আত ইটো কোন চিত্ৰ।
চণ্ডালকো কৰৈ মোৰ ভকতি পৱিত্ৰ।।

ভকতি তৰিবে তুমি থিৰ কৰা মতি।
লৈয়ো সাধু সঙ্গ সখি সুখেসাধা গতি।।

-- ভাগৱত, ১৭৬৬২

**সৎসঙ্গ-সাধনা-সমৰ্পণ ঃ**

জীৱনত সঙ্গৰে প্ৰভাৱ আটাইতকৈ বেছি। যি ধৰণৰ সঙ্গত ব্যক্তি থাকিব ব্যক্তি সেই ধৰণৰে হ'ব। 'নাৰদ ভক্তি সূত্ৰ'ত কৈছে 'দুঃসঙ্গ সৰ্বথৈৱ ত্যাজ্যঃ' দুঃসঙ্গ সৰ্বথাই ত্যাগ কৰিবা।

ভাগৱতে বাৰে বাৰে কৈছে--

কদাপিতো নবসিবা অসন্ত সঙ্গত।

ভাগৱতক যদি অতি সংক্ষিপ্ত কৰা যায় তেন্তে তিনিটা শব্দ ওলাব-সযসঙ্গ, সাধনা আৰু সমৰ্পণ।

সৎসঙ্গ -- জীৱনৰ দিশা নিৰ্ণায়ক শক্তি।

সাধনা -- জীৱন যাত্ৰা, মহামৃত্যুৰ প্ৰস্তুতি।

সমৰ্পণ-- জীৱনৰ পূৰ্ণাহুতি, শ্ৰম সাফল্য।

জীৱনক মহান, মৃত্যুক মহীয়ান কৰাৰ এই তিনিপাত অমোঘ অস্ত্ৰ।

**নাম-মহিমা ঃ**

মানৱৰ আটাইতকৈ শক্তিশালী আৰু প্ৰভাৱী

আৱিষ্কাৰটো হ'ল-- নাম। মায়া তৰাৰ, কটাৰ, ঈশ্বৰক বন্ধাৰ আটাইতকৈ শক্তিশালী যুক্তিতো হ'ল নাম।

নামে দেশ কাল অৱস্থা আৰু অধিকাৰ অতিক্ৰম কৰি পৰম সত্যক নিজ হৃদয়তে প্ৰকট কৰি দেখুৱাই। ক্ষুধা-তৃষ্ণা, ৰোগ-ৰাৰ্দ্ধক্য, দুখ-শোক, মৃত্যু-ভয় বন্ধনৰ পৰা নামে মুক্তি কৰি অভয় প্ৰদান কৰে।

নাম-নামী অভেদ। নাম-নামীতকৈ শক্তিশালী।

'তোমাত কৰিয়া তযু গুণ নাম চাৰ।'

নাম হ'ল মষ্ট এপ্ৰোপ্ৰিয়েট টেকন'লজী। খৰছ নাই, দুখ নাই, ভাগৰ নাই আৰু সন্দেহো নাই।

'সুমধুৰ সুমঙ্গল শ্ৰদ্ধায়ে হেলায়ে লৈয়া
নৰমাত্ৰে তৰে ভৱকূপ।।'

নাম লৈ সকলো নৰনাৰীয়েই ভৱকুপ তৰিব পাৰে। নাম অতি গণতান্ত্ৰিক, অতি সাৰ্বভৌম। ব্ৰহ্মসূত্ৰৰ দৰে ইয়াত অধিকাৰ ভেদ নাই।

জ্ঞানদেৱে গুৰু নিবৃত্তি নাথক সুধিলে--

ঃ 'আটাইতকৈ ব্যাপক কি?'

ঃ 'আকাশ' -- গুৰু নিবৃত্তিনাথৰ উত্তৰ,

ঃ 'আকাশতকৈ ব্যাপক কি?'-- জ্ঞানদেৱৰ প্ৰশ্ন।

ঃ 'নাম'-- শ্ৰীনিবৃত্তি নাথৰ উত্তৰ।

ভাগৱতৰ আদি-মধ্য-অৱসানত নামৰেই মহিমা গোৱা হৈছে। ভাগৱতকাৰে ওঠৰ হাজাৰ শ্লোকৰ সামৰণি মাৰিছে, নাম সংকীৰ্ত্তনৰ ঘোষণাৰে--

নাম সংকীৰ্ত্তনম য়স্য সৰ্বপাপ প্ৰণাশনম্।
প্ৰণামো দুঃখ শমনস্তম্ নমামি হৰিম্ পৰম্।।

যি ভগৱানৰ নাম সংকীৰ্তনে সকলো পাপকে সৰ্বথা নষ্ট কৰি দিয়ে, যি ভগৱানৰ চৰণত আত্ম সমৰ্পণ আৰু প্ৰণতিয়ে সদায়ৰ কাৰণে সকলো প্ৰকাৰৰ দুখ দূৰ কৰি দিয়ে, সেই পৰমতত্ত্ব স্বৰূপ শ্ৰীহৰিক মই নমস্কাৰ কৰো।

**পৰীক্ষিতৰ মহাগতি ঃ**

আমি আৰম্ভ কৰিছিলো দুখন ভৰিৰ চালনাৰ পৰা। ভৰি দুখন গতিৰ মাধ্যম। মহাগতি গতিৰ পৰিণাম। মহাগতিত গতিৰ সমাপ্তি ঘটি শুদ্ধ অস্তিত্ব, কেৱল অস্তিত্বত স্থিতি হয়।

মই - মই - মই - মই।
তুমি - তুমি - তুমি - তুমি।
আছা - আছা - আছা - আছা।।
ময়েই তুমি, তুমিয়হে মই।
মই তুমি মিলি কেৱল তুমি, তুমি, তুমি।।

'মই' মানে দেহ মন বুদ্ধি অহঙ্কাৰযুক্ত নকলি 'মই' নহয়। 'মই' মানে দেহ-মন বুদ্ধি অহংকাৰৰ সিপাৰৰ দেশ কালাতীত কেৱল অস্তিত্ব।

শ্ৰীশুকদেৱে কৈ গ'ল আৰু পৰীক্ষিতে শুনি গ'ল-- সিমানতে সমস্যাৰ সমাধান নহয়।

অধিকাৰী বক্তাই নিজানুভৱ বাকি গ'ল, ভক্তি প্ৰেমামৃত ঢালি গ'ল।

অধিকাৰী শ্ৰোতাই, দেখি গ'ল (দেখিলেহে দৰ্শন সিদ্ধি হয়)

ভগৱৎ দৰ্শন দৰ্শন কৰি গ'ল।
অনুভৱ কৰি গ'ল
আৰু নিজে ভগৱান হৈ গ'ল।

মৃত্যুক মহীয়ান কৰি, মৃত্যুৰ শিৰত ভৰি থৈ অমৃত তত্ত্বত প্ৰতিস্থিত হৈ গ'ল।

এতিয়া আৰু পৰীক্ষিতৰূপী অস্তিত্বক কোনে মাৰে! তক্ষকে হয়তো শৰীৰটোক বদলাই দিব পাৰে।

ভাগৱতৰ উদ্দেশ্য সফল হ'ল,
ভাগৱত বক্তাৰ উদ্দেশ্য সফল হ'ল,
ভাগৱত শ্ৰোতাৰ উদ্দেশ্য সফল হ'ল।।

ভগৱন্, আপুনি মোৰ অভয়পদৰ, ব্ৰহ্ম আৰু আত্মাৰ ঐক্যতাৰ সাক্ষাৎ কৰাই দিলে। এতিয়া মই শান্তিস্বৰূপ ব্ৰহ্মত প্ৰতিস্থিত হ'লো। এতিয়া তক্ষক আদি ৰূপলৈ দলে দলে মৃত্যু আহিলেও মোৰ ভয় নাই। মই অভয় হৈ গ'লো।

ভাগৱত অমৃতৰ সমুদ্ৰ।
দেৱতাৰ অমৃত আগম অমৃত।
শ্ৰীশুকদেৱৰ ভাগৱত নিগম অমৃত।
নিগম কল্পতৰুৰ্গলিতম্ ফলম্।
আমাৰ চিন্তন এটি দুটি অমৃত-বিন্দু।
অমৃত সমুদ্ৰ বিস্তীৰ্ণ, বহুত অটল।■■

# ভাগৱত-ভক্তি আৰু স্যমন্তক মণি

ড° পূৰ্ণানন্দ শইকীয়া

ভাগৱত মহাপুৰাণৰ অসংখ্য কাহিনী-উপকাহিনীৰ মাজেদি ভাগৱত-ভক্তি তথা ভগৱৎ প্ৰেমৰ স্বৰূপ নিৰ্ণয় কৰা হৈছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই ভাগৱৎ-ভক্তিৰ যি কেইটি কাহিনী 'কীৰ্ত্তন' পুথিত সন্নিৱিষ্ট কৰিছে, তাৰ ভিতৰত 'স্যমন্তক হৰণ' নামৰ ৯ টি কীৰ্ত্তনযুক্ত কাহিনীটি অতি জনপ্ৰিয় আৰু তাৎপৰ্যপূৰ্ণ। একালত 'স্যমন্তক হৰণ' নামৰ সৰু পুথি এখনি ছপাকাৰত মানুহৰ ঘৰে ঘৰে আছিল। আজিকালি অৱশ্যে সমস্ত কীৰ্তন সম্বলিত বৃহৎ 'কীৰ্ত্তন' পুথিখনি বিভিন্ন প্ৰকাশকে, বিভিন্ন সম্পাদকে ছপা কৰি উলিওৱাত সৰু পুথিৰ প্ৰয়োজনীয়তা নোহোৱা যেনেই হ'ল। 'স্যমন্তক হৰণ'ৰ কীৰ্ত্তন ৯টিৰ ছন্দ আৰু সুৰৰ লগত কাহিনী এনেকৈ মিলোৱা আছে যে কীৰ্ত্তন কৰিলে কাহিনীৰ মহত্ব আৰু ভাগৱত-ভক্তিৰ মহিমা একাকাৰ হৈ পাঠক শ্ৰোতাৰ হৃদয়ত অপূৰ্ব আলোড়নৰ সৃষ্টি কৰে। মধ্য দশমত মহাকবি অনন্ত কন্দলিয়ে স্যমন্তক মণিৰ আখ্যান বিস্তৃত ৰূপত দাঙি ধৰিছে। 'কীৰ্ত্তন পুথি'ত ভাগৱতৰ পূৰ্ণ কাহিনীৰ বহু অংশ বাদ দিয়া হৈছে। এই প্ৰবন্ধত স্যমন্তক মণিৰ কাহিনীৰ পূৰ্ণাঙ্গ আলচ এটি আগবঢ়োৱা হৈছে। লগতে ভাগৱত ভক্তিৰ আৰু স্যমন্ত মণিৰ সম্পৰ্ক ফঁহিয়াই চোৱাৰো এটি প্ৰয়াস কৰা হৈছে।

**ভাগৱতৰ বিস্তৃত কাহিনী**

ৰজা সত্ৰাজিত কৃষ্ণৰ ভকত নাছিল। তেওঁ আছিল সূৰ্য-ভক্ত। অনেক বছৰ সত্ৰাজিতে সূৰ্য দেৱতাক আৰাধনা কৰিলে আৰু তাৰ ফলত সূৰ্য সন্তুষ্ট হ'ল। ইমানেই সন্তুষ্ট হ'ল যে, স্বামী গুচি সূৰ্য হৈ পৰিল সত্ৰাজিতৰ পৰম বান্ধৱ। বন্ধুত্বৰ চিন স্বৰূপে সূৰ্যই সত্ৰাজিতক তেওঁৰ স্যমন্তক মণিটো উপহাৰ দিলে। সত্ৰাজিতে কণ্ঠত মণি পৰিধান কৰিলে আৰু মণিৰ তিৰ্‌বিৰণিত মানুহে সত্ৰাজিতকে সূৰ্য বুলি ভুল কৰিবলৈ ধৰিলে। স্যমন্তক মণি পিন্ধি সত্ৰাজিতে গৈ দ্বাৰকাত উপস্থিত হ'ল। ভক্তসকলে কৃষ্ণক গৈ আগলি বতৰা দিলে গৈ যে স্বয়ং সূৰ্যদেৱতা আহিছে তেওঁক নমস্কাৰ কৰিবলৈ। কৃষ্ণই হাঁহি ঙাঁহি ভকতসকলক ক'লে যে সেয়া সূৰ্য দেৱতা নহয়, সেয়া স্যমন্তক মণি পিন্ধি অহা সত্ৰাজিতহে। কৃষ্ণই ইয়াকো জনালে যে বহু বছৰ সূৰ্য দেৱতাক আৰাধনা কৰি সত্ৰাজিতে মণিটো লাভ কৰিছে। কৃষ্ণৰ এইকথা শুনি ভকতসকলে যি মন্তব্য কৰিলে যি অতি তাৎপৰ্যপূৰ্ণ--

'কৃষ্ণৰ বচন সৱে শুনিল মনত।
কোন বস্তু স্যমন্তক কৃষ্ণৰ আগত।।১৩৮৭৮
সকলো ভুকুতি গতি যাহাৰ চৰণে।
তাঙ্ক তেজি আন বৰ সাধে কোনজনে।।
নাহি আৰ সিদ্ধি সত্ৰাজিত ভিন্ন বুদ্ধি।
কৃষ্ণ এৰি ফুৰে আন দেৱতা আৰাধি।।১৩৮৭৯

মধ্য দশম স্কন্ধ, ভাগৱত

সত্ৰাজিতৰ অহঙ্কাৰৰ সীমা নাই; জীৱনত অসাধ্য সাধন কৰিছে-- স্যমন্তক মণি লাভ কৰিছে। ঐশ্বৰ্য-বিভূতি, যশ-মানৰ অন্ত নাই। মণিমত্ত সত্ৰাজিতে সাধাৰণ প্ৰজাৰ মুখলৈকো নোচোৱা হ'ল, আনকি কৃষ্ণক দেখা পায়ো নমস্কাৰ নকৰিলে। দেৱ-মন্দিৰত মণিক সংস্থাপন কৰিলে আৰু মহোৎসৱ কৰি বিপ্ৰগণৰ হতুৱাই পূজা অৰ্চনা কৰালে। মণিৰ মহিমা কৈ অন্ত কৰিব নোৱাৰি--

'মণিৰ প্ৰভাৱ আৰো শুনা পৰীক্ষিত।
অষ্টভাৰ সুৱৰ্ণ স্ৰৱয় প্ৰতি নিত।।
দুৰ্ভিক্ষ মৰক সৰ্প আদি ব্যাধিচয়।
কিঞ্চিতেকো নাহি যথা মণিক থাকয়।।১৩৮৮২

সেহিমণি পূজি যেৱে আছা সত্ৰাজিত।
অসংখ্যাত অৰ্থ ভৈল গৰ্ব্ব বিপৰীত।।
মহন্তক দেখি আৰ নকৰে আদৰ।
অৰ্থে অন্ধ কৰিলে নেদেখে পূৰ্ব্বাপৰ।।১৩৮৮৩

প্ৰতি দিনে আঠ ভাৰ সোণ উৎপন্ন কৰিব পৰা স্যমন্তক মণিক ৰজা সত্ৰাজিতে পূজা নকৰি, কৰিব আৰু কাক? তদুপৰি, স্যমন্তক মণিৰ এনেহে মহিমা যে মাৰি-মৰক, দুৰ্ভিক্ষ সৰ্প ভয়, ব্যাধিৰ ভয় আদি কোনো ভয়েই সত্ৰাজিতৰ নাই। এনে জীৱনেই ৰজা আৰু সাংসাৰিক মানৱ উভয়ৰে একান্ত কাম্য। ঐশ্বৰ্য-বিভূতিৰ গৰ্বই সত্ৰাজিতক অন্ধ কৰিলে আৰু মানুহক মানুহ যেন নেদেখা হ'ল-- 'অৰ্থে অন্ধ কৰিলে নেদেখে পূৰ্বাপৰ।' কিছুদিনৰ পাছত সত্ৰাজিত কৃষ্ণৰ ওচৰলৈ যোৱাত কৃষ্ণই ক'লে-- 'হে ৰজা! এইমণিটো তুমি ৰজা উগ্ৰসেনক গতাই দিয়া। তোমাৰ যিমান ধন সোণৰ প্ৰয়োজন আছিল, সকলো সম্পূৰ্ণ হ'ল। তোমাৰ আৰু মণিত কোনো প্ৰয়োজন নাই। ৰজা উগ্ৰসেনে মণি পালে ৰাইজৰ কল্যাণ হ'ব। তুমি স্যমন্তক মণিটো মোক দিয়া। মই ৰজাক তোমাৰ মণি অৰ্পণ কৰোঁগৈ। ৰজাই তোমাৰ কল্যাণ সাধন কৰিব। তুমি ধন্য হ'বা। যদি তাকে নকৰা, এই মণিৰ কাৰণে তুমি সময়ত বিপদৰ সন্মুখীন হ'বা।' কৃষ্ণৰ এনে আশ্বাস বাণীয়ে সত্ৰাজিতৰ অন্তৰ জয় কৰিব নোৱাৰিলে। সত্ৰাজিতে কৃষ্ণৰ উপদেশ অগ্ৰাহ্য কৰিলে। সত্ৰাজিতে কৃষ্ণক উপাযাচি মণি অৰ্পণ কৰা দূৰৈৰ কথা; আনকি খোজা সত্বেও সত্ৰাজিতে মণিটো কৃষ্ণক অৰ্পণ নকৰিলে। কৃষ্ণত অৰ্পিত নোহোৱাৰ ফলত মণিৰ মহিমাও নাইকিয়া হ'ল। মণি হৈ পৰিল বিঘ্নিৰ প্ৰতীক--

'বহু ধন পায়া সিটো কৃষ্ণক নৰ্পিল।
পৰম লুবুধ আগে আপুনি ভুঞ্জিল।।
সৰ্ব্ববিঘ্নি হৰে যিটো স্যমন্তক মণি।
কৃষ্ণত বিমুখ সিটো মিলাৱে বিঘিনি।।'১৩৮৮৯
সুমঙ্গলে অমঙ্গল কৃষ্ণৰ কীৰ্ত্তনে।
তাক নমানিয়া দুখ ভুঞ্জে মূঢ়জনে।।'১৩৮৯১

মহিমাশূন্য স্যমন্তক মণি সত্ৰাজিতৰ ভায়েক প্ৰসেনে কণ্ঠত পিন্ধি ঘোঁৰাত উঠি চিকাৰ কৰিবলৈ, বনলৈ গ'ল। মৃগ মাৰি নিৰ্ভয় মনে বনত ঘূৰি ফুৰোতে হঠাতে এটা সিংহই প্ৰসেনক লগ পালে আৰু ঘোঁৰাটোৰে সৈতে মাৰি পেলালে। সিংহই উজ্বল মণিটো মূৰত তুলি ল'লে আৰু পৰ্বতৰ ওপৰলৈ ৰং মনে উঠি যাবলৈ ধৰিলে। এনেতে জাম্বৱন্তই সিংহক দেখা পালে আৰু তাক মাৰি মণিটো কাঢ়ি ল'লে। জাম্বৱন্তই মহা উজ্বল মণিটো তেওঁৰ পুত্ৰ সুকুমাৰক ওমলিবলৈ দিলেগৈ। মহা মূল্যৱান মণি গৈ শেষত ল'ৰা-ধেমালিৰহে বস্তু হ'লগৈ।

ইফালে ৰজা সত্ৰাজিত মহা চিন্তাত পৰিল। স্যমন্তক মণি পিন্ধি মৃগয়ালৈ যোৱা ভায়েক প্ৰসেন ঘৰলৈ উভতি নহাৰ কাৰণ কি? সত্ৰাজিতে ভাবি চিন্তি পালেগৈ যে প্ৰসেনক মাৰি স্যমন্তক মণি নিব পৰা শক্তি কৃষ্ণ বিনে অন্য কাৰো নাই। ৰজা সত্ৰাজিতে প্ৰজাৰ আগত কৃষ্ণৰ অপযশ ৰতনা কৰিবলৈ ধৰিলে--

আন একোজনে মাৰিবাক নপাৰয়।
কৃষ্ণে মাৰি মণি নিল জানিলো নিশ্চয়।।
......................................................
ভাল বস্তু পাইলে তাক ৰাখিতে নপাৰি।
ভাল কন্যা ভৈলে তাক ছলে নেই হৰি।।
নাহিকে কুটুম্ব আৰো বন্ধু মিত্ৰগণ।
ছলে বলে মাৰি সবাহাৰে লৱে ধন।।১৩৯০০
খুজিলেক মণি মই যাচিয়া নিদিলোঁ।
তাৰ দোষে ভাতৃ মণি দুইকো হৰাইলো।।

কৃষ্ণই এই অপযশৰ কথা শুনি থাকিব নোৱাৰিলে। ৰাইজৰ আগত, ভকতৰ আগত, নিজৰ নিৰ্দোষিতা প্ৰমাণ কৰিবৰ কাৰণে লগত কিছু মানুহ লৈ কৃষ্ণই স্যমন্তক মণি উদ্ধাৰৰ যাত্ৰা আৰম্ভ কৰিলে। প্ৰসেনৰ ঘোঁৰাৰ খোজ অনুসৰণ কৰি গৈ গৈ হাবিৰ মাজত প্ৰসেনক ঘোঁৰাৰ সৈতে মৰি থকা অৱস্থাত পালেগৈ। তাৰ পিছত সিংহৰ খোজ পাই প্ৰসেনক সিংহই মৰা বুলি নিশ্চিত হ'ল আৰু সিংহৰ খোজ অনুসৰণ কৰি কৃষ্ণ লগৰীয়াসকলৰ সৈতে আগবাঢ়িল। অৱশেষত সিংহটোকো মৰি থকা অৱস্থাত পালে। তাৰ পাছত ভালুকৰ খোজ দেখা পাই কৃষ্ণই জানিব পাৰিলে যে, সিংহটোক ভালুকে মাৰিলে আৰু মণি কাঢ়ি লৈ গুচি গ'ল। এইবাৰ ভালুকৰ খোজ অনুসৰণ কৰি কৃষ্ণই ভালুকৰাজ জাম্বৱন্তৰ গৃহ গৰ্ত্তৰ প্ৰৱেশ দ্বাৰত উপস্থিত হ'লগৈ। লগৰীয়াসকলক প্ৰৱেশ

দ্বাৰতে থৈ কৃষ্ণই প্ৰৱেশ কৰিলে ভালুকৰ অন্ধকাৰ গৰ্ত্তত। গৰ্তৰ ভিতৰত দেখা পালে এখন মনোৰম ফুলনি। তাতে ললিতা নামৰ ধাই এজনীয়ে জাম্বৱন্তৰ পুত্ৰ সুকুমাৰক মণিটোৰে ওমলাই আছে। কৃষ্ণই মণিৰ চমু কাহিনী ধাইৰ নিচুকণি গীততে জানিব পাৰিলে আৰু মণিটো উদ্ধাৰৰ চেষ্টা কৰিলে। কৃষ্ণৰ অভিপ্ৰায় বুজি পাই ললিতা ধায়ে চিঞৰ-বাখৰ কৰিবলৈ ধৰিলে। লগে লগে মহাবীৰ জাম্বৱন্ত কৃষ্ণৰ সন্মুখত উপস্থিত হ'ল আৰু মহা ক্ৰোধে কৃষ্ণক গালি-শপনি পাৰিবলৈ ধৰিলে। কৃষ্ণই কিন্তু নিজ ভক্ত জাম্বৱন্তক চিনি পাই আনন্দহে কৰিলে। কৃষ্ণ জাম্বৱন্তৰ ভয়ঙ্কৰ যুদ্ধ হ'ল। আঠাইশ দিন ধৰি এই যুদ্ধ চলিল। মহাবীৰ জাম্বৱন্তই যুদ্ধত পৰাজয় বৰণ কৰিলে আৰু প্ৰভু ভগৱন্তক অৱশেষত চিনি পালে--

ত্ৰৈলোক্য প্ৰখ্যাত মই জাম্বৱন্ত বীৰ।
শ্ৰীৰামৰ অনুচৰ দুৰ্জ্জয় শৰীৰ।।
মোকে জিনিলন্ত ইটো নুহি আনজন।
জানিলো অৱশ্যে প্ৰভু এন্তে নাৰায়ণ।।১৩৯২৪
এহি বুলি জাম্বৱন্ত আতি তুষ্ট চিতে।
কৃষ্ণৰ চৰণে পৰিলন্ত দণ্ডৱতে।।
অষ্টাঙ্গে প্ৰণাম কৰিলন্ত মহামতি।
কৃতাঞ্জলি হুয়া পাচে আৰম্ভিল স্তুতি।।১৩৯২৫

ভাগৱত

জাম্বৱন্তই স্তুতিত কৃষ্ণক ৰামৰূপত দৰ্শন কৰিছে আৰু সেইমতে ৰামৰ সেতু-বন্ধন, লঙ্কা দহন আদি কাৰ্যৰ বিৱৰণ দাঙি ধৰিছে--

'যাৰ শৰে কাটি ভুমিত পেলাইল
ৰাৱণৰ দশ শিৰ।
লঙ্কাকো দহিলা দেৱকো তাৰিলা
হৰিলা ভাৰ ভূমিৰ।।
সেহি প্ৰভু তুমি মোৰ ইষ্টদেৱ
ক্ষমিয়ো দোষসকল।
ৰাতুল চৰণে পশিলো শৰণে
ৰাখিয়ো ভৃত্যবৎসল।।১৩৯৩৪
পৰম ভকত জাম্বৱন্ত হেন
শুনিয়া স্তুতি বচন।
মহাতুষ্ট ভৈলা দৈৱকী নন্দন
সজ্জন মনোৰঞ্জন।।১৩৯৩৫

ভাগৱত

অনন্ত কন্দলি ৰচিত এই জাম্বৱন্ত স্তুতিৰ আধাৰত মহাপুৰুষ শঙ্কৰদেৱৰ বিৰচিত 'কীৰ্ত্তন' পুথিৰ প্ৰখ্যাত জাম্বৱন্ত স্তুতিৰ স্পষ্ট প্ৰভাৱ পৰিলক্ষিত হয়--

কৃষ্ণৰ বিক্ৰম দেখি ঋক্ষৰাজ
পৰম বিস্ময় মনে।
স্বামী হেন জানি বুলিবে লাগিলা
প্ৰণামি কৃষ্ণ চৰণে।।
জানিলো তোহ্মাক জগত ঈশ্বৰ
তুমি সনাতন হৰি।
সমস্ত ভূতৰ তুমি প্ৰাণবল
জগতকে আছা ধৰি।।১৪৩৬
স্ৰষ্টাৰেসে স্ৰষ্টা তুমি সৰ্বদ্ৰষ্টা
উদ্ধাৰি ধৰিলা ভূমি।
জীৱৰ নিয়ন্তা পৰম আতমা
মৃত্যুৰো অন্তক তুমি।।
জানিলো তোহ্মাক সেহি ৰঘুনাথ
যিটো ইষ্টদেৱ মোৰ।
সীতাৰ সন্তাপে জগতৰ বাপে
কৰিলা পয়ান ঘোৰ।।১৪৩৭

-- স্যমন্তক হৰণ, কীৰ্ত্তন

কৃষ্ণই স্তুতিত সন্তুষ্ট হৈ অমৃত হস্তস্পৰ্শেৰে জাম্বৱন্তৰ ক্ষত-বিক্ষত শৰীৰ শান্ত কৰিলে। কৃষ্ণই মণি অভিযানৰ বৃত্তান্ত জাম্বৱন্তৰ আগত দাঙি ধৰিলে--

মিছা অপবাদ দিয়া আছে মোক
কৃষ্ণে নিলে মণি বুলি।
সেহি আপোনাৰ কলঙ্ক গুচাইতে
আসিলো গৰ্ত্তক চলি।।১৩৯৩৬

ভাগৱত

জাম্বৱন্তই তেওঁৰ সৰ্ব-সুলক্ষিণী কন্যা জাম্বৱতীক মাধৱত অৰ্পণ কৰি বিধিমতে বিবাহ দিলে। যৌতুক হিচাপে স্যমন্তক মণি লগত দিলে। এনেকৈয়ে, কৃষ্ণই মণি উদ্ধাৰ কৰি আনিলে আৰু সভা পাতি সত্ৰাজিতৰ হাতত মণি অৰ্পণ কৰিলে। মিছা অপবাদৰ সমুচিত

প্ৰত্যুত্তৰ পাই ৰজা সত্ৰাজিত বৰ লজ্জিত হ'ল। কৃষ্ণক সন্তুষ্ট কৰিবৰ কাৰণে সত্ৰাজিতে তেওঁৰ ত্ৰৈলোক্যমোহিনী কন্যা সত্যভামাক কৃষ্ণৰ সৈতে উপযাচি বিবাহ দিলে আৰু স্যমন্তক মণি কন্যাৰ যৌতুক হিচাপে অৱশেষত কৃষ্ণক প্ৰদান কৰিলে। এই দানত সত্ৰাজিতৰ অভিপ্ৰায় সুস্পষ্ট--

কন্যাক মণি পাইলে কোপ পাসৰিব হৰি।
এহিসে উপায়ে তাঙ্ক তোষিবাক পাৰি।।
আন একোমতে তান নুহিবেক শান্তি।
এহি মনে নিষ্ঠ কৰিলেক গুণি গান্থি।।১৩৯৬৩
অভকত পাপী তাৰ শুদ্ধ নাহি হিয়া।
কৃষ্ণক তোষিব খোজে কণ্ঠমণি দিয়া।।
একচিত্তে মাধৱত নলৱে শৰণ।
কেনমতে তুষ্ট তাত হৈব নাৰায়ণ।।১৩৯৬৪

--ভাগৱত

সেয়ে, সত্ৰাজিতে জীয়েক সত্যভামাৰ লগত যৌতুক হিচাপে দিয়া মণি কৃষ্ণই গ্ৰহণ নকৰিলে। কিন্তু, জাম্বৱন্তই যৌতুক হিচাপে দিওঁতে কৃষ্ণই মণি গ্ৰহণ কৰিছিল। মণিৰ প্ৰতি থকা সত্ৰাজিতৰ মোহ ভঙ্গ কৰিবলৈকে কৃষ্ণই মণি গ্ৰহণ কৰা নাছিল--

কটাক্ষে বোলন্ত কৃষ্ণে নবুজয় আনে।
তোমাতে থাকোক মণি ধৰিয়ো আপোনে।।
থাকোক তোমাতে মণি কিছু নাহি ভয়।
আমি পুনু ফলভাগী জানিবা নিশ্চয়।।১৩৯৬৯

-- ভাগৱত

এনেদৰে সত্ৰাজিতৰ মণি কৃষ্ণৰ দ্বাৰা প্ৰত্যাখ্যান কৰা হ'ল। 'কীৰ্ত্তন' পুথিত মহাপুৰুষে মণি আখ্যান ইমানতে সামৰিছে। কিন্তু ভাগৱতত থকা মণিৰ আখ্যানৰ শেষৰ ভাগৰ তাৎপৰ্যও বিচাৰ কৰি চাবলগীয়া।

সত্ৰাজিতৰ হাতত মণি থকা গম পাই ভকত অভকত সকলো ঈৰ্ষান্বিত হ'ল। কৃতবৰ্মা আৰু অক্ৰূৰ-- দুয়োজনেই সত্যভামাৰ পাণিপ্ৰাৰ্থী আছিল। ইতিমধ্যে কৃষ্ণ গৈ হস্তিনাপুৰত পাণ্ডৱসকলৰ লগত আছিলগৈ। এই সুযোগতে কৃতবৰ্মা আৰু অক্ৰূৰে শতধনু নামৰ দুষ্ট প্ৰকৃতিৰ মানুহ এটাক উচটাই দি ক'লে যে সি সত্ৰাজিতক বধ কৰি স্যমন্তক মণিৰ অধিকাৰী হ'ব পাৰে। শতধনুৱে তাকে কৰিলে। এদিন নিশা শুই থকা অৱস্থাত সত্ৰাজিতক বধ কৰি শতধনুৱে মণিটো কাঢ়ি নিলে। পিতৃৰ এনে আকস্মিক মৃত্যুত সত্যভামা অস্থিৰ হ'ল আৰু পিতৃৰ মৰাশ সযতনে গেলি-পচি নোযোৱা কৰি তেলত ডুবাই থ'লে। সিও পিতৃ বিৰহত ব্যাকুল হৈ সত্যভামা হস্তিনাপুৰ পালেগৈ আৰু তেওঁৰ স্বামী কৃষ্ণক সকলো দুঃসংবাদ জনালে। কৃষ্ণই দ্বাৰকালৈ ততাতৈয়াকৈ আহি শতধনুক বধ কৰিবলৈ উদ্যত হ'ল। শতধনু উপায়ান্তৰ হৈ মণিটো কৃতবৰ্মাৰ হাতত থ'ব খুজিলে। ভয়ত কৃতমৰ্বাই মণি নাৰাখিলে। ইয়াৰ পাছত শতধনু গ'ল অক্ৰূৰৰ ওচৰলৈ। কৃষ্ণ ভক্ত অক্ৰূৰে মণিটো ৰাখি থ'লে। ভকতৰ হাতত পৰি মণি পুনৰ মহিমামণ্ডিত হৈ পৰিল। মাৰি-মৰক-দুৰ্ভিক্ষ আঁতৰিল। দ্বাৰকাবাসীৰ অৱস্থা জয় জয় ময় ময় হ'বলৈ ধৰিলে। কৃষ্ণই শতধনুক বধ কৰি শহুৰেক সত্ৰাজিতৰ প্ৰেতকাৰ্যাদি সম্পন্ন কৰিলে। শতধনুক উচটনি দিয়া অপৰাধত অপৰাধী বুলি নিজকে বিবেচনা কৰি অক্ৰূৰে দ্বাৰকা ত্যাগ কৰি বাৰাণসীলৈ গুচি গ'ল। এইবাৰ বাৰাণসীৰ প্ৰজাৰ সুমঙ্গল মিলিল। ঐশ্বৰ্য বিভূতিৰ বৃদ্ধি হ'ল আৰু মাৰি-মৰকৰ অন্ত পৰিল। অন্তৰ্যামী কৃষ্ণই ভক্ত অক্ৰূৰৰ হিয়াৰ বতৰা জানি তেওঁৰ অপৰাধ নিজ গুণে ক্ষমা কৰিলে। কৃষ্ণই অক্ৰূৰক দ্বাৰকলৈ মতাই পঠালে। যথাসময়ত অক্ৰূৰক দ্বাৰকাত উপস্থিত হ'লহি। দ্বাৰকাৰ জনসভাত অক্ৰূৰে সভক্তিৰে স্যমন্তক মণি কৃষ্ণৰ হাতত অৰ্পণ কৰিলে। কৃষ্ণই ভাগৱত ভক্তিৰ প্ৰসাদ ৰূপে স্যমন্তক মণি গ্ৰহণ কৰি পুনৰ ভক্ত অক্ৰূৰৰ হাততে ইয়াক চিৰকালৰ বাবে অৰ্পণ কৰিলে--

মণি মনোৰম জ্বলে সূৰ্য্য সম
দেখি কৃষ্ণ ৰঙ্গ ভৈল।
সবাকো দেখাই কলঙ্ক গুচাই
পুনু অক্ৰূৰতে থৈল।।১৪০৪২
বন্ধু বান্ধৱৰ দুখ দূৰ গৈল
হৰিষ ভৈল অপাৰ।
সেহি দিন ধৰি যত তাপ মাৰী
দূৰ ভৈল দ্বাৰকাৰ।।

কৃষ্ণৰ আদেশে মণি লৈয়া পাচে
অক্ৰূৰ গৃহক গৈল।
অতি মনোৰমে থাকি নিজাশ্ৰমে
অনেক যজ্ঞ যজিল।।১৪০৪৩
নিতে অষ্টভাৰ সুৱৰ্ণ উপজে
মহামণি স্যমন্তক।
অক্ৰূৰৰ তাত কিছু মোহ নাই
সমস্ত দেন্ত কৃষ্ণক।।

*   *   *

কৃষ্ণৰ চৰিত্ৰ আতি বিপৰীত
বুজিবেক কোনজনে।
সবাকে বঞ্চিয়া ভক্ত অক্ৰূৰত
থৈলন্ত মণি আপোনে।।

মুঠতে স্যমন্তক মণি সাংসাৰিক ঐশ্বৰ্য-বিভূতি, মান-যশৰ প্ৰতীক। সাংসাৰিক অভক্তজনে মণিক আক্ৰোশ কৰি সৰ্বনাশ চপাই লয়। কিন্তু, ঐশ্বৰ্য বিভূতি, বল-শক্তি, যশ-মানে কৃষ্ণ ভক্তক টলাব নোৱাৰে। ভকতে এইপাৰ্থিৱ সম্পদ কৃষ্ণৰ প্ৰসাদ হিচাপে গ্ৰহণ কৰিলেও পুনৰ কৃষ্ণতে সমস্ত অৰ্পণ কৰে। অভকতৰ বাবে স্যমন্তক মণি মৃত্যুৰ কাৰণ আৰু ভকতৰ বাবে ই পৰম অমৃত। কৃষ্ণত অৰ্পিত নহ'লে স্যমন্তক মণিৰ মহিমাই বা ক'ত? কৃষ্ণয়ো মণিৰ মহিমা তেওঁৰ ভক্তৰ যোগেদিহে লোকসমাজত বিকাশ কৰিছে। মহাপুৰুষ মাধৱদেৱে তেৰাৰ অমৰ সৃষ্টি 'নাম-ঘোষা'ত এই পৰম তত্ত্ব সদৰী কৰিছে।

ভগৱন্ত দেৱ নিগদতি শুনিয়োঅৰ্জ্জুন মহামতি
তোহ্মাত কহঞো পৰম ইটো ৰহস্য।
ঐশ্বৰ্য বিভূতি বলে সমে জানে যিটো মোক নৰোত্তমে
সিও ভৈল মোৰ তাৰ ভৈলো মঞি বশ্য।।৬১৩
-- নাম-ঘোষা ■■

তচ্চিন্তাবিপুলহ্লাদ ক্ষীণপুণ্যচয়া তথা।
তদপ্ৰাপ্তি মহাদুঃখবিলীনা শেষ পাতকা।।
চিন্তয়তী জগৎসূতিং পৰমব্ৰহ্মস্বৰূপিণম্।
নিৰুচ্ছাসতয়া মুক্তিং গতান্যা গোপকন্যাকা।।

# অন্তকালে সৰাৰো মিলিল বিসঙ্গতি

**শ্ৰীৰজনীকান্ত দত্ত**

মহাভাগৱত শাস্ত্ৰৰ দ্বাদশ স্কন্ধত 'ধৰণীগীতা' নামেৰে এটি অধ্যায় সংযুক্ত কৰিছে। এই অধ্যায়ৰ যোগেদি ব্যাসদেৱে মানুহৰ অপৰিতৃপ্ত কামনা বাসনাৰ এটি জ্বলন্ত বাঙ্ময় চিত্ৰ অঙ্কন কৰিছে। বিশেষকৈ, ৰজাসকলৰ পৃথিৱী জয় কৰাৰ হাবিয়াস আৰু ইয়াৰ ভয়াবহ পৰিণাম সম্পৰ্কত এটি সম্যক ভাৱনা মিশ্ৰিত পাঠৰ সমীক্ষা এই ধৰণী গীতাৰ যোগেদি প্ৰকট কৰি তোলা হৈছে।

মুনীন্দ্ৰ মহন্ত শুকমুনিয়ে মহাৰাজ পৰীক্ষিতৰ আগত অহঙ্কাৰী ৰজাসকলৰ এটি সুন্দৰ বৰ্ণনা ডাঙি ধৰিছে। মহা অহঙ্কাৰী ৰজাসকলে গৰ্ব অহঙ্কাৰত মত্ত হৈ ধন-জন, ঐশ্বৰ্য-বিভূতিৰ গৰ্বত উফন্দি থাকি সকলোকে পৰুৱাসম জ্ঞান কৰে। নিজে কেৱল গৰ্ব পৰ্বতৰ ওপৰত উঠি জগতখনকে ধূলি-কণা সদৃশ বুলি ভাৱে। আনকি তেওঁলোকে নিজৰ পিতৃ মাতৃ সকলকো অৱজ্ঞা কৰে। তেওঁলোকৈ জীৱনৰ পৰম সত্তা আৰু মহিমামণ্ডিত সংজ্ঞাৰ ধাৰণাও পাহৰি পেলায়। এই ৰজাসকলে নিজৰ অস্তিত্বৰ কথা পাহৰি সমগ্ৰ পৃথিৱীখনৰ অধিপতি হোৱাৰ অলিক বাসনাত আপোন পাহৰা হয়।

সময় বৰ কুটিল। এই সময়ে ৰজা-প্ৰজা, ধনী-দুখীয়া, মূৰ্খ-পণ্ডিত, উচ্চ-নীচ কাকো ক্ষমা নকৰে। পৃথিৱী সদায় থাকে, কিন্তু পৃথিৱীবাসীসকল কচুপাতৰ পানীৰ দৰে অস্থিৰ, চঞ্চল। তেওঁলোক আহিছে-- সময়ৰ ধাৰাবাহিকতাই সকলোকে সামৰি পেলাইছে। আনকি কুটিল কালৰ অট্টহাস্যই তেওঁলোকৰ স্থিতিকে পাহৰণিৰ অটল গৰ্ভত মাৰ নিয়াইছে।

পৃথিৱীৰ মানুহ বিশেষকৈ পৃথিৱীৰ অধিপতি ৰজা-মহাৰজাসকলৰ এনে সাৱগৰ্ভহীন বিচাৰ বিহীন আৰু আত্মঘাতী কাৰ্যক্ৰমণিকা দেখি পৃথিৱীয়ে আপোনা আপুনি হাঁহিছে। পৃথিৱীৰ এই হাঁহিৰ মাজত লুকাই আছে সেই অবিবেকী ৰজা ৰাজ-ৰাজেশ্বৰসকলৰ বাতুলামী আৰু অপৰিনামদৰ্শী বিনাশ।

পৃথিৱীৰ এই অৰ্থবহ শাশ্বত কথাখিনি মহামুনি শুকদেৱে মুমুক্ষু ৰজা পৰীক্ষিতৰ আগত অতি মধুৰ ভাষাৰে সময় সাপেক্ষ ৰূপত বৰ্ণনা কৰিছে। এই চিত্ৰনৰ মাজত ত্ৰিলোক বিজয়ী, ন্যায়নিষ্ঠ ধৰ্ম পৰায়ণ, পাণ্ডৱ নাতি পৰীক্ষিতৰ জীৱন জিজ্ঞাসাৰ সম্পৰ্ক অতি নিবিড়ভাৱে সম্পৃক্ত হৈ আছে। মৃত্যু ভয় সকলো জীৱৰ বাবেই যন্ত্ৰণাকাতৰ। কোনো প্ৰাণীয়েই মৃত্যুক স্বাভাৱিকভাৱে গ্ৰহণ কৰিব নোৱাৰে। 'কদাপি নেদেখৈ নৰে আপোনাৰ নাশ।' মৃত্যু কিন্তু অৱশ্যম্ভাৱী তত্ৰাচ মানুহে মৃত্যুক নেদেখে। অন্যহাতেদি তেওঁলোকক লাগে, আৰু লাগেহে মাত্ৰ।

ধৰণীয়ে সেয়ে কৈছে যে-- অকণ্টকা বসুমতীৰ একছত্ৰী ৰজা হ'বৰ বাবে অহঙ্কাৰী ৰজাসকলৰ যি চেষ্টা, সেইয়া দৰাচলতে পশুশ্ৰমহে। তেওঁলোক দিনে-ৰাতিয়ে কেৱল মাত্ৰ পৃথিৱীক জিনিবৰ বাবে অহোপুৰুষাৰ্থ কৰে। কিন্তু জগতৰ সকলো বস্তুৱেই বিনাসী। ধন-জন, ঐশ্বৰ্য-বিভূতি সকলোবোৰ এই আছে এই নাই; অতি ক্ষণভঙ্গুৰ। বনৰ হৰিণে যেনেকৈ নাজানে যে, সিহঁতৰ মৃত্যুদূত ৰূপে বাঘে অহৰহ খেদি ফুৰিছে। পানীৰ বুদবুদ যেনেকৈ ক্ষণে ক্ষণে উঠে-নামে, ঠিক তেনেকৈ মতিভ্ৰষ্ট ৰাজ ৰাজেশ্বৰ সকলেও অনুভৱ কৰিব পৰা নাই, কেনেকৈ তেওঁলোকৰ আগে আগে মৃত্যুৱে গতি কৰিছে। বিনাশী জীৱনৰ ভোগ বাসনাৰ মদমত্ততাই এই ৰজাসকলক উন্মাদ কৰি ৰাখে। তেওঁলোকৰ বাবে পৰম সত্যই হ'ল জাগতিক ভোগ,

অনতিক্ৰম্য লৌকিক কামনা।

ক্ষণভঙ্গুৰ শৰীৰৰ ভোগ-সুখৰ পূৰণৰ বাবেই তেওঁলোকে হাবু-ডুবু খাই ফুৰিছে। পাৰ্থিৱ প্ৰাপ্তিৰ ধুমুহাই তেওঁলোকক কমোৱা তুলাৰ দৰে উৰুৱাই ফুৰিছে। নিজকে নাশনৰ বজ্ৰ হাতোৰাত সুমোৱাই সুন্দৰ মানৱী জীৱনৰ মূল্য হেৰুৱাই পেলায়। দিন নাই ৰাতি নাই তেওঁলোকৰ এটাই মাত্ৰ চিন্তা কেনেকৈ সমগ্ৰ পৃথিৱীখন নিজৰ অধীনত ৰখা যায়। এওঁলোকে নাজানে যে, বিষয় বিলাসী ৰজাসকলে ৰাজ্য জয় কোনোমতেই কৰিব নোৱাৰে। ৰজাৰ শত্ৰু ৰজাসকল নহয়, মানুহৰো শত্ৰু প্ৰকৃতাৰ্থত মানুহ নহয়! মানুহৰ প্ৰকৃত শত্ৰু শৰীৰৰ ইন্দ্ৰিয়সমূহহে! জগত জিনিবলৈ হ'লে শৰীৰৰ শত্ৰুসমূহক প্ৰথমতে জয় কৰি ল'ব লাগিব। এই কথাকে মহাভক্ত প্ৰহ্লাদে তেওঁৰ পিতৃ দৈত্যপতি হিৰণ্যকশিপুৰক কৈছিল--

'নিজিনি শৰীৰৰ শত্ৰুচয়।
জিনিলো দশোদিশ হেন কয়।।
জানিয়া পিতৃ এড়া অহঙ্কাৰ।
ভজিয়ো হৰিক কহিলো সাৰ।।৩৯৩

-- প্ৰহ্লাদ চৰিত্ৰ, কীৰ্ত্তন

কিন্তু বিষয় গৰ্বত মত্ত হৈ ৰজাসকলে ইন্দ্ৰিয়কো দমন কৰিছে, হৰিৰ ভজনা কৰিবৰ বাবে নহয়। তেওঁলোকৰ উদ্দেশ্য হ'ল--

'পাইবো পৃথিৱীক সৰে সাগৰ পৰ্য্যন্তে।'

এই ৰজাসকলে প্ৰথমতে শৰীৰৰ ইন্দ্ৰিয় জিনি ৰাজমন্ত্ৰীসকলক বশ্য কৰে। তাৰ পিছত তেওঁ অন্যান্য বিষয়া, ডা-ডাঙৰীয়া, মন্ত্ৰী-সদাগৰসকলক বশ্য কৰে। ইয়াৰ পিছত লক্ষ লক্ষ হাতী, ঘোঁৰা, মানুহ বশ্য কৰি বিপক্ষসকলক পৰাভূত কৰে। এনে ৰজাসকলৰ মনৰ নিভৃত কোণত ক্ৰিয়া কৰে এক অদ্ভুত বাসনাই। তেওঁলোকে ভাৱে যে, জগতত যিমানবোৰ ৰজা আছে সকলোৱে তেওঁৰ পদানত হৈ তেওঁকে পূজা অৰ্চনা কৰিব। সসাগৰা পৃথিৱীৰ তেওঁ অধিপতি হ'ব। এনে এক অপূৰণ বাঞ্ছাৰে তেওঁৰ হৃদয়গ্ৰন্থি বন্দী হৈ ৰয়। পোৱাৰ আনন্দত তেওঁ মতলীয়া, কিন্তু হেৰুৱাৰ বেদনাৰ কথা এবাৰো তেওঁলোকৰ মানস পটত জিলিকি নুঠে। এনে ৰজাসকলে এক ক্ষণিকৰ বাবেও ভাবি চোৱা নাই-- 'অন্তকে কেশত আছে ধৰি।' বোলা এই বাক্য শাৰীৰ সাৰমৰ্ম। তেওঁলোকে এই কথাও অনুধাৱন কৰা নাই--

'হেন আশা পাশে বন্দী কৰিলে হৃদয়।
কাছত নেদেখৈ অন্ত কৰো ৰজাচয়।।'

আটাইতকৈ ডাঙৰ কথা হ'ল, ৰজাসকলৰ এই অন্তহীন চিন্তা, সীমাহীন কামনা-বাসনাৰ সাগৰৰ দুকুল ডকা ঢৌত তেওঁলোক উটে বুৰে হয়-- কিন্তু মনোৰথ হ'লে কাহানিও সিদ্ধি নহয়। কোনোজনে হয়তো সপ্তদীপা পৃথিৱীৰ অধিকাৰ সাব্যস্ত কৰিছে-- কিন্তু এবাৰলৈও তেওঁ তৃষ্ণা সাগৰৰ পাৰ পোৱা নাই। পৃথিৱী জয় কৰিবৰ বাবে বহু ৰজাই ইন্দ্ৰিয় দমন কৰিছে, তেওঁলোকে অপাৰ আনন্দ সুখৰ সাগৰ মহামোক্ষ ফল লাভ কৰিবলৈ সমৰ্থ হয়।

এইক্ষেত্ৰত ধৰণীয়ে কিছু প্ৰণিধানযোগ্য যুক্তি আগবঢ়াইছে। এই পৃথিৱীত কিমানজন যে, মনুৰ জন্ম হৈছে-- কিমানবোৰ যে, মনুৰ পুত্ৰৰ আৱিৰ্ভাৱ হৈছে তাৰ সীমা সংখ্যা নাই। হাজাৰ হাজাৰ মনু আৰু মনু পুত্ৰই এই পৃথিৱী এৰি য'ৰ পৰা আহিছে তলৈ পুনৰ গুচি গৈছে। এইখন পৃথিৱীৰে বহুজন ৰজাই ইজনে-সিজনৰ লগত যুদ্ধ বিগ্ৰহ কৰি প্ৰজাৰ ক্ষয়ংকাৰ কৰাৰ লগতে নিজ মহামাৰো চিন্তা কৰিলে। পৃথিৱীৰ বাবেই ভাই ভাইৰ মাজত কটাকটি, পিতা-পুত্ৰৰ মাজত মৰামৰি সোদৰ সুহৃদৰ মাজত যুদ্ধ বিগ্ৰহ। কিমানজনে যে প্ৰাণ দিছে। কোনোবা হাৰিছে, কোনোবা জিকিছে। কিন্তু মানুহ মৰিছে হাজাৰে হাজাৰে, সম্পত্তিৰ বিনাশ ঘটিছে অপৰ্য্যাপ্ত পৰিমাণে। পৰাজিতসকলৰ কথা নক'লোৱেই বা বাহু বলেৰে সপ্তদীপা পৃথিৱী জয় কৰা মহাবলৱন্ত মহাৰাজ সকলৰো চিন মোকাম নাই। জয় কৰা পৃথিৱীখন একেদৰেই আছে-- কিন্তু পৃথিৱীজয় কৰা যুদ্ধজিত সকলচোন নাই। ক'লৈ গ'ল সেইসকল? এইখন পৃথিৱীতে তেওঁলোক ছাঁই হৈ গ'ল। কালৰ কুটিল প্ৰবাহে তেওঁলোকক তেওঁলোকৰ সতি-সন্ততিসকলক উৰুৱাই লৈ গ'ল।

এইখন পৃথিৱীৰ শাসনকৰ্তা ৰূপে খ্যাত প্ৰথমজন খ্যাতিমন্ত ৰজা পৃথু অনুক্ৰমে-- পুৰুৰৱা, গাধি, মান্ধাতা, শয্যাতি, যথাতি, তৃণবৃন্দু, দিলীপ, বুন্ধহা, মহাৰথ, শান্তনু,

নৈষৎ, নৃগ, নহুষ, কাকুথ, শত্ৰুজিত, যৱনাশ্ব, অজ, দশৰথ, অম্বৰীশ ভৰত, নাভাগ, ভগীৰথ, মুচুকুন্দ, যদু, ৰঘু আৰু দশৰথী ৰাম, প্ৰমুখ্যে কীৰ্ত্তিমন্ত ৰজাসকলে পৃথিৱী শাসন কৰিলে। পৃথিৱী যেনে আছিল তেনেই আছে, কিন্তু সেই সেই ৰজাসকল হ'লে গুচি গ'ল। তেওঁলোকৰ কামনা পূৰণ নহ'ল। ইয়াৰ উপৰি হিৰণ্যকশিপুৰ, বৃত্ৰ, শম্বৰ, নৰক, ৰাৱণ, নযুচি, শুম্ভ, নিওম্ভ, তাড়ক আদি দৈত্য ৰাক্ষস আৰু অসুৰ ৰজাসকল যাৰ প্ৰচণ্ড প্ৰতাপত দেৱৰাজ ইন্দ্ৰও ভয়ত ত্ৰস্তমান হৈ আছিল-- সেইসকল মহাবলী মহাসুৰ, বুদ্ধিমন্ত ৰজাও কালৰ হাতত পৰি শেষ হৈ গ'ল। কেৱল মাত্ৰ থাকি গ'ল কথা।

মহা মহা ৰজাসকলে পৃথিৱীৰ অধীশ্বৰ হ'বৰ বাবে কিমান যে যত্ন কৰিলে কিমান যে প্ৰচেষ্টা নকৰিলে! লক্ষ লক্ষ জীৱনৰ বিনিময়ত তেওঁলোকে স্থাপন কৰিলে বিশাল ৰাজ্য। সমগ্ৰ মেদিনী তেওঁলোকে পদানত কৰিলে হয়, কিন্তু তেওঁলোকৰ স্থায়িত্বই নোহোৱা হ'ল। পৃথিৱী কিন্তু তেতিয়াৰ দৰে এতিয়াও আছে। সকলোৰে সঙ্গত হেৰাই গ'ল, সকলোৰে অন্ত পৰিল।

অত্যন্ত মমত মোত আছিল সবাৰ।
জনেকো নপাইলা তৃষ্ণা সাগৰৰ পাৰ।।
অন্তকালে সবাৰো মিলিল বিসঙ্গতি।
কৈক গলা এৰি মোক সিসৰ নৃপতি।।
মোতে উপজিয়া সৱে মোতে ভৈলা ছাই।
যেন জল বুদবুদ জলে লীন যায়।।৪৪

-- ভাগৱত, দ্বাদশ স্কন্ধ

এয়া ধৰণীৰ ভাষ্য। প্ৰচণ্ড প্ৰতাপী পৃথিৱীৰ শাসন কৰ্তা সেই ৰাজেশ্বৰসকলৰ বিষয়ে এইদৰে পৃথিৱীয়ে নিজেই কটোক্তি কৰিছে।

এইয়া 'ধৰণী গীতা'-- পৃথিৱীয়ে নিজ মুখে কোৱা কথা। তাকেই জানিবা মহামুনি শুকদেৱে পৰম বৈষ্ণৱ পৰীক্ষিতৰ আগত ধুনীয়াকৈ জাগতিক বিষয়ৰ জ্বলাই জ্বলা-কলা কৰি ৰাখে। কি ৰজা, কি প্ৰজা, বিষয় সকলোৰে বাবে একেই। মাত্ৰ সামথ্যৰহে তাৰতম্য। বিষয়ৰ পৰা উদ্ধাৰ পাবৰ একমাত্ৰ ঔষধ হ'ল বৈৰাগ্য। বিষয়ে কেৱল ৰজা মহাৰজাসকলকে নহয়, সকলোকে তৃষ্ণা সাগৰত হাবু-ডুবু খুৱাই। শ্ৰীশ্ৰীমাধৱদেৱ মহাপুৰুষে তাকেই কৈছে--

বৈৰাগ্যত পৰে ভাগ্য নাহি প্ৰবোধত পৰে
সুখ আৰ নাহি পুৰুষৰ।
হৰি বিনে পৰিত্ৰাণ কৰ্ত্তা আৰ নাহি জানা
ৰিপু নাহি সংসাৰত পৰ।।৩৫

জীৱনত প্ৰকৃত সুখ উপলব্ধি কৰিব লাগিলে আমি বিষয় বৈৰাগ্য হ'বই লাগিব। তাৰ বাবে পৰিত্ৰাণ কৰ্তা হৰিৰ চৰণত শৰণ গ্ৰহণ কৰিবই লাগিব।

এয়া হ'ল ধৰণী গীতাৰ তাৎপৰ্য।■■

তস্মাৎ ত্বমুদ্ধ বোৎসৃজ্য চোদনাং প্ৰতি চোদনাম্।
প্ৰহবৃত্তিঞ্চ নিবৃত্তিঞ্চ স্ৰোতব্যং শ্ৰুতমেব চ।।
মামেকমেব শৰণমাত্মানং সৰ্বদেহিনাম্।
যাহিসৰ্বাত্মভাবেন ময়া স্যা হ্যকুতোভয়ঃ।।
-- ভাগৱত

# শ্ৰীমদ্ভাগৱত পুৰাণৰ সপ্তম স্কন্ধ আৰু অসমীয়া শ্ৰীমদ্ভাগৱতৰ মৌলিক অনুবাদ ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

ড° ইন্দিৰা শইকীয়া বৰা

**আৰম্ভণি ঃ** পুৰাণ সূৰ্য শ্ৰীমদ্ভাগৱত পুৰাণ উত্তম ভক্তি শাস্ত্ৰৰূপে ভাৰতবৰ্ষত সৰ্বজন প্ৰিয়। ইয়াৰ বাৰটা স্কন্ধত মুঠ ওঠৰ হাজাৰ (১৮,০০০) শ্লোক সঙ্কলিত হৈছে। ১ম স্কন্ধত ভগৱদ্ ভক্তিৰ মাহাত্ম্য আৰু পৰীক্ষিতৰ বৰ্ণনা পোৱা যায়। ২য় স্কন্ধত ভগৱানৰ বিৰাটৰূপ দৰ্শন বৰ্ণনা পুৰাণ লক্ষণ, ৩য় স্কন্ধত বিবিধ আখ্যানোপাখ্যান (ব্ৰহ্মোৎপত্তি, সৃষ্টি, ৰুদ্ৰ, মৰীচি, পৃথিৱী, সৰস্বতী, স্বায়ম্ভুৱ আদিৰ উৎপত্তি, কৰ্দম দেৱহুতিৰ আখ্যান, ৪ৰ্থ স্কন্ধত মনুবংশ কথা, ৫ম স্কন্ধত প্ৰিয়ব্ৰত, আগ্নীধ্ৰ, নাভি, ঋষভবেদ, জড়ভৰত আদিৰ উপাখ্যান, ৬ষ্ঠ স্কন্ধত অজামিল বিপৰ, বিশ্বৰূপ, বৃত্ৰবধাখ্যান, ৭ম স্কন্ধত প্ৰহ্লাদ চৰিত, আশ্ৰমব্যৱস্থা, মোক্ষধৰ্মলক্ষণ, ৮ম স্কন্ধত মন্বান্তৰ কথা, সমুদ্ৰ মন্থন, ৱামনাৱতাৰ, বলিচলন, মৎস্যাৱতাৰ কথিত হৈছে। ৯ম স্কন্ধত সোম আৰু সূৰ্যৰ বংশ চৰিত, ১০ম স্কন্ধত কৃষ্ণলীলা, ১১শ স্কন্ধত যদুবংশ নাশ, অৱধূত চৰিত, ভক্তি, সৎসঙ্গতি, বৃদ্ধোপদেশ, অষ্টাদশ সিদ্ধি, ১২শ স্কন্ধত ৰাজবংশৰ বৰ্ণনা, কলিদোষ, পৰীক্ষিত মোক্ষ, সৰ্পযজ্ঞ, বেদবিভাগ, মহাপুৰুষ লক্ষণ আদি প্ৰকীৰ্ণ বিষয়সমূহ চৰ্চিত হৈছে।

আমাৰ প্ৰবন্ধত মূল সংস্কৃত ভাগৱতৰ এটি চমু পৰ্যালোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে। মূল সংস্কৃত ভাগৱতত ব্যাসদেৱে পোন্ধৰটা অধ্যায় সঙ্কলিত কৰিছে। অধ্যায়সমূহ এনে ধৰণে ভাগ কৰা হৈছে-- ১ম নাৰদ-যুধিষ্ঠিৰ সংবাদ আৰম্ভ,২য় আৰু ৩য়ত হিৰণ্যকশিপুৰ কথা, ৪ৰ্থত প্ৰহ্লাদৰ জন্ম, গুণ কথন, ৫মত হিৰণ্যকশিপু প্ৰহ্লাদ সংবাদ, ৬ষ্ঠ দৈত্যবালকৰ প্ৰতি প্ৰহ্লাদৰ উপদেশ, ৭-৮ম প্ৰহ্লাদ কথা, নৃসিংহাৱতাৰ, হিৰণ্যকশিপু বধ, ভগৱদ্ স্তুতি, ৯মত প্ৰহ্লাদৰ ভগৱদ্ ভক্তি, ১০ম প্ৰহ্লাদ-নৃসিংহ সংবাদ, ৰাজ্যভিষেক, ত্ৰিপুৰ দহন আখ্যান। ১১শ-১৫ম অধ্যায়লৈকে সনাতন ধৰ্ম, বৰ্ণ ধৰ্ম, স্ত্ৰীধৰ্ম, ব্ৰহ্মচৰ্য, গাৰ্হস্থ্য, মোক্ষ ধৰ্ম কথন।

শ্ৰীমদ্ভাগৱতৰ এই সপ্তম স্কন্ধটিৰ পদভাঙনি কৰিছে কেশৱচৰণ কায়স্থই। এওঁক কেশৱদাস কায়স্থ বুলিও জনা যায়। কেশৱচৰণে নিজকে শঙ্কৰদেৱৰ ভাতৃৰ অৰ্থাৎ হলধৰ ওৰফে বনগঞাগিৰীৰ নাতি বুলি পৰিচয় দিছে। এওঁ শঙ্কৰদেৱৰ শিষ্য বা প্ৰশিষ্য। খ্ৰীষ্টীয় ৭ম শতিকাৰ মাজভাগত কেশৱদাসে পুথিপাঁজি ৰচনা কৰিছিল। কেশৱদাসে গুৰু-শিক্ষা অনুসৰি ভাগৱতৰ পুৰাণৰ ৭ম, ৮ম আৰু ৯ম স্কন্ধৰ পদ ভাঙনি কৰে। এই কথা নৱম স্কন্ধৰ পদ ভাঙনিত প্ৰকাশ কৰা আত্মপৰিচয়মূলক কথাৰ প্ৰাৰম্ভতে উল্লেখ কৰিছে--

'শ্ৰীমন্ত শঙ্কৰ যিটো নামত কায়স্থা সিটো
পৰম পণ্ডিত গুণশীল।
নানা যত্নে দীৰ্ঘ ছন্দে ভাগৱত পদ বন্ধে
মহাযত্নে ৰচনা কৰিল।।

-- প্ৰাচীনসকলৰ দৃষ্টিত শ্ৰীমন্ত শঙ্কৰদেৱ, পৃ.৪৬

সংস্কৃত ভাগৱতৰ সপ্তম স্কন্ধৰ ১৫টা অধ্যায়ত থকা ৭৫০টা শ্লোকক দুলড়ীৰে সৈতে মুঠ ১০৮৫ পদলৈ মৌলিক অনুবাদ কৰিছে। কিন্তু একাদশ অধ্যায়ৰ পৰা পঞ্চদশ অধ্যায়লৈকে থকা বিস্তৃত অংশত থকা দৰ্শনৰ তত্ত্ব কথাসমূহ পৰা আঁতৰি চমুকৈ আশ্ৰম বৰ্ণনা আৰু

মোক্ষ ধৰ্ম লক্ষণ সংক্ষেপে বৰ্ণনা কৰিছে। য'ত প্ৰহ্লাদৰ কথা বৰ্ণনা কৰা হৈছে (১-১০ম অধ্যায়), ভগৱান কৃষ্ণৰ মহিমা প্ৰকাশ হৈছে সেই শ্লোকসমূহহে স্বকীয় সৃষ্টিৰে পদলৈ ৰূপান্তৰিত কৰিছে।

**মূল সংস্কৃত ভাগৱতৰ অধ্যায়সমূহৰ চমু বিৰৰণ ঃ**

প্ৰথম অধ্যায়ত পোৱা যায় যে ইন্দ্ৰৰ পক্ষপাতী হৈ ভগৱান বিষ্ণুৱে কাশ্যপ অদিতিৰ হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপু নামে দুই অসুৰ পুত্ৰক বধ কৰিছিল। সেই পক্ষপাতমূলক বৃতান্ত শুনি পৰমানন্দস্বৰূপ তথা নিৰ্গুণ ভগৱানৰ অনুগ্ৰহৰ বাবে সন্দেহ ওপজাত ৰজা পৰীক্ষিতে শুকমুনিৰ ওচৰত সমাধান বিচাৰিলে। তেতিয়া শুকমুনিয়ে সত্ত্ব, ৰজ আৰু তমো গুণক একত্ৰে ধাৰণ কৰা ভগৱানক বিচৰাত যে বৈষম্য নঘটে তাৰ স্বৰূপাদি বুজায় সেই সন্দৰ্ভত এটি বৃত্তান্ত কয়। বৃত্তান্তটি হৈছে--

মহাৰাজ যুধিষ্ঠিৰে তেওঁৰ ৰাজসূয় যজ্ঞস্থলীত ভগৱদ্ বিদ্বেষী চেদিৰাজ শিশুপালৰ সাযুজ্য মুক্তি লাভ দেখি আচৰিত হৈছিল আৰু শিশুপাল, দন্তবক্ৰ আদিৰ দৰে ভগৱদ্ নিন্দুকৰ মুক্তি লাভ কিদৰে সম্ভৱ হ'ল সেয়া জানিবলৈ ইচ্ছা কৰিছিল। সভাস্থলীত উপস্থিত থকা দেৱৰ্ষি নাৰদে সেই বিষয়ে উত্তৰ দি কৈছিল যে-- নিন্দা, স্তুতি, সৎকাৰ, তিৰস্কাৰ আদিয়ে প্ৰকৃতি আৰু পুৰুষৰ দ্বাৰা সৃষ্ট অবিবেক দেহক আশ্ৰয় কৰি প্ৰকাশ লাভ কৰে। আত্মগৰিমা আৰু আত্মলঘিমাই হৈছে মান-অভিমান, ঈৰ্ষা-অসূয়া আদিৰ জনক। ইয়াৰ যিকোনো এটা ভাৱৰ বশৱৰ্তী হৈ মানুহে ভগৱানৰ লগত সম্বন্ধ গঢ়ি তোলে। মৰ্তবাসী জীৱই শত্ৰুতা কৰিও ভগৱানৰ প্ৰতি যিমান তন্ময়তা লাভ কৰে, ভক্তিযোগতো সিমান তন্ময়তা লাভ নহ'ব পাৰে। সেয়ে কেতিয়াবা ভক্তি ভাৱতকৈ বৈৰভাৱেই শ্ৰেয় হ'ব পাৰে। তেনে অৱস্থাত কোনো লোকে শত্ৰু বুলি ভবা ভগৱানৰ নাম চিন্তাতে অধিক সময় ব্যস্ত থাকে। শত্ৰুৰূপ ভগৱানৰ চিন্তাত ৰাতিও টোপনি নাহে। সেয়ে বৈৰভাৱত হোৱা তন্ময়তাই হৈছে ঈশ্বৰৰ সাযুজ্য লাভৰ বাবে উত্তম উপায়। তদুপৰি বিষ্ণুৰ পাৰিষদৰূপে থকা জয় আৰু বিজয়ে যি কাৰণত শাপভ্ৰষ্ট হৈ অসুৰ জন্ম লাভ কৰিলে, সেইকথা যুধিষ্ঠিৰে জানিব খোজাত নাৰদে সেই বিষয়ে ক'লে যে, স্বেচ্ছায়ে ত্ৰিভুবন ভ্ৰমি সনন্দন আদি মহৰ্ষিসকল বিষ্ণুলোক বৈকুণ্ঠপুৰীত উপস্থিত হ'লগৈ। কিন্তু তেওঁলোকক দিগম্বৰ বালক দেখি দ্বাৰৰক্ষী জয় আৰুবিজয়ে প্ৰৱেশ কৰিবলৈ বাধা দিলে। তাতে ক্ষুব্ধ হৈ ঋষিগণে অভিশাপ দিয়াত দুয়ো দ্বাৰপাল হিৰণ্যকশিপুৰ আৰু হিৰণ্যাক্ষ হৈ জন্ম ল'লে। বিষ্ণুৱে নৰসিংহৰূপে হিৰণ্যকশিপুৰক আৰু বৰাহৰূপে হিৰণ্যাক্ষক বধ কৰিলে। পুনৰ দুয়ো ৰাৱণ আৰু কুম্ভকৰ্ণৰূপে জন্ম লোৱাত বিষ্ণুৱে শ্ৰীৰামচন্দ্ৰ ৰূপে দুয়োকে বধ কৰে যদিও অহংকাৰ বশতঃ তেওঁলোকৰ মুক্তিলাভ সম্ভৱ নহ'ল। পিছত আকৌ শিশুপাল আৰু দন্তবক্ৰৰূপে জন্মি তেওঁলোকে কৃষ্ণৰ প্ৰতি শত্ৰুতা আচৰণ কৰিলে। কিন্তু শত্ৰুভাৱে হ'লেও নিৰন্তৰ কৃষ্ণৰ চিন্তাত নিমৰ্জ্জিত থকাৰ বাবে তেওঁলোকৰ কৃষ্ণতে বিলুপ্তি ঘটিল। এনেদৰে নিৰ্গুণ ভগৱানৰ প্ৰতি বিদ্বেষভাৱ কৰিও ভগৱদ্‌গতি লাভ কৰিব পাৰি। যুধিষ্ঠিৰে এই কথা বুজিব পাৰিলে কিন্তু প্ৰহ্লাদৰ দৰে এজন স্নেহাস্পন্দ পুত্ৰ লাভ কৰিও হিৰণ্যকশিপুৰে কিয়নো বিদ্বেষভাৱ কৰিছিল সেই কথা জানিবলৈ ইচ্ছা কৰিলে।

দ্বিতীয় অধ্যায়ত পোৱা যায় যে-- নৰনাৰায়ণে বৰাহ মূৰ্তি ধৰি দেৱতাসকলৰ পক্ষপাত হৈ হিৰণ্যাক্ষক বধ কৰাত হিৰণ্যকশিপু ক্ৰোধ আৰু শোকত ম্ৰিয়মান হৈ দেৱতাসকলক উৎখাত কৰিবলৈ আৰু যজ্ঞপুৰুষ নাৰায়ণৰ মূল উচ্ছেদ কৰিবলৈ দানৱগণক আদেশ দিলে। ফলত নাৰায়ণৰ আৰাধনাত নিৰত ঋষি-মুনি, বিপ্ৰ বিদ্বানসকলৰ ওপৰত মহা উপদ্ৰৱ চলিল। তৰ্পনাদি প্ৰেতকৰ্ম সমাপ্ত কৰি হিৰণ্যকশিপুৱে শোকত অস্থিৰ হোৱা মাতৃক আত্মাৰ অমৰত্ব, জীৱনৰ অনিত্যতা ইত্যাদি বিষয়ৰ কথাৰে সান্তনা দিলে। এই সন্দৰ্ভত হিৰণ্যকশিপুৱে এটি আখ্যান ক'লে-- উশীনৰ দেশৰ সুযজ্ঞ নামৰ এজন ৰজা যুদ্ধত নিহত হ'ল। তেওঁৰ মৃতদেহৰ চাৰিওফালে বহি তেওঁৰ পত্নীসকলে ৰজাৰ নানা গুণ বৰ্ণাই বিলাপ কৰিবলৈ ধৰিলে। ৰাতিলৈকে কোনোমতে মৃতদেহ সংস্কাৰৰ বাবে নিব নোৱাৰা দেখি যমৰজাই এক বালক বেশেৰে আহি মৃত্যু, দেহ আৰু আত্মাৰ সম্বন্ধ নিত্য আৰু অনিত্য বস্তুৰ পাৰ্থক্য আদি বিভিন্ন তাত্বিক বিষয়ৰ শিক্ষা দিলে আৰু সেই প্ৰসঙ্গত বালকবেশী যমৰাজে এটি কাহিনী আৰম্ভ কৰিলে-- এটা চিকাৰীয়ে বনৰ মাজত জালপাতি, তাত টোপ দি চৰাই

ধৰি ফুৰে। এদিন এহাল কুলিঙ্গ পক্ষীৰ মাইকী চৰাইজনী জালত পৰি চটফটাবলৈ ধৰা দেখি মতা চৰাইটোৱে পোৱালি কেইটাৰ কথা ভাবি দূৰৰ পৰাই চাই বহু বিলাপ কৰিবলৈ ধৰিলে। সুবিধা পাই চিকাৰীয়ে মতা চৰাইটোকো শৰেৰে বিন্ধি মাৰিলে। বালকৰূপী যমৰ কথা শুনি জগতৰ অনিত্যতা সম্পৰ্কে জ্ঞান লাভ কৰি সুযজ্ঞৰ জ্ঞাতিসকল শান্ত হ'ল আৰু নিজৰ পৰৰ আদি ভাৱ নকৰি দেহ আৰু আত্মাৰ ভিন্নতা বুজি নিজে শান্তনা ল'লে। হিৰণ্যকশিপুৰৰ এনে উপদেশ শুনি সকলোৱে শোক ত্যাগ কৰি পুত্ৰ-পতি আদি বিষয় আসক্তিৰ অনিত্যতা বুজি পৰমাত্মাতত্ত্বত চিত্ত নিবিষ্ট কৰিলে। ইয়াতে দিতিশোকাপনোদন নামৰ দ্বিতীয় অধ্যায় সামৰণি।

দৈত্যৰাজ্য হিৰণাকশিপুৰে নিজকে অপ্ৰতিদ্বন্দ্বী আৰু অজেয় কৰি তুলিবৰ বাবে ঘোৰ তপস্যাত বহিল। সন্ত্ৰস্ত দেৱগণৰ অনুৰোধত ব্ৰহ্মা গৈ সেই স্থানত উপস্থিত হ'লগৈ আৰু সিদ্ধ কমণ্ডলুৰ জলেৰে দৈত্যৰাজৰ হৃত স্বাস্থ্য ঘূৰাই আনিলে। তেওঁ সন্মুখত ব্ৰহ্মাক দেখি বিভিন্ন উপাধিৰে ব্ৰহ্মাৰ স্তুতি কৰিলে আৰু তপস্যাৰ সিদ্ধিৰূপে এনে বৰ প্ৰাৰ্থনা কৰিলে যেন কোনো দেৱতা, অসুৰ, পক্ষী, সৰীসৃপ আদিয়ে পৃথিৱী, আকাশ আদি ঠাইত কোনো অস্ত্ৰেৰে তেওঁক বধ কৰিব নোৱাৰে। ব্ৰহ্মাৰ সৃষ্টিৰ কোনো প্ৰাণীৰ হাতত যেন তেওঁৰ মৃত্যু নহয় আৰু সকলো ভূতবৰ্গৰ ওপৰত তেওঁৰ আধিপত্য যেন অক্ষুণ্ণ থাকে এনে বৰ হিৰণ্যকশিপুৰে প্ৰাৰ্থনা কৰিলে। এনেদৰে যুধিষ্ঠিৰ সংবাদ নামৰ তৃতীয় অধ্যায়ৰ সংক্ষিপ্ত বৰ্ণনা কৰা হ'ল।

হিৰণ্যকশিপুৰৰ কঠোৰ তপস্যাৰ ফলৰূপে ব্ৰহ্মাই সেই বৰ প্ৰদান কৰিবলৈ বাধ্য হ'ল। অব্যৰ্থ প্ৰসাদ ব্ৰহ্মাৰ বৰত হিৰণ্যকশিপু প্ৰৱল পৰাক্ৰমী হৈ ইন্দ্ৰৰ ৰাজ্য অধিকাৰ কৰিলে। দেৱতা, ঋষি সকলোৱে তেওঁৰ সেৱাত নিৰত হৈ দুঃখিত হ'ল আৰু দুখ মোচনৰ উপায় বিচাৰি বিষ্ণুৰ ওচৰলৈ গ'ল। বিষ্ণুৱে ক'লে যে দেৱতা, বেদ, সাধুপুৰুষ আদিত বিদ্বেষ পোষণ কৰাজন সততে ধ্বংসপ্ৰাপ্ত হয়। হিৰণ্যকশিপুৰৰ চাৰি পুত্ৰৰ ভিতৰত প্ৰহ্লাদ চৰিত্ৰসম্পন্ন সত্য প্ৰতিজ্ঞ, জিতেন্দ্ৰিয়, নিৰুদ্বেগ আদি গুণেৰে বিভূষিত আছিল। সকলো সৎগুণৰ বাবে দেৱ মনুষ্য দানৱ সকলোবোৰ তেওঁৰ গুণমুগ্ধ হৈছিল আৰু বাসুদেৱৰ তেওঁৰ প্ৰতি স্বাভাৱিক প্ৰীতি উপজিছিল। প্ৰহ্লাদো ধীৰে ধীৰে ভগৱান বিষ্ণুৰ প্ৰতি আকৃষ্ট হৈ বিষ্ণু ভক্তিত নিমৰ্জিত হ'ল। তাকে দেখি দৈত্যৰাজৰ প্ৰহ্লাদৰ প্ৰতি বিৰূপ মনোভাৱ জাগিল আৰু পুত্ৰ হ'লেও শত্ৰু বিষ্ণুৰ অনুগত বুলি ভাবি পুত্ৰ প্ৰহ্লাদৰ প্ৰতি বিদ্বেষ ভাৱ পোষণ কৰিলে। (যুধিষ্ঠিৰ-নাৰদ সংবাদ, ৭/৮)

অসুৰগণৰ আচাৰ্য শুক্ৰাচাৰ্যৰ দুই পুত্ৰ ষণ্ড আৰু অমৰ্কই দানৱ বালকসকলক শিক্ষাদানৰ দায়িত্ব পাইছিল আৰু যথা নিয়মে ছাত্ৰসকলক সাম-দান-দণ্ড-ভেদ নীতিৰ শিক্ষা দিছিল। প্ৰহ্লাদ গুৰু গৃহৰ পৰা আহি পোৱাৰ পিছত পিতৃয়ে স্নেহ ভাৱেৰে তেওঁৰ শিক্ষাৰ অগ্ৰগতিৰ বিষয়ে জানিবলৈ বিচাৰিলে। প্ৰহ্লাদে গুৰুগৃহত লাভ কৰা বিভেদকামী আৰু আত্মাভিমান পৰক শিক্ষাতকৈ হৰিচৰণ সেৱাকে শ্ৰেয় বুলি কোৱাত পিতাক অত্যন্ত ক্ৰোধিত হৈ অনুচৰ বৰ্গেৰে সৈতে প্ৰহ্লাদক পুনৰ গুৰুগৃহলৈ পঠিয়ালে আৰু দানৱৰ উপযোগী শিক্ষা প্ৰদানৰ বাবে আদেশ দিলে। এইবাৰ প্ৰহ্লাদক ত্ৰিবৰ্গফলসাধন শাস্ত্ৰ আৰু নয়নীতিশাস্ত্ৰ পঢ়োৱা হ'ল। শিক্ষা সাং কৰি আহিলত পুনৰ পিতৃৰ প্ৰশ্নৰ উত্তৰৰূপে প্ৰহ্লাদে ক'লে-- বিষ্ণুৰ নাম-ৰূপ-গুণ মাহাত্ম্য আদিৰ শ্ৰৱণ-কীৰ্তন, স্মৰণ, পাদসেৱা, অৰ্চন বন্দন আৰু দাস্যভাৱেৰে কৰ্মসমৰ্পণ, সম্যভাৱে বিশ্বাসস্থাপন আৰু সৰ্বশেষত আত্মনিবেদন এই নপ্ৰকাৰৰ লক্ষণযুক্ত ভক্তিৰে বিষ্ণুত মন অৰ্পণ কৰিবলৈ শিকোৱা বিদ্যাহে উত্তম বিদ্যা বুলি অধ্যয়ন কৰিবলৈ ইচ্ছা কৰোঁ। তাৰোপৰি প্ৰহ্লাদে কয় যে-- এজন অন্ধ ব্যক্তিয়ে আন এজন অন্ধ ব্যক্তিক বাট দেখুৱালে দুয়োজন গাতত পৰাৰ সম্ভাৱনা থাকে। তেনেদৰে অন্ধ গুৰুৰ দ্বাৰা পৰিচালিত হৈ অন্ধ দানৱগণে মোক্ষমাৰ্গ পৰিহাৰ কৰি গাতত সোমাই আছে। গতিকে নিজৰ চেষ্টাত একমাত্ৰ পৰমাৰ্থ গতি বিষ্ণুত চিত্ত সম্পৰ্ণকে ধৰি প্ৰহ্লাদে উত্তম পথ বাচি লৈছে। প্ৰহ্লাদৰ কথা শুনি খঙত অধীৰ হৈ পিতৃয়ে পুত্ৰক অনুচৰবৰ্গৰ হতুৱাই হস্তীদলন, সৰ্পদংশন, পৰ্বত শৃঙ্গৰ পৰা অধঃপতন, অগ্নি আৰু জলত নিক্ষেপ আদি বিভিন্ন শাস্তি দিলে আৰু শিকলিৰে বান্ধি ৰাগ-দ্বেষাদি যুক্ত ত্ৰিবৰ্গ সাধনৰ শিক্ষা দিবলৈ ব্যৱস্থা কৰিলে। (প্ৰহ্লাদানুচৰিত, ৭/৫)

তেনে অৱস্থাতে সমনীয়া বন্ধুবৰ্গই খেলিবলৈ মাতিলে প্ৰহ্লাদে বুজনি দিয়ে যে-- কৌমাৰ এৱ আচৰেৎ' দুৰ্লভ মানৱ জনমত শৈশৱৰে পৰা ভগৱৎ চিন্তাত আত্মনিয়োগ কৰিব লাগে। সংসাৰৰ মোহ ত্যাগ, বৈৰাগ্য গ্ৰহণ, বিদ্বেষ বুদ্ধি পৰিত্যাগ, মৈত্ৰী আৰু দয়াৰ অনুশীলন কৰিলে বিষ্ণুৰ প্ৰিয়পাত্ৰ হ'ব পাৰি। ধৰ্ম-অৰ্থ-কাম-- এই ত্ৰিবৰ্গসাধনৰ বাবে আত্মবিদ্যা, কৰ্মবিদ্যা তৰ্ক আদি বেদ প্ৰতিপাদিত বিষয়সমূহ জানিলেহে পৰমপুৰুষ পৰমাত্মা বিষ্ণুৰস্বৰূপ জানিব পাৰি। তাৰ বাবে নাৰদৰ দৰে গুৰুৰ সান্নিধ্যৰ প্ৰয়োজন। সমনীয়া অসুৰ বালকসকলে প্ৰহ্লাদেনো কেনেকৈ নাৰদৰ সান্নিধ্য পালে সেয়া জানিবলৈ বিচাৰিলে। (প্ৰহ্লাদানুচৰিত-৭/৬)

প্ৰহ্লাদে বন্ধুবৰ্গক নাৰদৰ সান্নিধ্য লাভ কিদৰে হ'ল, সেই কথা ক'লে-- দেৱগণৰ দ্বাৰা আক্ৰান্ত হৈ দানৱগণে সৰ্বস্ব উপেক্ষা কৰি প্ৰাণ মাত্ৰ ৰক্ষাৰ বাবে পলাবলৈ ধৰিলে। ইন্দ্ৰই হিৰণ্যকশিপুৰৰ নগৰ অৱৰোধ কৰি ৰাজমহিষী অৰ্থাৎ প্ৰহ্লাদৰ মাতৃক বন্দী কৰি লৈ গ'ল। গৰ্ভৱতী মাতৃক নাৰদৰ উপদেশ মতে ইন্দ্ৰই বধ নকৰি এৰি দিলে আৰু নাৰদৰ আশ্ৰমত আশ্ৰয় দিলে। প্ৰহ্লাদৰ মাতৃয়ো দেৱৰ্ষিৰ পৰিচৰ্যাত নিৰত হ'ল আৰু নাৰদে প্ৰতিদিনে বহু সাৰগৰ্ভ তাত্ত্বিক জ্ঞান তেওঁক দিবলৈ ধৰিলে, যেনে-- আত্মা নিত্য, অবিনাশী, অপক্ষয়শূন্য, প্ৰাকৃত, ৰাগাদিৰহিত, অদ্বিতীয় বিকাৰবৰ্জিত, অসঙ্গ আৰু অনাবৃত্ত। আত্মাৰ দ্বাদশ লক্ষণ পৰিজ্ঞাত হ'লে জীৱৰ মিথ্যাবুদ্ধি লুপ্ত হয়। কপিল আদি সাংখ্য আচাৰ্যসকলে মূল প্ৰকৃতি, মহত্তত্ব, অহংকাৰ, পঞ্চতন্মাত্ৰ, অষ্টপ্ৰকৃতি, ত্ৰিবৰ্গ, পঞ্চকৰ্মেন্দ্ৰিয় আৰু পঞ্চ মহাভূত স্বৰূপ এক আদিত অৱস্থিতি প্ৰতিপন্ন কৰিছে। জাগৰণ, স্বপ্ন আৰু সুষুপ্তি বুদ্ধি এই তিনিটা অৱস্থাতে যি অনুভূত হয়, দেহাদিৰ দ্ৰষ্টাৰূপে তেওঁৱেই পৰমপুৰুষ পৰমাত্মা। শ্ৰীবিষ্ণুকে সংসাৰ চক্ৰৰ নিৱৰ্তক ব্ৰহ্মানিৰ্বানৰূপ সুখ বুলি জ্ঞানীসকলে কয়। গতিকে, শ্ৰীবিষ্ণুৰ উপাসনাত কাল ব্যতীত কৰা আৰু নিৰ্মল ভক্তিৰে শ্ৰীহৰিৰ প্ৰীতি সাধন কৰা উচিত। ভক্তি ব্যতিৰেকে সকলো বিড়ম্বনা মাত্ৰ। ভক্তিয়ে একমাত্ৰ কৃষ্ণপ্ৰীতিৰ সম্বল। এনেদৰে নাৰদাদি ঋষিসকলৰ দ্বাৰা চৰ্চিত ভক্তিযোগৰ বিষয়ে সম্যক জ্ঞান মহিষীয়ে আৰু গৰ্ভস্থ সন্তান প্ৰহ্লাদে লাভ কৰিলে। (বালানুশাসন-- ৭/৭)

দেৱৰ্ষি নাৰদে ক'লে যে, অসুৰ বালকসকলে প্ৰহ্লাদৰ এনে শিক্ষা অনুসৰণ কৰি ভগৱদ্ কীৰ্তনত তৎপৰ হোৱা দেখি দৈত্যগুৰুৱে হিৰণ্যকশিপুৰক সেই কথা জনালে। সেই কথা শুনি ক্ৰোধত প্ৰহ্লাদক বধ কৰাৰ মানসেৰে কটু কথা শুনালে। প্ৰহ্লাদে উত্তৰত ক'লে যে-- দেৱ, মানৱ, মনুষ্য, জড়, জীৱ সকলোৰে বল হৈছে বিষ্ণু। সকলো মানসিক বৃত্তি নিয়ন্ত্ৰণকাৰী হৈছে বিষ্ণু। বিষ্ণু সৰ্বব্যাপী সত্তা, বিষ্ণুক আৰাধনা নকৰাটো অবিবেকীজনৰহে কথা। প্ৰহ্লাদৰ এনে কথা শুনি বিষ্ণুৰ সৰ্বব্যাপ্তিৰ প্ৰমাণ দিবলৈ কৰিবলৈ আহ্বান কৰিলে। প্ৰহ্লাদে স্তম্ভটো বিষ্ণু আছে বুলি কোৱাত হিৰণ্যকশিপুৱে বাৰম্বাৰ তাতে আঘাত কৰিলে। তেনেতে এক ভীষণ শব্দ কৰি অৰ্দ্ধশৰীৰ নৰ আৰু অৰ্ধশৰীৰ সিংহৰ আকৃতিৰে এক অদ্ভুত নৃসিংহ মূৰ্তি ধৰি বিষ্ণুৱে স্তম্ভত দেখা দিলে। আকাশস্পৰ্শী সেই ভয়ঙ্কৰ মূৰ্তি দেখি দৈত্যৰাজে সি মায়াবী বিষ্ণুৰ মায়া বুলি ভাবিলে আৰু থিতাতে গদাৰে আক্ৰমণ কৰিলে। নৃসিংহই কিছু সময় হিৰণ্যকশিপুৰৰ লগত খেলা কৰি সন্ধ্যা সময়ত নিজৰ উৰুদেশত হিৰণ্যকশিপুৰক পেলাই লৈ নখেৰে বুকু বিদাৰণ কৰিলে। তেওঁৰ অন্ত্ৰ (নাড়ী) সমূহো মালাৰ দৰে ধাৰণ কৰিলে। সেই ভয়ঙ্কৰ মূৰ্তিৰে তেওঁৰদৈত্য ৰাজৰ অনুচৰ বৰ্গকো বধ কৰিলে। এই অধ্যায়ত নৰসিংহ মূৰ্তিৰ ভয়ানক ৰূপ আৰু দৈত্যদলনৰ বাবে হোৱা ভীষণ যুদ্ধ বিস্তৃতভাৱে বৰ্ণিত হৈছে। এই বৰ্ণনা অদ্ভুত আৰু ৰৌদ্ৰ ৰসেৰে সম্পৃক্ত। দৈত্য বিনাশৰ পিছত তেওঁ সেই সভাৰ ৰাজ সিংহাসনত বহিল। অমিততেজা, ক্ৰোধাবিষ্ট প্ৰচণ্ড বদন নৃসিংহৰূপী ভগৱান বিষ্ণুক ব্ৰহ্মা, ৰুদ্ৰ, ইন্দ্ৰ, ঋষিগণ সিদ্ধগণ বিদ্যাধৰ, নাগগণ, মনুসকল, কিন্নৰ আদি সকলোৱে স্তুতি কৰি অভিনন্দন জনালে। (হিৰণ্যকশিপু বধ, ৭/৮)

সপ্তম স্কন্ধৰ নৱম অধ্যায়ত ভগৱানৰ এনে নৰসিংহ মূৰ্তি দেখি কোনেও তেওঁৰ ওচৰলৈ আহিবলৈ সাহস নকৰিলে। আনকি লক্ষ্মী দেৱীয়েও নিজৰ স্বামীৰ ৰূপ দেখি ভয় খাই পিছ হুহকি গ'ল। তেতিয়া ব্ৰহ্মাই শিশু প্ৰহ্লাদক নৃসিংহৰ ক্ৰোধ প্ৰশমনৰ বাবে পঠিয়ালে আৰু প্ৰহ্লাদে ওচৰ চাপি ভক্তিভাৱে নৃসিংহৰ চৰণত

প্ৰণিপাত জনালে। ভক্ত বৎসল দয়াৰ্দ নৃসিংহৰূপী বিষ্ণুৱে তেওঁৰ বৰদ হস্ত প্ৰহ্লাদৰ শিৰত থ'লে। সেই দিব্য স্পৰ্শত প্ৰহ্লাদৰ শৰীৰ ৰোমাঞ্চিত হ'ল, তেওঁৰ আনন্দাশ্ৰু বৈ গ'ল আৰু সকলো তত্ত্বজ্ঞান উপলব্ধ হ'ল, প্ৰহ্লাদে আনন্দেৰে হৰিৰ চৰণযুগল হৃদয়ত ধাৰণ কৰিলে, দৃষ্টি আৰু মন বিষ্ণুতে সমৰ্পণ কৰি এটি অপূৰ্বসুন্দৰ স্তুতি পাঠ কৰিলে। ভাগৱতৰ সপ্তম স্কন্ধৰ নৱম অধ্যায় (৮-৫০) শ্লোকত সন্নিৱিষ্ট এই স্তুতিত শ্ৰীহৰিৰ অনন্ত, অখণ্ড সত্তাৰ প্ৰশস্তি কৰি প্ৰহ্লাদে কেৱল নিজৰ নহয়, স্ত্ৰী-পুত্ৰ, ধন-সম্পদ আদি বিষয় চিন্তাত নিমগ্ন মূঢ়জনৰ উপায়ো বিচাৰি ভগৱানক কাকুতি কৰিলে।

এই সুন্দৰ স্তুতিসমূহত বালক ভক্ত প্ৰহ্লাদৰ উদাৰতা আৰু স্বাৰ্থৰহিত নিষ্কাম ভক্তি দেখি নৃসিংহ প্ৰসন্ন হৈ ভীষণ ৰূপ ত্যাগ কৰি সৌম্যৰূপ ধাৰণ কৰিলে। সকলো জীৱৰে কল্যাণৰ অধিপতি ভগৱানে জগতৰ হিতৰ বাবে শান্তিবৰ্ষণ কৰিলে আৰু প্ৰহ্লাদক আকাঙ্খিত বৰ প্ৰদান কৰিব খুজিলে।

দশম অধ্যায়ত ভগৱান নৃসিংহৰ এনে বাক্যত প্ৰহ্লাদে ভক্তি ভাৱেৰে উত্তৰ দিলে যে-- বৈৰাগ্যই হৈছে প্ৰকৃত ভক্তৰ উত্তম লক্ষণ। তেনেস্থলত যি ভক্তই নিজৰ ভোগ বিলাস চৰিতাৰ্থ কৰিবৰ উপযুক্ত অনুগ্ৰহ ভগৱানৰ পৰা বিচাৰে তেওঁক বণিক বুলি ক'ব পাৰি। কাৰণ তেওঁ ভক্তিৰ বিনিময়ত বৰ বা অনুগ্ৰহ কিনি লয়। ভগৱানৰ পৰা কেৱল অভিলষিত সামগ্ৰী লাভৰ বাবেই যি ব্যাকুল হয়, তেওঁ প্ৰকৃত ভক্ত নহয়। প্ৰহ্লাদ নিজে নিষ্কাম ভক্ত আৰু শ্ৰীবিষ্ণুও অভিসন্ধি বৰ্জিত প্ৰভু। কামনাই ইন্দ্ৰিয় বৃত্তি দূষিত কৰে, মন অশান্ত কৰে, প্ৰাণ, আত্মা, ধৰ্ম, ধৈৰ্য, বুদ্ধি, লজ্জা শোভা, তেজ, স্মৃতি আৰু সত্য বিনষ্ট কৰে।

ভগৱান নৃসিংহৰূপী বিষ্ণু প্ৰহ্লাদৰ এনে আচৰণত প্ৰসন্ন হৈ প্ৰজাগণৰ হিতসাধনৰ বাবে প্ৰহ্লাদক পিতৃ সিংহসানৰ ভাৰ দিলে। হিৰণ্যকশিপু, হিৰণ্যাক্ষ ৰাৱণ, কুম্ভকৰ্ণ আৰু শিশুপাল, দন্তবক্ৰৰূপে অহৰ্নিশে শত্ৰুভাৱে হ'লেও বিষ্ণুক স্মৰণ কৰি জয় বিজয়ে সাযুজ্য মুক্তি লাভ কৰিলে। এইবাৰ নাৰদে যুধিষ্ঠিৰক বিষ্ণু মাহাত্ম্য প্ৰকাশক আন এটি আখ্যান ক'লে। বিষ্ণুৰ কৃপাৰে পৰিপুষ্ট দেৱগণে দানৱগণক বাৰে বাৰে পৰাজিত কৰাত তেওঁলোক ময়দানৱৰ শৰণাপন্ন হ'ল। ময়দানৱে সোণ, ৰূপ আৰু লোৰ তিনিখন বিমানচাৰিণীপুৰী নিৰ্মাণ কৰি দেৱপুৰী আক্ৰমণৰ সুবিধা কৰি দিলে, সেই বিমান পুৰীসমূহ মহাদেৱে পাশুপাতেৰে ধ্বংস কৰিলে। ময়দানৱে মুমূৰ্ষু অসুৰসমূহক অমৃতকূপৰ পৰা ৰস পান কৰোৱাত তেওঁলোক পুনৰ সঞ্জীৱিত হ'ল। দানৱসকলৰ এনে অৱস্থা হোৱাত ব্ৰহ্মাই গোবৎস আৰু বিষ্ণুৱে গোৰূপ ধাৰণ কৰি প্ৰহৰীসকলক বৈষ্ণৱী মায়াৰে বিমোহিত কৰিদেৱগণক অমৃত কূপৰ ৰস পান কৰালে আৰু যুদ্ধত পুনৰ জীৱিত দানৱকুলক নিঃশেষ কৰিলে। ময়দানৱে সন্তপালক বিষ্ণুৰ উদ্দেশ্য জানি তেওঁক প্ৰণিপাত জনালে।

শ্ৰীমদ্ভাগৱতৰ সপ্তম স্কন্ধৰ একাদশ অধ্যায়ত শুকদেৱে কৈছে যে-- মহান ভক্ত চূড়ামণি প্ৰহ্লাদৰ পৱিত্ৰ জীৱন চৰিত শুনি আহ্লাদিত হৈ যুধিষ্ঠিৰে বৰ্ণ ধৰ্ম আৰু আশ্ৰম ধৰ্মৰ বিষয়ে জানিবলৈ ইচ্ছা কৰাত নাৰদে সেই বিষয়ে সকলো ক'লে। সত্য, দয়া, তপস্যা, শৌচ বা শুদ্ধি, ত্যাগৰ ইচ্ছা, যুক্তি-অযুক্তি বিচাৰ, মন সংযম, ইন্দ্ৰিয় নিগ্ৰহ, অহিংসা, ব্ৰহ্মচৰ্য, ত্যাগ, যথোচিত জপ আদি, সৰলতা, তৃপ্তি বা সন্তুষ্টি, সজ্জনৰ সেৱা, কাম্য কৰ্ম পৰিত্যাগ, কৰ্মফলৰ প্ৰতি অনাকাংক্ষা, বৃথা আলাপৰ পৰা নিবৃত্তি, দেহাতিৰিক্ত আত্মাৰ অনুসন্ধান, সকলো প্ৰাণীৰ উদ্দেশ্যে অন্নাদি দান, সকলো প্ৰাণীৰ প্ৰতি আত্মৱৎ দৃষ্টি আৰু দেৱৱৎ বুদ্ধি, বিষ্ণুৰ নাম শ্ৰৱণ, কীৰ্তন, স্মৰণ, সেৱা, পূজন, প্ৰণতি, দাস্য, সখ্য, আত্মসৰ্পণ-- এই ত্ৰিশ প্ৰকাৰ শ্ৰেষ্ঠ ধৰ্ম সকলোৰে বাবে প্ৰযোজ্য। (৮--১২ নং শ্লোক) তদুপৰি ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ-- এই চতুৰ্বৰ্ণ ই মানিবলগীয়া আচাৰ-আচৰণ আদিও ব্যাখ্যা কৰিছে। এই অধ্যায়ত স্ত্ৰীসকলে মানিবলগীয়া নিয়মসমূহৰ বিষয়ে সৰল ব্যাখ্যা আগবঢ়াইছে।

দ্বাদশ অধ্যায়ত নাৰদে ব্ৰহ্মচৰ্য, গাৰ্হস্থ্য, বানপ্ৰস্থ আৰু সন্ন্যাস-- এই চতুৰাশ্ৰমৰ আচাৰ আচৰণ নিৰ্দেশ কৰিছে। গুৰুগৃহত শিষ্যৰ ব্যৱহাৰ, গুৰুপত্নীৰ প্ৰতি সৌজন্য ইত্যাদি। গৃহস্থীজনৰ পুত্ৰ-কন্যা-পত্নীৰ প্ৰতি দায়িত্ব। অতিথিৰ প্ৰতি কৰ্তব্য আৰু দান আহুতি আদিত ৰতি, বানপ্ৰস্থীসকলৰ মুনিসন্মত নিয়ম সমূহ, সন্ন্যাসীজনৰ তপস্যা, বৈৰাগ্য আৰু পৰমব্ৰহ্মত

লীনপ্ৰাপ্তি আদি সবিস্তাৰে বৰ্ণনা কৰিছে। সুস্থভাৱে ব্যক্তিগত আৰু সমাজ জীৱন-যাপন কৰাৰ প্ৰণালীবদ্ধ পদ্ধতি বৰ্ণনা কৰিছে।

সপ্তম স্কন্ধৰ ত্ৰয়োদশ অধ্যায়ত যতিধৰ্ম বা সন্ন্যাসধৰ্মৰ বিষয়ে আলোচনা হৈছে। সন্ন্যাসীসকল পৰমাত্মাচিন্তাত নিৰত আশ্ৰয় ত্যাগী, শান্ত, সকলোৰে মঙ্গলকামী আৰু বিষ্ণুভক্ত হ'ব লাগে। কাৰ্যকাৰণ ব্যতিৰিক্ত অব্যয় পৰমাত্মাত এই বিশ্বক আৰু সকলোতে পৰমব্ৰহ্মৰ উপস্থিতি অনুভৱ কৰিব লাগে। সুষুপ্তি আৰু জাগ্ৰত দুয়ো অৱস্থাৰে বন্ধ আৰু মুক্তিক মায়া বুলি গণ্য কৰিব লাগে। মৃত্যু আৰু জীৱন কোনোটোৰ প্ৰতি আকৰ্ষিত হ'ব নালাগে, আত্মানুসন্ধান সন্ন্যাসীৰ ব্ৰত হোৱা উচিত। এই বিষয়ত প্ৰহ্লাদ আৰু অজগৰ ব্ৰতাৱলম্বী মুনিৰ এক প্ৰাচীন কাহিনী নাৰদে আৰম্ভ কৰিলে। বিষ্ণুভক্ত প্ৰহ্লাদে এদিন কেইজনমান অমাত্যৰে সৈতে লোকতত্ত্ব জানবৰ বাবে কাৱেৰী নদীৰ পাৰে পাৰে ভ্ৰমণ কৰিছিল, তাতে তেওঁ অজগৰ ব্ৰতাৱলম্বী এজন যতিক লগা পাই তেওঁৰ আচৰণ আদিৰ বিষয়ে জানিবলৈ বিচাৰিলে। ভোগৰহিত সেই যতিয়ে নিজৰ উপলব্ধি এনেদৰে ব্যক্ত কৰিলে 'অজ্ঞলোকে সুখান্বেষী হৈ আত্মাস্বৰূপ সুখক পৰিত্যাগ কৰি আন ঠাইলৈ আকৰ্ষিত হয়। গতিকে তেওঁ সুখ বিচাৰি এঠাইৰ পৰা আন ঠাইলৈ দৌৰি ফুৰে। অজিতেন্দ্ৰিয় ভয়বশতঃ দুঃখ ক্লেশ মই দেখিবলৈ পাইছোঁ। চোৰ, আত্মীয় পশু-পক্ষী, কাল আনকি নিজৰ পৰাও বিষয়াসক্ত ব্যক্তিয়ে যিকোনো প্ৰকাৰৰ ক্ষতিৰ আশঙ্কা কৰে। মানুহৰ শোক, মোহ, ভয়, ক্ৰোধ, আসক্তি, ক্লীৱত্ব আদি য'ৰ পৰা উৎপন্ন হয়, সেই প্ৰাণ বিষয়ক আৰু অৰ্থ বিষয়ক স্পৃহা জ্ঞানীলোকে পৰিত্যাগ কৰে। মৌ-মাখি আৰু অজগৰ সাপ মোৰ শ্ৰেষ্ঠ গুৰু, যাৰ পৰা মই বৈৰাগ্য আৰু সন্তুষ্টিৰ শিক্ষা লাভ কৰিছোঁ। মৌ-মাখিৰ কষ্টলব্ধ মৌ আনে অপহৰণ কৰে। তাত মৌ-মাখিৰ আক্ৰোশ নাই। তেনেদৰে অজগৰ সাপে যি আগত পায় তাকে গ্ৰহণ কৰি সন্তুষ্ট হৈ থাকে। যদি বহুদিনলৈ একো নাপায়ো তথাপি আনক অপকাৰ নকৰি বলপূৰ্বক নিজৰ বাবে আহাৰাদি সংগ্ৰহ নকৰি ধৈৰ্য ধৰি বহুত দিনলৈকে বাট চাই থাকে। মইয়ো কেতিয়াবা অল্প, কেতিয়াবা প্ৰচুৰ, কেতিয়াবা স্বাদু, কেতিয়াবা বিস্বাদ দ্ৰব্য ভোজন কৰি সন্তুষ্ট হৈ থাকো। কেতিয়াও বিপৰীত মতিৰ ব্যক্তিৰ নিন্দা বা স্তুতি নকৰো। এনেদৰে সত্যদৰ্শী সাধকসকলে বিকল্পাম্য বৃত্তিক চিত্তত, চিত্তক মন, মনক অহংকাৰ তত্ত্বত, অহংকাৰক মহত্তত্ত্বৰ দ্বাৰা পৰমাত্মাত অৱস্থিত হৈ সকলো ব্যাপাৰৰ পৰা বিৰত হোৱাটোৱেই মানৱ জীৱনৰ অন্তিম স্তৰৰ আচৰণীয় ধৰ্ম। এয়ে হৈছে যতি ধৰ্ম।

চতুৰ্দশ অধ্যায়ত যুধিষ্ঠিৰে গৃহস্থৰ পালনীয় ধৰ্ম জানিবলৈ বিচৰাত শুকদেৱে ক'লে গৃহস্থসকলে যথাবিহিত ক্ৰিয়ানুষ্ঠান কৰি নাৰায়ণত কৰ্ম সমাপন কৰি উপাসনা কৰিব লাগে। জিতেন্দ্ৰিয় ব্যক্তিয়ে শ্ৰদ্ধাৱান হৈ সৎসংগৰ লগত ভাগৱত কথা শুনিব। পিতৃ-মাতৃ-ভাতৃ-পুত্ৰৰ দায়িত্ব নিৰভিমান চিত্তে পালন কৰিব। প্ৰয়োজন অনুসাৰেহে ধনৰ অধিকাৰ আছে। পশু-পক্ষী চণ্ডাল আদিত ভোগ্য বস্তু দান কৰি আনন্দ লাভ কৰিব লাগে। দেৱযজ্ঞ, পিতৃশ্ৰাদ্ধাদি, অতিথি সৎকাৰাদি গৃহস্থৰ অৱশ্যকৰণীয়। সন্তানাদিৰ প্ৰতি দায়িত্ব নিশ্চিতভাৱে পালনীয়। পুণ্যস্থান ভ্ৰমণ কৰাটো মঙ্গলকৰ। সকলো জীৱৰ প্ৰতি দয়া আৰু উপকাৰৰ মনোভাৱ গৃহস্থই পোষণ কৰিব লাগে। হৰিৰ গুণ-গান আৰু বিষ্ণুৰ চৰণ ভজন সকলো ধৰ্মৰ সুফলতকৈ অধিক ফলপ্ৰদ।

পঞ্চদশ অধ্যায়ত কোৱা হৈছে যে, পিতৃ যজ্ঞ গৃহস্থৰ কৰণীয় কৰ্তব্য। প্ৰাণী হিংসাৰ দ্বাৰা আয়োজিত আমিষ আহাৰ ভগৱানৰ হিতসাধক নহয়। নিত্যনৈমিত্তিক অনুষ্ঠান পশু বধেৰে নকৰি নীৱাৰাদি শস্য অৰ্পণেৰে কৰা উচিত। বিধৰ্ম, পৰধৰ্ম, আভাস, উপধৰ্ম আৰু ছল এই পাঁচবিধ অধৰ্মক ত্যাগ কৰা উচিত। ধৰ্মত বাধাই হ'ল বিধৰ্ম, আনৰ দ্বাৰা উপদিষ্ট ধৰ্মই হ'ল পৰধৰ্ম। পাষণ্ড চৰিত্ৰ প্ৰকাশ বা দম্ভ প্ৰকাশ হ'ল উপধৰ্ম, শব্দৰ যথাৰ্থ তাৎপৰ্য গোপন কৰি প্ৰকাৰান্তৰে ব্যাখ্যা কৰাই হ'ল আভাস। সন্তুষ্ট ব্যক্তিয়ে যি সুখ পায়, কামৰ বশৱৰ্তীহৈ অৰ্থ আহৰণৰ চেষ্টাত দৌৰি ফুৰা মানুহৰ সেই সুখ নাই। সন্তুষ্ট চিত্তৰ ব্যক্তিৰ সকলোতে সুখ। অসংযত ব্যক্তিৰ তেজ, বিদ্যা, তপ, জপ, যশ-- সকলো ক্ষয়প্ৰাপ্ত হয়। সঙ্কলন শূন্যতাৰ দ্বাৰা কামক জয় কৰিব পাৰি, কাম বৰ্জনৰ দ্বাৰা ক্ৰোধক, ধনত অনৰ্থদৰ্শনৰ দ্বাৰা লোভক, তত্ত্বজ্ঞানৰ দ্বাৰা ভয়ক, আত্মা-অনাত্মা বিচাৰৰ দ্বাৰা শোক

আৰু মোহক, সাত্ত্বিকজনৰ সেৱাৰ দ্বাৰা দম্ভক, দয়াৰ দ্বাৰা আধিভৌতিক দুখক, সমাধিৰ দ্বাৰা আধিদৈৱিক দুখক, প্ৰাণায়ামাদিৰ দ্বাৰা আধ্যাত্মিক দুখক, সাত্ত্বিক আহাৰ দ্বাৰা নিদ্ৰাক, সত্ব গুণৰ দ্বাৰা তমঃ আৰু ৰজো গুণক, উদাসীনতাৰ দ্বাৰা সত্বগুণক আৰু একমাত্ৰ গুৰু ভক্তিৰ দ্বাৰা সমস্তকে জয় কৰিব পাৰি। যিজনে চিত্তজয়ত উদ্যোগী হ'ব পাৰে তেওঁ, সঙ্গহীন, অপ্ৰীতিগ্ৰাহী, নিৰ্জনবাসী, মিতভোজী আৰু বীৰাগ হ'ব পাৰে। পুৰুষৰ বাবে কুম্ভক আৰু ৰেচকৰ দ্বাৰা প্ৰাণ আৰু অপান বায়ু নিৰোধৰূপ প্ৰাণায়াম আৰু প্ৰণৱমন্ত্ৰ উচ্চাৰণ কৰি শাৰীৰিক আৰু মানসিক উৎকৰ্ষৰ সাধন কৰিব লাগে। জ্ঞানীজনে শৰীৰক ৰথ, ইন্দ্ৰিয়সমূহক ৰথবাহক ঘোঁৰা, মনক লেকাম শব্দাদিক গন্তব্যদেশ, বুদ্ধিক সাৰথি, চিত্তক ভগৱৎসৃষ্ট দেব্যাপী বন্ধন, প্ৰাণ-অপানাদি দহবিধ বায়ুক ৰথৰ অক্ষদণ্ড, ধৰ্ম আৰু অধৰ্মক ৰথৰ চক্ৰ, অহংকাৰ বিশিষ্ট জীৱক ৰথী, প্ৰণৱক সেই ৰথীৰ ধনু, শুদ্ধ জীৱক শৰ আৰু পৰমব্ৰহ্মক লক্ষ্য বুলি জ্ঞান কৰে। ৰাগ, দ্বেষ, লোভ, শোক, মোহ, ভয়, মদ, মান, অপমান, অসূয়া, মায়া, হিংসা, মাৎসৰ্য, অনৱধানতা, ক্ষুধা, নিদ্ৰা আদি শত্ৰু সদায় তমঃ গুণৰ পৰা ওপজে। সেইবোৰ সংযম কৰিব পাৰিব লাগে। বৈদিককৰ্ম প্ৰবৃত্তি আৰু নিবৃত্তি ভেদে দুই প্ৰকাৰৰ। প্ৰবৃত্তি মাৰ্গ পুনৰ্জন্মৰ কাৰণ। নিবৃত্তিমাৰ্গ মোক্ষৰ পথ। জীৱত ঈশ্বৰৰ ভাৱাদ্বৈত, ক্ৰিয়াদ্বৈত আৰু দ্ৰব্যাদ্বৈতৰ জ্ঞান লাভ কৰি মননশীল সাধকসকলে আত্মতত্ত্বানুভৱৰ দ্বাৰা জাগ্ৰত, নিদ্ৰা, সুষুপ্তি এই অৱস্থা ত্ৰয়ৰ নিৱাৰণ কৰে। মোক্ষ সুখৰ অন্বেষণ কৰা ব্যক্তিমাত্ৰেই পৰম ব্ৰহ্ম সাধক। এই পঞ্চদশ অধ্যায়ৰ শেষত কোৱা হৈছে যে সমগ্ৰ বিশ্বজগতৰ দ্বাৰা বন্দিত সেই শ্ৰীকৃষ্ণ সকলো লোকৰে ভক্তিৰ দ্বাৰা উপাসিত হৈ বিশ্ব প্ৰপঞ্চৰ প্ৰতি প্ৰসন্ন হওক।

এয়েই হৈছে মূল সংস্কৃত ভাগৱতত থকা সপ্তম স্কন্ধৰ অন্তৰ্গত পোন্ধৰটা অধ্যায়ৰ মূল কথাংশ।

**অধ্যায়সমূহৰ বিশ্লেষণ ঃ**

মহাপুৰুষ শঙ্কৰদেৱে এই সপ্তম স্কন্ধটিৰ মৌলিক অনুবাদ কৰা নাই। শঙ্কৰদেৱে এই সপ্তম স্কন্ধটিৰ ষষ্ঠ খণ্ডত থকা প্ৰহ্লাদ চৰিতত ২২টা কীৰ্তনত প্ৰহ্লাদ চৰিত বৰ্ণনা কৰিছে। তাত প্ৰহ্লাদৰ জন্মৰ পৰা আৰম্ভ কৰি হিৰণ্যকশিপুৰৰ বধলৈকে সংক্ষেপে বৰ্ণনা কৰিছে। কিন্তু পিছৰ অধ্যায়সমূহ যেনে-- সনাতন ধৰ্ম, বৰ্ণ ধৰ্ম, স্ত্ৰী ধৰ্ম, ব্ৰহ্মচৰ্য, গাৰ্হস্থ্য, মোক্ষধৰ্ম কথন এই অংশ বাদ দিছে।

শঙ্কৰদেৱৰ উদ্দেশ্য হৈছে একশৰণ হৰিনাম ধৰ্ম সমাজত প্ৰচাৰ কৰা। এই ধৰ্মৰ উপাস্য দেৱ হৈছে ভগৱান কৃষ্ণ। প্ৰহ্লাদে নৱবিধা ভক্তিৰ দ্বাৰা ভগৱানক লাভ কৰিব পাৰি বুলি ভাগৱতত উল্লেখ কৰিছে--

শ্ৰৱণং কীৰ্ত্তনং ৱিষ্ণোঃ স্মৰণং পাদসেৱনম্।
অৰ্চনং ৱন্দনং দাস্যাং সখ্যমাত্মনিৱেদনম্।।

-- ভাগৱত, ৭/৫/২৩

শঙ্কৰদেৱে ইয়াকে কীৰ্তন-ঘোষাৰ একাদশ কীৰ্তনত উক্ত শ্লোকৰ ভাঙনি কৰি দেখুৱাইছে--

'শ্ৰৱণ কীৰ্ত্তন স্মৰণ বিষ্ণুৰ
অৰ্চন পদসেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুত
কৰিব দেহ অৰ্পণ।।
নৱবিধ ভক্তি বিষ্ণুত আচৰৈ
সেহিসে পাঠ উত্তম।।

-- কীৰ্ত্তন-ঘোষা, ৩৪০

এই নৱবিধা ভক্তিৰ ভিতৰত শ্ৰৱণ-কীৰ্তন মহাশ্ৰেষ্ঠতৰ আৰু সহজ উপায় বুলি কৈছে।

মূল ভাগৱতত ভক্তিৰ বিষয়ে ক'বলৈ গৈ প্ৰহ্লাদে কৈছে-- বৈৰাগ্যই হৈছে প্ৰকৃত ভক্তৰ উত্তম লক্ষণ। যি ভক্তই ভোগ বিলাস চৰিতাৰ্থ কৰিবৰ উপযুক্ত অনুগ্ৰহ ভগৱানৰ পৰা বিচাৰে তেওঁক বণিক বুলি ক'ব পাৰি। (ভাগৱত, ৭/১০/৪)। তেওঁ ভক্তিৰ বিনিময়ত বৰ বা অনুগ্ৰহ বিচাৰে।

মূল ভাগৱতৰ একাদশ অধ্যায়ত যুধিষ্ঠিৰ আৰু নাৰদ সংবাদ যুধিষ্ঠিৰৰ অনুৰোধত নাৰদে বৰ্ণধৰ্ম আৰু আশ্ৰম ধৰ্মৰ বৰ্ণনা কৰিছে। কিন্তু কেশৱদাস কায়স্থই ভাগৱতৰ মৌলিক অনুবাদত আৰু শঙ্কৰদেৱে কীৰ্ত্তন-ঘোষাত এই বৰ্ণধৰ্ম আৰু আশ্ৰমধৰ্মৰ কথা উল্লেখ কৰা নাই। ভাগৱতে ত্ৰিশপ্ৰকাৰৰ ধৰ্ম লক্ষণৰ (শ্লোক ৮--১২) কথা উল্লেখ কৰি কৈছে যে-- বিষ্ণুৰ নাম শ্ৰৱণ-কীৰ্তন, স্মৰণ, অৰ্চন, বন্দন, দাস্য, সখ্য আৰু আত্মসৰ্পণ সকলো বৰ্ণধৰ্ম আৰু আশ্ৰমধৰ্মৰ কৰ্তব্য। মূল ভাগৱত বৰ্ণধৰ্মত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰৰ ধৰ্ম আৰু লক্ষণসমূহ

দাঙি ধৰিছে। ব্ৰাহ্মণৰ লক্ষণত কৈছে-- শম, দম, তপঃ, শৌচ, সন্তোষ, কোমলতা, জ্ঞান, দয়া, আত্মতত্ত্বজ্ঞ, সত্যবাদী আদি গুণযুক্তজনেই হৈছে- ব্ৰাহ্মণ। (ভাগৱত, ৭/১১/২১) ক্ষত্ৰিয়ৰ লক্ষণ হৈছে-- শৌৰ্য, বীৰ্য, ধৃতি, তেজ, ত্যাগ, ইন্দ্ৰিজয়, ক্ষমা, আত্মতত্ত্বজ্ঞ আৰু সত্যৱাদী গুণ থকা জনেই ক্ষত্ৰিয়। (ভা. ৭/১১/২২)।

তেনেদৰে বৈশ্য আৰু শূদ্ৰৰ লক্ষণৰ বিষয়ে কোৱা হৈছে। কিন্তু শঙ্কৰদেৱে কীৰ্ত্তন-ঘোষাৰ প্ৰহ্লাদ চৰিতত আৰু কেশৱচৰণে ভাগৱতৰ অসমীয়া অনুবাদ এই অংশ বাদ দিছে।

মূল ভাগৱতে একাদশ অধ্যায়ৰ ২৫নং শ্লোকৰ পৰা ২৯ নং শ্লোকলৈকে স্ত্ৰীসকলৰ পালনীয় ধৰ্মৰ বিষয়ে উল্লেখ কৰিছে। স্ত্ৰীসকলৰ বৈশিষ্ট্য আৰু পালনীয় ধৰ্মৰ প্ৰসঙ্গত কোৱা হৈছে যে, মধুৰ ভাষী, সত্যবাদী, গৃহকৰ্ম নিপুণা আৰু সাদবী স্ত্ৰীয়ে কুলৰ সুনাম ৰক্ষা কৰে। স্বামী সেৱা স্ত্ৰীসকলৰ পৰম ধৰ্ম। এনে বংশক ভগৱান বিষ্ণুৱে প্ৰসন্ন দৃষ্টিৰে চায়। (৭/১১/২৯)

ৰজাৰ ধৰ্মৰ বিষয়েও এই অধ্যায়ত কোৱা হৈছে। প্ৰজাপালন ৰজাৰ পৰম ধৰ্ম। শ্ৰীমদ্ভাগৱদ্‌গীতাতো একে কথাকে কৈছে-- শ্ৰেয়াণ স্বধৰ্মো বিগুণঃ পৰধৰ্মাৎ স্বনুষ্ঠিতাত্। অৰ্থাৎ স্বধৰ্ম পালনেই হৈছে শ্ৰেষ্ঠ ধৰ্ম।

মূল ভাগৱতৰ দ্বাদশ -- ত্ৰয়োদশ অধ্যায়ত নাৰদে চাৰি আশ্ৰমৰ (ব্ৰহ্মচৰ্য, গাৰ্হস্থ্য, বানপ্ৰস্থ আৰু সন্ন্যাস) লোকসকলে পালন কৰিবলগীয়া কৰ্তব্যসমূহৰ বিষয়ে কৈ শেষত কৈছে যে, সকলোলোকেই পৰমাত্মাৰ চিন্তাত নিৰতহৈ সকলোৰে মঙ্গলকামী আৰু বিষ্ণু ভক্ত হ'ব লাগে।

চতুৰ্দশ অধ্যায়ত গৃহস্থৰ পালনীয় ধৰ্মৰ বিষয়ে নাৰদে কৈছে যে গৃহস্থৰ সকলো কৰ্ম বাসুদেৱত অৰ্থাৎ কৃষ্ণত অৰ্পণ কৰিব লাগে। (ভাগৱত, ৭/১৪/২০)

সৎসঙ্গৰ লগত সম্বন্ধ ৰাখি শ্ৰদ্ধাৱানহৈ পালনীয় কৰ্তব্যসমূহ যথাবিহিতভাৱে কৰি নাৰায়ণত কৰ্ম সমৰ্পণ কৰিব লাগে। ভাগৱত অমৃত কথা শুনা গৃহস্থ্যৰ অৱশ্যপালনীয় কৰ্তব্য-- (ভাগৱত, ৭/১৪/৩)। কিয়নো হৰিৰ (কৃষ্ণ) গুণ-গান আৰু বিষ্ণুৰ চৰণ বন্দন সকলো ধৰ্মৰ সুফলতকৈ অধিক ফলপ্ৰদ।

পঞ্চদশ অধ্যায়ত যোগদৰ্শনৰ দ্বাৰা শৰীৰ আৰু মনক শুদ্ধভাৱে ৰাখি প্ৰণৱমন্ত্ৰ অৰ্থাৎ ওঁম-কাৰ উচ্চাৰণ কৰিব লাগে বুলি কোৱা হৈছে। ওঁম-কাৰ উচ্চাৰণে শৰীৰ আৰু মনক শুদ্ধ কৰে। (৭/১৫/৫৩)

এই অধ্যায়টো উপনিষদ আৰু সাংখ্য দৰ্শনেৰে পৰিপূৰ্ণ। কঠোপনিষদৰ প্ৰথম অধ্যায়ৰ তৃতীয় বল্লীত শৰীৰক ৰথ, ইন্দ্ৰিয়সমূহক ৰথৰ বাহক ঘোঁৰা, মনক লেকাম, বুদ্ধিক সাৰথি বুলি উল্লেখ কৰিছে। সাংখ্য দৰ্শনতো পঞ্চতন্মাত্ৰ আদিৰ ব্যাখ্যা দাঙি ধৰা হৈছে। এই অধ্যায়ৰ শেষত প্ৰবৃত্তি আৰু নিবৃত্তি মাৰ্গৰ বিষয়ে উল্লেখ কৰি কৈছে-- প্ৰবৃত্তিমাৰ্গ পুনৰ্জন্মৰ কাৰণ আৰু নিবৃত্তি মাৰ্গ হৈছে মোক্ষপথ। মোক্ষপথ অন্বেষণ কৰাজনেই হৈছে-- পৰমব্ৰহ্মৰ সাধক। ভগৱান কৃষ্ণই হৈছে জগত প্ৰপঞ্চৰ কাৰক। সেই কাৰণে কৃষ্ণত ৰতি থকা একান্ত প্ৰয়োজন। (শ্লোক- ভা. ৭/১৫/৭৮--৯০)

**সামৰণি** ঃ দাৰ্শনিকতত্ত্ব নিহিত থকা মূল ভাগৱতৰ পাঁচটা অধ্যায়ৰ অসমীয়া অনুবাদ কেশৱদাস কায়স্থই কৰা নাই। শঙ্কৰদেৱেও কীৰ্ত্তন-ঘোষাত প্ৰহ্লাদ চৰিত বৰ্ণনা কৰোতে এই বৰ্মাশ্ৰম ধৰ্ম আৰু মোক্ষধৰ্ম লক্ষণত থকা দাৰ্শনিক তথ্যৰে পূৰ্ণ অংশখিনিক উল্লেখ কৰা নাই। কাৰণ, ভক্তিধৰ্ম প্ৰচাৰত এনে দাৰ্শনিক তত্ত্বসমূহ সৰ্বসাধাৰণৰ অৱগত নহ'বও পাৰে বুলি ভাবিয়েই হয়তো ভাঙনি নকৰিলে। একশৰণ হৰিনাম ধৰ্মৰ প্ৰচাৰত প্ৰহ্লাদ চৰিতেই মূল বুলি ভাবি নৱ-বিধাভক্তিৰ স্বৰূপ বৰ্ণনা কৰিছে।

এয়েই হৈছে সংস্কৃত শ্ৰীমদ্ভাগৱতৰ ৭ম স্কন্ধ আৰু অসমীয়া শ্ৰীমদ্ভাগৱতৰ ৭ম স্কন্ধৰ মৌলিক অনুবাদৰ তুলনামূলক পৰ্যালোচনা। ■■

# হিৰণ্যকশিপুৰৰ আধ্যাত্মিক অনুভূতিৰ মূৰ্ত্ত প্ৰকাশ

শ্ৰীধীৰেণ চন্দ্ৰ বৰুৱা

আলোচনা কৰিবলৈ লোৱা বিষয়টি ভাগৱতৰ সপ্তম স্কন্ধৰ অন্তৰ্গত। এই স্কন্ধৰ মূল বিষয় 'প্ৰহ্লাদ চৰিত্ৰ' বুলিয়েই ভকতৰ মাজত প্ৰচলিত। প্ৰহ্লাদৰ লগত অৱশ্যে হিৰণ্যাক্ষ, হিৰণ্যকশিপু, নৃসিংহ অৱতাৰ, বৰাহ অৱতাৰো জড়িত হৈ থকাটো সৰ্বজন বিদিত। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে তাৰাৰ বাঙ্ময় মূৰ্তি 'কীৰ্ত্তন-ঘোষা'ৰ 'প্ৰহ্লাদ চৰিত্ৰ' খণ্ডটিত বাইশটি কীৰ্তনৰ মুঠ দুশ সাতাৰন্নটা পংক্তিত কাহিনীটি সজাইছে। গুৰুজনৰ ৰচনাখিনি ভাগৱত আধাৰিত। অসমীয়া ভাগৱতৰ সপ্তম স্কন্ধ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিৰচিত। এই স্কন্ধৰ একৰ পৰা ত্ৰয়োদশ বিষয় (অধ্যায়)লৈকে, ৬৩৭২-৭৪৩৪ সংখ্যক পংক্তিলৈ মুঠ ১০৬২টা পংক্তিত (কবিৰ উপদেশসহ) (দত্তবৰুৱাৰ সম্পাদনা)। যুধিষ্ঠিৰ নাৰদৰ কথোপকথনৰ পৰা নৃসিংহৰ অন্তৰ্দ্ধানলৈকে সাৱলীল ভাষাৰে পদ্যানুবাদ কৰি বৰ্ণনা কৰিছে। উল্লিখিত বিষয়টি এ স্কন্ধৰ দ্বিতীয় অধ্যায়ৰ অন্তৰ্গত। এই অধ্যায়ত, নিৰ্বাচিত বিষয়টি গুৰুজনে ৬৪৯২-৬৫৫৫ পদলৈ মুঠ ৬৪টি পদত বৰ্ণনা কৰিছে। অৱশ্যে অসমীয়াত তৃতীয় বিষয় হিচাপে বৰ্ণিত হৈছে। বিষয়টিৰ শিৰোণাম হ'ল-- 'হিৰণ্যকশিপুৰৰ ভ্ৰাতৃবধুৰ প্ৰতি উপদেশ।' মূলতঃ হিৰণ্যাক্ষৰ মৃত্যুৰ পাছত পৰিয়াল পৰিজনৰ মাজত উদ্ভৱ হোৱা শোকাকুল পৰিস্থিতি নিয়ন্ত্ৰণত জ্যেষ্ঠ হিচাপে হিৰণ্যকশিপুই লোৱা সময়োপযোগী, কাৰ্যাক্ষম উপযুক্ত, বিধিগত তথা শাস্ত্ৰসন্মত ভূমিকাই বিষয়টিৰ একমাত্ৰ উদ্দেশ্য।

সংস্কৃত ভাগৱতৰ প্ৰথম স্কন্ধৰ তৃতীয় অধ্যায়ত ভগৱানৰ চৌৱিছটা অৱতাৰৰ বৰ্ণনা পোৱা যায়। এই অধ্যায়ৰ ১৮ সংখ্যক শ্লোকত বৰাহ অৱতাৰৰ উল্লেখহে পোৱাৰ লগতে হৰিয়ে নৰসিংহৰূপে অৱতাৰৰ ধৰি হিৰণ্যকশিপুক বধ কৰা কথা উল্লেখ আছে। দ্বিতীয় স্কন্ধৰ ৭ম অধ্যায়ৰ অৱতাৰ কাহিনীৰ ১৪ সংখ্যক শ্লোকত ভগৱানে বৰাহ অৱতাৰত অৱতীৰ্ণ হৈ হিৰণ্যাক্ষক দাঁতেৰে ছিৰি বধ কৰা আৰু নৃসিংহৰূপে হিৰণ্যকশিপুক উৰুৰ ওপৰত থৈ নখেৰে বধ কৰা কথা পোৱা যায়। তৃতীয় স্কন্ধৰ ১৪শ অধ্যায়ৰ পৰা ১৯ অধ্যায় পৰ্যন্ত মুঠ ২৩৪টা শ্লোকত দিতিৰ গৰ্ভত হিৰণ্যকশিপু আৰু হিৰণ্যাক্ষৰ স্থিতিৰ পৰা বৰাহ অৱতাৰ হৈ হিৰণ্যাক্ষক নিধন কৰালৈকে বৰ্ণিত আছে। পুনৰ সপ্তম স্কন্ধৰ 'যুধিষ্ঠিৰ নাৰদৰ কথোপকথনে'ৰে আৰম্ভ হোৱা প্ৰথম অধ্যায়ৰ পৰা নৱম অধ্যায়লৈকে মুঠ ৪৪৫ টা শ্লোকত হিৰণ্যকশিপু আৰু প্ৰহ্লাদৰ কাহিনী পোৱা যায়। এই স্কন্ধৰ দ্বিতীয় অধ্যায়ৰ শ্লোকৰ সংখ্যা ৬১টা। ইয়াৰে ১৯টা শ্লোক নাৰদৰ মুখে যুধিষ্ঠিৰৰ আগত ব্যক্ত হৈছে। ২০-৩৬ লৈ হিৰণ্যকশিপুৰৰ মুসে, ৩৭-৫৭লৈ বালকৰূপী যমে কোৱা কথাখিনিও হিৰণ্যকশিপুৰ মুকে ব্যক্ত হৈছে। পুনৰ ৫৮-৬০লৈকে হিৰণ্যকশিপুৰ নিজা বক্তব্য আৰু ৬১ সংখ্যক শ্লোকটো নাৰদে যুধিষ্ঠিৰক কোৱা কথাৰে অধ্যায়টো সামৰণি মৰা হৈছে। গুৰুজনে ভাগৱতৰ পদ কৰোতে মূলৰ মতেই কৰিছে। শ্ৰীযুত প্ৰেমকান্ত মহন্তই কৰা গদ্যানুবাদ-- 'শ্ৰীমদ্ভাগৱত কথামৃত'ত প্ৰহ্লাদ আৰু হিৰণ্যকশিপুৰ কাহিনীভাগক 'হিৰণ্যকশিপুৰ উপাখ্যান আৰু প্ৰহ্লাদৰ কথা, ত্ৰিপুৰ দমন, বৰ্ণাশ্ৰম ধৰ্ম আদি বিষয় নামকৰণেৰে বৰ্ণাইছে। এই স্কন্ধৰ প্ৰতিটো পদ, অধ্যায়তে বিশেষত্ব আছে। তাৰ ভিতৰত সংস্কৃত ভাগৱতৰ ২য় অধ্যায়ৰ মুখ্য বিশেষতাৰে ওপৰত আলোকপাত কৰিব বিচৰা হৈছে। এই বিশেষ্ট অধ্যায়টিত ঈশ্বৰ বিদ্বেষী, নিজকে 'ভগৱান' বুলি গণ্য আৰু প্ৰচাৰ কৰোতা প্ৰৱল

প্ৰতাপী, ব্ৰহ্মাৰ পৰা অভূতপূৰ্ব, অদ্ভুত বৰ লাভ কৰি ঈশ্বৰকো বিপাঙত পেলোৱা আদি দৈত্য হিৰণ্যকশিপুৰ আধ্যাত্মিক দৰ্শনৰ এক স্পষ্ট ৰূপ দেখিবলৈ পোৱা যায়।

এই স্কন্ধৰ আৰম্ভণীতে 'যুধিষ্ঠিৰ আৰু নাৰদৰ কথোপকথন' বিষয় বৰ্ণিত আছে। পৰীক্ষিতে শুকদেৱক প্ৰশ্ন কৰিছে। শুকে ৰাজসূয় যজ্ঞৰ সময়ত যুধিষ্ঠিৰে নাৰদক কৰা একে ধৰণৰ প্ৰশ্নৰ উত্তৰ নাৰদে কিদৰে দিলে তাকে পৰীক্ষিতৰ আগত বৰ্ণনা কৰিছে। সেয়েহে 'যুধিষ্ঠিৰ নামৰ সংবাদ আৰু জয়-বিজয়ৰ কথা' বুলিয়েই স্কন্ধটো আৰম্ভ হৈছে। প্ৰসঙ্গ ক্ৰমে নাৰদে ধৰ্মৰাজক এই কথাও দৃষ্টান্তসহ কৈছে যে, ভগৱানক অকল ভক্তিৰেই পোৱা নাযায়-- কাম, ভয়, দ্বেষ, স্নেহ আদিৰেও পাব পাৰি। উদাহৰণ স্বৰূপে নাৰদে কৈছে যে, গোপীয়ে কামভাৱে, কংসই ভয়েৰে, শিশুপাল আদিয়ে দ্বেষ্যভাৱে, বৃষ্ণিবংশীয়ে দৈহীক সম্বন্ধৰে, পাণ্ডৱে স্নেহেৰে, নাৰদ নিজে ভক্তিৰে ভগৱানক পাইছে। তাৰ পাছত দেৱৰ্ষি নাৰদে প্ৰসঙ্গক্ৰমে যেতিয়া যুধিষ্ঠিৰৰ মাহীয়েকৰ পুতেক শিশুপাল-দন্তবক্ৰ ব্ৰহ্ম শাপগ্ৰস্ত জয়-বিজয় নামৰ বিষ্ণুদূত দুজনহে বুলি ক'লে, তেতিয়া যুধিষ্ঠিৰে জয়-বিজয় অভিশপ্ত হোৱাৰ কাৰণ আৰু ঘটনা নাৰদক জিজ্ঞাসা কৰাত- নাৰদে চমুকৈ শাপগ্ৰস্ততাৰ কাৰণ আৰু কানিহী বৰ্ণনা কৰি জয়-বিজয়েই হিৰণ্যকশিপু আৰু হিৰণ্যাক্ষ বুলি কোৱাৰ লগতে হিৰণ্যকশিপুই হৰিভক্ত পুত্ৰ প্ৰহ্লাদক দ্বেষ কৰি নৃসিংহৰূপী হৰিৰ হাতত নিধন হোৱাৰ কথা কয়। তেতিয়া যুধিষ্ঠিৰৰ মনত প্ৰশ্ন উদয় হ'ল-- 'কিয় হিৰণ্যকশিপুই পুত্ৰ প্ৰহ্লাদক দ্বেষ কৰিলে?' সুধিলে নাৰদক, নাৰদে তেতিয়া উপাখ্যানটো বৰ্ণনা কৰি কৈছে।

সমকক্ষ যোদ্ধা বিচাৰি চলাথ কৰা পৰাক্ৰমী দৈত্য হিৰণ্যাক্ষ নাৰদৰ কথামতে গৈ বৰাহৰূপী হৰিৰ সন্মুখীন হোৱাত ঘোৰতৰ ৰণত হৰিৰ হাতত হিৰণ্যাক্ষ নিধন হ'ল।

তোমাক কৰিলা যুদ্ধ হিৰণ্যাক্ষ বীৰি।<br>
অপ্ৰয়াসে দৈত্যক (বধিলা) মাৰিলা দান্তে ছিড়ি।।৪<br>
-- কীৰ্ত্তন-ঘোষা

ভাতৃৰ বিয়োগত শোকে-ক্ৰোধে জাজ্বল্যমান হৈ, সমদৰ্শী বুলি প্ৰখ্যাত হৰিৰ দেৱতাৰ পক্ষপাতপূৰ্ণ বিষমতা আৰু ভাতৃবধৰ প্ৰতিশোধকল্পে হৰিক নিধন কৰি দেৱতাৰ মূলোচ্ছেদ কৰাৰ মানসে যজ্ঞমূৰ্তি আৰু ধৰ্মময় ভগৱানৰ উপাসক ভক্ত, ব্ৰাহ্মণ, বেদবিহিত কৰ্ম আচৰণ কৰা প্ৰজাৰ ওপৰত অত্যাচাৰ কৰিবলৈ সৈন্য-সামন্তক আদেশ কৰিলে। প্ৰতিশোধ আৰু সংহাৰপ্ৰিয় দৈত্যবোৰে ৰজাৰ আদেশ পাই-- আদেশ কৰাতকৈও অধিকৰূপত সংহাৰ কাৰ্যত লিপ্ত হ'ল। যাগ-যজ্ঞকাৰী লোক আৰু স্থানবোৰো লণ্ড-ভণ্ড কৰিলে। যজ্ঞভাগ নাপাই দেৱতাসকলে পৃথিৱীত আহি আত্মগোপন কৰিব ধৰিলে। দৈত্যৰাজ হিৰণ্যকশিপুৱে ভাতৃৰ শ্ৰাদ্ধ তৰ্পণ আদি কৰাৰ অন্তত সৰ্বসাধাৰণতে প্ৰচলিত ৰীতি কথা পৰম্পৰাগত সামাজিক ব্যৱস্থাৰেই ভাতৃ-পুত্ৰ, ভাতৃবধু, ভানু, ভাই-বোৱাৰীৰ মাক, মাক দিতি আদিক এক জ্ঞানগৰ্ভ শান্ত্বনা দানে শোক প্ৰশমিত কৰে। ইয়াত প্ৰকৃত বীৰৰ কামযে 'যুদ্ধক্ষেত্ৰত শত্ৰুৰ সন্মুখত বীৰত্বৰে যুঁজ দি প্ৰাণ ত্যাগ কৰাটোহে; হিৰণ্যকশিপুই সকলোকে বুজাই দিয়াৰ উপৰি বাতৃৰ মৃত্যু গৰিমাময় মৃত্যু বুলি কয়। কাৰণ হিৰণ্যাক্ষই যিজন প্ৰতিযোদ্ধাৰ লগত যুঁজ দি মৃত্যুবৰণ কৰিলে, সেইজন বীৰ চূড়ামণি, বীৰেন্দ্ৰ কেশৰী সৰ্বশ্ৰেষ্ঠ শত্ৰু আৰু সৰ্বশ্ৰেষ্ঠ যোদ্ধা ভগৱান। তেৱেঁই জীৱৰ মুক্তিদাতা, মুকুন্দ।

হিৰণ্যই মাতৃ দিতিক এটা সুন্দৰ দৃষ্টান্তসহিত পূৰ্বজন্মৰ কৰ্মফল অনুযায়ী জীৱবোৰৰ সংযোগ বিয়োগ ঘটে অৱগত কৰিছে। যেনেকৈ এটা জলাশয়ত তৃষ্ণাতুৰ প্ৰাণীবোৰ কেউফালৰ পৰা আহি গোট খাই পিয়াহ নিবাৰণৰ অন্তত নিজ নিজ কৰ্তব্যত গুছি যায়, ঠিক একেদৰে সংসাৰী প্ৰাণীবোৰৰো কৰ্মফল অনুযায়ী সংযোগ-বিয়োগ ঘটে। অৰ্থাৎ মাজতেই সংযোগ-বিয়োগ হোৱা যায়। লগলাগিলেই সংযোগ আৰু লগ ভাগি আঁতৰি যোৱাই বিয়োগ। সংসাৰলৈ অহা জীৱই জন্মৰ লগতে মৃত্যু লৈ আহে। জন্মৰপৰাই ক্ষণে ক্ষণে, পল-অনুপল, ঘণ্টা-দিন, মাহ-বছৰ কৰি আয়ুস গৈ থাকে- আমাৰ অজ্ঞাতে জীৱক ভেঙুচালি কৰি। মনত মায়াৰ পৰ্দা থকাৰ কাৰণে জীৱই অৱশ্যম্ভাৱী, নিশ্চিত মৃত্যুক দেখি নাপায়। দেহৰ ষটবিকাৰ (জন্মবৰ্দ্ধতি, অস্তি, জায়তে, বিপৰীণামতে, অপক্ষয়, বিনাশ) আছে। পঞ্চভৌতিক দেহৰ ভিতৰত যি সনাতন তত্ত্ব আত্মা আছে, তাৰ মৃত্যু নাই। যাৰ মৃত্যু নাই তাৰ উৎপত্তি, বৰ্দ্ধন আদিও নাথাকে। হিৰণ্যকশিপুই দিয়া শান্ত্বনা বাণীত গীতাৰ

বাণীৰ ইংগিত পোৱা যায়। গীতাত শ্ৰীকৃষ্ণই কৈছে--

অন্তৱন্তইমে দেহা নিত্যস্যোক্তাঃ শৰীৰিণঃ।
অনাশিনোহপ্ৰমেয়স্য তস্মাদ্ যুদ্ধস্ব ভাৰত।।২/২৮
অন্তৱান ইটো দেহ আছয় তাত শাশ্বত।
নিত্য নিঃসীম সি আত্মা যুঁজা পাৰ্থ সিকাৰণে।।

-- গীতা-আই, হেমভাই

ন জয়তে ম্ৰিয়তে বা কদাচিৎ নায়ং
ভূত্বা ভৱিতা বান ভূয়ঃ।
অজোনিত্যঃ শাশ্বতোহয়ং পুৰাণো,
ন হন্যতে হন্যমানে শৰীৰে।।২/২০

হেমভাইদেৱে গীতা-আইত এই শ্লোকৰ ভাঙনি কৰিছে--

নহৈব জন্মো মৰণো কদাপি
পূৰ্ব্বে নহৈলা নহ'বে ই নোহে
নাসে নযায়ো স্থিৰযে পুৰাণ
দেহাৰ নাসে ইটি নাশ নোহে।।

আত্মাৰ জন্ম-মৃত্যু নাই, অজ, নিত্য, চিৰশাশ্বত। দেহৰ নাশ হ'লেও আত্মাৰ বিনাশ নাই। গীতাত আৰু কৈছে যে জীৰ্ণ বস্ত্ৰ পৰিত্যাগ কৰি মানুহে যেনেকৈ নতুন নতুন বস্ত্ৰ পৰিধান কৰে, ঠিক একেদৰে আত্মাইও জীৰ্ণ দেহ ত্যাগ কৰি নতুন দেহত অৱস্থান কৰে। একে দেহত থাকিলে আত্মাৰ হেনো বিকাশ নহয়। ই এটা এনে বস্তু যাক অগ্নিয়ে পুৰিব নোৱাৰে, জলে সিক্ত কৰিব নোৱাৰে, বায়ুৰে শোষণ কৰিব নোৱাৰে, অস্ত্ৰে-শস্ত্ৰে কাটিব নোৱাৰে; অচ্ছেদ্য, অদাহ্য, অশোষ্য, অক্লেদ্য, সৰ্বব্যাপী, সনাতন, নিত্য শুদ্ধ, বুদ্ধ, অবিচল স্থিৰ এক সত্তা। 'সকলং ব্ৰহ্মময়ং জগত। ব্ৰহ্মাৰ ৰূপ নাই, ৰস নাই, গন্ধ নাই, দেখিব নোৱাৰি, অচিন্ত্য অনন্ত, অব্যয়, চুব নোৱাৰি সৰ্বগত। শৰীৰৰ বিনাশত ইয়াত বিনাশ নহয়, ঘট বিনষ্ট হ'লেও যিদৰে ঘটাকাশৰ বিনাশ নহয়। একেদৰে শৰীৰৰ বিনাশতো শৰীৰি আত্মাৰ নাশ নহয়। আত্মা উৎপত্তি আৰু বিনাশৰহিত বস্তু। আত্মা অবধ্য। এই মহান উপলব্ধি হিৰণ্যকশিপুৰৰ কৈছিল যে, এনে অবিনাশী আত্মাৰ দেহৰ লগতে মৰণ হয় বুলি ভৱাটো অবিবেকীৰ কাম। মায়াৰ কাৰণেই এনে হয়।

আত্মাৰে মায়াৰে হোৱা অবিদ্যা নিশ্চয়।
সেহি অবিদ্যায়ে লিঙ্গ স্বৰূপ হোৱয়।।
সেহিসে নিমিত্তে সুখ দুখক পাৱয়।
লিঙ্গৰ উপাধি ধৰ্ম্ম সংসাৰ হোৱয়।।

-- ভাগৱত, ৬৪৯৮

উদাহৰণ স্বৰূপে কশিপুৰে কৈছে-- জলত প্ৰতিবিম্বিত গছ-গছনিবোৰ যেনেকৈ পানীৰ সোঁত বৈ থকাৰ কাৰণে সোঁতৰ লগতে গৈ থকা যেন লাগে, নাৱত গৈ থকা লোকে গছৰ ছাঁয়াবোৰো যিদৰে গৈ থকা যেন দেখে; চকু ঘূৰালে বা পকালে যিদৰে পৃথিৱীখনো ঘূৰা যেন ধাৰণা হয়; সেইদৰে মন তিনিগুণৰ প্ৰভাৱত ভ্ৰান্ত হোৱাৰ ফল স্বৰূপে লিঙ্গদেহ ৰহিত আত্মাক শৰীৰ বুলি জ্ঞান কৰাটোকে অজ্ঞানতা বা অবিদ্যা বোলা হয়। অৰ্থাৎ আত্মাক দেহ বুলি যি ভুল কৰে তাক 'আত্ম বিপৰ্য্যাস' বোলা হয়। এই কথা সংস্কৃত ভাগৱতত এইদৰে উল্লেখ আছে--

এবং গুণৈৰ্ভ্ৰাম্যমাণো মনস্যবিকলং পুমান।
যাতি তৎসাম্যতাং ভদ্ৰে হ্যলিঙ্গো লিঙ্গবানিব।।

-- ভাগৱত, ৭/২/২৪

এষ আত্মবিপৰ্য্যাসো হ্যলিঙ্গে লিঙ্গভাৱনা।
এষ প্ৰিয়াপ্ৰিয়ৈৰ্যোগো বিয়োগঃ কৰ্মসংসৃতিঃ।।

-- ভাগৱত, ৭/২/২৫

আত্মবিপৰ্যাসেই প্ৰিয়জনৰ বিয়োগ, অপ্ৰিয়ৰ লগত সংযোগ ঘটা আৰু ইয়াৰ লগতে কৰ্মৰ সম্বন্ধ ঘটাৰ ফলতে সংসাৰ বা দেহকে আত্মাজ্ঞান কৰা হয়। এই কাৰণেই বিবেক বিস্মৰণ হৈ জন্ম, মৃত্যু শোক, দুখ আদি অকাৰণে কৰা হয়। এনে সাৰগৰ্ভ বুজনি দিয়াৰ পাছত হিৰণ্যকশিপুই উশীনৰ দেশৰ ৰজা সুযজ্ঞৰ মৃত্যুৰ পিছত শোকাতুৰ পৰিয়ালক প্ৰেতবন্ধু যমে দিয়া উপদেশৰ কাহিনী কৈ তেওঁৰ পৰিয়ালবৰ্গৰ শোক নিবাৰণৰ প্ৰয়াস কৰে। কাহিনীভাগ এনে-- উশীনৰ দেশৰ সুযজ্ঞ নামৰ ৰজাজনৰ যুদ্ধক্ষেত্ৰত শত্ৰুৰ হাতত মৃত্যু হোৱাত তেওঁৰ ৰক্তাক্ত মৃতদেহটো সৎকাৰ কৰিবলৈ নিদি সন্ধ্যা সময় পৰ্যন্ত ভাৰ্যা আৰু আত্মীয়সকলে কন্দা-কতা কৰি থকা দেখি পাঁচ বছৰীয়া ল'ৰাৰ ছদ্মবেশত যমৰজা আহি তাত উপস্থিত হৈ সেই বয়সস্থ লোকসকলে সৰু ল'ৰাৰ দৰে আচৰণ কৰাত আশ্চৰ্য প্ৰকাশ কৰিলে। যিহেতু সেই লোকসকলে জীৱনকালত বহু জন্ম-মৃত্যু দেখা পাইও নেদেখাৰ দৰে কৰিছে। মানুহ বা জীৱ জুইৰ ফিৰিঙতিৰ

দৰে য'ৰ পৰা উদ্ভৱ হয়, সেই মহান শক্তিৰ ওচৰলৈ প্ৰত্যাৱৰ্তন কৰাটো চিৰন্তন নীতি। তাৰ কাৰণে শোক কৰা উচিত নহয়। কাৰণ এয়া পৰমপুৰুষ ভগৱানৰে খেলা।

হে কৃষ্ণ তুমি মাত্ৰ চৈতন্য স্বৰূপ নিত্য
সত্য শুদ্ধ জ্ঞান অখণ্ডিত।
আৰৰ যতেক ইটো তোমাৰ বিনোদ ৰূপ
চৰাচৰ মায়াৰ কল্পিত।।

-- নামঘোষা, ৭৩

ঈশ্বৰৰ ইচ্ছাত প্ৰবাসীজনেও মৃত্যুৰ পৰা ৰক্ষা পাই আৰু তেওঁৰ ইচ্ছা হ'লে ঘৰতে সুৰক্ষিত হৈ থকাজনৰো মৃত্যু হয়। আত্মাৰ অমৰত্ব আৰু দেহৰ ক্ষণভঙ্গুৰতাৰ লগতে-- 'ৰাখে হৰি মাৰে কোনে, মাৰে হৰি ৰাখে কোনে' এই কথা আৰু মানুহে যে নিজৰ মৃত্যু নেদেখে, তাৰ প্ৰতি সজাগতা নাই, সেই কথা বুজাবৰ কাৰণে এহাল কুলিঙ্গ-কুলিঙ্গীৰ কাহিনী যমৰ মুখে ব্যক্ত কৰিছে- যিটো হিৰণ্যকশিপুৰক শান্ত্বনাদানৰ এক বিশেষ গুৰুত্বপূৰ্ণ অংশ। কাহিনীটো এনে-- এখন হাবিত এহাল কুলিঙ্গ-কুলিঙ্গীয়ে বাস কৰি কেইটামান পোৱালিক লালন-পালন কৰি আছিল। এদিন এটা ব্যাধে পতা জালত আহাৰৰ সন্ধানত গৈ কুলিঙ্গীয়ে ফান্দত লাগি ধৰিলে। মতা চৰাইটোক তাই সদায় সতৰ্ক কৰি থাকিও নিজে জালত পৰাত আৰু তাইক জালৰ পৰা ৰক্ষা কৰাৰ কোনো উপায় নেদিখি লগতে ব্যাধে তাইক মাৰিব বুলি চিন্তা কৰি কুলিঙ্গীৰ গুণ-বৰ্ণাই কন্দা-কটা কৰি থাকোতেই ব্যাধটো গোপনে আহি চৰাইটোক শৰাঘাতে নিধন কৰিলে। গতিকে বালকৰূপী যমে সুযজ্ঞৰ পৰিয়ালক নিজৰ অৱশ্যম্ভাৱী মৃত্যুৰ কথা নাভাবি, যাৰ কাৰণে চিৰদিন কান্দিলেও আৰু ঘূৰি নাহে, উত্তৰ নাপাই, সেই জনৰ মৃত্যুত এনে অবোধৰ নিচিনাকৈ শোক কৰি থকাৰ কাৰণে তাচ্ছিল্য কৰিলে। যম অন্তৰ্দ্ধান হ'ল। জ্ঞাতিগণে শোক পৰিহাৰ কৰিলে।

উপৰিউক্ত সমুদায় কাহিনী ৰাজসূয় যজ্ঞত নাৰদৰ দ্বাৰা যুধিষ্ঠিৰৰ আগত ব্যক্ত। আৰু হিৰণ্যকশিপুৰ মুখে শোক সন্তপ্ত পৰিয়াল পৰিজনৰ আগত ব্যক্ত হৈছে। শেষত হিৰণ্যকশিপুই ক'লে যে-- মানুহে পৰ বা নিজৰ কাৰণে শোক কৰা অনাৱশ্যক, 'কোন কাৰ জীৱনৰ, কোন কাৰ মৰণৰ চকুৰ চিনাকি মাথো দুদিনৰ'। সংসাৰত আপোন-পৰ একো নাই। যি এই আপোন-পৰ ভাৱনা আনে তেৱেঁই অজ্ঞানী। অজ্ঞানেই অবিদ্যা, মায়া। গতিকে হিৰণ্যাক্ষৰ কাৰণে শোক কৰা কোনো প্ৰয়োজন নাই।

হিৰণ্যকশিপুৰ এনে তত্বপূৰ্ণ উপদেশ শুনি আত্মীয়সকলে শোক বিসৰ্জন দিয়াই নহয় পৰমাত্মাৰ তত্ত্ব অনুসন্ধানত মন দিলে। ভাগৱতত গুৰুজনে লিখিছে--

দৈত্যেন্দ্ৰৰ বাণী শুনি গুচিলেক শোক।।
পুত্ৰ তাপ এৰি দিতি আনন্দ ভৈলেক।
স্বামীৰ শোকক ভাৰ্য্যা পুত্ৰে এৰিলেক।।৬৫৫৪
ঈশ্বৰত চিত্ত দিয়া মন শান্ত ভৈল।
দ্বিতীয় অধ্যায় কথা সপ্তমৰ গৈল।।
দিতি শোক গুচান অধ্যায় আৰ নাম।
তৃতীয় অধ্যায় কহো শুনা সাৱধান।।৬৫৫৫

ইমানতে গুৰুজনে এই অধ্যায়ৰ ইতি পেলাইছে। মূলতো একেই। এইখিনিতে এটা কথা লক্ষ্য কৰা যায় যে, হিৰণ্যকশিপুই পৰিয়াল পৰিজনক হিৰণ্যাক্ষৰ মৃত্যু ঈশ্বৰৰ ইচ্ছাতে হৈছে আৰু বীৰৰ দৰে হোৱা এনে গৌৰৱময় মৃত্যুত শোক কৰা নিষ্প্ৰয়োজন বুলি বুজনি দিয়াৰ পাছত আনসকলৰ শোক প্ৰশমিত হৈ ঈশ্বৰৰ প্ৰতি অনুৰাগ আহিল; অথচ শান্ত্বনা দিওঁতাজনে ভগৱানৰ ওপৰত প্ৰতিশোধ লৈ নিজে অজেয়, অজৰ-অমৰ অদ্বিতীয় ৰজা হ'বৰ কাৰণে প্ৰজাপতি তথা ভগৱানৰ আজ্ঞাবাহী ব্ৰহ্মাৰ ওচৰত বৰ প্ৰাৰ্থনাৰ্থে তপস্যা কৰিবলৈ যাত্ৰা কৰিলে। ইয়াতেই হিৰণ্যকশিপুৰ অজ্ঞতাৰ পৰিচয় পোৱা যায়। পৰম শক্তিক পৰাভূত কৰিবলৈ নিকৃষ্ট, বহতীয়া শক্তিৰ ওচৰত আশ্ৰয় লোৱাটো হিৰণ্যকশিপুৰৰ মূৰ্খামী বুলিয়ে বিবেচিত হয়। এয়া ঈশ্বৰৰ মায়াৰেই প্ৰভাৱ বুলিব পাৰি। নহ'লে বৈকুণ্ঠৰ পাৰিষদৰ স্ব-স্থানে শীঘ্ৰে গমন কেনেকৈ হ'ব?

তৎসত্বেও হিৰণ্যকশিপুৰ প্ৰজাৰ প্ৰতি ৰজা হিচাপে দিয়া জ্ঞানগৰ্ভ উপদেশ প্ৰশংসনীয়। এনে মহত্বপূৰ্ণ উপদেশ খুব কম সংখ্যক ৰজাৰ পক্ষেহে সম্ভৱ। হিৰণ্যকশিপুক আদি দৈত্য বুলিয়ে পুৰাণত বৰ্ণাইছে। আদি মানে প্ৰথম। চাৰিত্ৰিক বৈশিষ্ট্যৰ ফালৰ পৰা চালে দেখা যায় সৎগুণ বা দৈৱিক গুণেই সুৰ বা দেৱতা আৰু অসৎ গুণেই দৈত্য বা অসুৰ। হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপু

অদম্য বাসনাযুক্ত দুৰ্দ্দান্ত দৈত্য। সোণৰ শৰ্যাত শয়ন, ৰোগ-বিলাস, ঐশ্বৰ্য সম্পদ জগতৰ স্বামিত্ব লাভ, উচ্চাসনৰ অভিলাষ এইবোৰ আসুৰিক গুণ। দম্ভ-অহংকাৰ, মদমত্ততা আদি পূৰ্বোক্ত ৰজোগুণবোৰ সহচৰ, তমগুণৰ পৰিচায়ক।

ৰজোগুণ তমো গুণময় বৃত্তি
কেৱলে আসুৰী ভাৱ।
শুদ্ধ সত্ত্ববৃত্তি দেৱৰ সম্পত্তি
লৈয়া ভজা কৃষ্ণ-পাৰ।।

-- নাম-ঘোষা, ২১৩

হিৰণ্যাক্ষ, হিৰণ্যকশিপু এই অমানৱীয় তথা আত্মনাশক গুণবোৰৰ প্ৰতীক। এই গুণবোৰ জীৱৰ জন্মগত নাইবা গৰ্ভস্থিতিতে লগত লাগি থকাৰ কাৰণে দৈত্যৰূপী এই শত্ৰুবোৰক আদি দৈত্য বুলিব পাৰি। সেই ফালৰপৰা বিচাৰ কৰিলে আমি ভোগ-বিলাসী প্ৰত্যেক মানুহেই হিৰণ্যাক্ষ হিৰণ্যকশিপুৰ দৰে।

কিন্তু আমাৰ মাজত যিহেতু সৎগুণ বা দৈৱিক গুণো আছে। সৎগুণৰ বিকাশে অসৎ গুণবোৰ নাইকিয়া কৰে; যেনেকৈ পোহৰৰ আগমনত আন্ধাৰ আঁতৰে। হিৰণ্যকশিপুৰ ভিতৰত আত্মাৰূপে চৈতন্য আদিত্য পৰমাত্মা স্থিত থকাৰ কাৰণেই আৰু পূৰ্ব সংস্কাৰ মতে 'বৈকুণ্ঠৰ দুৱৰী' আছিল কাৰণেই শৰীৰকে আত্মা বুলি ভৱাটো যে অবিদ্যা বুলি উপলব্ধি হৈছে সেই কথা ভাবিবৰ থল আছে। মনত আধ্যাত্মিক চেতনা অবিহনে এনে জ্ঞানগৰ্ভ তত্ত্বোপদেশ দিয়াটো সম্ভৱ নহয়। পূৰ্বৰ হৰিৰ নিৰ্দেশ মতে--

বৈৰীবাৰে চিন্তিভাহা মোক।
অল্পকালে পাইবা এহি লোক।।

-- কীৰ্ত্তন-ঘোষা, প্ৰহ্লাদ চৰিত্ৰ

বাণীমতে হিৰণ্যকশিপু আৰু হিৰণ্যাক্ষ ভগৱানদ্বেষী ভকত। পূৰ্বতে উল্লেখ কৰা হৈছে যে, ভগৱানক ভিন ভিন ভাৱেৰে ভজি পাব পাৰে বুলি শাস্ত্ৰত উল্লেখ আছে। বৈকুণ্ঠত জয়-বিজয়ৰ বিয়োগ বা অনুপস্থিতিত ভগৱানৰো শান্তি নাই। সেয়েহে ভগৱানৰ সান্নিধ্যলৈ ভকতক সোনকালে নিয়াৰ ই এক পূৰ্বকল্পিত সু-পৰিকল্পনা। ভগৱানৰ এই পৰিকল্পনা ফলপ্ৰসূভাৱে কাৰ্যকৰী ৰূপদান কৰিবৰ কাৰণেই ভক্ত প্ৰহ্লাদক এক প্ৰকাৰ সৎসঙ্গ হিচাপেই হিৰণ্যকশিপুৰৰ পুত্ৰৰূপে প্ৰেৰণ কৰিছে। দেখা যায় হিৰণ্যৰ আনপুত্ৰসকলে তেওঁৰ আধ্যাত্মিক উত্তৰণত অন্তৰায়ৰূপে কৰ্তব্য পালন কৰাৰ বিপৰীতে কেৱল প্ৰহ্লাদেই পিতাকৰ উত্তৰণৰ পথ উজ্জ্বল কৰি তুলিলে। যাৰ কাৰণে নৃসিংহৰূপী হৰিয়ে প্ৰহ্লাদৰ ভক্তি সাধনাত 'একৈশ পুৰুষ' উদ্ধাৰ হ'ল বুলি ব্যক্ত কৰিলে। শাস্ত্ৰসমূহত নাইবা বাস্তৱ জগতত মানুহৰ মাজতে দুই প্ৰকাৰ মৃত্যুক আহ্বান কৰা পোৱা যায়। এবিধ লোকে শৰীৰটোক অমৰ কৰিব বিচাৰে। আন এচামে আকৌ শৰীৰৰ নশ্বৰতা, অৱস্থা আদিৰ বিষয়ে উপলব্ধি কৰি আত্মাৰ অমৰত্বহে বিচাৰে। হেমভাই দেৱে ক'বৰ দৰে 'দেহক নিৰোগ কৰি ৰাখিবলৈ বিচৰাটো 'সংশ্ৰম'। কিন্তু আত্মাক অৱহেলা কৰি শৰীৰক অমৰ কৰিব বিচৰাটো 'পণ্ডশ্ৰম'।' হিৰণ্যকশিপু হিৰণ্যাক্ষ, কংস আদি প্ৰথমবিধ মৃত্যুৰ অভিলাষী। পৰীক্ষিত খট্বাঙ্গ আদি দ্বিতীয় বিধ মৃত্যুৰ অভিলাষী। মানুহে মৃত্যু বুলিলেই ভয়াৰ্ত হোৱাৰ পৰিৱৰ্তে মৃত্যুৰ সন্মুখীন হৈ আত্মাৰ অমৰত্ব চিন্তা কৰা উচিত। ভাগৱতে মৃত্যুৰ সন্মুখীন হৈ আত্মাৰ অমৰত্ব চিন্তা কৰা উচিত। ভাগৱতে মৃত্যুৰ সন্মুখীন হৈ পৰীক্ষিতৰ দৰে মৃত্যুক গৌৰৱময়, আদৰ্শ কৰি মৃত্যুঞ্জয় হোৱাৰ শিক্ষা দিছে। প্ৰকৃত ভকতে তাৰেই প্ৰচেষ্টা অব্যাহত ৰাখে।

আমি সংসাৰ গৰ্তত আৱদ্ধ হৈ ভ্ৰমবশতঃ শৰীৰকে 'মই' বুলি আত্মাৰ পতন মাতি অনা মানৱৰ কাৰণে হিৰণ্যকশিপুৰৰ আত্মতত্ত্বৰ উপদেশ বাণী নিতান্তই গ্ৰহণীয়। এনে উপদেশ জীৱনত প্ৰয়োগ কৰি আমিও অজ্ঞানৰূপ অবিদ্যা নাশ কৰি ভগৱৎ সেৱা, নাম-গুণ-যশ-শ্ৰৱণ-কীৰ্তন কৰি ভক্তিপূৰ্ণ কৰি নিশ্চয় ভগৱন্তৰ সমীপে গমন কৰিব পাৰিমহঁক। তাকে যেনিবা হিৰণ্যকশিপু আদিৰ দৰে বৈৰীভাৱে নহয়, উদ্ধৱ, মাধৱদেৱ আদিৰ দৰে দাস আৰু সেৱকভাৱে।■■

# ভাগৱতৰ অষ্টম স্কন্ধ ঃ সমীক্ষাত্মক আলোচনা

**শ্ৰীবোধেশ্বৰ কাকতি**

মহাপুৰুষ শঙ্কৰদেৱে মূল শ্ৰীমদ্ভাগৱতৰ অষ্টম স্কন্ধৰ তিনিটা স্বয়ং সম্পূৰ্ণ কাহিনী অসমীয়া ভাষালৈ ৰূপান্তৰ কৰে-- (ক) গজেন্দ্ৰ উপাখ্যান (খ) অমৃত মথন আৰু (গ) বলিছলন।

মূলৰ প্ৰথম চাৰিটা অধ্যায়ৰ ১২৫টা শ্লোকত প্ৰথম চাৰি মন্বন্তৰ আৰু চতুৰ্থ মন্বন্তৰৰ অন্তৰ্গত 'গজেন্দ্ৰ মোক্ষণ'ৰ অধ্যায় কেইটা গোপাল চৰণ দ্বিজৰ ৰচিত। গোপালচৰণে গজেন্দ্ৰ মোক্ষনৰ পদৰ লগতে পিছৰ 'অমৃত মথন'ৰ কথাখিনি চমুকৈ অনুবাদ কৰে। ভাগৱতৰ অষ্টম স্কন্ধৰ দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ অধ্যায়ৰ বিষয়বস্তুৱে গজেন্দ্ৰ উপাখ্যান ৰচিত। মহাপুৰুষ শঙ্কৰদেৱৰ বিৰচিত গজেন্দ্ৰ উপাখ্যান কাব্যাংশ কীৰ্ত্তন-ঘোষাৰ অন্তৰ্ভুক্ত। ইয়াৰ বিষয়বস্তু ক্ষীৰ সাগৰ আৰু গ্ৰাহ-গজেন্দ্ৰৰ যুদ্ধৰ বৰ্ণনা। ক্ষীৰ সাগৰৰ মাজত ত্ৰিকূট নামেৰে এটা পৰ্বত আছিল। সেই পৰ্বতৰ মনোমোহা প্ৰাকৃতিক সৌন্দৰ্যই সকলোকে মুগ্ধ কৰি ৰাখিছিল। তৃণ, তৰু, লতা, গছ, নদ-নদী, জান-জুৰি-সৰোবৰৰ সৌন্দৰ্যই ভগৱানৰ সৃষ্টিৰ অপৰূপ মহিমা প্ৰকাশ কৰিছিল।

ত্ৰিকূট পৰ্বতৰ মাজতে অতি পৰিস্কাৰ পানীৰ এটি সৰোবৰ আছিল। সৰোবৰত নানা ধৰণৰ পদুম, ভেট আদি ফুল ফুলি প্ৰকৃতিৰ শোভা বৰ্দ্ধন কৰিছিল। বন্য প্ৰাণী জীৱ-জন্তুবোৰ তাৰ চাৰিওফালে আনন্দ মনেৰে ঘূৰি ফুৰিছিল। হস্তীবিলাকেও দলপতি গজেন্দ্ৰক আগত লৈ বনে বনে ঘূৰি ফুৰিছিল। ঘূৰি ফুৰি গজেন্দ্ৰৰ ভাগৰ লাগিল। ৰ'দৰ তাপত শৰীৰ তাপিত হ'ল। সেয়ে ওচৰতে থকা সৰোৱৰত সকলো হস্তীসহ গজেন্দ্ৰ পানীত নামিল আৰু পিয়াহত পানী খাই শৰীৰ শীতল কৰি হস্তিনীসহ সৰোবৰত লীলা-খেলা কৰিবলৈ ধৰিলে।

'নামিল গৈয়া সৰোবৰ মাজে।
চৌভিতি হস্তী সম গজৰাজে।।
পদ্মৰ ধূলায়ে সুগন্ধিত জল।
পিলেক তৃষ্ণায়ে হুয়া বিকল।।'-- কীৰ্ত্তন, ৫১৮

সেই সৰোবৰত বাস কৰা এটা গ্ৰাহে গজেন্দ্ৰই কৰা লীলা-খেলা চাই খঙত জ্বলি উঠিছিল আৰু পাৰলৈ উঠিবলৈ লওঁতেই গ্ৰাহে গজেন্দ্ৰৰ ভৰিত কামুৰি ধৰিলে। তেতিয়া গ্ৰাহ আৰু গজেন্দ্ৰৰ মাজত টনা আজোৰা হ'ল। দুয়োটাই নিজৰ শক্তিৰে যুঁজ কৰিবলৈ ধৰিলে। কোনোৱেই জয়ী হ'ব পৰা নাই। এই যুদ্ধ হাজাৰ বছৰ চলিল। আকাশৰ দেৱতাসকলে এই যুদ্ধ দেখি তবধ মানিলে। অৱশেষত গজেন্দ্ৰৰ বল শক্তি কমি আহিল। মহাবলৱন্ত গ্ৰাহৰ লগত যুদ্ধ কৰিব নোৱাৰি গজেন্দ্ৰ ক্লান্ত হৈ পৰিল। তেতিয়া গজেন্দ্ৰই বুজিলে যে তেওঁৰ মৃত্যুৰ ওচৰ চাপিল। গজেন্দ্ৰৰ মনত শুভ বুদ্ধি উদয় হ'ল। তেওঁ চিন্তা কৰিলে যে এই মহাসংকটৰ পৰা উদ্ধাৰ কৰোঁতা প্ৰভু ভগৱন্তৰ বাহিৰে আন কোনো নাই।

'সহস্ৰ বৎসৰ যিটো যুজো অপ্ৰয়াসে।
জানিলোহো বন্দী ভৈলো বিধাতাৰ পাশে।।
আমাক ৰাখিবে আৰে কমন বান্ধৱ।
অন্তকালে গতি মোৰ কেৱল মাধৱ।।' কীৰ্ত্তন, ২৯

এইদৰে চিন্তা কৰি গজেন্দ্ৰই এপাহি পদুম ফুলেৰে ভগৱানক একান্তভাৱে স্তুতি কৰিব ধৰিলে। গজেন্দ্ৰ ভগৱানৰ চৰণত শৰণাপন্ন হ'ল।

'পৰম আনন্দে মাধৱত দিয়া চিত্ত।
গজেন্দ্ৰ কৰিলা স্তুতি আতি বিপৰীত।।

শুণ্ডে মেহ্লাই পদ্মগোট ওপৰক তুলি।
গজেন্দ্ৰ শৰণ লৈলা ত্ৰাহি হৰি বুলি।।'

ভকত বৎসল পৰমেশ্বৰ এই স্তুতিত সন্তুষ্ট হ'ল

আৰু ভকতক উদ্ধাৰ কৰিবলৈ বৈকুণ্ঠৰ পৰা গৰুড়ৰ পিঠিত উঠি সৰোবৰৰ পাৰত উপস্থিত হ'ল। ভগৱন্ত কৃষ্ণই নিজৰ চক্ৰ লৈ গ্ৰাহৰ মুখ ছিৰি গজেন্দ্ৰক মহাসংকটৰ পৰা উদ্ধাৰ কৰিলে। লগে লগেই গজেন্দ্ৰই চতুৰ্ভূজধাৰী বিষ্ণুৰূপ ধাৰণ কৰিলে। গ্ৰাহেও সাক্ষাতে ভগৱানক পাই শাপ মুক্ত হৈ দিব্যৰূপ ধাৰণ কৰি স্বৰ্গলৈ গমন কৰিলে। গ্ৰাহ গজেন্দ্ৰ যুদ্ধ অন্ত পৰিল।

ভাগৱতৰ চতুৰ্থ অধ্যায়ত উপাখ্যানটিৰ পূৰ্ব কথা বৰ্ণিত হৈছে। সেই সৰোবৰতে এসময়ত হুহু গন্ধৰ্বই নাৰীসকলৰ সৈতে জলক্ৰীড়া কৰি আছিল। দেৱল ঋষি আহি গা ধুবলৈ বুৰ মাৰোতেই ধেমালিতে হুহুৱে ঠেঙত ধৰি ঋষিক টানিবলৈ ধৰাত ঋষিয়ে গন্ধৰ্বক সেই সৰোবৰতে গ্ৰাহৰূপ ধৰি থাকিবলৈ শাপ দিলে। তেতিয়া হুহু গন্ধৰ্বই ঋষিৰ ওচৰত শাপ মুক্ত কৰিবৰ কাৰণে কাতৰ প্ৰাৰ্থনা কৰাত সেই সৰোবৰলৈ অহা গজেন্দ্ৰক ধৰিলে আৰু শ্ৰীহৰি আহি তেওঁক মুক্তি দিব বুলি ক'লে। সেই মতেই হাজাৰ বছৰৰ পিছত ভগৱন্ত শ্ৰীহৰিৰ কৃপাত শাপ মোচন হোৱাত সেই গন্ধৰ্বই ভগৱন্তক প্ৰণাম, প্ৰদক্ষিণ কৰি সকলোৰে উপস্থিতিত মুক্তি লাভ কৰিলে।

গজেন্দ্ৰও পূৰ্ব জন্মত আছিল দ্ৰাবিড় শ্ৰেষ্ঠ পাণ্ড্যদেশীয় বিষ্ণু ব্ৰত পৰায়ণ ৰাজৰ্ষি ইন্দ্ৰদ্যুম্ন। তেওঁ মলয়াচলত আশ্ৰম পাতি এদিন অচ্যুত ভগৱন্তক পূজা কৰি থাকোতেই সশিষ্যে অগস্ত্য ঋষি তেওঁৰ আগত উপস্থিত হ'ল। অগস্ত্যক সেৱা শুশ্ৰূষা নকৰা বাবদ খঙত ঋষিয়ে ইন্দ্ৰদ্যুম্ন ৰজাক হাতী হ'বলৈ অভিশাপ দিলে। এই অভিশাপত অভিশপ্ত হৈও ৰজাই অতদিনে হৰিক আৰাধনা কৰাত ৰজাই পূৰ্বজন্মৰ স্মৃতি পাহৰা নাছিল। সেয়ে মহা সংকটৰ সময়ত উদ্ধাৰৰ বাবে ভগৱন্তৰ চৰণত গজেন্দ্ৰই একান্ত মনে শৰম ল'লে আৰু ভগৱন্তই তেওঁৰ উদ্ধাৰ কৰিলে। ইয়াত ভক্তিৰ মাহাত্ম্য প্ৰকাশ কৰিছে। এই সংসাৰখন যে অনিত্য, পুত্ৰ-পৰিবাৰ যে অসাৰ এই ভাব জীৱৰ মনলৈ নাহে। মানুহৰ মনটো গজেন্দ্ৰৰ দৰেই মহাবলবন্ত। এই সংসাৰত মনেই মানুহৰ জীৱনৰ সুখ-সম্ভোগ, দুখ-বেজাৰ, কামনা-বাসনা, গৰ্ব-অহংকাৰ আদিৰ বাহক। এই সকলোবিলাক কালস্বৰূপ গ্ৰাহে শেষ কৰি দিব পাৰে। এই আখ্যানৰ জৰিয়তে মহাপুৰুষ শঙ্কৰদেৱে হৰিনামৰ মহিমা ঘোষণা কৰিছে-- 'কৃষ্ণ কথা শ্ৰৱণ-কীৰ্তনে ভৱ তৰি। হেন জানি সদায় ঘুষিয়ো হৰি হৰি।।'

'অমৃত মন্থন'ত ভাগৱতৰ অষ্টম স্কন্ধৰ ৫ম অধ্যায়ৰ পৰা দ্বাদশ অধ্যায়ৰ বিষয়বস্তু বৰ্ণিত হৈছে। দেৱতা আৰু অসুৰ মিলি ক্ষীৰ সাগৰ মন্থন কৰাৰ চিত্তস্পৰ্শী ঘটনাৰ অনুবাদ কৰ্মত মহাপুৰুষ শঙ্কৰদেৱে লোকৰঞ্জনৰ কাৰণে একাধিক স্থানত কাব্যৰসৰ মিশ্ৰন দিয়া বুলি নিজেই স্বীকাৰ কৰিছে-- 'বুজি অভিপ্ৰায়ে দিলো দিলো ঠাই ঠাই কাব্য ৰস যিবা। অবিচাৰি তাক হঠাতে আমাক নিন্দাবাণী নুবুলিবা।।' (পদ-৩১১)

দেৱাসুৰে সমুদ্ৰ মথিলেও ভগৱান শ্ৰীবিষ্ণুৰ মহিমা কীৰ্তনেই কাব্যখনৰ মূল কথা। দৈত্যকুলৰ দ্বাৰা বাৰে বাৰে লাঞ্ছিত হোৱা দেৱগণক অমৃত লাভাৰ্থে সমুদ্ৰ মন্থন কৰিবলৈ উপদেশ দিয়া, দেৱাসুৰে গিৰি মন্দৰ কঢ়িয়াবলৈ অসমৰ্থ হোৱাত ভগৱান কৃষ্ণই নিজে আবিৰ্ভাৱ হৈ বাওহাতেৰে মন্দৰক গৰুড়ৰ পিঠিত তুলি ক্ষীৰ সাগৰৰ তীৰত সংস্থাপন কৰা, সাগৰত মন্দৰ ডুব যোৱাত নিজে কচ্ছপ ৰূপ লৈ তাক দাঙি ধৰা, অমৃত মন্থনত দেৱাসুৰ ভাগৰি পৰাত প্ৰভু ভগৱন্তই নিজে উভয় দলৰ বল-বীৰ্য বৰ্ধন কৰা, মোহিনী ৰূপ ধাৰণ কৰি কৌশলেৰে দেৱগণক অমৃত ভুঞ্জোৱা আদিৰ উপৰি দেৱাসুৰৰ যুদ্ধত দৈত্যকুলৰ মায়াযুদ্ধক বাৰণ কৰা কৰ্মত বিষ্ণুৰ মহিমা পৰিস্ফুট হৈছে। মূল ভাগৱতত সৰ্প মুষিকৰ কাহিনীৰ কেৱল নাম উল্লেখ হৈছে। গুৰুজনাই ইয়াক ৫৬ সংখ্যক পদৰ পৰা ৭৩ সংখ্যক পদলৈ ১৮টা পদত কাব্যৰূপ দি স্বয়ংসম্পূৰ্ণ কবিতা এটিৰ ৰূপ দিছে। দ্বিতীয়তে, নিৰস্ত্ৰ দেৱতাসকল দৈত্যৰাজৰ ওচৰলৈ যোৱাৰ সন্দৰ্ভত মূলত আছে-- 'তাৰ পাছত দেৱতাসকলে অসুৰ সেনাপতিসকলৰ দ্বাৰা পৰিবেষ্টিত হৈ ত্ৰিলোক বিজয়ী বলিৰাজৰ ওচৰলৈ গ'ল। পোনতে মহামতি ইন্দ্ৰই নম্ৰভাৱে বলিৰাজক ভগৱান পুৰুষোত্তমে যিবোৰ বিষয়ত উপদেশ দিছিল সেই বিষয়ে বিৱৰি ক'লে। দেৱৰাজ ইন্দ্ৰৰ কথা শুনি দৈত্যৰাজ বলি আৰু তাত উপস্থিত থকা শম্বৰ, অৰিষ্টনেমী, ত্ৰিপুৰবাসী এই সকলো দৈত্যই সন্মতি জনালে। মহাপুৰুষ শঙ্কৰদেৱে ইয়াক সুদীৰ্ঘ ডেৰকুৰি পদত বৰ্ণনা কৰিছে। তৃতীয়তে, মূলত লক্ষ্মীৰ সয়ম্বৰৰ কাহিনী বৰ চমু। গুৰুজনাই ইয়াত কাব্য ৰস সঞ্চাৰ

কৰিবলৈ গৈ পিতৃ সগৰক সয়ম্বৰ মঞ্চলৈ আনি দেৱাসুৰৰ লগত লক্ষ্মীক পৰিচয় কৰাই দিছে। ইয়াৰ বৰ্ণনা অতি বিস্তৃত।

বিষ্ণুৰ ছত্ৰছায়াত থাকি বিজয়ৰ বৈজয়ন্তী মালা ডিঙিত আঁৰি লোৱা ইন্দ্ৰৰ চৰিত্ৰক হীন দেখুৱাই দৈত্য বলিৰাজৰ চৰিত্ৰৰ মহানতা প্ৰদৰ্শন কৰাটো ‘অমৃত মন্থন’ৰ এটি আলোক উজ্জ্বল দিশ। দেৱৰাজক দৈত্যৰাজে আদৰ সাদৰকৈ মাতি নিছে আৰু আদৰ-সম্ভাষণ জনাইছে।

আনহাতে সেনাপতিসকলে নিৰস্ত্ৰ দেৱগণক বন্দী কৰাৰ কথা কোৱাত বলিৰাজে বাধা দি কৈছিল--

‘কিসক অযোগ্য হেন বোলাহা বচন।।
যদি মহাশত্ৰু আমি হোৱন্ত অতিথি।
হেন দেৱ মানি তাক কৰিবা ভকতি।।’১০০

বলিৰ ৰাজসভাত দেৱতাসকলক সন্মানিত আসনত বহুৱাই সাদৰ সম্ভাষণ জনাই আলাপ-আলোচনা কৰে আৰু তেওঁলোকৰ লুণ্ঠিত ধনৰত্নক ওভতাই দিলে--

‘এহি বুলি বলিৰায় দিলা হাত বাৰ।
কৈল্ক সেনাপতি গণ ঝান্তে আগুৱাই।।
লুৰি আনি আছোহো দেৱৰ ধন যত।
আহ্মাৰ আদেশে আনি দিয়োক সমস্ত।।’৪১৬

অমৃত মন্থনৰ কথা প্ৰসংগত বলিৰাজে ইন্দ্ৰক আন্তৰিকতাৰে এইদৰে কৈছিল--

‘আজি ধৰি দিলো যত দেৱক নিৰ্ভয়।
এহি শুনি ত্ৰিদশে কৰিলা জয় জয়।।
দৈত্যগণে ৰাজাৰ আজ্ঞাক শিৰে ধৰি।
দেৱৰ সৰ্বস্ব মানে দিলা বাজ কৰি।।’ ৪১৭

‘অমৃত মথন’ৰ শিৱৰ স্তুতি প্ৰসংগত বেদান্ত তত্ত্বৰ বাণী মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে এইদৰে প্ৰকাশ কৰিছে-

‘নমো নমো মাধৱ বিধিৰ বিধি দাতা।
তুমি জগতৰে গতি মতি পিতামাতা।।
তুমি পৰমাত্মা জগতৰ ঈশ এক।
একো বস্তু নাহিকে তোহ্মাত ব্যতিৰেক।।’ ৯৪৮

মহাপুৰুষ শঙ্কৰদেৱৰ জনপ্ৰিয় কাব্য কেইখনৰ ভিতৰত ‘বলিছলন’ অন্যতম। অষ্টম স্কন্ধ ভাগৱতৰ ১৫শ -- ২৩শ অধ্যায়ৰ ৩৩৬টা শ্লোকত থকা বলিছলনৰ উপাখ্যানটো মহাপুৰুষ শঙ্কৰদেৱে ৬২৬টা পদত কাব্য ৰূপ দিয়ে। ইয়াৰ শেষৰ অংশ গুৰুজনাৰ ‘কীৰ্ত্তন পুথি’ৰ অন্তৰ্গত।

মহাপুৰুষ শঙ্কৰদেৱে ভাগৱতৰ কাহিনীৰ লগত বামণ পুৰাণৰ কিছু মিশ্ৰন দি বলিছলন ৰচনা কৰে বুলি নিজে কৈছে।

‘ভাগৱত কথা ইটো অমৃত সাক্ষাত।
বামন পুৰাণ কিছু মিশ্ৰ দিলো তাত।।
দুয়ো কথা নিবন্ধিলো কৰি এক ঠাই।
যেন মধু মিশ্ৰে দুগ্ধ স্বাদ বাঢ়ি যায়।।৭৪২

অধুনাপ্ৰাপ্ত ‘বামন পুৰাণ’ৰ ২৮--৩১ আৰু ৮৯-৯২ অধ্যায়ৰ ভিতৰত বলিছলনৰ যি কাহিনী পোৱা যায়, সি সুসংহত নহয় গুণে দুই এজনে সন্দেহ কৰে যে, যিখন বামন পুৰাণৰ সহায়ত শঙ্কৰদেৱে বলিছলনৰ কাহিনী ৰচনা কৰিছিল, সেইখন বামন পুৰাণ বৰ্তমান বিলুপ্ত। ৰচনা ৰীতিলৈ লক্ষ্য কৰি মহাপুৰুষ শঙ্কৰদেৱৰ আগবসয়ৰ ৰচনা বুলি চৰিত পুথিত উল্লেখ পোৱা যায়। বলিক ছলনা কৰি দেৱগণক উদ্ধাৰ কৰিবৰ বাবেই বামনৰ ধৰা তলত আবিৰ্ভাৱ যদিও শঙ্কৰদেৱে এই চৰিত্ৰটি ৰূপায়ণত দেৱত্ব গুণৰ অধিক সংযোজন কৰা চকুত নপৰে। বৰঞ্চ একাধিক স্থানত বামনক ‘কপট’ বিশেষণেৰেহে ভূষিত কৰিছে। মূল ভাগৱত বামনক ‘কপট’ বিশেষণেৰে ভূষিত কৰা হোৱা নাই। ভাগৱতৰ বামন-- বিষ্ণুৰ অৱতাৰ। ভূমি, ভাৰ হৰণৰ হেতু ‘বামন’ৰ অৱতাৰ হৈ বলিক ছলিছে। মহাপুৰুষ শঙ্কৰদেৱৰ বামনজন অতিশয় খঙাল আৰু দয়া মায়া হীন। সৰ্বশ্ৰান্ত হোৱা বলিৰাজে বামনৰ তৃতীয় পদ থ’বলৈ নিজৰ শিৰ বিনীতভাৱে অগবঢ়াই দিয়াৰ পিছতো বামনে খঙত ৰুদ্ৰমূৰ্তি ধাৰণ কৰিছে।

‘বলিক কটাক্ষে চান্ত অধৰ কামুৰি।
মূৰ্ত্তিক দেখন্তে যেন ধাতু যায় উৰি।।’

এনে দৃশ্য অতি অশোভনীয়। ৰাণী বিন্ধ্যাৱতীৰ কাতৰ প্ৰাৰ্থনাইও বামনৰ চিত্ত লৰাব নোৱাৰিলে।

বলিৰাজ আছিল সত্যবাদী আৰু ভীষ্ম প্ৰতিজ্ঞ। কুল পুৰোহিত শুক্ৰাচাৰ্যই যেতিয়া ধৰ্ম শাস্ত্ৰৰ দোহাই দি বামনক দান নিদিবলৈ অনুৰোধ কৰিছিল, তেতিয়া ৰজাই স্পষ্টভাৱে উত্তৰ দিছিল--

‘সবাকো সহিবে পাৰো অসত্যবাদীত হাৰো
তাৰ ভৰে যাওঁ অধোগতি।’১০৩০

বামনে ছলনা কৰি দুই পদ ভূমিৰে স্বৰ্গ, মৰ্ত্ত আৰু পাতাল ব্যাপি যেতিয়া তৃতীয় পদ থ'বলৈ ঠাই বিচাৰি ৰজাক কটু কথা শুনাইছিল, তেতিয়াও তেওঁ ধীৰোদাত্ত নায়কৰ দৰে বিনীতভাৱে কৈছিল--

'বুলিলা অসত্যবাদী ইয়ে দুখেদহে।'১১৭১

ক্ৰমে বলিৰ মনৰ পৰা জাগতিক চিন্তা আঁতৰি গ'ল। তেওঁৰ তনু-মন আধ্যাত্মিক জ্যোতি ধাৰাই আচ্ছন্ন কৰি পেলালে। অৱশেষত বামনে যেতিয়া 'সাৰ্বনি মনুত তই ইন্দ্ৰ হৈবি পাছে' বুলি বৰ দান কৰিব খুজিলে, তেতিয়া নিৰ্লিপ্তভাৱে বলিৰজাই উত্তৰ দিলে-- 'নুবুজিলো প্ৰভু দেৱ ইটো কোন বুন্দা। বান্ধ গুছাই যেন মোক দিবে চাহ কুন্দা।।' পদ- ১২৫১

বামনৰ পৰা এনে বৰো ৰজাই আশা কৰা নাই। এনে অৱস্তাত বলিৰাজক আমি এজন পৰম বৈষ্ণৱৰ বেশত দেখিবলৈ পাওঁ। শঙ্কৰদেৱৰ হাতত দৈত্যৰাজ বলি দেৱতাৰ শাৰীলৈ উন্নীত হৈছে। এই ৰূপ কবিৰ সৃজনী প্ৰতিভাৰ স্বাক্ষৰ।

অদিতি আৰু বিন্ধ্যাৱতী-- এই স্ত্ৰী চৰিত্ৰ দুটিৰ সৃষ্টিত শঙ্কৰদেৱে দক্ষতাৰ পৰিচয় দিছে। স্বৰ্গচ্যুত দেৱগণৰ সীমাহীন দুখ-কষ্টত মাতৃ অদিতিৰ কোমল হৃদয় ভাঙি পৰা স্বাভাৱিক। সেয়েহে তেওঁ কাশ্যপৰ নিৰ্দেশ মতে পয়োৱ্ৰত পালন কৰি ভগৱানক সন্তুষ্ট কৰিছে। নিৰ্ভেজাল পতিপ্ৰেম নিখুঁত চিত্ৰ প্ৰকাশ পাইছে বলি পত্নী বিন্ধ্যাৱতী চৰিত্ৰত।

ভক্তি ধৰ্মৰ শ্ৰেষ্ঠতা প্ৰতিপাদনেই বলিছলনৰ মূল কথা। ভগৱন্তৰ নাম মাহাত্ম্য প্ৰকাশ কৰিবলৈ গুৰুজনাই জনসাধাৰণৰ পৰিচিত উপমা, প্ৰবাদবাক্য সংযোজন কৰি কাব্যখনি জনপ্ৰিয়তাৰ তুৰীয় শিখৰলৈ উত্তৰণ কৰাৰ প্ৰযত্ন অতি প্ৰশংসনীয়।

**দৃষ্টান্ত স্বৰূপে–**

'দৈত্যৰ শৰক উৰুৱাইলা অপ্ৰয়াসে, শিমলু তুলাক যেন প্ৰচণ্ড বতাসে।' (পদ-১০৯৬) প্ৰমত্ত সিংহক যেন শৃগালে কামৰায়।' (পদ-৮৩৪) 'যেন ক্ষুদ্ৰ মৃগ লই বাঘত খেলাইবে খোজা পাওঁ।' (পদ-১০৮৩) হৰিণ ঘুথক যেন মণ্ড সিংহে পাই, কৌতুকে মন্দসে কৰে কিছু ভয় নাই।।' (পদ-১১৭০) আদিলৈ আঙুলিয়াব পাৰি।

মহাপুৰুষ শঙ্কৰদেৱৰ আগ বয়সত ৰচনা কৰা গুণে নাইবা সততে মূল ভাগৱতৰ প্ৰতি দৃষ্টি ৰাখিবলগীয়া হোৱা সত্বেও 'বলিছলন'ৰ বৰ্ণনা সমূহ কাব্যগুণ বিবৰ্জিত হোৱা নাই। অম্ৰাৱতীৰ বৰ্ণনা, বলিৰ যুদ্ধযাত্ৰা ত্ৰিপদ ভূমিদান প্ৰভৃতি বৰ্ণনাসমূহ কাব্যিক ৰসসিক্ত হৈছে।

বলিছলনৰ কাহিনী অংশ অসমীয়ালৈ অনুবাদ কৰোঁতে গুৰুজনাই সাধাৰণতে 'ভাগৱত পুৰাণৰ (৮/১৫/২৩) কাহিনী আৰু ৰচনা ক্ৰমকে অনুসৰণ কৰা দেখা যায়। গুৰুজনাই অনুবাদত কেনে দক্ষতাৰ পৰিচয় দিছে, তাৰ নিদৰ্শনা ৰূপে তলত উদ্ধৃত কৰা হ'ল--

১। ধৰ্মায় যশসেহৰ্থায় কামায় স্বজনায়চ।
পঞ্চধা বিভজন বিত্তমিহ্যমুত্ৰ চ মোদতে।।
৮/১৯/৩৭

অনুবাদ ঃ শুনিয়োক বলিযেন শাস্ত্ৰৰ বিহিত।
পঞ্চভাগ কৰি বিভাগিবে নিজ বিত্ত।।
ধৰ্ম্ম অৰ্থ কাম যশ পুত্ৰৰ নিদানে।
তেবেসে থাকিবে পাই সুখে সৰ্বক্ষণে।।
পদ- ১০২২

২।স্ত্ৰীযনুৰ্মবিবাহে চ বৃত্তাৰ্থে প্ৰাণসংকটে।
গো-ব্ৰহ্মণাৰ্থে হিংসায়াং নানৃতংম্যাজ্জুত পিমতম।।
৮/১৯/৪৩

অনুবাদ ঃ মূৰতি বিবাহ প্ৰাণ সংকটৰ ত্ৰাসে।
গো ব্ৰাহ্মণৰ অৰ্থে সৰ্বস্ব বিনাশে।।
এতেকতে মিছা মাতিলেও নাহি পাপ।
হেন জানি অঙ্গীকাৰ এৰা বলি বাপ।।
পদ- ১০২৩

মূলৰ লগত সংগতি ৰাখি মহাপুৰুষে স্থান বিশেষে দুই এটি ঘটনা সম্প্ৰসাৰণ সংযোজন নকৰা নহয়। বটুবামনে যজ্ঞশালালৈ গৈ মাত্ৰ তিনিপদ ভূমিদান স্বৰূপে খোজাত ভাগৱতৰ বলিয়ে অলপ হাঁহি মাথো কৈছে-- 'যি ইচ্ছা তাকে লোৱা।' উদাৰ মনৰ বলিয়ে উক্তি কৰিছে- 'কিনো অল্পবুদ্ধি তুমি ব্ৰাহ্মণ নন্দন।' শেষত বলিয়ে যি ইচ্ছা তাকে লোৱা বুলি কৈছে-- 'প্ৰাৰ্থিয়োক মোত মই দেওঁ সপ্তদ্বীপ।' (পদ-১০০২৬) ইয়াত যিখিনি কথা কৈছে সেই আটাইখিনি মহাপুৰুষ গৰাকীৰ নিজা সৃষ্টি। বলিৰ ভাৰ্যা বিন্ধ্যাৱতীৰ বামনৰ ওচৰত সকৰুণ স্তুতি আৰু সুতল পুৰীৰ সুদীৰ্ঘ বৰ্ণনা মহাপুৰুষৰ সৃজনী প্ৰতিভাৰ পৰিচায়ক।

অষ্টম স্কন্ধৰ অন্তৰ্গত 'গজেন্দ্ৰ উপাখ্যান' অমৃত মথন আৰু বলিছলন এই তিনিওখন কাব্যতে বিভিন্ন কাব্যিক অলংকাৰৰ প্ৰাচুৰ্যয়ো কাব্যিক সৌন্দৰ্য বৃদ্ধি কৰিছে। হৰি ভকতিৰ শ্ৰেষ্ঠত্ব প্ৰদিপাদন কৰিবলৈ বিচৰা কবিয়ে য'তেই অকণ সুৰুঙা পাইছে, ত'তেই উপমা, অনুপ্ৰাস, ৰূপক অলংকাৰৰ প্ৰয়োগেৰে নিজস্ব মত অধিক স্পষ্ট কৰিবলৈ বিচৰাটো মহাপুৰুষ গৰাকীৰ কুশল হস্তৰ পৰিচায়ক। জ্ঞান কৰ্ম আৰু ভক্তিযোগতকৈ যে কলিকালত ভক্তিৰে শ্ৰেষ্ঠ আৰু নৱবিধ ভক্তিৰ ভিতৰত শ্ৰৱণ-কীৰ্তন যে শ্ৰেষ্ঠত্বৰ তাক প্ৰতিপন্ন কৰাৰ প্ৰযত্ন উক্ত আখ্যান কেইটাত সৰ্বত্ৰ বিৰাজমান। প্ৰতিটো অধ্যায়তে সংযোজিত উক্তপ্ৰৱৰ মহাপুৰুষৰ দীঘলীয়া ভনিতাবোৰত এই ভাৱটোৱে বিভিন্ন ৰূপত পল্লৱিত হৈছে। ইয়াৰ উপৰিও ধন, জন, জীৱন, যৌৱন কোনোটোৱেই যে স্থায়ী নহয়, পুণ্যতীৰ্থ ভাৰত ভূমিত দুদিনীয়া নৰতনু লোৱা প্ৰত্যেক গৰাকী ব্যক্তিয়ে যে হৰিনাম শ্ৰৱণ-কীৰ্তনৰ দ্বাৰা মোক্ষ পথৰ সন্ধান পাব পাৰে আখ্যান কেইটাৰ এনে নীতি আদৰ্শ সদাচাৰ পৰিস্ফুট হৈছে। দুৰ্ঘোৰ কলিকালত এক বিষ্ণু বা কৃষ্ণৰ নাম-কীৰ্তনৰ বাদে আন দেৱ-দেৱীৰ পূজা অসাৰ তাৰো বলিষ্ঠ ঘোষণা ভনিতাবোৰত মূৰ্তিমান হৈ পৰাটো লক্ষণীয় কথা।

দুৰ্ঘোৰ কলিকালত জ্ঞান আৰু কৰ্মতকৈ ভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদিত হৈছে বিভিন্ন আখ্যান-উপাখ্যানৰ মাজেৰে। আলোচ্য অষ্টম স্কন্ধৰ অন্তৰ্গত আখ্যান কেইটাৰ জৰিয়তে ভক্তিৰ শ্ৰেষ্ঠত্ব নিৰূপিত হৈছে। জন্ম-জন্মান্তৰৰ কোনো সাধনা নোহোৱাকৈ একমাত্ৰ ভক্তিয়েহে মানুহক পৰম পদৰ সন্ধান দিব পাৰে। এই ভক্তিৰ ধাৰা নটি 'শ্ৰৱণ কীৰ্ত্তন স্মৰণ বিষ্ণুৰ পদসেৱন। দাস্য, সখিত্ব, বন্দন বিষ্ণুও কৰিব দেহা অৰ্পণ।' (প্ৰহ্লাদ চৰিত) নৱবিধ ভক্তিৰ ভিতৰত শ্ৰৱণ-কীৰ্তন হ'ল 'মহাশ্ৰেষ্ঠত্বৰ'।

আলোচ্য আখ্যানৰ মাজেদি হৰিনাম শ্ৰৱণ কীৰ্তনৰ প্ৰশস্ততা মনোৰমভাৱে বৰ্ণিত হৈছে। ভক্তিৰ বলত ভক্তই মায়াৰ নিগ্ৰহ আৰু জন্ম-মৃত্যুৰ হাত সাৰি নিৰ্গুণ ব্ৰহ্মত্ব প্ৰাপ্তিৰ কাৰণে যোগ্যতা অৰ্জন কৰাটো এটি তাৎপৰ্যপূৰ্ণ কথা। ভগৱান শ্ৰীকৃষ্ণৰ পাদমূলত শৰণ নাইবা তেওঁৰ প্ৰসাদ পাবলৈ একান্তভাৱে শ্ৰৱণ-কীৰ্তন কৰাই সকলো ভক্তি কাব্যৰ চৰম লক্ষ্য। কিয়নো শৰণ বিহীন ভক্তি কেচা মাটিৰ পাত্ৰত গাখীৰ থোৱাৰ দৰে অথলে যায়। ভগৱন্তৰ চৰণত গজেন্দ্ৰই একান্ত শৰণ লোৱাৰ কাৰণে গ্ৰাহৰ মুখৰ পৰা ৰক্ষা হ'ল। সংসাৰ নিকাৰ ভোগাৰ পৰা পৰিত্ৰাণ পাব পাৰি-- ঈশ্বৰক আত্মসমৰ্পণৰ মাজেৰে। সগুণ ঈশ্বৰৰ উপাসনাৰ মাজেদি কেনেকৈ নিৰ্গুণ ব্ৰহ্মৰ জ্ঞান লাভ কৰিব পাৰি তাৰো পথ নিৰ্দেশিত হৈছে এই আখ্যান কেইটাৰ মাজেদি

মহাপুৰুষ শঙ্কৰদেৱৰ ৰচনাৱলীৰ মুখ্য বৰ্ণনীয় বিষয়ৰূপে ভগৱান শ্ৰীকৃষ্ণৰ নাম, ৰূপ, লীলা, গুণ বৰ্ণিত হৈছে। থোৰতে ক'বলৈ হ'লে ভগৱান কৃষ্ণৰ চৰিত্ৰ আৰু মাহাত্ম্য প্ৰকাশ কৰাই হৈছে তেওঁৰ লক্ষ্য। আলোচ্য আখ্যান কেইটাত মহাপুৰুষে শৃংগাৰ, বীৰ, শান্ত, হাস্য, কৰুণ াদি ৰসৰ বহুল প্ৰয়োগ কৰিলেও, কিন্তু আটাইতকৈ মন কৰিবলগীয়া বিশেষত্ব হ'ল, যে এই সকলোবোৰ ৰসকে তেওঁ শেষলৈ ভক্তি অৰ্থাৎ দাস্যভক্তি ৰসৰ সঞ্চাৰ কৰাত গুৰুত্ব প্ৰদান। শঙ্কৰী কাব্যত লৌকিক কাব্যৰসক অতি কৌশলেৰে ভক্তিৰসৰ সাঁচত গঢ় দিয়া হৈছে।

পৰিশেষত ক'ব পাৰি যে মহাপুৰুষ শঙ্কৰদেৱৰ 'অষ্টম স্কন্ধ'ৰ অনুদিত আখ্যান কেইটা অনুবাদমূলক কাব্যাংশ হ'লেও ইয়াত প্ৰতিফলিত হোৱা বিভিন্ন লৌকিক আৰু সাহিত্যিক সৌন্দৰ্যই একোখনি ধ্ৰুপদী গ্ৰন্থ ৰূপে পৰিচয় দিবলৈ সক্ষম হৈছে।■■

শ্ৰীশঙ্কৰদেৱৰ বাক্যামৃত ঃ (সম্পাদনা) শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ।
শঙ্কৰী সাহিত্য ভূমিকা ঃ নাৰায়ণ দাস।
কীৰ্ত্তন-ঘোষা ঃ শঙ্কৰদেৱ।
শ্ৰীমদ্ভাগৱত ঃ (সম্পাদনা) শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ।

# বেদস্তুতিৰ তাৎপৰ্য

**শ্ৰীৰহীন্দ্ৰ দত্ত**

ভাগৱতৰ দশম স্কন্ধৰ সাতাশী সংখ্যক অধ্যায়ত বেদস্তুতিৰ কথাখিনি বৰ্ণিত হৈছে। অসমীয়ালৈ পদ ভাঙনি কৰিছে কবি ভাগৱতাচাৰ্য অনন্ত কন্দলিয়ে। মহাপুৰুষ শঙ্কৰদেৱে একশৰণীয়া ভকতৰ উপযোগীকৈ ভাৱঘন ভাষাৰে কীৰ্ত্তনত 'বেদস্তুতি' অধ্যায়টো সন্নিবিষ্ট কৰিছে।

বেদস্তুতিৰ অৰ্থ বিচাৰত ভাগৱত চৰ্চা কৰাসকল কিছু বিপাঙত পৰা পৰিলক্ষিত হয়, কিয়নো ইয়াত কিছু দ্ব্যৰ্থকতা আছে। বিশেষকৈ বেদেই স্তুতি কৰোঁতে 'নোহো যেন বেদৰ অধীন' বুলি বেদৰ উল্লেখ কৰিছে। অসমীয়া ভাগৱতৰ পদ কৰোঁতা ভাগৱতাচাৰ্যৰ মতেও

নাহি অৰ্থ গূঢ় শাস্ত্ৰ ভাগৱত সম।
তাতে বেদস্তুতি পণ্ডিতৰো মতিভ্ৰম।।১৭০৫৬

আমি আমাৰ জ্ঞান-বুদ্ধিৰ সীমাৱদ্ধতাৰ কথা অনুধাৱন কৰিও কথাখিনি নিজৰে আয়ত্ব হওক বুলিয়ে 'পখীসৱ উৰে যেন পখা অনুৰূপে' বাণী সাৰোগত কৰি এনে এটা কঠিন বিষয়তে হাত দিলো।

'বেদ' মানে সাধাৰণতে হিন্দুৰ প্ৰধান শাস্ত্ৰক বুজা হয় যদিও ইয়াৰ অৰ্থ ব্যাপক। 'বেদ' শব্দটো ৱিদ ধাতুৰপৰা উৎপন্ন হৈছে। ৱিদ + অচ্ = ৱেদ। 'ৱেদ' মানে জ্ঞান, পৰমজ্ঞান। বেদৰপৰা অতীন্দ্ৰিয় জ্ঞান লাভ কৰিব পাৰি। (বেদৰ পৰিচয়, পৃ.১)। যিটো ইন্দ্ৰিয়গোচৰ নহয়, তাৰ জ্ঞানেই অতীন্দ্ৰিয় জ্ঞান।

শঙ্কৰাচাৰ্যৰ অদ্বৈতবাদী দৰ্শনৰ মতে 'ব্ৰহ্মসত্য জগন্মিথ্যা' অৰ্থাৎ ব্ৰহ্মহে সত্য, জগতৰ বাকী সকলো মিছা। সকলোবোৰ মায়াৰ ৰচনা, অনিত্য। ব্ৰহ্ম কিন্তু কাল-মায়াৰ উৰ্দ্ধত; নিত্য, সত্য, আনন্দময়। শ্ৰীমন্ত শঙ্কৰদেৱৰ মতেও--

'ব্ৰহ্ম ব্যতিৰেকে যত দেখা মিছা আন।
জৰীত উপজি যেন আছে সৰ্পজ্ঞান।।'

সত্য বস্তু ব্ৰহ্ম কিন্তু ইন্দ্ৰিয়ৰ অগোচৰ, কীৰ্ত্তনৰ 'শিশুলীলা' অধ্যায়ত আছে--

'যিটো ব্ৰহ্ম নোহে তৰ্ক গোচৰ।
নপাৰে বচনে মনে ওচৰ।।
নাহি উতপতি নাহি মৰণ। ৬৭৭

বেদে ব্ৰহ্মকে নিৰূপণ কৰে বাবে ইয়াক বেদ-ব্ৰহ্মও বোলে। একেশ্বৰবাদ তথা একশৰণৰ প্ৰবক্তা মহাপুৰুষ শঙ্কৰদেৱকে প্ৰমুখ্য কৰি বৈষ্ণৱ কবিসকলৰ লেখনিত বেদ শব্দটো একাধিক অৰ্থত ব্যৱহৃত হৈছে। 'বেদস্তুতি'ৰ বেদ শব্দৰ যি অৰ্থ, সি 'বেদজৰী' বা 'বেদৰ অধীন'ৰ বেদ শব্দৰ অৰ্থৰপৰা পৃথক। উদাহৰণ দিয়া হ'ল--

নুহি নাৰায়ণ দিয়া শ্ৰৱণ কীৰ্ত্তন ভক্তি
নোহো যেন বেদৰ অধীন।।
-- কীৰ্ত্তন, ১৬৭২

যি পুনু তোমাত ভকতি নকৰে
বোলে জানো ব্ৰহ্মজ্ঞান।
বেদজৰী দিয়া তুমি বান্ধি থোৱা
সি ভৈল পশু সমান।।
-- ভাগৱত, দশম স্কন্ধ, ১৭১১৮

এইখিনিৰ সাৰমৰ্ম হ'ল, শ্ৰৱণ-কীৰ্তনেৰে ভগৱন্তত ভক্তি নকৰি বেদৰ সকামী কৰ্ম অৰ্থাৎ কৰ্মকাণ্ডত লিপ্ত হোৱাজন ব্ৰহ্মজ্ঞানী হ'লেও জন্ম-মৃত্যুৰ স্বৰূপ সংসাৰৰ হাত সাৰিব নোৱাৰে। বেদৰ আঁউজনী লৈ বন্ধন হোৱা বাবেই ইয়াত বেদক জৰী বোলা হৈছে আৰু লওঁতাজনক বেদৰ অধীন বোলা হৈছে।

আমাৰ আলোচ্য বেদ 'বেদস্তুতি'ত উল্লিখিত বেদহে। ব্ৰহ্ম নিজে ইন্দ্ৰিয়ৰ অগোচৰ। কিন্তু যিকোনো

জ্ঞান লাভৰ নিচিনাকৈ ব্ৰহ্মৰ বিষয়ে জ্ঞানলাভৰ প্ৰসঙ্গ উত্থাপন হ'লেও ইন্দ্ৰিয়ৰ কথা আহি পৰে। চকু, কাণ, নাক, জিভা, ছালক সেইবাবেই জ্ঞানেন্দ্ৰিয় বোলা হয়। অৱশ্যে ইহঁতে সংগৃহীত তথ্যপাতি ইন্দ্ৰিয়ৰ ৰজা-- মনক দিয়ে আৰু মনেই পৰৱৰ্তী পদক্ষেপ গ্ৰহণ কৰে। এই দৃষ্টিকোণৰ পৰাই সগুণ বেদে নিৰ্গুণ ব্ৰহ্মক বখানে বুলি কোৱা হয়।

নিৰ্গুণ ব্ৰহ্মই যেতিয়া 'পুৰুষ'ত নিজে অৱতীৰ্ণ হৈ প্ৰকৃতিদেৱীৰ সহযোগত জগত সৃষ্টিৰ পাতনি মেলিলে, প্ৰকৃতিৰ তিনিগুণে সকলোকে স্পৰ্শ কৰিলে; অৰ্থাৎ সকলো গুণময় হ'ল। বেদো গুণময় হ'ল। এতিয়া কথা হ'ল, এই বেদনো দৰাচলতে কি? উত্তৰটো সহজবোধ্য হ'বৰ বাবে এটা উদাহৰণ দিয়া যাওক। এটা সামাজিক অনুষ্ঠানলৈ দান দিয়া এজন দাতাৰ প্ৰতি কৃতজ্ঞতা জনাই দুআষাৰ ক'বলৈ সমাজখনৰ বৰমূৰীয়া গণ্য-মান্য এজনহে থিয় হ'ব। কওঁতে কথাখিনি তেৱেঁ ক'ব, কিন্তু সেইখিনি হ'ব সকলোৰে মনৰ কথা। ঠিক একেদৰে, বিশ্বনিয়ন্ত্ৰাৰ প্ৰতি অন্তৰৰ কৃতজ্ঞতা জ্ঞাপক প্ৰশস্তি বাণী গাওঁতে অৰ্থাৎ স্তুতি নিৱেদন কৰোঁতেও ভগৱন্তৰ শ্ৰেষ্ঠতম সন্তানেই এইটো কৰিব লাগিব। ঈশ্বৰসৃষ্ট এই বৰমূৰীয়াসকলেই হ'ল বেদ। প্ৰশ্ন হ'ল কোন হ'ব পাৰে এইসকল?

উৰণ, বুৰণ, গজন, গমন-- এই চাৰিমুঠি জীৱই পৰমেশ্বৰৰ সন্তান। এইকেইবিধৰ ভিতৰত গমন বিধৰে শাৰীৰিক গঠন আৰু মগজু উন্নত। ইয়াৰ ভিতৰতো মানুহৰেই বেছি উন্নত। সেইবাবে মানুহক জীৱশ্ৰেষ্ঠ বোলা হয়। মানুহৰো প্ৰথমাৱস্থাত ইতৰ প্ৰাণীৰ লেখীয়াকৈ ইন্দ্ৰিয়জ জ্ঞানহে থাকে। তাৰ পাছত চৌপাশৰ বহল পৃথিৱীখনত ভৰি দি সি ন ন বিষয়ৰ ওপৰত চিন্তা-চৰ্চা কৰিবলৈ লয়। এনেদৰে পাৰ্থিৱ জ্ঞান-বিজ্ঞানৰ নানা কথাই মানুহৰ মগজু অধিকাৰ কৰে। শেষতহে আহে আধ্যাত্মিক চিন্তন তথা ঈশ্বৰ চিন্তাৰ কথা। তাৰবাবে প্ৰয়োজন হয় ইন্দ্ৰিয়াতীত সূক্ষ্ম অনুভূতি, জ্ঞানীলোকৰ সান্নিধ্য, সৎ সঙ্গ আদি অনুকূল পৰিৱেশৰ।

জগত সংহাৰ কৰি নিদ্ৰাৰত অৱস্থাত থকা ভগৱন্তৰ প্ৰথম নিশ্বাসত বেদ বাহিৰ হয় বুলি উল্লিখিত হৈছে (কীৰ্ত্তন, ১৬৪৯); অৰ্থাৎ বেদ বা জ্ঞান পৰমপুৰুষৰ প্ৰথম সন্তান। আনহাতে বেদ তেওঁৰ প্ৰিয়তম সন্তানো, কাৰণ সুপ্ত বেদক জগাবৰ সামৰ্থ পৰমজ্ঞান বা বেদৰহে আছে। ভাগৱতত আছে--

প্ৰলয়ৰ অন্তে সৃষ্টি কাল উপসন্ন।
ঈশ্বৰৰ নিশ্বাসত জন্মে বেদগণ।।
পাচে ঈশ্বৰক বেদে জগাইবাক প্ৰতি।
নিৰ্গুণ মহিমা গাই কৰে মহাস্তুতি।।১৭০৭৯-৮০

সংসাৰতো আমি দেখা পাওঁ, প্ৰথম সন্তানৰ প্ৰতি পিতৃ-মাতৃৰ এক অহৈতুকি স্নেহ থাকেই, সেই সন্তান গুণী-জ্ঞানী হ'লেতো কথাই নাই।

ব্ৰহ্মৰপৰা সৃষ্ট বেদেই ব্ৰহ্মক জগোৱা কথাটোৰো তাৎপৰ্য আছে। ইতিমধ্যে উল্লেখ কৰি অহাই হৈছে যে, ব্ৰহ্ম নিৰ্গুণ যদিও গুণক আশ্ৰয় কৰিহে তেওঁ সৃষ্টিৰ পাতনি মেলিলে। তেওঁক জানিব-বুজিব পাৰিব তেওঁৰে সৃষ্ট মনুষ্যৰ শ্ৰেষ্ঠতমসকলে, শ্ৰেষ্ঠতমসকলৰ যোগেদিহে, সেইসকল বাণীয়েই হওক বা ব্যক্তিয়ে হওক। বিনোদ-বিলাসী সৃষ্টিকৰ্তাৰো সন্তুষ্টি আহিব তেতিয়াহে সগুণ বেদে নিৰ্গুণ ব্ৰহ্মক বখানে বুলি ওপৰত উল্লেখ কৰি অহা হৈছে। আনকথাত ক'ব পাৰি-- ব্ৰহ্ম নিজে নিৰ্গুণ, কিন্তু ব্ৰহ্মৰ ওচৰলৈ যোৱা পথবিলাক গুণময়। প্ৰথমেই দেখা যায়, ব্ৰহ্মচিন্তনৰ বাবে যি এক সুস্থ সবল দেহৰ প্ৰয়োজন-- সি সগুণ; আধ্যাত্মিক জ্ঞানলাভৰ বাবে যি গ্ৰন্থাদি পাঠৰ বা গুৰু আৱশ্যক হয়-- সেই সমস্ত সগুণ, আনকি ব্ৰহ্মজ্ঞান জিজ্ঞাসুজনে এই সগুণ পৃথিৱীখনত ভৰি দিয়ে চৌপাশৰ গুণময়তাৰ মাজতে নিৰ্গুণ ব্ৰহ্মক পোৱাৰ সাধনা কৰিব লগা হয়।

আৰু এটা কথা মন কৰিবলগীয়া। গন্তব্যস্থল আৰু পথৰ যি সম্পৰ্ক ব্ৰহ্ম আৰু জ্ঞানৰো সেই একে ওতঃপ্ৰোত সম্পৰ্ক। এই যুক্তিতে ক'ব পাৰি ব্ৰহ্ম আৰু বেদৰো সম্পৰ্ক অতি নিকট আৰু অবিচ্ছেদ্য। আৰু এঢাপ ওপৰত ক'ব পাৰি, যি যি পথেৰে বা প্ৰক্ৰিয়াৰে ব্ৰহ্মত্ব প্ৰাপ্তি ঘটে, সেই সেই প্ৰক্ৰিয়া বা পথবোৰেই বেদ।

সাম্প্ৰতিক কালতো এটা কথা দৃষ্টিগোচৰ হয়, এজন ক্ষণজন্মা পুৰুষ আৰু তেওঁৰ বাণীৰ মাজত কোনো পাৰ্থক্য নাই। বৰং অনেক ক্ষেত্ৰত বাণীৰ মহত্ব বেছিহে। কালৰ গতিত পুৰুষজনৰ পাঞ্চভৌতিক দেহাটোৰ

অৱসান ঘটে, কিন্তু তেওঁৰ শাশ্বত বাণীসমূহ অনুগামীসকলৰ প্ৰচেষ্টাত ৰৈ যায় যুগ যুগান্তৰলৈ। অতীতৰ ঋষি-মুনিসকলে সাধনাৰ গুণত পৰম পুৰুষৰ বাণীসমূহ উদ্ধাৰ কৰি মন্ত্ৰৰ আকাৰত সংৰক্ষণ কৰিছিল। সেইবাবে এই সকলক মন্ত্ৰদ্ৰষ্টা বোলা হয়। পৰৱৰ্তী যুগতহে পুৰুষানুক্ৰমে সংৰক্ষিত এই বাণীসমূহে পৰিবৰ্দ্ধিত ৰূপ লৈ গ্ৰন্থৰ আকাৰত আত্মপ্ৰকাশ কৰে। বিষয়বস্তুৰ শৃঙ্খলাৱদ্ধতা অনুসাৰে ইবিলাকে ঋক্, যজুঃ, সাম আৰু অথৰ্বৰূপে প্ৰকাশ পালে। ব্ৰাহ্মণ, সংহিতা, আৰণ্যক, উপনিষদ, মন্ত্ৰ, বেদাঙ্গ আদিক বৈদিক সাহিত্য বুলি অভিহিত কৰা হ'ল। বেদসমূহ পৰম ঈশ্বৰৰে বাণী বাবে বেদকে ঈশ্বৰো বোলা যায়।

কলিযুগৰ ভাৰাক্ৰান্ত মানুহৰ মনৰ অৱস্থা আৰু পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখিয়েই নিৰ্গুণ-নিৰাকাৰ অবাঙ্মনঃ গোচৰ ব্ৰহ্ম মহাপুৰুষ শঙ্কৰদেৱৰ সাধ্যবস্তু নহয়। কাৰণ ইদ্ৰব্য, দেশ, তনু, মন, প্ৰাণ কলিমলত দূষিত হোৱাসকলৰ বাবে সম্ভৱ নহয়। আন নালাগে, জ্ঞানমাৰ্গৰ যম, নিয়ম আদি অষ্টাঙ্গ যোগ অভ্যাসৰ বাবে সাধক অসহায়, অক্ষম।

যোগ শাস্ত্ৰ মতে মানৱ দেহত পদুমৰ আকৃতিৰ ছটা চক্ৰ আছে? সেইকেইটা হ'ল-- মূলাধাৰ, স্বাধিষ্ঠান, মণিপুৰ, অনাহুত, বিশুদ্ধ আৰু আজ্ঞা। এইকেইটা থকা স্থানবিলাক হ'ল যথাক্ৰমে গুহ্য, লিঙ্গ, নাভি, হৃদয়, কণ্ঠ আৰু ভ্ৰূ বা চেলাউৰি। ইয়াৰে গুহ্যদ্বাৰক চতুৰ্দল, লিঙ্গমূলত ষটদল, নাভিত দশদল, হৃদয়ত অষ্টাদশ দল, কণ্ঠত ষোড়শ দল আৰু ভ্ৰূৰ মাজত দ্বিদল পদ্ম আছে। ভাগৱতৰ বেদস্তুতিৰ ওঠৰ অধ্যায়ত বেদৰ কথাৰে কোৱা হৈছে-- 'যোগীসকলে ঋষিৰ উপদেশত উদৰক অৱলম্বন কৰি মণিপুৰ চক্ৰত তোমাক উপাসা কৰে। কোনো কোনোৱে হৃদয়ক অৱলম্বন কৰি সূক্ষ্মৰূপে চিন্তা কৰি সুষুম্না নাড়ীৰ মূৰত তোমাৰ স্বৰূপ লাভ কৰে। তেতিয়া আৰু সংসাৰ চক্ৰত পতিত নহয়।' জ্ঞানমাৰ্গত শৰীৰৰ ছয় চক্ৰ চিন্তনৰ যোগে জন্ম-মৃত্যুৰ হাত সৰা অৰ্থাৎ ব্ৰহ্মত্ব প্ৰাপ্তি হ'ব পৰা কথাটো স্বীকাৰ কৰিও সাম্প্ৰতিক যুগত হৃদিগত কৰি ভগৱন্তক উপাসা কৰিলেহে যে সংসাৰ সাগৰৰ পাৰ পাব পাৰি, সেই কথা কীৰ্ত্তনত বেদৰ মুখেৰে শঙ্কৰদেৱে কোৱাইছে এনেদৰে--

শৰীৰৰ ছয় চক্ৰ চিন্তে যিটোজন।
তাহাৰ গুচোৱা মৃত্যুভয় নাৰায়ণ।।
হৃদিগত কৰি হৰি সম্প্ৰতি তোমাক।
কৰোহো উপাসা আমি সবে বেদজাক।।১৬৫৪

যুগৰ পৰিৱেশ পৰিস্থিতি, মানুহৰ মানসিক অৱস্থা, শিক্ষা-দীক্ষা, মূল্যবোধ, সামাজিক-ৰাজনৈতিক বাতাৱৰণ কালৰ গতিত সলনি হৈ থাকে। বেদৰ বাণীয়েও যুগৰ লগত সঙ্গত হৈ মানুহৰ মনোজগত ক্ৰিয়াশীল কৰি আহি আছে। বিভিন্ন সময়ত বেলেগ বেলেগ নামেৰে, অভিব্যক্তিৰে ইবিলাকে আত্মপ্ৰকাশ কৰি আহিছে। মহাপুৰুষ শঙ্কৰদেৱৰ দিনত তাৰাৰ সূৰ্যসদৃশ মনোজগতৰ পৰা নিৰ্গত কীৰ্ত্তন, দশম আদি ৰশ্মিপুঞ্জই বেদৰ ভূমিকা ল'লে। শঙ্কৰদেৱৰ প্ৰিয়তম শিষ্য মাধৱদেৱক গুৰুৰ সৈতে অভিন্নতা বুজাবলৈ 'কায়াৰ লগত ছায়া' আখ্যা দিয়া হয়। গুৰুৰ মতাদৰ্শক অধিক সবল আৰু জীৱন্ত কৰি তুলিবলৈ মাধৱদেৱেও নাম-ঘোষা, ভক্তি-ৰত্নাৱলী আদি ৰচনা কৰি গ'ল। গতিকে সাম্প্ৰতিক প্ৰেক্ষাপটত চাৰিবেদৰ লগত ৰজিতা খুৱাই কীৰ্ত্তন, দশম, ঘোষা, ৰত্নাৱলীকে বেদ বোলা হয়।

কৃষ্ণভক্তিতে যে জ্ঞানমাৰ্গেৰে কৰা ব্ৰহ্মৰ সাধনা নিহিত আছে, স্বয়ং কৃষ্ণদেৱে এনেদৰে বুজাই গ'ল--

জ্ঞানে গতি কৰৈ বেদ লোৱা তাৰ পৰিচ্ছেদ
আছে জ্ঞান ভকতিৰ মাজে।
ভকতি কৰন্তে জানা আপুনি উপজৈ জ্ঞান
যোগ চিন্তি মৰৈ মিছা কাজে।।

-- ভাগৱত, ১১/১৭৬৭৩

গুৰুজনাৰ ধৰ্মৰ আদৰ্শ হ'ল-- এক কৃষ্ণদেৱত ভকতি কৰোঁতেই জ্ঞান উপজে, অৰ্থাৎ যোগৰ সমস্ত ফল লাভ হয় আৰু মোক্ষ প্ৰাপ্তি ঘটে। ভকতিয়েই যেতিয়া কৰিব লগা হ'ল ইয়াৰ সৈতে খাপ খোৱা এজন সগুণ সাকাৰ ভগৱন্তৰো প্ৰয়োজন হ'ল। কৃষ্ণই হ'ল এই সচ্চিদানন্দ বিগ্ৰহ, স্বয়ং ভগৱান, 'কৃষ্ণস্তু ভগৱান স্বয়ং'। মহাপুৰুষৰ দশমত দৈৱকী বসুদেৱৰ পুত্ৰ কৃষ্ণৰ জন্ম, কৰ্ম, গুণ-চৰিত্ৰ সবিস্তাৰ বৰ্ণিত হৈছে যদিও এই কৃষ্ণৰ সত্তা ব্যাপক। ভাগৱতৰ প্ৰথম স্কন্ধৰ আৰম্ভণিতে সেয়েহে গুৰুজনাই 'যাৰ আজ্ঞা শিৰে বহে ব্ৰহ্মা হৰি হৰ' বুলি কৃষ্ণদেৱৰ বিজয় ঘোষণা কৰিছে। এই কৃষ্ণ সৃষ্টি,

স্থিতি, প্ৰলয়ৰ পৰম কাৰণ নাৰায়ণ। (ঘোষা, ৫৮৯)।

আৰু এটা কথাত সন্দেহৰ অৱকাশ নাই যে, নিৰ্গুণ নিৰাকাৰ পৰমব্ৰহ্ম আৰু সগুণ-সাকাৰ কৃষ্ণদেৱৰ সাধন-মাৰ্গৰ পৰাহে ভেদ, সত্তাগত কোনো ভেদ নাই। সাধকৰ কথা চিন্তা কৰিহে গুৰুজনাই ব্ৰহ্মৰ অভিব্যক্তিৰ ভিন্নতা স্বীকাৰ কৰিছে মাত্ৰ। এই প্ৰবন্ধৰ আৰম্ভণিতে দি অহা কীৰ্তনৰ শিশুলীলাৰ উদ্ধৃতিলৈকে পুনৰ অহা যাওক--

নাহি উতপতি নাহি মৰণ।
সদায়ে প্ৰণামো তযু চৰণ।। ৬৭৭

উৎপত্তি মৰণ নোহোৱা অৰ্থাৎ দেহহীন ব্ৰহ্মৰ চৰণ প্ৰণামৰ উল্লেখেৰে সগুণ কৃষ্ণৰে গুণ-গান কৰা হৈছে।

'বেদস্তুতি'ৰ ১৯-২০ অধ্যায়ৰ কথা হ'ল, যেনেকৈ বেলেগ বেলেগ কাঠৰ সকলোতে অগ্নি বিৰাজমান, ভগৱন্তও স্বসৃষ্ট বিভিন্ন দেহবোৰত বিৰাজমান। গুৰুজনাৰ কলমত পাওঁ--

আপুনি স্ৰজিলা চৰাচৰ দেহা যত।
সমস্তে ঐশ্বৰ্য্যভাৱে আছা সমস্তত।।
জীৱ অংশে তুমি প্ৰৱেশিলা গাৱে গাৱে। কীৰ্ত্তন, ১৬৫৫

সদানন্দ, পৰমানন্দ, নিত্যানন্দ, পূৰ্ণানন্দ আদি ভগৱন্তৰে নাম। অৰ্থাৎ তেওঁ নিজানন্দে পূৰ্ণ, সদায় আনন্দময়; তথাপি তেওঁৰ সৃষ্ট শ্ৰেষ্ঠ জীৱ মনুষ্যৰ পৰা বিচাৰে হৃদয়ৰ প্ৰেমভক্তি। এই ভক্তিয়েহে জগতত শান্তিৰ নিজৰা বোৱায়। দেৱৰো দুৰ্লভ মনুষ্যদেহা হৰি ভজনতহে সাৰ্থক হয়। বেদস্তুতিৰ ১৬-১৭ শ্লোকত কোৱা হৈছে, 'যদি তোমাক ভজে, তেতিয়াহে জীৱন সফল হয়, অন্যথা ভাথিৰ নিশ্বাসৰ দৰেহে উশাহ লৈ সেইজন জীয়াই থাকে, অৰ্থাৎ সেইজনৰ জীৱন নিষ্ফল।' বেদৰ কথাখিনি মহাপুৰুষে ৰূপ দিছে এনেদৰে--

মনুষ্য শৰীৰৰ পায়া যিটো নৰগণ।
নকৰৈ তোমাৰ যদি শ্ৰৱণ কীৰ্ত্তন।।
বিফলে জনম গৈল ভৈল সৰ্ব্বনাশ।
জীৱন্ততে মৰা যেন ভাথিৰ নিশ্বাস।।১৬৬৩

এনে যুক্তিৰ আধাৰতে ভাগৱতাচাৰ্যই ভাগৱতৰ বেদস্তুতিত সামাজিকৰ প্ৰতি উপদেশ দিছে এনেদৰে--

'শুনা নৰনাৰী আক থিৰ কৰি মতি।
বেদৰ সুন্দৰবাদ মুকুন্দ ভকতি।।' ১৭০৮২

মহাপুৰুষ গুৰুজনাই ভক্তিপৰ কথাখিনিহে ভকতৰ উপযোগীকৈ অনুবাদ কৰিছে। মূলৰ অনেক শ্লোক সহজ-সৰল পাঠক-শ্ৰোতাৰ দুবোধ্য হ'ব বুলি তাৰাই পৰিত্যাগ কৰিছে বা চমু কৰিছে। বেদস্তুতিৰ ২১ নং শ্লোকত শ্ৰৱণ-কীৰ্তন কথা, ২৭ নং শ্লোকত হৰিভক্তিৰ বাহিৰে তপ-জপ, তীৰ্থ-ব্ৰত, যাগ-যোগৰ সাৰশূন্যতাৰ কথা, ৩২-৩৩ নং শ্লোকত গুৰুৰ আৱশ্যকতাৰ কথা আৰু ২৪ নং শ্লোকত হৰিনাম ধৰ্মৰ মূলকথা একশৰণৰ বিষয় উত্থাপিত হৈছে।

ইতিমধ্যে এই কথা প্ৰকাশ হৈছে যে স্তুতিৰ অৰ্থ মিনতি, প্ৰশংসা, গুণানুবাদ বা স্তৱ। ভগৱন্তৰ সৃষ্টিৰ শ্ৰেষ্ঠতম জীৱ ভকতে ভগৱন্তৰ গুণ-নাম, ঐশ্বৰ্য প্ৰকাশক যি চৰিত্ৰ কীৰ্তন কৰে সেয়ে বেদস্তুতি। এই স্তুতি শ্ৰৱণ কৰি, কীৰ্তন কৰি, হৃদয়ঙ্গম কৰি, ইয়াৰ সৈতে একাত্ম হৈ মানুহে ধৰাধামতে বৈকুণ্ঠ ৰচনা কৰাৰ গুণাৱলী আয়ত্ব কৰিব পাৰে। এই স্তুতিয়েহে স্বকৰ্মত বিভোৰ পৰম-পুৰুষৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰে।

এনেদৰেই বেদস্তুতিত একশৰণ হৰিনাম ধৰ্মৰ মূল বৈশিষ্ট্য আৰু বিশ্বনিয়ন্তাৰ স্বৰূপ নিহিত হৈ আছে। এনেদৰেই অধ্যায়টোৰ তাৎপৰ্য হ'ল, সকলোৰে মান্য, শ্ৰদ্ধেয় বেদৰ যোগেদি ঈশ্বৰৰ মহিমা প্ৰকট কৰি সকলোকে নিজৰ কৰণীয় সম্পৰ্কে সজাগ আৰু সচেতন কৰি তোলা।■■

**আধাৰ গ্ৰন্থাৱলী ঃ**

১। কথা ভাগৱত ঃ বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য বিৰচিত, ড° হৰিনাথ শৰ্মাদলৈ সম্পাদিত।

২। নাম-ঘোষা ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ প্ৰকাশিত।

৩। বেদৰ পৰিচয় ঃ যোগীৰাজ বসু

৪। শ্ৰীমদ্ভাগৱত ঃ হৰিনাৰায়ণ দত্তবৰুৱা সম্পাদিত।

৫। শ্ৰীশঙ্কৰ বাক্যামৃত ঃ হৰিনাৰায়ণ দত্তবৰুৱা সম্পাদিত।

# ভাগৱতত বৰ্ষা বৰ্ণন, আধ্যাত্মিক তত্ত্ব আৰু সামাজিক চিত্ৰ

**শ্ৰীললিত হাজৰিকা**

পৱিত্ৰ গংগাৰ পাৰৰ আশ্ৰমসদৃশ স্থানত কুশাসনত উপৱিষ্ট মৃত্যুমুখী ৰজা পৰীক্ষিতৰ আগত ব্যাসনন্দন মহামুনি শুকদেৱে শ্ৰীকৃষ্ণৰ বাল্যকালৰ লীলাসমূহ বৰ্ণনা কৰোঁতে প্ৰসংগক্ৰমে বতৰৰ বিভিন্ন ঋতুত প্ৰকৃতিৰ পৰিৱৰ্তনে মানৱৰ দেহ, মন আৰু চৰিত্ৰৰ ওপৰত কেনেদৰে প্ৰভাৱ বিস্তাৰ কৰে, তাৰ এক অনুপম বৰ্ণনাও দাঙি ধৰিছে। ইয়াৰ লগতে বৰ্ষাকালৰ প্ৰকৃতিৰ এক বিস্তৃত বৰ্ণনাও মহামুনিগৰাকীয়ে আগবঢ়াইছে। মহাপুৰুষ গুৰুজনাই ভাগৱত শাস্ত্ৰৰ ভিতৰুৱা এই অধ্যায়টো দেশ-কাল-পাত্ৰ উপযোগীকৈ অনুবাদ কৰোঁতে অসমৰ বৰ্ষাকালৰ প্ৰকৃতিৰ এক জীৱন্ত বৰ্ণনা, প্ৰকৃতিৰ প্ৰতিটো চিত্ৰৰ তত্ত্বগধুৰ ব্যাখ্যা, সমকালীন সমাজৰ চিত্ৰ আৰু তাৰাৰ দ্বাৰা প্ৰচাৰিত ধৰ্মীয় দৰ্শনৰ আভাস দিবলৈ চেষ্টা কৰিছে। ভাৰতীয় সাহিত্যত বৰ্ষা ঋতুৰ বৰ্ণনা অনেক গ্ৰন্থত আছে অতি মনোৰম আৰু হৃদয়স্পৰ্শীকৈ; কিন্তু গুৰুজনাই মানৱ চৰিত্ৰ আৰু ধৰ্মীয় দৰ্শন সংপৃক্ত কৰি বৰ্ষাকালৰ প্ৰকৃতিৰ যি অনুপম চিত্ৰ অংকন কৰিছে, তাৰ তুলনা অন্য সাহিত্যত বিৰল। ইয়াৰ আভাস মাত্ৰ লেখাটোত দিবলৈ প্ৰয়াস কৰা হ'ল।

গ্ৰীষ্ম ঋতু অন্ত পৰাৰ লগে লগে আৰম্ভ হ'ল বৰ্ষাকাল। সমগ্ৰ আকাশ গাজনি-ঢেৰেকনিৰে ঘনঘোৰ কলীয়া মেঘে ঢাকি ধৰিলে। বিজুলীৰ চিকমিকনিয়ে আকাশ উজ্বলাই তুলিলে। প্ৰচণ্ড গতিৰে বতাহ ব'বলৈ ধৰিলেও চন্দ্ৰ, সূৰ্য আৰু তৰাবোৰ কৃষ্ণবৰ্ণ মেঘৰ আঁৰত লুকাই পৰিল। গুৰুজনাই বৰ্ষাকালৰ এনে অৱস্থাৰ লগত জীৱাত্মা আৰু পৰমাত্মাৰ সম্বন্ধৰ তুলনামূলক সুন্দৰ ছবি এখন অংকন কৰিছে।

পৰমাত্মাৰ অংশ হ'ল জীৱাত্মাসমূহ। সদিচ্ছানন্দ পৰম পুৰুষৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ অংশস্বৰূপ আত্মাৰ জীৱদেহত অৱস্থানেই জীৱৰ চৈতন্যস্বৰূপ চালিকা শক্তি। কিন্তু যেনেকৈ বাৰিষাৰ কলীয়া ডাৱৰে আকাশৰ চন্দ্ৰ, সূৰ্য আৰু তৰাবোৰক ঢাকি পেলায়, তেনেকৈয়ে ভগৱন্তৰে সৃষ্টি মায়া শক্তিৰে জীৱৰ এই জ্ঞান সম্পূৰ্ণৰূপে ঢাকি ধৰে। ফলত জীৱই নিজকে স্বয়ংসম্পূৰ্ণ বুলি ভাৱে আৰু দেহকেই সৰ্বস্ব বুলি জ্ঞান কৰে।

'বহে খৰ্ব বায়ু নুশুনিয় মাতবোল।
গগণক ঢাকি মহা মেঘৰ আন্দোল।।
নাকলিয়া চন্দ্ৰ সূৰ্য জ্যোতি তাৰাগণ।
যেন জীৱ আত্মা শৰীৰতে ভৈল ছন্ন।।'

বাৰিষা কালত প্ৰবল বৰষুণৰ ফলত দ-বাম, নদী-নলা পানীৰে একাকাৰ হৈ পৰে, আনকি শুকাই যোৱা জান-জুৰিও পানীৰে উপচি পৰে। তেনেকৈয়ে মহান হৃদয়ৰ লোকসকলে দীন-দুখীসকলক উভৈনদীকৈ দান দি তেওঁলোকৰ দুখ মোচন কৰে--

বিদ্যুৎ সঞ্চাৰে ছন্দ বতাহে চঞ্চল।
নিৰন্তৰে মেঘগণ বৰিষিলা জল।।
খাল বাম ভৰি ভূমি ভাগি বৱে জান।
যে মহামহন্তে দুখীক দিল দান।।

খৰালি কালত শুকাই যোৱা পৃথিৱীখন, বাৰিষা কালত বৰষুণৰ পানী পাই সতেজ হৈ উঠে, কৃশকায় নৈবোৰ দোকোলটকা হয়, তেনেকৈ ব্ৰত-উপবাসে থাকি থাকি তপস্বীসকলৰ শুকাই-ক্ষীণাই যোৱা দেহবোৰ আহাৰ গ্ৰহণৰ লগে লগে পৰিপুষ্ট হৈ পৰে--

গ্ৰীষ্মত আছিল শুখাই ৰৌদ্ৰ তাপ সহি।
বাৰিষা কালত দুনাই পুষ্ট ভৈল মহী।।

তপ উপবাসে দেহা আছিল শুখাই।
দুনাই ভোগ ভুঞ্জিলত আপুনি পুঠাই।।

বৰ্ষাকালৰ ৰাতিৰ আকাশখন কৃষ্ণবৰ্ণ মেঘৰ দ্বাৰা আবৃত হৈ থকাৰ কাৰণে নক্ষত্ৰসমূহ ঢাক খাই থাকিলেও প্ৰচণ্ড তাপ অনুভৱ কৰা যায়, ঠিক তেনেকৈয়ে কলিযুগ প্ৰৱৰ্তন হোৱাৰ কাৰণে বেদৰ মূল নীতি-বচনসমূহ বিকৃত হৈ পৰে আৰু পাষণ্ড আচাৰসমূহ সমাজত প্ৰৱৰ্তন হয়।

'জুইৰ আংগনি জ্বলে বাৰিষা নিশাত।
নকৰে প্ৰকাশ তাত নক্ষত্ৰে সাক্ষাত।।
যেন কলি যুগে বেদশাস্ত্ৰ হৰে ছন্ন।
প্ৰকাশে পাষণ্ড শুনে তাতেসে বচন।।'

বাৰিষা কালত বেঙৰ সংখ্যা বৃদ্ধি হয় আৰু মেঘৰ গাজনি শুনাৰ লগে লগে সিহঁতৰ আৰাও চৰে। বাৰিষাৰ এই দৃশ্যৰ লগত কবিজনে সাদৃশ্য বিচাৰি পাইছে বিদ্যালয়ত গুৰুসকলে চিঞৰি চিঞৰি পাঠ পঢ়িবলৈ ধৰা দৃশ্যৰ লগত।

নাদ শুনি মেঘৰ বেংগৰ ৰোল চৰে।
গুৰু পাঠ দিলে যেন শিষ্য পাছে পঢ়ে।।

বাৰিষা পানীৰে ওফন্দি পৰি সৰু সৰু নৈ, জান, জুৰিবোৰ যেনি-তেনি ববলৈ আৰম্ভ কৰি খেতি-কলা নষ্ট কৰে-- তেনেকৈয়ে নিধনীয়ে ধন পাই অকাৰ্য কাৰ্যত সমাজ তথা দেশৰ ক্ষতি কৰে।

'বহুৰে বিপথে আতি ক্ষুদ্ৰ নদী যত।
কৰে অকাৰ্যত যেন ধনৰ গৰ্বত।।'

বাৰিষা কালত পানী পাই পৃথিৱী শস্য-শ্যামলা হয়, খেতিয়কৰ হিয়া আনন্দেৰে নধৰা হয়, কেতিয়াবা আকৌ হঠাৎ বৰষুণৰ অভাৱত খেতিপথাৰ শুকাই যায়। তেতিয়া তেওঁলোকৰ বিষাদৰ অন্ত নোহোৱা হয়। ভগৱানৰ সৃষ্ট সকলো জীৱ যে দৈৱৰ অধীন সেই কথা নজনাৰ বাবেই জীৱৰ এই হৰ্ষ-বিষাদৰ উদ্ভৱ হয়।

'বৃষ্টিজল পায়া শস্য কৰে হলফল।
দেখি কৃষকৰে মনে মহা কৌতূহল।।
শুখাই পৰে জল পুনু অত্যন্ত অসুখ।
দৈৱধীন নজানিলে মিলে মহাদুখ।।

বাৰিষাকালত ন-পানীয়ে নদী, নলা, খাল, বাম সকলো ঠাই বুৰাই পেলায় আৰু এই পানী পাই জল-স্থলত বাস কৰা জীৱ-জন্তুৱে বৰষুণত তিতি-বুৰি বোকা-পানী খচি আনন্দত উত্ৰাৱল হয়, তেওঁলোকৰ দেহৰ সৌন্দৰ্যও মনোৰম হৈ পৰে। ঠিক তেনেকৈয়ে হৰিভক্তিপৰায়ণ হৈ জীৱই শ্ৰীকৃষ্ণত একান্তভাৱে শৰণ ল'লে অন্তৰৰ কদৰ্যতা নাইকিয়া হয় আৰু পৰম আনন্দ লাভ কৰে।

বাৰিষা কালত পানীৰে পৰিপুষ্ট নদীসমূহ প্ৰবল বেগেৰে বৈ সাগৰৰ লগত সংযমত লিপ্ত হৈ আনন্দত মহাকল্লোল কৰে, ঠিক তেনেদৰে যিজন যোগীৰ মনৰ পৰা কামভাৱ নিৰ্মূল নহয়, তেনে যোগীয়ে সুবিধা পালেই পুনৰ ভ্ৰষ্টাচাৰী হৈ উঠে।

'হুয়া নদীসৱ সমে সংগম সাগৰ।
কৰিল কল্লোল মহা উৰ্মি ভয়ংকৰ।।
যেন যিটো যোগীৰ নুগুচে কাম কষ্ট।
বিষয়ক পাইলে পুনৰপি হোৱে ভ্ৰষ্ট।।'

বাৰিষা কালত পৰ্বত-পাহাৰত মূষলধাৰে বৰষুণ হয়, কিন্তু এনে প্ৰবল বৃষ্টিপাতৰ ফলত পৰ্বতে কোনো ক্লেশ অনুভৱ নকৰে, তেনেদৰে যিসকলে একান্তভাৱে শ্ৰীকৃষ্ণত শৰণ লৈছে তেওঁলোকক দুখ-শোক-মোহে পীড়া কৰিব নোৱাৰে।

'যদ্যপি মূষলধাৰে মেঘে বৰষিল।
তথাপি পৰ্বতে পীড়া কিছু নাজানিল।।
যিজনৰ ভৈল মন কৃষ্ণত প্ৰৱেশ।।
তাক যেন লংঘিব নোৱাৰে দুঃখ ক্লেশ।।

বৰ্ষাকালত বৃষ্টিপাত হোৱাৰ লগে লগে বাট-পথ পানীয়ে বুৰাই পেলায়, মানুহ আৰু জীৱ-জন্তু বাটেদি অহা-যোৱা কৰিব নোৱাৰা হয়, ফলত ঘাঁহ-বনে বাট-পথ ঢাকি পেলায়, তেনেদৰে যিসকল ব্ৰাহ্মণে নিয়মিতভাৱে বেদ অভ্যাস নকৰে, তেওঁলোকে পূৰ্বে অধ্যয়ন কৰাখিনিকো পাহৰি যায়।

'তৃণ ঢাকিলেক পথসৱ ভৈল ছন্ন।
নকৰিল লোক আৰ আমনাগমন।।
নপঢ়িলে দ্বিজে যেন তেজিল অভ্যাস।
পাসৰিলে সব বেদ পথ ভৈল নাশ।।'

বাৰিষাৰ আকাশত প্ৰায়ে ইন্দ্ৰধনুৰ (ৰামধেনু) আৱিৰ্ভাৱ হয়। মেঘৰ মাজেদি ৰামধেনুৰ প্ৰকাশে

আকাশত সৌন্দৰ্যৰ পোহাৰ মেলে। পৃথিৱী, আকাশ অপৰূপা হৈ পৰে। কিন্তু এই ইন্দ্ৰধনুৰ নিজা ৰং নাই। সূৰ্যৰ বিভিন্ন ৰঙৰ জ্যোতিৰেহে জ্যোতিস্মান হৈ পৰে। তেনেদৰে পৰম পুৰুষ পৰম ব্ৰহ্ম নিৰ্গুণ। এই নিৰ্গুণ ভগৱন্তই তেওঁৰে সৃষ্ট সত্ব ৰজ তম গুণেৰে তিনি কাৰ্য-- সৃষ্টি, পালন, সংহাৰ সম্পন্ন কৰি সগুণেৰে সংপৃক্ত জীৱসমূহৰ মাজেৰে নিজকে প্ৰকাশ কৰি জীৱসমূহৰ চালিকা শক্তি হৈ পৰে।

‘পঞ্চবৰ্ণে ৰচিত নিৰ্গুণ ইন্দ্ৰধনু।
গুণৱন্ত মেঘত প্ৰকাশে পুনু পুনু।।
যেন তিনি গুণময় জগতে যতেক।
নিৰ্গুণ পুৰুষ তাত প্ৰকাশে প্ৰত্যেক।।’

বাৰিষাৰ আকাশত হস্তী পদক্ষেপৰে, ধীৰ-গম্ভীৰ গতিৰে কৃষ্ণৱৰ্ণ মেঘবোৰ উৰি ফুৰে; কিন্তু চঞ্চল বিজুলী এক মুহূৰ্তৰ বাবেও সেই মেঘৰ মাজত স্থিৰ হৈ নাথাকে, যেনেকৈ মহা গুণৱন্ত পুৰুষক স্বামী হিচাপে পায়ো, বেশ্যাৰ চঞ্চলতা নকমে, মতি-গতিৰো সলনি নহয়।

‘লোকৰ সুহৃদ মেঘসৰ মহাধীৰ।
চঞ্চলা বিজুলী চটা তাতো নুহি থিৰ।।
যেন মহ গুণৱন্ত পুৰুষক পাই।
তথাপিতো বেশ্যাৰ বুদ্ধিৰ থিৰ নাই।।’

আকৌ বাৰিষাৰ ৰাতিৰ আকাশত চন্দ্ৰৰ জ্যোতিৰে মেঘসমূহ উদ্ভাসিত হৈ উঠে। কিন্তু সেই মেঘেই চন্দ্ৰক মাজে সময়ে আচ্ছন্ন কৰি লোকচক্ষুৰ পৰা আঁতৰাই পেলায়। তেনেদৰে যদিও প্ৰকৃতিৰ দ্বাৰাই ভগৱন্তই সকলো কৰ্ম সম্পন্ন কৰে, (প্ৰকৃতি হ’ল সত্ব ৰজ তম গুণৰ সাম্য অৱস্থা) কিন্তু মায়াৰ দ্বাৰা আবৃত অহংকাৰত বিমুগ্ধ চিত্ত জীৱই ভাবে যে তেওঁহে সকলো কৰ্মৰ কৰ্তা, অৰ্থাৎ কৰ্ম অনুষ্ঠান কৰিছে।

চন্দ্ৰজ্যোতি প্ৰকাশিত যিটো মেঘগণ।
নজ্বলন্ত চন্দ্ৰো সেহি মেঘে হুৱা ছন্ন।।
যেন সিটো চৈতন্যে প্ৰকাশে অহংকাৰ।
সেহি অহংকাৰ ঢাকে জ্যোতি জীৱাত্মাৰ।।’

বাৰিষা পৰ্যাপ্ত পৰিমাণে পানী পাই গছ-লতাসমূহ সজীৱ আৰু সতেজ হয়, ফল-ফুলেৰে ভাৰাক্ৰান্ত হৈ জাতিষ্কাৰ হৈ পৰে. যেনেকৈ ঋষিসকলে ভালেদিন উপবাসে থকাৰ অন্তত আহাৰ কৰিবলৈ পাই হৃষ্ট-পুষ্ট হৈ পৰে।

‘বৃক্ষসৰে বৃষ্টিৰ শিপায়ে পিৱে জল।
মেলি ডাল পাত নিতে কৰে হলফল।।
যেন উপবাসে দেহা আছিল ক্ষীণাই।
হোৱে মহাপুষ্ট আসি ভুঞ্জিবাক পাই।।’

আকৌ বাৰিষা কালত প্ৰবল বৃষ্টিপাতে আলি-পদূলি ভাঙি নষ্ট কৰি গোটেইখন বোকাময় কৰে, যেনেকৈ কলিকালত পাষণ্ড আচাৰ-ব্যৱহাৰ আৰু বাদে বেদপন্থসমূহ নষ্ট কৰি জীৱকুলক যন্ত্ৰণাত ভোগায়।

‘মূষল ধাৰায়ে বৃষ্টি কৰে মেঘ যত।
ভাগে আনিসৰ মহাবৃষ্টিৰ বেগত।।
যেন পাষণ্ডৰ বাদে মুহিয়া লোকক।
কলিযুগে ছন্ন কৰে বেদৰ পথক।।’

বাৰিষা কালৰ অন্যতম ছবি হ’ল, প্ৰবল বেগেৰে বায়ু বলে, ধুমুহা হয়, মেঘে নিৰৱচ্ছিন্নভাৱে বৃষ্টিপাত কৰে, যেনেকৈ অবিৰতভাৱে পুৰোহিতসকলে বেদৰ বিধান দিয়ে আৰু ৰজাসৰে ধন-সম্পত্তি দান কৰি প্ৰজাসমূহৰ দুখ মোচন কৰে।

‘বায়ুৰে চলৰে চতুৰ্ভিতি ঠাই ঠাই।
বৰিষয়ে মেঘগণ পৰিচ্ছেদ নাই।।
যেন পুৰোহিত কৰে বেদৰ বিধান।
দীন দৰিদ্ৰক দেই ৰজাসৰে দান।।

অধ্যায়ৰ শেষত শ্ৰীকৃষ্ণই বাৰিষা কালত প্ৰকৃতিৰ এনে অপৰূপা শোভা নিৰীক্ষণ কৰি আনন্দত আপ্লুত হৈছে আৰু স্বতঃস্ফূৰ্তভাৱে তেওঁৰ মুখপদ্মৰ পৰা নিঃসৰিত হৈছে।

‘প্ৰশংসন্ত কৃষ্ণে বাৰিষাৰ শ্ৰীক চাই।
উপকাৰী প্ৰাণীত ইহাৰ পৰে নাই।।’■■

# যদুকুল সংহৰণ আৰু কৃষ্ণৰ মহাপ্ৰয়াণ

**শ্ৰীঅপৰাজিতা বৰকাকতী**

'কালোহস্মি লোকক্ষয়কৃৎ প্ৰবৃদ্ধো'-- কুৰুক্ষেত্ৰ যুদ্ধত অৰ্জুনৰ ধৰ্মসঙ্কট অৱস্থাৰ পৰা উদ্ধাৰ কৰিবলৈ ভগৱন্ত কৃষ্ণই অদৃষ্টপূৰ্ব বিশ্বৰূপ দৰ্শন কৰাওঁতে অৰ্জুন ভয়-ভীত হৈ সেই উগ্ৰৰূপধাৰীজন কোন বুলি সোধা প্ৰশ্নত ভগৱন্তই ক'লে যে- 'মই লোকক্ষয়কাৰী অতি ভীষণ কালস্বৰূপ, 'লোকান্ সমাইহৰ্ত্তুমিহ প্ৰবৃত্তঃ।' এতিয়া লোকসকলক সংহাৰ কৰিবলৈ প্ৰবৃত্ত হৈছোঁ। ভূমিভাৰ হৰণ কৰিবলৈ পৃথিৱীত পুৰুষোত্তম বিষ্ণুয়ে পৰিপূৰ্ণ অৱতাৰ গ্ৰহণ কৰি কুৰুক্ষেত্ৰ মহাসমৰত মহাপৰাক্ৰমী কৌৰৱসকলক সংবশে নিৰ্য্যাণ কৰে, তেওঁৰ প্ৰাণপ্ৰিয় পাণ্ডৱসকলক জয়লাভেৰে গৌৰৱান্বিত কৰাই ধৰ্মৰাজৰ ধৰ্মৰাজ্য প্ৰতিষ্ঠা কৰাত অগ্ৰণীৰূপে দেখুৱালে। দ্বাৰকালৈ উভটি গৈ দেখিলে তেওঁৰেই বংশৰ পৰম বিক্ৰমশালী, যদু, ভোজ, বৃষ্ণিৰ ৰাজকোঁৱৰ সকল দিনে দিনে তেজস্বী হৈ একোজন 'মহেন্দ্ৰ পৰায়' বীৰ হৈ পৰিছে, এওঁলোকক সংহাৰ নকৰিলে বসুমতী পুনৰ সমুদ্ৰ গৰ্ভলৈ প্ৰৱেশ কৰিব।

বৃষ্ণিবংশ মহাজ্ঞানী ভক্ত উদ্ধৱৰ বাহিৰে আন কোনো যদু বা বৃষ্ণি, ভোজ বংশৰ লোকে কৃষ্ণক পৰমব্ৰহ্ম স্বৰূপ বুলি উপলব্ধি কৰিব নোৱাৰিলে। হাতত পায়ো মহাৰত্ন চিনি নোপোৱা সিংহ পৰাক্ৰমী যদুবংশৰ ভৰত পৃথিৱী যেন ৰসাতলগ্ৰস্ত হ'ব পাৰে। এইদৰে জগতগুৰু দৈৱকী নন্দন, ভূ-ভাৰ হৰণকাৰী যাদৱ কৃষ্ণই চিন্তা কৰিবলৈ ধৰিলে। প্ৰভুজনাৰ অৱতাৰ গ্ৰহণৰ উদ্দেশ্যই আছিল--

'পৰিত্ৰাণায় সাধুনাং বিনাশায় চ দুষ্কৃতাম্।
ধৰ্ম্মসংস্থাপনাৰ্থায় সম্ভবামি যুগে যুগে।।৮

অৰ্থ ঃ 'সাধুসকলক পৰিত্ৰাণ, দুষ্কৃতিকাৰীৰ বিনাশ আৰু ধৰ্মসংস্থাপনৰ নিমিত্তে মই যুগে যুগে অৱতীৰ্ণ হওঁ।।'

ধৰ্মৰ গ্লানি, অধৰ্মৰ অভ্যুত্থানৰ কালত অশেষ কৃপাবশতঃ ভগৱান কৃষ্ণই লীলা অৱতাৰ ধৰি আৰু সেইজনাৰ দিব্য জন্ম, কৰ্ম লীলামৃত সিন্ধুত ভকতসকলে কথন-ৰমন কৰি পৰমানন্দ সমুদ্ৰত মজি থাকে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে গুৰুজনাই একাদশ স্কন্ধ ভাগৱত আৰম্ভ কৰিছে-- কৃষ্ণক কোটি কোটি নমস্কাৰ কৰি 'একাদশ স্কন্ধ পদবন্ধে নিগদতি' বুলি মঙ্গলাচৰণৰ পিছত আৰম্ভণ কৰি সামৰণিত 'কৃষ্ণৰ প্ৰয়াণ, পাণ্ডৱ নিৰ্মাণ, এহিমানে সমাপতি' বুলি দুলড়ী ছন্দত লেখিলে। মূলএকাদশৰ (২য় অধ্যায়ৰপৰা ৫ম অধ্যায়) 'বসুদেৱ-নাৰদ সংবাদত্মক চাৰিটা অধ্যায়- এই স্কন্ধ ভাগৱতৰ ভিতৰত অন্তৰ্ভুক্ত কৰা নাই। একাদশৰ প্ৰথম ভাগ 'নিমি-নৱ-সিদ্ধ' ৰূপে ৰখা হৈছে। সেয়ে দুয়োটা ভাগকে কাব্যতত্ত্বৰ দৃষ্টিৰে চালে এখনি অনুপম ভক্তি কাব্য বুলি স্বীকৃতি দিব পাৰি। কিয়নো এই একাদশ স্কন্ধভাগিত 'কৃষ্ণ কিঙ্কৰ' কবিজনাৰ কাৰুণ্য আৰু ভক্তিৰ গভীৰ সমন্বয় (উদ্ধৱ সংবাদ) ঘটিছে বুলি ক'ব পাৰি।

'পৃথিৱীৰ ভাৰ বংশৰ সহিতে সংহৰি' আৰু পঞ্চিশ অধিক শতেক বৎসৰ ধৰ্ম সংস্থাপন কৰি ভকত বান্ধৱ প্ৰভু জনাই নিজ যশ-কীৰ্তি বিস্তাৰ কৰি বৈকুণ্ঠ প্ৰয়াণৰ ইচ্ছা প্ৰকাশ কৰিছে। এফালে গভীৰ বেদনা, সন্তাপ আনফালে মহাভাৰতৰ গীতা শাস্ত্ৰত মনুষ্যৰ কল্যাণ সাধনকাৰী, আত্মজ্ঞান আৰু তত্ত্বমূলক ব্যাখ্যা কৰাৰ দৰে বৃষ্ণিবংশীয় সকলৰ সবাতোকৈ জ্ঞানী কৃষ্ণৰ অৱশ্যম্ভাবী

বিয়োগত শোকাতুৰ উদ্ধৱক নিমিত্ত কৰি কৃষ্ণদেৱে জগতবাসীলৈ থৈ গ'ল অমৃতময় বাণী--

'সেহি দোষ যিটো গুণ দোষ বুলি লেখৈ।
সেহি গুণ যিটো দোষ গুণক নেদেখৈ।।২৩৩

দুৰ্জয় যদুসকলক ঋষি শাপগ্ৰস্ত কৰিবলগীয়া হ'ল। কুৰুক্ষেত্ৰ যুদ্ধৰ পাছত 'দ্বাৰকা'ত যুদ্ধ-বিগ্ৰহ, ঘাত-প্ৰতিঘাতহীন জীৱনে এফালে মহাৰথীসকলক সংহাৰ কৰা কঠিন হৈ পৰিল; আনহাতে মৃত্যুঞ্জয়ী মহাকালৰূপী কৃষ্ণ লগত থকাত জৰা-মৃত্যুয়ে ওচৰ নচপা হ'ল। সেয়ে ঈশ্বৰে হস্তিনাপুৰৰ গান্ধাৰীৰ অভিশাপ স্মৰণ কৰি কুলক্ষয়ৰ চিন্তা কৰিলে। ৰণ বিধ্বস্ত শ্মশান ভূমিতুল্য কুৰুক্ষেত্ৰত ৰক্তপ্ৰান্তৰত ঠিয় হৈ পুত্ৰ শোকাতুৰা কৌৰৱ জননীয়ে অশ্ৰুসিক্ত, কণ্ঠেৰে যি অভিশাপ উচ্চাৰণ কৰিলে-- এয়া অভিশাপেই নহয়, 'তেওঁ' নিজৰ হাতেৰে নিজকুল বিনাশ কৰিবলৈ সাজু হ'ব লাগিব, এয়া কাৰ্য আন কাৰোৰ হাতত সম্ভৱ নহয়। এই চৌত্ৰিছ বছৰ সময়ত যদুকুলৰ মাজত অনেক অনাচাৰ, দুৰ্নীতি পৰায়ণতা, লগতে যাদৱকোঁৱৰসকল, অতিকৈ মদ্যাসক্ত হৈ পৰিছিল। ইতিমধ্যে পিণ্ডাৰক তীৰ্থলৈ বিশিষ্ট ঋষিসকল, বিশ্বামিত্ৰ, কন্ব অগস্ত্য, কপিল, গৌতম, দুৰ্বাসা, বশিষ্ঠ আদিৰ আগমন ঘটিল। বিপদ বা নিজৰ সৰ্বনাশৰ সময়ত মনুষ্যৰ প্ৰায়ে বুদ্ধিভ্ৰষ্ট হয়। যদুসকলৰো সেই একে অৱস্থা। সৰ্বনাশৰ মেজিত প্ৰথম অগ্নি জ্বলালে কৃষ্ণ পুত্ৰ শাম্বই, জাম্বৱতীসুতক যদু কুমাৰ সকলে গৰ্ভৱতী স্ত্ৰীৰ মাজেৰে সুসজ্জিত কৰি উপহাস কৰি ঋষিসকলক সুধিলে 'কিবা হুইবে জীউ/ কিবা হুইবে/ পুত্ৰ জাত। গণি পঢ়ি/ ঋষিসৱ/ কহিয়ো আম্মাত।' ঋষিসকল সত্যদ্ৰষ্টা, প্ৰকৃত অৱস্থা অৱগত হৈ যাদৱ কুমাৰসকলক উচিত শিক্ষা দিওঁ বুলি ক্ৰোধান্বিত হৈ অভিশাপ দিলে যে ছদ্মবেশী লোকজনে এডাল লোহাময় মুষল প্ৰসৱ কৰিব, যিডালে যদুকুলৰ ধ্বংসৰ কাৰণ হ'ব।

মুষল প্ৰসৱৰ কথা, ঋষিসকলৰ অভিশাপৰ ভয়ঙ্কৰ পৰিণতিৰ চিন্তা-চৰ্চাই দ্বাৰকাবাসীক ম্ৰিয়মান কৰিলে, ইফালে দ্বাৰকানগৰীৰ আকাশত ধূমকেতুয়ে দেখা দিলে, ঘৰে ঘৰে দিনতে ফেৰুৱাই অমঙ্গলীয়া চিঞৰ মাৰি আগন্তুক ভয়াবহ দিনৰ কথা সোঁৱৰাই আছে। ব্ৰজপাত, সঘনে ভূমিখণ্ডৰ কম্পনে যাদৱসকলৰ 'মুখ ধান দিলে হোৱৈ আখৈ'ৰ দৰে হ'ল। বিপদৰ সময়ত বুদ্ধিহত হৈ প্ৰভু কৃষ্ণক 'মুষল'ৰ কাহিনী নকৈ উগ্ৰসেন ৰজাৰ উপদেশত বৃদ্ধ যাদৱসকলে সুশিক্ষিত কমাৰৰ হতুৱাই মুষলডাল ভাঙি চুৰ্ণিকৃত কৰি সাগৰৰ পানীত পেলাই দিলে। কিন্তু ঈশ্বৰৰ ইচ্ছাত কোনে বাধা দিব? সমুদ্ৰৰাজেও যেন সৰ্ব নিয়ন্ত্ৰা পৰমেশ্বৰৰ লীলা কাৰ্যত সহায় কৰি সেই লৌহ গুড়িবোৰ আনি পাছত পেলালে, সেইবোৰেই মৰাণাস্ত্ৰ ৰূপত মাদুৰী বন হৈ পৰিল। এইবাৰ অলৌকিক শক্তিৰ অধিকাৰী বাসুদেৱ কৃষ্ণৰ ওচৰত যাদৱসকল শৰণাপন্ন হ'ল। বিবৰ্ণ বদন, ওঠ কণ্ঠ শুষ্ক, কম্পিত হৃদয়ৰ নিজৰ জ্ঞাতী কুটুম্বক কৃষ্ণই নিৰ্বিকাৰ, উদ্বেগহীন কণ্ঠেৰে অভয় প্ৰদান কৰি ক'লে যে 'দানেসে দুৰ্গতি হৰে' সেইবাবে পুণ্যক্ষেত্ৰ প্ৰভাসতীৰ্থলৈ যাবলৈ সাজু হ'বলৈ সকলোকে ক'লে--

'ভৈল বিপ্ৰশাপ ইটো কুলত সম্প্ৰতি।
আক এৰাইবাক আছে কাহাৰ শকতি।।৯৮

নকৰা বিলম্ব প্ৰভাসক আজি যাওঁ।
হেনবা বিপাক বিপ্ৰশাপক এৰাওঁ।।৯৯

--একাদশ স্কন্ধ, ভাগৱত

তীৰ্থৰাজ প্ৰভাসৰ আচৰিত মহিমা শুনি যাদৱসকল অতি আনন্দেৰে নিচান উৰুৱাই, ঢাক, ঢোক বজাই, গজ, ৰথ, বাজী সজাই দলদোপ-হিন্দোপদোপ কৰি তীৰ্থলৈ গ'ল। তীৰ্থজলত সুবৰ্ণ, ৰজত, ধেনু দান আদিৰে সমাপনৰ অন্তত বিষ্ণু মায়াত পৰি তীৰ্থৰ অসেৱণীয় অপৱিত্ৰ মদ্যপানত প্ৰৱলভাৱে মত্ত হৈ দৰ্পিষ্ঠ, বলিষ্ঠ যদুবীৰসকল হিতাহিত জ্ঞান শূন্য হ'ল। মদমত্ত সিংহৰ দৰে নিৰ্ভয় হৈ নিজৰ ভিতৰতে কন্দল আৰম্ভ কৰিলে। 'মধুময় সুৰাৰ' প্ৰভাৱত নিজৰ ককাই ভাইকে ৰঙা চক্ষু পকাই চাই শত্ৰু জ্ঞানেৰে তৰ্জন-গৰ্জন কৰি অস্ত্ৰ-শস্ত্ৰেৰে আক্ৰমণ কৰি যুদ্ধত প্ৰবৃত্ত হৈ অৱশেষত সকলোটিয়ে মৰণক সাৰটি ল'লে। অস্ত্ৰ শেষ হ'লত সাগৰৰ তীৰত লোহাৰ গুড়িবোৰ মাদুৰী তৃণৰূপে গজি উঠি তীক্ষ্ণ

তৰোৱালৰ সদৃশ হ'ল, তাৰেই অৱশিষ্ট যদুবীৰসকলৰ প্ৰাণ গ'ল। বাসুদেৱ কৃষ্ণ ভয়ঙ্কৰ কুলক্ষয়ত নিৰ্লিপ্ত, নিৰ্বিকাৰ ৰূপে দণ্ডয়মান হৈ থকাত জ্যেষ্ঠ ভাই বলোৰামে তিৰস্কাৰ কৰি উঠিল-- বিষ্ণু-মায়াৰে মোহিত ৰোহিনীতনয়ে জগত গুৰুকে তিৰস্কাৰ কৰিলে 'কৃষ্ণক বোলন্ত ইটো কমনে অন্যায়। আগতে সংবশে মৰে কিয় আছা চাই।।'(৩৪৭, একাদশ)। এই বুলি দুয়ো 'ঈষিকাগুচ্ছ' তুলি লৈ যাদৱগণৰ মহাকালৰূপে সকলোকে সংহাৰ কৰিলে। কিছুক্ষণৰ মাজতেই পৱিত্ৰ ধূলিকণামণ্ডিত প্ৰভাস তীৰ্থ শ্মশানভূমিলৈ ৰূপান্তৰ হ'ল।

ইতিমধ্যে যাদৱসকল প্ৰভাসলৈ যাত্ৰাৰ শুভাৰম্ভণত বৃষ্ণিবংশৰ শ্ৰেষ্ঠতম জ্ঞানী ভক্ত উদ্ধৱে ভগৱন্তৰ অভিপ্ৰায় বুজি অত্যন্ত শোকাতুৰ হৈ পৰিল। উদ্ধৱে শোকত গদ্‌গদ হৈ অনেক কাকুতি কাৰুণ্য কৰি ক'লে যে, 'প্ৰভুজনা ধৰা ধাম এৰি বৈকুণ্ঠলৈ যাবগৈ, 'তেওঁৰ অবিহনে উদ্ধাৱেও ক্ষণমাত্ৰও নাথাকি প্ৰাণত্যাগ কৰি এই সংসাৰ ত্যাগ কৰিব।'

'তুমি এৰিলাত ছাৰি প্ৰাণ প্ৰভু
অৱশ্যেকে যাইবো মৰি।।১২২
তোমাৰ চৰণ পঙ্কজ পূজিবো
কত পুণ্য পাইলো লাগ।
বাপ জগন্নাথ নকৰা অনাথ
ভকতক তুমি ত্যাগ।।'১২৩

জগতগুৰু,ভকত বৎসল পীতাম্বৰে পৰম ভকতৰ দুয়ো নয়নৰ নীৰ নিঝৰি নিঝৰি পৰা দেখি, কৃষ্ণৰো কমললোচন যুগল অশ্ৰুসিক্ত হৈ অন্তৰস্পৰ্শী আশ্বাসেৰে উদ্ধৱ ভকতক শান্ত কৰিলে। লগতে ভাগৱত ধৰ্মৰ আচৰণীয় কৰ্মসমূহ আৰু চিন্তনীয় তত্ত্বসমূহ, প্ৰতি প্ৰতিকৈ ব্যাখ্যা কৰাৰ বৰ্ণনা, গুৰুজনাই পদ আৰু দুলড়ী ছন্দৰ যোগেদি লেখিছে--

'পৰম ভকত তুমি মোৰ প্ৰিয়তম।
নাহি মোৰ বান্ধৱ উদ্ধৱ তুমি সম।।
আপোনাতো কৰি ঘোৰ তোমাতেসে দায়া।
জানো তুমি তৰিলা দুৰ্ঘোৰ মোৰ মায়া।।'২৬৬

ভগৱন্ত কৃষ্ণৰ মুখে ভকতিৰ গূঢ়তত্ত্ব শুনি উদ্ধৱে পুনৰায় প্ৰশ্ন কৰিলে যে, একে বেদ বাক্যৰ পৰা ঋষিসকলৰ ভিন্ন মতবাদ কেনেকৈ হ'ব পাৰিলে? ভক্তপ্ৰাণ উদ্ধৱৰ মিনতি শুনাৰ পিছত কৃষ্ণই আশ্বাসবাণী দি বুজালে যে পূৰ্বে প্ৰলয়ত যেতিয়া বেদৰ বাণী বিনষ্ট হোৱাৰ উপক্ৰম হোৱাত 'তেওঁ' বেদ সমস্তক উদ্ধাৰ কৰি আনি প্ৰজাৰ কল্যাণৰ অৰ্থে ব্ৰহ্মাৰ হাতত অৰ্পণ কৰিলেহি। ব্ৰহ্মাৰ পৰা এই বেদবাণী ঋষিসকলৰ মুখেদি বাগৰি আহি মনুষ্যৰ ভাগত পৰিছেহি, তাৰ পৰা কোনোজনে নিজ মত অনুসাৰে বেদক ব্যাখ্যা কৰি বৃত্তি প্ৰৱৰ্তাবলৈ ধৰিলে। কোনোৱে ক'লে যে বেদে-- যাগ-যজ্ঞ, ব্ৰত, দান কৰিবলৈ মত দিছে। কোনোজনে ক'লে জ্ঞানেই গতি। কিন্তু বেদৰ পৰম তত্ত্ব হ'ল ভগৱন্তত ভকতি। 'মায়াময় বেদ ধৰ্ম পৰিত্যাগ কৰি একমাত্ৰ মোৰ গুণ, নাম স্মৰি, হৃদয়ত মোৰ ৰূপ ধৰি মোতে শৰণ লোৱা' কৃষ্ণই উদ্ধৱক ক'লে--

মই বিনে বেদে কিছু আন নবখানে।
চাৰিও বেদৰ তত্ত্ব অৰ্থ এহিমানে।।

-- ভাগৱত, ১৪৭

ভকতিবিহীন জ্ঞানেও গতি সাধিব নোৱাৰে। শাস্ত্ৰ আৰু গুৰুৰ মুখে ভগৱন্তৰ গুণানুকীৰ্তন শ্ৰৱণ কৰিলে শ্ৰদ্ধা-ভক্তি-ৰতিৰ প্ৰৱাহে মন-প্ৰাণ চিত্তই বিশুদ্ধতা লাভ কৰাব, কিন্তু বিষয়াসক্তসকলে যাগ-যজ্ঞ তপস্যাদি কৰি পৱিত্ৰতা লাভ কৰিব নোৱাৰে।

'জ্ঞানে গতি কৰৈ বেদ আছে তাৰ পৰিচ্ছেদ
আছে জ্ঞান ভকতিৰ মাজে।
ভকতি কৰন্তে জানা আপুনি উপজে জ্ঞান
যোগ চিন্তি মৰৈ মিছা কাজে।।'২০০

-- একাদশ স্কন্ধ, ভাগৱত

বেদ অধ্যয়ন নকৰাকৈ বা তপ জপ ব্ৰত আদি পালন নকৰাকৈ বিভাষণ, বৃষপৰ্বা, ব্ৰজবাসী গোপীসকলে ভকতৰ সঙ্গতে ভগৱন্তৰ অতি প্ৰিয় হ'ব পাৰিছিল। সাধুৰ লক্ষণ বৰ্ণনা কৰি কৃষ্ণই উদ্ধৱক ক'লে যিজনে সুদৃঢ় বিশ্বাসেৰে একমাত্ৰ ভগৱন্তৰ ওচৰত শৰণ পশে, যিজনে অন্য দেৱতাক নাৰাধে, নাইবা সুখে দুখে একমাত্ৰ ভগৱন্তকে একান্তমনে ভজনাকৰে, সেইজনেই

মহাসাধু। সেইজন কৃপালু, অহিংস, ক্ষমাশীল, নিৰ্দোষী, জিতেন্দ্ৰিয়, মিতভোজী শান্ত, ধীৰ, স্থিৰ, চিন্তাশীল, প্ৰমত্ত। এনে মহাসাধুৱেই ভগৱন্তৰ অন্তৰ জয় কৰিব পাৰিছে, তেৱেঁই অপ্ৰতিমপ্ৰভাৱ, তেওঁ পূজ্য, গৰীয়াণ ব্যক্তি।

গীতাত অৰ্জুনৰ জিজ্ঞাসু মনে যিদৰে অধিককৈ পৰমাৰ্থিক তত্ত্ব জনাৰ স্পৃহাৰ সামৰণি নপৰাত কৃষ্ণই ভক্তিযোগ, মোক্ষযোগ, বৰ্ণনা কৰি তত্ত্বজ্ঞ পুৰুষৰ সমশাৰীত থ'লৈগৈ, সেইদৰে উদ্ধৱে পৰম জ্ঞানৰ আধাৰ কৃষ্ণদেৱৰ মহাপ্ৰয়াণৰ আগমুহূৰ্তত ব্ৰহ্মাদেৱক প্ৰদান কৰা মোক্ষতম ভকতি বা ৰহস্য ভকতিৰ গূঢ়তত্ত্ব শ্ৰৱণ কৰিবলৈ ইচ্ছুক হ'ল। কৃষ্ণৰ অৱশ্যম্ভাৱী বিয়োগত অধিককৈ কাতৰ হৈ পৰা পৰম সুহৃদক ক'লে-- 'বান্ধৱ উদ্ধৱ হেৰা পৰিহৰা খেদ। মোক্ষতম ভকতিৰ দিবো পৰিচ্ছেদ।।' নিৰ্গুণ ভকতি, সেৱাহৈ ভগৱন্তক তুষ্ট কৰে। যিহেতু 'তেওঁ' সমস্ত ভূততে আত্মা, হৃদয় পৰম গুৰু। ঈশ্বৰ সমস্ত ভূতাত ব্যাপি আছে। ব্ৰাহ্মণ চণ্ডাল/ সাধু নীচ/ দাতা চোৰ আদি বিচাৰ নকৰি সকলোৰে প্ৰতি সমদৃষ্টি ৰাখিব পৰা জনেই পৰম ভাগৱত। শ্ৰীমদ্ভাগৱতৰ এয়া মহান, উদাৰ বাণী-- জাতি-নিৰ্বিশেষে, প্ৰকৃত অনুৰাগী বৈষ্ণৱ, নাৰী, শূদ্ৰ, অহঙ্কাৰ ৰহিতজন, দম্ভহীন, অমায়িক জনক উদ্ধৱৰ নিচিনা নিৰ্বিষয়ী, নিৰ্গুণ ভক্তসকলে সদা উপদেশ দিব। উদ্ধৱৰ হাতত জগতৰ মানৱৰ মহাকল্যাণ সাধনকাৰী উপাদান প্ৰদান কৰি কৃষ্ণই 'তেওঁৰ একান্ত ভক্তক পৱিত্ৰ অলকানন্দা বিধৌত বদৰিকাশ্ৰমলৈ গৈ ভাগৱত ধৰ্ম প্ৰৱৰ্তাই থাকিবলৈ উপদেশ দিলে। কৃষ্ণৰ এই 'মধুৰতম বাণী' য'ত সামান্য বেদনাৰ টোপাল আছে, সেয়া শ্ৰৱণ কৰি বৈৰাগ্যপ্ৰাপ্ত উদ্ধৱৰো কণ্ঠ বাষ্পৰুদ্ধ হ'ল, তনু পুলকিত হ'ল। ভগৱন্তয়ো মনুষ্য চেষ্টা দৰ্শাই ক্ষণমাত্ৰ 'সকৰণভাৱে নিমাত হ'ল শ্ৰীমদ্ভাগৱত গীতাৰ দৰে অপাৰ্থিৱ গীত যাক আমি Song Celestial বা Holy Song বুলিও ক'ব পাৰি।

উদ্ধৱক বিদায় দি সম্পূৰ্ণ নিৰাসক্ত হৈ কৃষ্ণই 'বৈকুণ্ঠ গমনৰ নাট' আৰম্ভ কৰিলে। উজ্জ্বল শ্যামবৰ্ণ শুদ্ধসত্বময় প্ৰভুজনাই শিশু অশ্বত্থবৃক্ষত আউজী পৰম আনন্দময় চতুৰ্ভুজ ৰূপত প্ৰকাশ পাইছে। দাহিন পদত বাম উৰু থাপি যোগাসনত উপবিষ্ট হ'ল বৈকুণ্ঠপতি। মহন্ত উদ্ধৱে মৈত্ৰেয়ৰ সৈতে সেই দৃশ্য দেখি বিষাদতে আনন্দ অনুভৱ কৰিলে। সম্পূৰ্ণ কৃষ্ণৰ অপ্ৰমেয় সত্তা আৰু সচ্চিদানন্দ ৰূপ হৃদয়ত ধাৰণ কৰিব পৰাকৈ প্ৰভুজনাই ভক্তোত্তম উদ্ধৱ আৰু তেওঁৰ ভক্তপ্ৰাণসকললৈ 'সত্যতত্ব ভাগৱত ধৰ্ম' আগবঢ়ালে। এটি নিৰ্মল মন, এখনি শুদ্ধচিত্তৰে উদ্ধৱ বদৰিকাশ্ৰমলৈ বুলি খোজ পেলোৱাৰ পাছত কৃষ্ণ ৰথৰ সাৰথি দাৰুকৰ আগমন ঘটিল। 'সবাষ্প লোচনঃ' চকু চলচলীয়াক দেখি 'ভকতৰ বিলাপত কৃষ্ণৰ সন্তাপ' দেখি সাৰথিক আশ্বাস দিলে যে, দাৰুকৰ শেষ কৰ্তব্য হ'ল, যদু বংশৰ বিনাশ, বলভদ্ৰৰ তনুত্যাগ, প্ৰভুৰ স্বনিলয়লৈ গমনৰ বাৰ্তাখিনি শোকাতুৰ দ্বাৰকাবাসীক দিবলৈ, যাতে 'তেওঁৰ প্ৰস্থানৰ পাছত কোনেৰেও দ্বাৰকাত ৰৈ নাথাকে। কিয়নো সাগৰে সমস্ত দ্বাৰকা পানীৰে বুৰাই পেলাব।

ইতিমধ্যে কৃষ্ণৰ গৰুড়ধ্বজামণ্ডিত ৰথে বল্লাৰ সৈতে আকাশলৈ গতি কৰিলে, লগতে সুদৰ্শন চক্ৰকে আদি কৰি অস্ত্ৰসমূহো গতি কৰা দেখি দাৰুক বিস্মিত হ'ল শোকত ক্ৰন্দনৰত সাৰথিক পঠাই বাসুদেৱ দ্বাৰকাধীশ বিশ্ববিমোহন শ্ৰীকৃষ্ণই আকাশত ব্ৰহ্মা আদি দেৱগণৰ 'কৃষ্ণ'ক আদৰিবলৈ কৰা আনন্দমুখৰ আয়োজন দৰ্শন কৰি জগতৰ পৰম গুৰু মাধৱে পদ্মনেত্ৰযুগল মুদি মিছা ধ্যানে নিঃশব্দে আসনত উপবিষ্ট হ'ল। কৃষ্ণৰ কীৰ্ত্তনে গগণ মণ্ডল কম্পিত কৰি বৈকুণ্ঠৰ মুখ্য পাৰিষদসকল আগবাঢ়ি অহাত দীপ্যমান পুৰুষোত্তম বৈকুণ্ঠপতি এক নিমিষতে নৰচেষ্টা এৰি সকলোৰে অলক্ষিতে বিজুলী ছটাকৰ দৰে বৈকুণ্ঠনগৰীত প্ৰৱেশ কৰিলে। ব্ৰহ্মা আদি ত্ৰিদশদেৱতাসকলৰ পূৰ্ণজ্যোতিস্মান ভগৱন্তৰ শৰীৰৰ মহাৰশ্মিৰ প্ৰভাৱত চক্ষু নিৰ্মিলন হৈ স্তব্ধ হৈ থাকিল।

'ঘনে ঘনে পুষ্প বৰিষন্ত।
জয় কৃষ্ণ বুলি জঙ্কাৰন্ত।।১৯০৩

-- শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ, কীৰ্ত্তন

শ্ৰী ধৰ্ম্ম সত্য ধৃতি যত।

সবে গৈল কৃষ্ণৰ লগত।।১৯০৮, কীৰ্ত্তন

কংসৰ পৰিৱেষ্টিত অন্ধকাৰ কাৰাগৃহত ৰজনী নিস্তব্ধতাত মহাসূৰ্য মহান পুৰুষ উদয় হৈ প্ৰভাসৰ মুক্ত আকাশৰ তলত ক্লান্ত সন্ধ্যাত যদুকুলবাসীক শোক মহাপঙ্কত নিমগ্ন কৰাই কৃষ্ণসূৰ্য আলোকস্থানলৈ গতি কৰিলে। ভাৰতভূমিৰ কত ইতিহাস, পুৰাণ সাহিত্য, কাব্য নাটকত এই বিশ্ববিমোহন পুৰুষজনাৰ চৰিত্ৰ কথা শ্ৰৱণ-মনন, চিন্তন কৰি বিশ্বাবাসী ধন্য হৈছে, ভাৰতৰ সীমা অতিক্ৰম কৰি বিশ্বমানৱতাৰ হৃদয়তো স্থান পাইছে।

'কৃষ্ণকিঙ্কৰ কবি' শঙ্কৰদেৱৰ 'যদুকুল সংহৰণ কৃষ্ণৰ প্ৰয়াণ' অধ্যায়খিনি এফালে ভক্তিতত্ত্ব গধুৰ, যদিও কাব্যতত্ত্ব দৃষ্টিৰে চালে কাব্যৰ ৰস, গুণ, অলঙ্কাৰৰ প্ৰাচুৰ্য লক্ষিত হয়। কৰুণ আৰু শান্তৰসৰ সমন্বয়ে ভক্ত কবিজনাক মূলৰ পৰা কিছু আঁতৰাই আনিছে। বৈকুণ্ঠ প্ৰয়াণৰ আগমুহূৰ্তত কৃষ্ণ পৰম কাৰুণিক ৰূপত পিতৃ-মাতৃক সুঁৱৰি চকুলো টুকিছে-- 'হৰি হৰি দৈৱকী দুখুনী মোৰ আই/ তোমাকেসে সুমৰন্তে প্ৰাণ ফুটি যায়।।' তাৰউপৰি মূলত নোহোৱা কৃষ্ণমহিষীসকল, শোকত ব্যাকুল হোৱা দীঘলীয়া বৰ্ণনাই শ্ৰোতা, পাঠকৰ মন অধিক কৰুণ কৰি তুলিছে।■■

১। শ্ৰীমদ্ভাগৱত ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

২। কাব্যতত্ত্বৰ দৃষ্টিৰে শঙ্কৰদেৱৰ কাব্য ঃ কেশদা মহন্ত

যি পুনু তোমাত ভকতি নকৰে
বোলে জানো ব্ৰহ্মজ্ঞান।
বেদজৰী দিয়া তুমি বান্ধি থোৱা
সি ভৈল পশু সমান।।
-- ভাগৱত

# উদ্ধৱ গীতা

**শ্ৰীউমেশ বড়া**

শ্ৰীমদ্ভাগৱত মহাপুৰাণৰ একাদশ স্কন্ধত মুঠ ৩১টা অধ্যায় আছে। ইয়াৰ ৬ষ্ঠ অধ্যায়ৰপৰা ২৯শ অধ্যায়লৈকে শ্ৰীকৃষ্ণ উদ্ধৱ সংবাদ বৰ্ণিত হৈছে। এই ২৪টা অধ্যয়ক একেলগে উদ্ধৱ গীতা বোলা হয়।

তাত্বিক দিশৰপৰা একাদশ স্কন্ধটো সমগ্ৰ গ্ৰন্থখনৰ ভিতৰতে অধিক গুৰুত্বপূৰ্ণ। ইয়াত বিশেষ মাত্ৰা প্ৰদান কৰিছে নিমি-নৰসিদ্ধ সংবাদ আৰু কৃষ্ণ-উদ্ধৱ সংবাদে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে নিমি-নৰসিদ্ধ সংবাদক পৃথক গ্ৰন্থৰূপে ৰচনা কৰিছে আৰু শ্ৰীকৃষ্ণ উদ্ধৱ সংবাদৰ অন্তৰ্গত যদু অৱধূত সংবাদক বাদ দি তাত্ত্বিক অংশটো বিশেষৰূপে অনুবাদ কৰিছে।

বৈকুণ্ঠ প্ৰয়াণৰ বাবে প্ৰস্তুত জগতপতি কৃষ্ণৰ উদ্দেশ্য বুজি একান্ত ভক্ত উদ্ধৱে আত্মজ্ঞানৰ সম্পৰ্কে প্ৰাৰ্থনা জনালে। ইয়াৰ উত্তৰত জয় জয়তে ভগৱন্ত কৃষ্ণই ভক্ত উদ্ধৱক কৈছে--

'আত্মনো গুৰুৰাত্মৈৱ পুৰুষস্য বিশেষতঃ।
যৎ প্ৰত্যক্ষানুমানাভ্যাং শ্ৰেয়োঽহসাবানুবিন্দতে।।'
১১/৭/২০

অৰ্থাৎ- পুৰুষৰ আত্মাই হ'ল আত্মগুৰু। প্ৰত্যেক্ষ আৰু অনুমানৰ দ্বাৰা ই নিজৰ কল্যাণ সাধনত সমৰ্থবান। এই উক্তিৰ সমৰ্থনত ভগৱান শ্ৰীকৃষ্ণই যদু আৰু অৱধূতৰ আখ্যানটি বৰ্ণনা কৰিছে। ব্ৰহ্মজ্ঞানী অৱধূতে যি সকলৰ কাৰ্যৰ দ্বাৰা উৎকৃষ্ট জ্ঞানসমূহ আহৰণ কৰি নিজক উৎকৃষ্ট কৰি তোলাত সক্ষম হৈছিল, সেই সকলোবোৰৰ মূলতেই আছিল তেওঁৰ আত্মজ্ঞান। সেয়েহে আনকি ইতৰ প্ৰাণীৰ কাৰ্যাৱলী, আনকি এগৰাকী বেশ্যাৰ পৰাও উৎকৃষ্ট জ্ঞান আহৰণ কৰাত সক্ষম হৈছিল। সম্প্ৰতি আধুনিক প্ৰযুক্তিবিদ্যা সম্পন্ন, উন্নত সভ্যতাৰ স্তৰত উপনীত হৈয়ো বিশ্ব মানৱৰ বিশ্বায়নৰ ধাৰণাৰ বিপৰীতে আত্মজ্ঞানৰ উদ্ৰেক নোহোৱাটো আশ্চৰ্যকৰ। তেনে হোৱা হ'লে মানৱ সভ্যতাত সন্ত্ৰাসবাদৰূপী দানৱৰ সৃষ্টি নহ'লহেঁতেন।

পাছৰ পৰ্যায়ত উদ্ধৱে ক্ৰমে ৫টা অতি গুৰুত্বপূৰ্ণ প্ৰশ্ন কৰিছে। এইবোৰৰ উত্তৰ হিচাপে ভগৱন্ত কৃষ্ণই যি উত্তৰ আগবঢ়াইছে সেইবোৰ সমগ্ৰ ভাৰতীয় দৰ্শনৰ ভিতৰতেই উৎকৃষ্ট। উদ্ধৱৰ প্ৰথম প্ৰশ্ন হ'ল-- বেদবাক্যসমূহ একে হোৱা সত্বেও বিভিন্ন লোকৰ মাজত এইবোৰৰ মতিভেদ কিয় হ'ল? কোনোৱে কয়-- কৰ্মকাণ্ড অনুসৰি যাগ-যজ্ঞ, পূজা-পাতল, হোম-ব্ৰত-তীৰ্থ আদি কৰাৰ কথা; আকৌ অন্য কোনোৱে কয়-- এই কৰ্মবোৰ পৰিত্যাগ কৰি জ্ঞান-যজ্ঞৰ অনুশীলন কৰাৰ কথা। এনে প্ৰভেদবোৰৰ কাৰণ কি? ইয়াৰ উত্তৰত ভগৱান কৃষ্ণই কৈছে যে তেওঁ নিজে পূৰ্ব প্ৰলয়ত নষ্ট হোৱা বেদবাণীসমূহ ব্ৰহ্মাক স্মৰণ কৰাই দিছিল, ব্ৰহ্মাৰ পৰা ক্ৰমে মনু, মনুৰ পৰা সপ্তঋষি, সপ্তঋষিৰ পৰা সুৰাসুৰ-সিদ্ধ-নাগে লাভ কৰিলে আৰু শেষত মানুহৰ মাজলৈ আহিল। মানৱ জাতি স্বভাৱতে স্বাৰ্থলোভী হোৱা হেতু নিজৰ অভীপ্সা অনুযায়ী বেদৰ তত্ত্ব ব্যাখ্যা কৰিবলৈ ধৰিলে। যদিওবা বেদৰ একমাত্ৰ প্ৰতিপাদ্য বিষয় এক ভগৱন্তত ভক্তি, মানুহে নিজৰ স্বাৰ্থ লাভৰ উদ্দেশ্যে ভকতিক ত্যাগ কৰি অন্য ধৰণেহে বেদৰ ব্যাখ্যা আগবঢ়াবলৈ ধৰিলে। অনেক মন্দমতিয়ে শাস্ত্ৰৰ বিচাৰ নকৰি কুলধৰ্ম, পূৰ্বপুৰুষৰ আচাৰ পালন কৰাতহে গুৰুত্ব দিলে। কিছুমানে আকৌ ইয়াতকৈয়ো নিকৃষ্ট পাষণ্ড আচৰণহে গ্ৰহণ কৰিবলৈ ধৰিলে। আনে নাজানিলেও বেদৰ সৰ্বশ্ৰেষ্ঠ সন্মতি হ'ল এক ঈশ্বৰত ভক্তি।

উদ্ধৱৰ দ্বিতীয় প্ৰশ্ন হ'ল মানুহে বিষয় আসক্তিয়ে সকলো অনৰ্থৰ মূল বুলি জানিও কিয় এনে আসক্তি ত্যাগ কৰি ভগৱন্ত ভক্তিত গুৰুত্ব নিদিয়ে। কৃষ্ণৰ উত্তৰ-- সকলো শাস্ত্ৰ পঢ়িলেও, বেদৰ সকলো কথা জানিলেও

সন্তৰ সঙ্গ, ভকতৰ সঙ্গ অবিহনে ভক্তি সাধন কৰা অসম্ভৱ। জ্ঞানমাৰ্গীয়, কৰ্মমাৰ্গীয় যিহকে আচৰণ কৰক লাগে, কেৱল ভকতৰ সঙ্গত ভক্তি সাধনৰ জৰিয়তেহে ভগৱন্তক লাভ কৰা সম্ভৱ। সাধুৰ সঙ্গ মোক্ষ সাধনতকৈয়ো শ্ৰেষ্ঠ। গতিকে সাধুৰ সঙ্গত থাকি ভগৱন্তত একান্তভাৱে শৰণ গ্ৰহণ কৰাটোৱেই সৰ্বশ্ৰেষ্ঠ উপায়। ঈশ্বৰক নজনা জনৰ বাবেহে অন্যবোৰ কৰ্ম, যিবোৰ কৰ্ম ভগৱন্ত কৃষ্ণৰ সন্মত নহয়।

উদ্ধৱৰ তৃতীয় প্ৰশ্ন হ'ল-- কৃষ্ণৰ সন্মত মাথো ভকতি; কিন্তু বেদে কেৱল কৰ্ম আৰু জ্ঞানৰ কথাহে কয়। গতিকে কৃষ্ণ নিজেই যেতিয়া পূৰ্ণব্ৰহ্ম ভগৱন্ত, তেনেস্থলত তেওঁৰ সন্মতহে সৰ্বোৎকৃষ্ট ৰূপে পৰিগণিত হ'ব। তেওঁৰ সন্মত কি? ইয়াৰ উত্তৰত কৃষ্ণই কৈছে যে ভক্তিয়েই হ'ল সৰ্বশ্ৰেষ্ঠ সাধন। ভক্তি-সাধন কৰিলে পৃথকে জ্ঞানমাৰ্গীয় তপ-জপ-যোগ-ধ্যানৰ কোনো প্ৰয়োজন নাই। ভক্তিৰ মাজতেই এই সকলোবোৰ নিহিত হৈ আছে। আকৌ কৰ্ম এই সকলৰ বাবে, যি ঈশ্বৰৰ নাম পৰ্যন্ত জনা নাই, যাৰ চিত্ত দুষ্ট, যি মিছা কথা, মিছা মনেৰে ভাৰাক্ৰান্ত, যিসকলে ভগৱন্তৰ কথা পৰ্যন্ত শুনিবলৈ অনিচ্ছুক, সেই সকলৰ বাবেহে কৰ্মকাণ্ডৰ অনুষ্ঠানসমূহ নিৰ্ধাৰিত। এটা অতি সাৰ কথা যে এই জ্ঞান আৰু কৰ্মত কিঞ্চিৎ মাত্ৰও ভকতে বিশ্বাস কৰা উচিত নহয়। মহাভক্ত উদ্ধৱৰ চতুৰ্থ প্ৰশ্ন হ'ল-- শম, দম, দান, সত্য, শৌচ, কাম, মহালাভ, যজ্ঞ, শৌৰ্য, সুমণ্ডিত, মূৰ্খ, পণ্ডিত, বন্ধু, দীন দুখী, শূৰ, মহাধন, পন্থ-বিপন্থ, সুখ-দুখ, স্বৰ্গ-নৰক, গৃহ, ধনৱন্ত, ঈশ্বৰ-অনীশ্বৰ-- এইবোৰ কৰ্ম আৰু জ্ঞান সম্পৰ্কীয় বিষয়ৰ ভক্তিমাৰ্গীয় ব্যাখ্যা কি? এই প্ৰশ্নবোৰৰ উত্তৰ ভগৱন্ত কৃষ্ণই অতি উচ্চ দাৰ্শনিক দৃষ্টিভঙ্গীৰে এটা এটাকৈ উদ্ধৱৰ আগত ব্যাখ্যা কৰি গৈছে।

উদ্ধৱৰ সৰ্বশেষ প্ৰশ্ন-- মোক্ষতম ভকতি কি? এই প্ৰশ্নৰ উত্তৰত ভগৱন্ত কৃষ্ণদেৱে অতি তাৎপৰ্যপূৰ্ণ বক্তব্য দাঙি ধৰিছে। এই তত্ত্বসমূহ যথাক্ৰমে এনে ধৰণৰ-- (১) ভক্তি ৰহস্য-তত্ত্ব শ্ৰদ্ধা সহকাৰে শুনিলে সংসাৰৰ জন-মৃত্যু চক্ৰৰপৰা মুক্তি লাভ কৰিব পাৰি। (২) যি স্থানত ভকত থাকে, সেয়ে পুণ্যস্থান আৰু য'ত ভগৱন্তৰ কথা ব্যক্ত হয় সেয়ে নিৰ্গুণ স্থান। (৩) আত্ম-জ্ঞানী সকলকো গুণময়ী মায়াই আচ্ছন্ন কৰে, সেয়েহে ভগৱন্তৰ নিৰ্গুণা ভক্তিত চিত্ত নিৱেশ কৰাটোৱেই সৰ্বশ্ৰেষ্ঠ। (৪) অন্য দেৱতাৰ সেৱা-পূজাত ভগৱন্ত ভক্তিৰ ব্যাভিচাৰ হয়। এনে ভক্তি-ব্যাভিচাৰৰ পৰা ভকত সদায় আঁতৰত থাকিবই লাগিব। (৫) প্ৰথমে ভকতৰ সঙ্গ লৈ, সমবেতভাৱে ঈশ্বৰৰ গুণানুকীৰ্তন কৰিব লাগে। (৬) জগতৰ বাহিৰে ভিতৰে ব্যাপ্ত হৈ থকা পূৰ্ণব্ৰহ্ম ভগৱন্তক জগতৰ সমস্ত প্ৰাণীতে দৰ্শন কৰি সেই সকলৰ সেৱা কৰাই হ'ল শ্ৰেষ্ঠ ধৰ্ম। ব্ৰাহ্মণ-চাণ্ডালৰ জাতিবেদ, দাতা আৰু চোৰৰ স্বভাৱভেদ, নীচ আৰু সাধুৰ লক্ষণ ভেদ নাৰাখি কুকুৰ, চাণ্ডাল, গাধ আদিৰো আত্মাত ভগৱন্ত বিৰাজমান, এই ভাৱনাৰে সমস্তৰে সেৱাত আত্মনিয়োগ কৰাটোৱেই হ'ব ঈশ্বৰৰ প্ৰতি একান্ত ভক্তি। (৭) সমস্ত প্ৰাণী দেহত ঈশ্বৰ ভাৱনা নোহোৱা পৰ্যন্ত দেহ-মন-বাক্যৰে এনে অভ্যাসৰ অনুশীলন কৰি যোৱা। (৮) ভক্তি জ্ঞান লাভৰ বাবে আগ্ৰহী সমাজৰ অৱহেলিত শ্ৰেণী স্ত্ৰী-শূদ্ৰয়ো যদি কামনা কৰে তেওঁলোককো উপদেশ দিয়া উচিত; কিন্তু এনে সকলৰ পৰিৱৰ্তে দাম্ভিক, মিছলীয়াক এই উপদেশ দান কৰা অযুগুত। (৯) নিজৰ প্ৰচলিত ধৰ্মক ত্যাগ কৰি যি সকলে ভগৱন্তক একান্তভাৱে বক্তি কৰে তেওঁলোকৰ জীৱন সাৰ্থক হয়। (১০) ভগৱন্তৰ সকলো ঐহিক, পাৰত্ৰিক সম্পদতকৈ কেৱল মাত্ৰ ভকতহে অতি সুহৃদ, আনকি নিজৰ সুন্দৰ দেহৰ মোহো ভকতৰ তুলনাত অতি নগণ্য।

জগতৰ সকলো ধৰ্ম ব্যৱস্থা, সকলো সমাজ ব্যৱস্থাৰ উৰ্দ্ধত থকা জগতপতি শ্ৰীকৃষ্ণই উদ্ধৱক দিয়া এই অমূল্য উপদেশবোৰ যথাযথভাৱে পালন কৰিলে নিশ্চিতভাৱেই জগতত শান্তি প্ৰতিষ্ঠাৰ বাবে অন্য উদ্যোগ গ্ৰহণ কৰাৰ প্ৰয়োজন নহ'ব। এচাম সুবিধালোভী ৰাজনীতিবিদ আৰু এচাম সুবিধালোভী উচ্চ হিন্দুৰ কু-প্ৰভাৱৰ ফলতে জগতৰ সৰ্বশ্ৰেষ্ঠ, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্তিত ভাগৱত ধৰ্মই বিশ্বত বাদেই, ভাৰতবৰ্ষতে প্ৰতিষ্ঠা লভিবলৈ সক্ষম নহ'ল। বিশ্বায়নৰ উদ্দেশ্যে অসমৰ যুৱ প্ৰজন্মৰ ওচৰত এক গধুৰ দায়িত্ব আহি পৰিছে-- মহাপুৰুষ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ কৃতিসমূহ বিশ্বৰ মানৱ সভ্যতাত প্ৰতিষ্ঠিত হোৱাতকৈ পৰিকল্পনা গ্ৰহণ কৰি যথাযথাভাৱে কাৰ্য ৰূপায়ণ কৰা। অন্যথা গুৰু প্ৰদত্ত এই দুৰ্মূল্য প্ৰমূল্যসমূহ বিহ মেটেকাই আগুৰি ধৰি সমূলঞ্চে নিঃশেষ কৰি পেলোৱাৰ উপক্ৰম হৈছে।■■